# প্ৰবাহ

## তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ ষাঠি বছৰৰ নিৰ্বাচিত গল্প সংকলন

TINSUKIA COLLEGE LIBRARY
ESTD 1956

সম্পাদনা
ড° মৃগাংক চৌধুৰী
ড° কমলেশ কলিতা
ৰশ্মিতা বৰকটকী
ড° ৰুবী বৰুৱা
দেৱকান্ত বুঢ়াগোহাঁই

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# প্ৰবাহ

তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ
ষাঠি বছৰৰ নিৰ্বাচিত গল্প সংকলন, ২০১৭ চন।

# প্ৰবাহ

হীৰক জয়ন্তী উপলক্ষে প্ৰকাশিত তিনিচুকীয়া মহাবিদ্যালয়
আলোচনীৰ নিৰ্বাচিত গল্প সংকলন

TINSUKIA COLLEGE LIBRARY
TINSUKIA, ASSAM
ESTD 1956

সম্পাদনা
ড° মৃগাংক চৌধুৰী
ড° কমলেশ কলিতা
ৰশ্মিতা বৰকটকী
ড° ৰুবী বৰুৱা
দেৱকান্ত বুঢ়াগোহাঁই

প্ৰকাশক
অসম কলেজ শিক্ষক সংস্থা, তিনিচুকীয়া মহাবিদ্যালয় গোট
তিনিচুকীয়া, অসম।

Probaah : A collection of selected short stories (Galpa Sankalan) of Tinsukia College Magazine, edited by Dr. Mriganka Choudhury, Dr. Kamalesh Kalita, Ms. Rasmita Borkotoky, Dr. Ruby Boruah, Mr. Debokanta Buragohain on the occasion of Diamond Jubilee Celebration, Tinsukia College (22-25 April, 2017) and published by ACTA, Tinsukia College Unit, Tinsukia, Assam.

প্ৰবাহ

প্ৰকাশকাল

২২ এপ্ৰিল, ২০১৭ চন।

উপদেষ্টা

ড° অপূৰ্ব ভাস্কৰ গগৈ

শ্ৰীমতী অঞ্জনা গোস্বামী

সম্পাদনা

ড° মৃগাংক চৌধুৰী

ড° কমলেশ কলিতা

ৰশ্মিতা বৰকটকী

ড° ৰুবী বৰুৱা

দেৱকান্ত বুঢ়াগোহাঁই

প্ৰকাশক

অসম কলেজ শিক্ষক সংস্থা, তিনিচুকীয়া মহাবিদ্যালয় গোট

তিনিচুকীয়া, অসম।

বেটুপাত পৰিকল্পনা

ড° কমলেশ কলিতা

© প্ৰকাশক

মূল্য

১৫০/- টকা

(গল্পত প্ৰকাশিত মতামত লিখক সকলৰ নিজস্ব, ইয়াৰ বাবে সম্পাদনা সমিতি দায়বদ্ধ নহয়)

ছপাশাল

ছন্দিতা প্ৰেছ

মৰাণহাট, অসম

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

## উচৰ্গা

তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰয়াত শিক্ষক বৃন্দলৈ

## সম্পাদনা সমিতিৰ একাষাৰ...

ঐতিহ্যমণ্ডিত তিনিচুকীয়া মহাবিদ্যালয় উজনি অসমৰ উচ্চ শিক্ষাৰ এক উজ্বল আৰু চিনাকী নাম। বিগত ষাঁঠি বছৰে মহাবিদ্যালয়খনিয়ে অসমৰ বৈদ্যায়তনিক আৰু সামাজিক দিশত বৰঙণি আগবঢ়াই অহাৰ লগতে মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰতো অগ্ৰণী ভূমিকা পালন কৰি আহিছে। মহাবিদ্যালয়খনিৰ পৰা সুখ্যাতিৰে শিক্ষা গ্ৰহণ কৰা ইয়াৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আজি সমাজৰ বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। বৈদ্যায়তনিক দিশৰ লগতে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এক সুকীয়া পৰিচয় আছে। ১৯৫৬ চনৰ ১ চেপ্তেম্বৰ তাৰিখে শুভাৰম্ভ হোৱা তিনিচুকীয়া মহাবিদ্যালয়ে চাওঁতে চাওঁতে আজি “হীৰক জয়ন্তী” বৰ্ষ গৰকিলে। হীৰক জয়ন্তী উদ্‌যাপনৰ বেলাত যোৱা ষাঁঠি বছৰত মহাবিদ্যালয়ৰ বৌদ্ধিক বিকাশৰ দাপোন স্বৰূপ মহাবিদ্যালয় আলোচনীসমূহত প্ৰকাশিত হোৱা এমুঠি নিৰ্বাচিত গল্প সম্ভাৰ প্ৰকাশৰ মানসেৰে ‘প্ৰবাহ’ আপোনালোকলৈ আগবঢ়ালো। ইয়াৰ সৰহভাগেই গল্পৰ পথাৰত প্ৰথম কঠিয়া সিঁচা অপৈণত হাতৰ ফচল। গল্পৰ লিখক সকলে লিখনি সমূহত তেওঁলোকৰ ব্যক্তিগত ভাৱ-অনুভূতিৰ লগতে সমাজৰ প্ৰতি থকা তেওঁলোকৰ দায়বদ্ধতাও প্ৰকাশ কৰিছে। আমি আশাবাদী সুহৃদয় পাঠক সমাজে গল্পসমূহ পঢ়ি নিশ্চয় ভাল পাব। গ্ৰন্থখনি সম্পাদনাত অজানিতে বৈ যোৱা ভুল-ত্ৰুটীৰ বাবে মাৰ্জনা বিচাৰিছো।

ধন্যবাদেৰে ....

- সম্পাদনা সমিতি

... LIBRARY ESTD 1956 TINSUKIA, ASSAM

## কৃতজ্ঞতা

গল্পসংকলন ‘প্ৰবাহ’ প্ৰকাশ কৰাৰ উদ্যোগ হাতত লোৱা বাবে “হীৰক জয়ন্তী উদ্‌যাপন সমিতি”ৰ সমূহ বিষয়-ববীয়া আৰু সদস্য-সদস্যাকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সংকলনটি প্ৰকাশ কৰাৰ বাবে প্ৰয়োজনীয় অৰ্থ সাহাৰ্য প্ৰদানৰ দ্বায়িত্ব লোৱাৰ বাবে ‘অসম কলেজ শিক্ষক সংস্থা’, তিনিচুকীয়া মহাবিদ্যালয় গোটলৈ আমাৰ ধন্যবাদ থাকিল। আমাক বিভিন্ন দিশত উপদেশ, দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে ড° ভূৱন গগৈ, ড° অপূৰ্ব ভাস্কৰ গগৈ, অঞ্জনা গোস্বামী, অজিৎ ফুকন, ড° ৰত্নগোপাল গগৈ, ড° ৰাজীৱ কোঁৱৰ, দেৱানন্দ ভট্টচাৰ্য্য, মুক্তিনাথ শইকীয়া আৰু ড° মৌচুমী গগৈলৈ আমি আন্তৰিক কৃতজ্ঞতা জনাইছো। লগতে ছন্দিতা প্ৰেছৰ স্বত্বাধিকাৰী শান্তনু মহন্ত আৰু সমূহ কৰ্মীবৃন্দৰ তেখেতসকলৰ কৰ্তব্যনিষ্ঠা আৰু সহায় সহযোগিতাৰ বাবেও শলাগ ল’লো।

- সম্পাদনা সমিতি

# সূচীপত্ৰ


- এই চেনেহৰ নাম নাই / মাফিদা বেগম / ৯
- ভগ্ন হৃদয় / জ্যোতির্ময়ী বুঢ়াগোহাঁই / ১৭
- উদ্দীপ্ত শিখা /মাফিদা বেগম /২৩
- কুঁৱলি আঁতৰি গ'লে /লম্বিত কোঁৱৰ / ৩১
- তোমালোকৰ বাবে এটা গল্প / লম্বিত কোঁৱৰ / ৪১
- অন্তৰালত / ৰীতা হাজৰিকা /৪৬
- জীৱন নাটৰ আঁৰত / মায়াশ্ৰী শইকীয়া /৫২
- টেক্‌নিক্ / প্ৰণৱ কুমাৰ বৰঠাকুৰ /৫৮
- দংশন / হৃদয়ানন্দ মহন্ত /৬৭
- অংগীকাৰ / বসন্ত কুমাৰ বৰুৱা /৭১
- অভিজ্ঞতাই ইয়াকে কয়/অনুবাদ ঃ মদন শৰ্মা/৭৯
- গ্ৰহণ / কৃষ্ণ কুমাৰ বড়া /৮৪
- দুৰ্দিনত উত্তৰ পুৰুষৰ জন্ম / নৱনীতা গগৈ /৯৫
- অনিৰ্বাণ / মালৱিকা তালুকদাৰ / ১০২
- বিচ্ছিন্ন স্মৃতি / গুঞ্জনা বৰদলৈ / ১১০
- মোৰ শেষ চিঠি / প্ৰিয়ংকা ছেত্ৰী /১১৩
- অপেক্ষা / ধৰ্মেন্দ্ৰ শইকীয়া/১১৭
- সেন্দুৰ/ বিচিত্ৰা চিৰিং /১২৩
- মধুবালা / শ্যাম ছেত্ৰী /১২৫
- মটৰ চাইকেলৰ ধোঁৱা /চিত্ৰৰঞ্জন চেতিয়া /১৩২
- এমুঠি ৰ'দালিৰ জিল্‌মিল্ / হাস্নাহানা গগৈ /১৩৬
- সেন্দুৰীয়া সপোন / দিপাংকৰ ফুকন /১৪৭
- স্মৃতিভ্ৰংশ/ ৰূপান্তৰ ঃ নৱনীতা গগৈ /১৫৭
- গুৱেৰ্ণিকা / অম্বৰ মৰাণ /১৬৮
- শালগছ / অসমীয়া অনুবাদ ঃ ৰত্ন গোপাল গগৈ /১৭৩
- শেষ প্ৰান্তত / সুৰভি সোণোৱাল/ ১৭৮
- দয়ালুৰ দয়া / ঘনদ্বীপ বৰুৱা / ১৮১
- নয়ণ / ফিজু মৰাণ /১৮৫
- হিংসা পৰমো ধৰ্ম/ অনুবাদ ঃ ৰত্ন গোপাল গগৈ /১৮৯
- জীৱন দান / শুভ্ৰতা দত্ত /১৯৯
- সপোন আৰু এচেৰেঙা ৰ'দালি / চন্দনা শইকীয়া /২০২


❖❖❖

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# এই চেনেহৰ নাম নাই

মাফিদা বেগম

জোনালী বাইদেউৰ বিয়া হৈ যোৱা এমাহ হৈ গ'ল। ইতিমধ্যে বিয়াৰ মানুহ সকলো গুছি গৈছে। ঘৰত আছে কেৱল দেউতা, মা, অঞ্জনদা আৰু ৰম্ভা। চাৰিটা প্ৰাণী নিজৰ চিন্তাতে ব্যস্ত। দেউতা-মাই একেদৰেই ধৰ্মগ্ৰন্থ পঢ়ি পূজা-উপাসনা কৰি দিনবিলাক কটাই দিছে। অঞ্জনদাদাই একেদৰেই অফিচলৈ গৈছে আৰু ঘৰত থকা সময়খিনি ডাঙৰ ডাঙৰ কিতাপ পঢ়ি নিজকে বুৰাই ৰাখিছে। আৰু ৰম্ভাই তেওঁলোকৰ জোনালী বাইদেউৰ বিয়াৰ পিছৰ ভাবান্তৰ বুজাৰ চেষ্টা কৰিছে আৰু এবাৰো সফল হ'ব নোৱাৰি বান্ধি দিয়া ৰুটিনমতে যেন কাম কৰি গৈছে। কাম থকা সময়খিনিত জোনালী বাইদেউৰ কথা পাহৰি থাকিবলৈ যত্ন কৰিলেও আজৰি সময়খিনিত ৰম্ভাই পৰা নাই। নিৰিবিলি সময়খিনিতে তাই জোনালী বাইদেউৰ কথা ভাবি মনে মনে কান্দিছে। কিন্তু কেইবাদিনো চাহ বিচাৰি অহা অঞ্জনদাদাই তাইক কান্দি থকা দেখিও ৰম্ভাৰ ওচৰত কন্দাৰ কৈফিয়ৎ বিচৰা নাই, বৰঞ্চ চলচলীয়া চকুৰে তেওঁ আঁতৰি গৈছে। তেতিয়া ৰম্ভাই অঞ্জনদাই নিজ চকুৰে দেখা কথাটোকো মিছা প্ৰমাণ কৰিবলৈ গানৰ গুণ-গুণনি আৰম্ভ কৰি দিছে।

ৰম্ভাৰ চতুৰালি অঞ্জনদাই বুজি পায়। এনেয়ে অলপ দাৰ্শনিক ধৰণৰ অঞ্জনদাই ডাঙৰ ডাঙৰ কিতাপবোৰ জপাই ভাৱে ৰম্ভাৰ কথা। ৰম্ভাৰ দুখৰ কথা। ৰম্ভা জোনালী বাইদেউতকৈ ডাঙৰ, তাই বাৰু বিয়াৰ স্বপ্ন নেদেখে নেকি? সেইয়া

অবাস্তৱ বুলিয়ে তাইৰ চকুৰ পানী? ওঁঠ কেইটা বেজাৰতে কপি উঠে অঞ্জনদাৰ। ঠিক সেই সময়তে ৰন্তাই সোমাই আহে, সি সুধি পেলায়, "তই কান্দিছিলি কিয় ৰন্তা?"

খিল্ খিল্াই হাঁহি ৰন্তাই উত্তৰ দিয়ে "জোনালী বাইদেউৰ কথা মনত পৰিছিল দাদা"।

অবিশ্বাসৰ ভাৱত অঞ্জনদাই মূৰটো জোকাৰি ৰন্তাৰ ফালে চালে। ৰন্তাই পুনৰ একে হাঁহিৰে কয় - "মই জানো কেতিয়াবা তোমাৰ আগত মিছা কৈছো দাদা। জোনালী বাইদেৱে মোক কিমান মৰম কৰিছিল তাকতো তুমি নজনা নহয়"।

অঞ্জনদাই জানে ৰন্তা আৰু জোনালী বাইদেউৰ মাজত থকা মৰম চেনেহৰ কথা। তথাপি তেওঁৰ অলপ সন্দেহ হয়। এজনী তেজ-মঙহৰ ছোৱালী হৈ তাই এই ভৰ বয়সত বাৰু নতুন ঘৰৰ কথা ভবা নাইনে? অনবৰতে হাঁহি থকা ৰন্তাৰ মুখত তাইৰ ভাববোৰ বুজিবলৈ অলপ অসুবিধা হয় খুউব বেছি Psychology Study কৰা অঞ্জনদাৰ বাবেও।

জোনালী বাইদেউৰ বিয়া হৈ যোৱা পুৰা এমাহৰ পিছত তেওঁ ভিনিদেউৰ লগত ঘৰলৈ আহিব, মা, দেউতা, অঞ্জনদা আৰু ৰন্তাই মাতি পঠাইছে। বাইদেউক আদৰাৰ ক'ত যে আয়োজন কৰিছে ৰন্তাজনীয়ে। ৰন্তাৰ ব্যস্ততা দেখি অঞ্জনদাই ৰগৰ কৰি কৈছিল,"বায়েৰ-ভিনীয়েৰক আদৰিবলৈ তোৰ হাত-ভৰি এই সময়ত আৰু দুখনমান বেছি হোৱা হ'লেও আপত্তি নাছিল নহয় ৰন্তা? দুখন হাত আৰু দুটা ভৰিৰে তইনো কিমান খাটিবি"।

কথাষাৰত ৰন্তাইও আমোদ পাইছিল। হাঁহি হাঁহি তাই কৈছিল, "সৰু ভনীয়েৰা আৰু জোঁৱাই যে কেতিয়া আহিব, তাকে চাবলৈ পদূলীলৈ তুমি কিমানবাৰ ওলাইছা, মই জানো দেখা নাই"।

হাঁহি হাঁহি অঞ্জনদা আঁতৰি গৈছিল। ৰন্তাৰ কথাষাৰ অস্বীকাৰ কৰিব নোৱাৰিলে। আটাইকেইজনী বাই-ভনীৰ মাজত জোনালী বাইদেৱে অঞ্জনদাৰ বেছি আদৰৰ।

ঠিক সময়তে জোনালী বাইদেউ আৰু ভিনিদেউ আহি পাইছিলহি। তেওঁলোকক দেখি ৰন্তাই আনন্দতে কান্দি পেলাইছিল। জোনালী বাইদেৱেও ৰন্তাৰ ডিঙিত সাৱটি ধৰি চকুপানী সামৰিব নোৱাৰিলে। অঞ্জনদাই তেওঁৰ আদৰৰ ভনীয়েকক একো ক'ব নোৱাৰি তেওঁৰ হাতৰ বেগটোকে জোকাৰি জোকাৰি ভিতৰ সোমাই গ'ল। দেউতা, মাৰ চকু-মুখত উদ্ভাসিত হৈ উঠা আনন্দৰ ৰেখা



অস্বীকাৰ কৰিব নোৱাৰিলে। অঞ্জনদা, ভিনিদেউ বা জোনালী বাইদেউ আৰু ৰন্তাই দেখা নিষ্প্ৰাণ নিষ্প্ৰাণ লগা ঘৰখন খন্তেকতে প্ৰাণ পাই উঠিল। পাকমাৰি আনকি দেউতাইও চাই গ'লহি বাইদেউহঁতক খুউৱাৰ কি ব্যৱস্থা কৰা হৈছে। বিশেষকৈ অঞ্জনদাই নিজে অনা ছানাৰ মিঠাই ৰন্তাই দিছে নে নাই তাৰো খবৰ ল'লে। মায়ে নিজে বনোৱা নাৰিকলৰ বৰফি কেইটা আনি মেজৰ ওপৰত দিলেহি। আৰু ৰন্তাই তেওঁলোকক জোৰ জুলুম কৰি সকলো বস্তু খুৱাইহে এৰিলে।

ঘৰখনত মানুহ কমি যোৱাৰ লগে লগে ৰন্তাই নিজে ঠাকুৰ কেইজনে কৰা কামবোৰ কৰিবলৈ লৈছে। চাৰিটা মানুহৰ কামখিনি কৰিবলৈ দহোটামান মানুহ কিয় লাগে? এই যুক্তি দেখুৱাইছিল ৰন্তাই। দেউতা, মা আৰু অঞ্জনদাই প্ৰথমতে সমস্ত কাম এজনী মানুহৰ ওপৰতে জাপি দিয়াৰ পক্ষপাতি নাছিল।

"কাম কৰিলে মোৰ ভাল লাগে, জোনালী বাইদেউকতো পাহৰি থাকিব পাৰিম"। ৰন্তাৰ এই কথাষাৰ শুনি দেউতাহঁতে একো কোৱা নাছিল। ৰন্তাই জোনালী বাইদেউক কিমান ভাল পায় সেইয়া তেওঁলোকৰ এদিনৰ জনা কথা নহয়। অকলেই সকলো কাম নিয়াৰিকৈ চলাই নিয়াত ৰন্তাও অভ্যস্ত হৈ পৰিছিল। জোনালী বাইদেউহঁত সন্তুষ্ট হোৱাকৈ আল ধৰিবলৈ ৰন্তাৰ অসুবিধা হোৱা নাছিল। ৰন্তাৰ বাবে আনিছিল জোনালী বাইদেৱে এজোৰ বৰ সুন্দৰ দামী মেখেলা-চাদৰ। ভিনিদেৱে তাইক দিছিল এজোৰ নতুন ষ্টাইলৰ ছেণ্ডেল। ৰন্তাৰ লাজতে মৰি যোৱাৰ দৰে লাগিছিল তেওঁলোকে বস্তুবোৰ দিয়াত। সৰুভনী বুলি ভবা জোনালী বাইদেউৰ ভিনিদেৱে ৰন্তাক খুলশালীৰ চেনেহ কৰিছিল। জোনালী বাইদেউ অৱশ্যে ৰন্তাতকৈ সৰু। সৰু হ'লেও জোনালী বাইদেৱে আপত্তি কৰা স্বত্বেও ৰন্তাই "বাইদেউ" বুলিছিল। যদিও একান্তই ৰন্তাৰো জোনালী বাইদেউক ভনীৰ চেনেহ হে কৰিবৰ মন গৈছিল, তথাপি ৰন্তাৰ সাহস নাছিল। জোনালী বাইদেৱে বহুতদিনৰ মূৰত ৰন্তাক পাই ক'ত যে কথা পাতিছে। ৰন্তাৰো জোনালী বাইদেউৰ নতুন ঘৰখনৰ কথা শুনাৰ অপাৰ আগ্ৰহ। এজনী মৰমীয়াল শ্ৰোতা পাই জোনালী বাইদেৱেও কাৰোবাক কম কম লগা কথাবোৰ ৰন্তাক কৈছে। ৰন্তাই কিন্তু এনেদৰে কথা শুনাৰ আগ্ৰহ জোনালী বাইদেউতকৈ ডাঙৰ শেৱালী বা মেঘালী বাইদেউৰ ক্ষেত্ৰত দেখুৱা নাছিল। তাৰ কাৰণ বোধকৰো , তেওঁলোকে ৰন্তাক এজনী বনকৰা ছোৱালীতকৈ বিশেষ একো বেছি বুলি ভবা নাছিল। নতুবা ৰন্তাইও তেওঁলোকক ডাঙৰ বাইদেউ বুলি সমীহ কৰি চলিছিল।

ৰন্তা কামত ব্যস্ত থাকোতে জোনালী বাইদেউ আৰু মায়ে গোপন মেলত

বহা দেখি ৰন্তাৰ হাঁহি উঠি গৈছিল। বিয়া দিলে হয়তো ছোৱালীবোৰে ডাঙৰ হৈ গ'লো বুলি ভাৱে। সেই তাহানিৰ ফ্ৰক পিন্ধা জোনালী বাইদেউকো এইদৰে মাৰ লগত দেখি সেইবাবে হাঁহি উঠিছিল ৰন্তাৰ।

ৰন্তাই তেতিয়া ছাগলীৰ মাংসৰে কোৰ্মাখন ৰান্ধিবৰ বাবে ঠিক কৰিছে। জোনালী বাইদেৱে ওচৰতে মূঢ়া এটাত বহি ল'লে। ৰন্তাক মিচিকি হাঁহিৰে দেখি তাই সুধিয়ে পেলালে। কি হ'ল তোৰ ৰন্তা মনে মনে বৰকৈ হাঁহিছ দেখোন।

"তোমাক দেখি হাঁহি উঠিছে। বোৱাৰী হৈ তুমি সেই তাহানিৰ সৰু ছোৱালীজনীয়ে মাৰ লগতো গোপন আলোচনাত বহিব পৰা হৈ গ'লা ভাই। মনত আছে, আগতে যে মাৰ কথাৰ ভাগ বিচাৰিলেই খেদা খাইছিলা"? হাঁহি হাঁহিয়ে ক'লে ৰন্তাই।

হোঁ হোঁৱাই হাঁহি উঠিল, জোনালী বাইদেউৰ।

"বুজিছ, এইয়াইতো বোৱাৰী হোৱাৰ স্বাদ। দেখিছ কিমানখিনি স্বাধীনতা পাই গ'লো।

দুয়োজনীৰ হাঁহিত ৰান্ধনি ঘৰটোৱে এমাহৰ মূৰত প্ৰাণ পাই উঠিল। বহু কথা পাতিলে জোনালী বাইদেউ আৰু ৰন্তাই। জোনালী বাইদেৱে এনে এটা সময়ৰ বাবেই বাট চাই আছিল। ৰন্তাক যাতে কওঁ কওঁ বুলি ভাবি থকা কথাষাৰ ক'ব পাৰি। সুবিধাটো পাই জোনালী বাইদেৱে কৈছিল, "তোৰ যদি বিয়া পাতিছো বুলি কওঁ তই বাৰু কি কৰি ৰন্তা?"

খিলখিলাই হাঁহি উঠিছিল ৰন্তাই, "বিয়া! মোৰ বিয়া?"

হঁহাৰ কথা নহয়, সঁচাকৈয়ে কৈছো।"

"ক'ৰনো সেই ৰাজকুমাৰ ওলালহি জোনালী বাইদেউ?"

"সেইবোৰ পিছ কথা, আগতে তই ক' সন্মতি দিবিনে?"

ৰন্তা এইবাৰ গহীন হ'ল। ক্ষন্তেক চাই একো কোৱা নাছিল। তাৰ পিছত ক'লে, "মোৰ বিয়াৰ কথাষাৰ বাৰু কোনে উলিয়াইছে? সঁচা কথাষাৰকে ক'বা বাৰু দেই।"

জোনালী বাইদেৱে হাঁহি কৈছিল, "মই সোধা প্ৰশ্নৰ সেইটোতো উত্তৰ নহ'ল।" ৰন্তাৰ গহীন মুখখনলৈ চাই তাৰ পিছত তেওঁ ক'লে,"কথাষাৰ দেউতাই কৈছিল মোক, মই কিন্তু সম্পূৰ্ণ মত দিছো, মাৰো মত আছে।"

ৰন্তাই হাঁহিছিল।

"মোৰ বিয়া হ'ব এই কথা কাহানিও ভবা নাছিলো। এখন ঘৰ এৰি আন



এখন ঘৰলৈ যোৱাত বিয়া হোৱাৰ কিবা এটা স্বাদ হয়তো থাকিব পাৰে, মইওতো আপোন ঘৰখনক এৰি তোমালোকৰ ঘৰখনকে আমাৰ ঘৰ বুলি লৈছো কেতিয়াবাতে। এইখন ঘৰ এৰি মই আৰু কাহানিও ক'লৈকো নাযাও, মোক বাৰু কিয় খেদিব খুজিছা? মই নহ'লে যে এক মিনিটো থাকিব নোৱাৰে দেউতা, মা আৰু অঞ্জনদাই কোনেও। তোমালোকে হয়তো বিশ্বাস কৰিবলৈ টান পাবা।"

"জানো বাবেই তোক বিয়া হোৱাৰ কথা কৈছো। তই মাত্ৰ সন্মতি দে। 'ৰন্তাক বুজাবৰ চেষ্টা কৰি জোনালী বাইদেৱে কৈছিল। হাঁহিবৰ চেষ্টা কৰি ৰন্তাই কৈছিল, "মোক বিয়া দিয়াৰ কথা নাভাবিবা, মই নাথাকিলে দেউতা মা আৰু অঞ্জনদা একেবাৰে অকলশৰীয়া হ'ব।"

জোনালী বাইদেৱে ইমান পৰে আখৰা কৰি থকা কথাষাৰ ক'বৰ বাবে প্ৰস্তুত হ'বলৈ অলপ সময় ৰৈছিল তাৰ পিছত ক'লে "তোক যদি কওঁ তোৰ বিয়া অঞ্জনদাৰ লগতে?"

হতবাক হৈ গৈছিল ৰন্তা। মানুহৰ চকুৰ আগত নকন্দা ৰন্তাই চকুৰ পানী সামৰিব পাৰিলে। মুখত জোৰ কৰি এটা ফুটাবলৈ যত্ন কৰি ক'লে, "তোমালোকে পাপ কথা ভাবিছা। ভাতৃ-ভনীৰ মাজত বিয়া হোৱা ক'ত দেখিছা? অঞ্জনদা মোৰ মৰমৰ দাদা। 'আৱেগত শেষ কথা কেইষাৰ কৈ চকু মুদি দিছিল ৰন্তাই।"

"হ'লেও তহঁতৰ এই সম্বন্ধ গঢ়ি লোৱা সম্বন্ধ, বিয়া কৰোৱাত নিশ্চয় একো বাধা নাই। অঞ্জনদাৰ মত পালে তই এই বিয়াত মত দিবই লাগিব।"

ৰন্তাই হাঁহিছিল। অঞ্জনদাই যে মত নিদিয়ে এই কথা ৰন্তাই আগতেই জানিছিল। অঞ্জনদাই প্ৰথমতে ৰন্তাৰ স'তে এটা আবেগিক সম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা কৰিছিল সেই কথা ৰন্তাৰ নজনা নহয়। সেই সময়ত ৰন্তাৰো অঞ্জনদাৰ প্ৰতি বহুত সময়ত দুৰ্বলতা প্ৰকাশ পালেও ৰন্তা সচেতন হৈছিল। তেনে ভাব প্ৰকাশে এসময়ত নিজৰ জীৱনৰ উপৰিও অঞ্জনদাৰ জীৱনতো চেকা পেলাব বুলি ৰন্তা সাৱধান হ'বলৈ শিকিছিল। আশ্ৰয় লোৱাৰ সুবিধা লৈ বিশ্বাসঘাটকতা কৰাৰ সাহস ৰন্তাৰ নাছিল। কাৰণ ৰন্তা আছিল অঞ্জনদাহঁতৰ আশ্ৰিতা, জীয়াই থকাৰ মোহ এৰাব নোৱাৰি তেওঁলোকৰ ঘৰত তাই আছিল এজনী বনকৰা ছোৱালী। অৱশ্যে সকলোৱে স্বীকাৰ কৰাৰ দৰে ৰন্তাই নিজেও স্বীকাৰ কৰিছিল যে তাইৰ ৰূপ প্ৰচুৰ, সেই ৰূপ সৌন্দৰ্য্যক লৈ তাই যিকোনো ৰাজকুমাৰীৰ স'তেই ফেৰ মাৰিব পাৰিলেহেঁতেন। ৰন্তাৰ পৰা একো সঁহাৰি নাপায় অঞ্জনদাৰ ৰন্তাৰ প্ৰতি থকা ভালপোৱা আত্মিক আৰু সৰগীয়ৰ শাৰীলৈ উঠিছিল। তেওঁ ৰন্তাক ভনীৰ চেনেহ কৰিছিল। অৱশ্যে



TINSUKIA COLLEGE LIBRARY ESTD · 1956

দিন যোৱাৰ লগে লগে ৰন্তাৰ এনে লগা নাছিল যে তাই মাত্র এজনী বন কৰা ছোৱালী আৰু অঞ্জনদাৰ ঘৰখনেও পিছলৈ তাইক সেই শাৰীত ৰখা নাছিল।

ভবা কথাখিনি প্রকাশ নকৰি ৰন্তাই মাত্র কৈছিল, "আচ্ছা বাৰু জোনালী বাইদেউ, তোমাৰ কথাটোত মই মান্তি হৈছো, কিন্তু অঞ্জনদাৰ জীৱনত আৰু তোমালোকৰ বংশত এই বিয়াখনে বাৰু কলংক নেপেলাবনে?"

জোনালী বাইদেউৰ যেন খং উঠি গৈছিল। "আমাৰ মনৰ পৱিত্রতাই আচল বস্তু। তইতো তথাকথিত নীচ জাতৰ নহয়, আমাৰ Cast ৰে তই এদিন জীৱনৰ দাবীত আহিছিলি আমাৰ ঘৰলৈ আশ্রয় বিচাৰি আৰু যি চেনেহৰ বান্ধোনেৰে সকলোকে বান্ধি পেলালি তাৰে জীৱন্ত স্বাক্ষৰ হ'ব তোৰ আৰু অঞ্জনদাৰ বিয়া।"

ৰন্তাই একো নকৈ মাত্র হাঁহিছিল। জোনালী বাইদেউৰ মূৰটো সেই তাহানিতে ধৰাৰ দৰে সাৰটি ধৰিছিল।

জোনালী বাইদেউৰ মনত ৰন্তাৰ এনে আচৰণে বিশ্বাস জন্মাইছিল যে ৰন্তা তেওঁৰ কথাত সন্মত। সেইবাবে তেওঁ তৎক্ষণাত অঞ্জনদাক বিচাৰি ওলাইছিল। জোনালী বাইদেউৰ মনোভাৱ বুজিব পাৰি ৰন্তাৰ হাঁহি উঠি গৈছিল।

অঞ্জন দাই তেতিয়া দেওবাৰৰ দুপৰীয়াৰ সদ্ব্যৱহাৰ কৰি ফুলনি বাগিছাৰ ফুলবোৰৰ গুৰিত মাটি পেলাই দিছিল। জোনালী বাইদেউ তালৈকে গৈছিল। আগৰ তেওঁৰ ফুলনিখনত অঞ্জনদাক দেখি ৰগৰ কৰি কিবা কিবি কৈছিল ঘৰখনৰ ভিতৰত সৰু অঞ্জনদা আৰু জোনালী বাইদেউৰ সম্পর্ক আছিল কুকুৰ-মেকুৰীৰ দৰে। কিন্তু ডাঙৰ হ'লত সেই সম্বন্ধ আছিল নিবিড় মৰমৰ বান্ধোন।

জোনালী বাইদেউ যে তালৈ অহা কিবা উদ্দেশ্য আছে Psychologyৰ মাজত অনবৰতে ডুবি থকা অঞ্জনদাই ধৰিব পাৰিছিল। তেওঁ সুধিয়েই পেলালে, "কি ক'ব খুজিছ আক'। ইমান ভূমিকা নল'লেও মোক কথা ক'ব পাৰিবি দে।"

এনেদৰে ধৰা পৰি লাজ পাই গৈছিল জোনালী বাইদেৱে।

"যোৱা, তোমাৰ আগত কথা ক'বলৈ মোৰ ভয় নাই। তুমিতো আৰু বাঘ নোহোৱা যে খাই পেলাবা।"

"ও ক' তেন্তে কি ক'ব খুজিছ।"

"একো নহয় ফুলনি খনহে চাবলৈ আহিছো। অঞ্জনদাই ধৰা পেলোৱাত লাজ পাই জোনালী বাইদেৱে তেতিয়া কথাষাৰ নোকোৱাৰে সিদ্ধান্ত লৈছিল। কিন্তু খেলি-মেলি লগাই দিলে অঞ্জনদাই।

হাতৰ খন্তিডাল জোকাৰি জোকাৰি অঞ্জনদাই ক'লে, "মোৰ বিয়াৰ কথা



ক'বলৈ আহিছতো?"

ফান্দত পৰি হাঁহি সামৰিব নোৱাৰিলে

"তুমি কৈছা যেতিয়া, সঁচাকৈয়ে তোমাৰ বিয়াখন পাতি মা-দেউতাই কাশীলৈ যাব খুজিছে।"

"মোৰ বিয়া নহ'লে যাব নোৱাৰে নেকি?" মৰহা শুকান পাতবোৰ এৰুৱাই অঞ্জনদাই জোনালী বাইদেউলৈ চালে।

"কিয় ৰন্তা, ৰন্তা কাৰ লগত থাকিব?"

"মোৰ লগত।"

"মানুহে বেয়া ক'ব।"

"ককায়েক ভনীয়েক একেলগে থাকিলে কোনোবাই বেয়া কয় যদি ক'ব।" জোনালী বাইদেউৰ ফালে নোচোৱাকৈ ক'লে অঞ্জনদাই।

জোনালী বাইদেউৰ হাঁহি উঠিল।

"একো নহয়, কিন্তু তোমালোকে গঢ়ি লোৱা সম্পর্কটো যে ভাতৃ-ভনীৰ সেইটো বহুতেই নাজানে। ইয়াত তো বিয়া হোৱাত বাধা নাই।"

"মানে?" আচৰিত হৈছিল অঞ্জন দা

"মানে, তোমাৰ বিয়াখন ৰন্তাৰ লগতে পাতি দিব খুজিছে মাহঁতে।"

কথাষাৰত অঞ্জনদা যে অসন্তুষ্ট হৈছে তেওঁৰ বেজেৰুৱা মুখখন দেখি ধৰিব পাৰিলে যদিও জোনালী বাইদেৱে একো নকৈ মনে মনে থাকিল। অলপ সময়ৰ নীৰৱতাৰ পিছত অঞ্জনদাই ক'লে, "ৰন্তাক মই মৰম কৰো, তোক কৰাৰ দৰেই, তাতে যদি মাহঁতে ভুল বুজিছে তেন্তে তেওঁলোকৰ পাপ হৈছে। ৰন্তাক মই বিয়া কৰাব নোৱাৰো। ককায়েকে ভনীয়েকক বিয়া কৰাব নোৱাৰে। সঁচাকৈয়ে এদিন মই ভাবিছিলো, ৰন্তাক বিয়া কৰাম। ৰন্তাৰ প্রতি মোৰ দুর্বলতা আছিল, কিন্তু তাই পৱিত্র, নির্মল। তাই মোক ককায়েকতকৈ বেছি একো বুলি নল'লে। এতিয়া সেইবোৰ কথা ভাবিলে বেয়া লাগে। অনুতাপ হয়, তথাপি বয়সৰ দোষ বুলি স্বীকাৰ কৰো। সেইবোৰ কথা মনত পৰিলে ৰন্তাক আজি মোৰ শ্রদ্ধা কৰিবৰ মন যায়। তাই মোক ৰক্ষা কৰিলে, ঘৰখনকো ৰক্ষা কৰিলে। এতিয়া ঘৰখনৰ এটা প্রাণী হ'লেও ৰন্তা, তেতিয়া আছিল মাত্র আমাৰ বন কৰা এজনী ছোৱালী। সেই সময়ত তাইক বিয়া কৰোৱা হ'লে মানুহে হাঁহিলেহেঁতেন। দেউতা-মা বা তহঁতে জানো ক্ষমা কৰিব পাৰিলিহেঁতেন?"

জোনালী বাইদেৱে একো নামাতিলে। অঞ্জনদাও মনে মনে থাকিল।

"ৰন্তাক বিয়া নকৰোৱা যদি অন্য ছোৱালীকে কৰোৱা।"
জোনালী বাইদেউৰ কথা শুনি অঞ্জনদাই হাঁহিলে।

"মই বিয়া কৰালে ৰন্তা জীয়াই থাকিব নোৱাৰে। তাই কাৰ লগত থাকিব? তোৰ নবৌৱে তাইক কেতিয়াও যে ভাল ব্যৱহাৰ কৰিব নোৱাৰে সেই কথা মই জানো। সেইয়া মই সহিব নোৱাৰো।"

"ইফালে ৰন্তাইও আকৌ এইদৰেই কয়। তাইও তোমালোকক এৰি অন্য এখন ঘৰলৈ যাব নোৱাৰে। অকলশৰীয়া হৈ থাক।"

অঞ্জনদাৰ হো হোৱাই হাঁহি উঠিল। জোনালী বাইদেউৰ বাউসীত ধৰি ক'লে, "বল ভাত খাবৰ হৈ গৈছে। ৰন্তাই আমালৈ চাগৈ বাট চাই আছে। বেচেৰী! তাই আমাৰ ভনী হৈহে উপজিব লাগিছিল। ভগৱানৰ ভুল হৈ গ'ল। যদিও ভুলটো তেনেদৰেই হ'ল তথাপি মই এতিয়া এইটো কথা সদায়ে ভাবো মই আৰু ৰন্তা এক নিবিড় চেনেহৰ পাশেৰে বান্ধ খাই আছো। কোনেও কাকো এৰিব নোৱাৰো। এই চেনেহ সৰগীয়, আত্মিক। এই চেনেহৰ নাম নাই।"

জোনালী বাইদেৱে নিজৰ সমল চকুযুৰিত অঞ্জনদাৰ হাতখনকে হেচি ধৰিলে। জোনালী বাইদেৱে কান্দিছিল, অঞ্জনদাই হাঁহিছিল। ৰন্তাই দৃশ্যটো চকুপানী সম্বৰণ কৰিব নোৱাৰি বাথৰুমত সোমাইছিল। তাত তাই কান্দিছিল মনে মনে। কেতিয়াও মানুহৰ চকুৰ আগত কান্দিব নজনা ৰন্তাই বাথৰুমত চাৰিবেৰৰ মাজত নিজৰে চকুৰ পানীবোৰ চুই চুই চাইছিল। দুখেৰেই আৰম্ভ কৰা জীৱনটোত তাই সেইদিনা অনুভৱ কৰিছিল তাইৰ জীৱনটো হাঁহিৰেও গঢ়ি আছে।

❖❖❖

১৯৭১-৭২ চনত প্ৰকাশিত।



# ভগ্ন হৃদয়

জ্যোতিৰ্ময়ী বুঢ়াগোহাঁই

এটা জীৱনৰ পাতনি দেখিলে তাৰ পৰিণতি কি হ'ব তাক নিৰ্ণয় কৰা যিদৰে সম্ভৱ নহয়, ঠিক সেইদৰেই পৰিণতিটো দেখি পাতনি কি আছিল তাক জনাও সহজ নহয়। হয়তো মোক দেখিলে লগৰ নাৰ্চ, ডাক্তৰ আৰু ৰোগীবোৰে ভাৱে মই খুউব সুখী। শয্যাশায়ী হৈ থকা ৰোগীবোৰক ঔষধ খুৱাবলৈ লওঁতে কেতিয়াবা কোনোজনে কয়, "চিষ্টাৰ তুমি সদায় হাঁহি থাকিবা। তোমাৰ মুখৰ হাঁহিটো দেখিলে আমাৰ ভয়ংকৰ অসুখবোৰো যেন ভাল হৈ যোৱাৰ উপক্ৰম কৰে।" মই পুনৰ হাঁহি এটা মাৰি গুছি আহোঁ।

দিনৰ ভাগত মই বেচ ফুৰ্তিৰেই থাকো। কিয় জানো তেতিয়া ৰোগীবোৰৰ ওচৰত মোৰ মনৰ সকলো দুখ-সুখ হৈ পৰে। কিন্তু যেতিয়া ৰাতি দহ-এঘাৰ বাজে, ৰোগীবিলাক নিদ্ৰামগ্ন হৈ পৰে, ডাক্তৰ আৰু নাৰ্চবিলাকৰ জোতাৰ খট্ খট্ শব্দ আৰু 'ওৱাল ক্লকটোৰ টিক্ টিক্ মাতৰ বাদে অন্য একো শুনিবলৈ নাপাও তেতিয়া মোৰ মনত লুকাই থকাসকলো বিলাক দুখ যেন মনৰ পৰ্দা ভেদ কৰি ওলাই আহে। এই অফিছ ৰুমৰ চকী এখনত বহি টেবুলখনত ভেজা দি সোঁহাতত কলমটো লৈ বহুত কিবাকিবি চিন্তা কৰি থাকো। কেতিয়াবা মোৰ মন গা অলস হৈ পৰে। হাতৰ পৰা অজানিতে কলমটোও সৰি পৰে। খপ্জপকৈ নিজকে ঠিক কৰি লওঁ। লগৰ আন নাৰ্চ বা ডাক্তৰে যদি মোৰ এই চিন্তাক্লিষ্ট মনটোৰ কথা ধৰা পেলাই তেতিয়া যে বৰ লাজৰ কথা হ'ব।

ঠিক আজিও মোৰ মনত পৰিছে বহুত কথা। লিণ্ডাই কালি মোক সকলো ক'লে মোৰ জন্ম কাহিনীৰ পৰা আদি কৰি সকলো কথা। লিণ্ডা মোৰ অতি মৰমৰ বান্ধৱী। তাই মোৰ অনাথ জীৱনৰ সংগী। সৰুৰে পৰা তাইক লগ পাই আহিছো আৰু ইয়াত ট্ৰেইনিং ল'বলৈ আহোতেও একেলগেই আহিছো দুয়োজনী। তাই মোৰ সকলো কথাই জানে। আনবিলাকক মোৰ মনৰ কথাবিলাক নকওঁ। কাৰণ আনে শুনিলে মোলৈ পুতৌৰ চকুৰে চাব। সেইবাবে লিণ্ডাৰ বাহিৰে আনক নকৈ মোৰ নিজৰ ডায়েৰীখনতে লিপিবদ্ধ কৰি থম। মৰিবৰ সময়ত লিণ্ডাৰ ওচৰতে এই ডায়েৰীখন থৈ যাব লাগিব। ডায়েৰীত লেখিবলৈ লোৱা কথাবোৰ ৰাতিপুৱাৰ আগতেই লেখি শেষ কৰিব লাগিব। নহ'লে যে সকলোৱে জানি যাব মোৰ কথাবোৰ।

"উহ, বিষাইছে। চিষ্টাৰ, চিষ্টাৰ...।" অ' ৰোগীজনে বিষতে চিঞৰিছে। ওচৰত কোনো নাৰ্চ নাই সম্ভৱ। এটা শ্লিপিং টেবলেট খুৱাই দিওঁ। বিষতে বেচেৰা শুব পৰা নাই। কৰঙণৰ ওচৰৰ হাড় ডাল গছৰ পৰা পৰি ঠুন-ঠুনীয়াকৈ ভাগিছে।

অ' আৰম্ভ কৰা হোৱাই নাই আচল লেখিবলগীয়া কথাবোৰ। এতিয়া সম্ভৱ ৰাতি দুটা বাজিছে। মই মোৰ জন্মকাহিনী আৰু বিভীষিকাপূৰ্ণ জীৱনটোৰ কথা ডায়েৰীৰ পাতত লেখিবলৈ লৈছো। মোৰ জন্ম হৈছিল এক সম্ভ্ৰান্ত পৰিয়ালত। কিন্তু সেই পৰিয়ালৰ লগত মোৰ কোনো চিনাকি নাই। মোৰ মা কোন আৰু কেনেকুৱা তাক মই কোনোদিনেই দেখা নাই। মোৰ খুউব মন যায় মাক চাবলৈ। মোৰ দেউতাক বহুতদিনৰ আগতে দেখিছিলো যদিও এতিয়া মোৰ অলপো মনত নাই। মই যেতিয়া মিছনেৰী এল. পি. স্কুলত পঢ়ো তেতিয়া লগৰে ছোৱালী এজনীয়ে কৈছিল 'মেৰিলিন, সৌৱা তোমাৰ দেউতা। তুমি তেওঁক চিনি নোপোৱা নহয়? মোৰ মায়ে কৈছে সেই মানুহজনেই হেনো তোমাৰ দেউতা।" মই তাইৰ কথা শুনি জঠৰ হৈ পৰিছিলো। মোৰো যে দেউতা থাকিব পাৰে তাক ভাবি আনন্দও পাইছিলো। মই তেওঁৰ ওচৰলৈ কোবেৰে গৈছিলো। মোক ওচৰলৈ যোৱা দেখি লৰালৰিকৈ গৈ তেওঁ ৰঙা ৰঙৰ ফিয়েট গাড়ীত উঠি মোলৈ ধূলি উৰুৱাই জোৰেৰে গুছি গ'ল। মই ঘূৰি আহি যিজনী ছোৱালীয়ে দেউতাক দেখুৱাই দিছিল তাইৰ ওচৰ পালোহি। তাই মোলৈ চাই জোৰেৰে হাঁহি দিলে। মিছাকৈয়ে কৈছে বুলি ভাবি মই মনে মনে থাকিলো।

কেতিয়াবা কোনো লগৰ ছোৱালীৰ মুখত শুনিছিলো মই জন্ম হোৱাৰ কিছুদিনৰ পাছতে মোক মিছনেৰী স্কুলৰ শিক্ষয়িত্ৰী এগৰাকীৰ লগত থৈ আহিছিল



আৰু যিজনক মোৰ দেউতা বুলি দেখুৱাইছিল তেওঁৰ লগত শিক্ষয়িত্ৰীগৰাকীৰ বেচ বন্ধুত্ব আছিল। শিক্ষয়িত্ৰী গৰাকীৰ কোনো নাছিল বাবে তেওঁ মোক লগত থাকিবলৈ দিবলৈ আপত্তি নকৰিছিল। দেউতাই তেওঁক মোৰ বাবে হোৱা খৰচ-পাতি মাহে মাহে দি আছিল। যেতিয়া মই এল.পি. পাছ কৰো তেতিয়া সেই দেউতাই মোক হাইস্কুলত নাম লগাই দিবলৈ শিক্ষয়িত্ৰী গৰাকীক কৈছিল। তেখেতে মোক মাৰ দৰে মৰম কৰিছিল। মই বিনা প্ৰশ্নে থাকিবলৈ লৈছিলো। লাহে লাহে মই ডাঙৰ হৈ আহিলো। বহুতৰ মুখে বহুত কথা জানিব পাৰিলো। ইমান দিনে মোৰ পঢ়া-শুনা, খোৱা-পিন্ধাৰ খৰচ বহন কৰাজন সঁচাই মোৰ দেউতা। মই হাইস্কুললৈ অহাৰ পৰা দেউতা হোষ্টেললৈও নহা হ'ল। মাত্ৰ মোৰ নামত টকা পঠায়। মোৰ মন যায় দেউতা থকা ঘৰটো বিচাৰি যাবলৈ, কিন্তু হোষ্টেলৰ আৱদ্ধতাৰ হেতু শ্বিলঙৰ বাট-পথ ভালদৰে জনা নাছিলো। তথাপিও দেউতাক মই দূৰে দূৰে পাইছিলো। যদিও তেওঁ মোক কোনোদিনে নিজৰ ছোৱালী বুলি আকোঁৱালী লোৱা নাছিল, তথাপি তেওঁ আছে বুলি জানিয়েই মোৰ ভাল লাগিছিল। কিন্তু মই মাৰ কথা একোকেই গম পোৱা নাছিলো। ডাঙৰ হৈ অহাৰ লগে লগে মোৰ মনৰ খু-দুৱনি ও বাঢ়ি আহিবলৈ ধৰিলে।

কেতিয়াবা এইবোৰ চিন্তা কৰি মোৰ মূৰটো ঘূৰাবলৈ ধৰে। তেতিয়া লিণ্ডাই কয়, "মেৰিলিন, তুমি মিছাতে সেইবোৰ চিন্তা কৰি থাকা। তোমাৰ মা-দেউতা হৈ তেওঁলোকেই যদি তোমাৰ কথা চিন্তা নকৰে তুমি চিন্তা কৰি থাকিবলৈ কি দৰ্কাৰ? সময়ে যি কৰে কৰিব বুজিছা। হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষা পাছ কৰিলে আমি দুয়োজনী নাৰ্চিং ট্ৰেইনিং ল'বলৈ যামগৈ। মোকটো খুড়াই সদায়ে কৈ থাকে পাছ কৰিলে তালৈ যাবলৈ। পিছত যদি পাৰো তোমাৰ জন্ম ৰহস্য আৰু মাৰ কথা বিচাৰি উলিয়াম।"

মই আৰু লিণ্ডা হাইস্কুলৰ শিক্ষা শেষ কৰি গুৱাহাটী মেডিকেল কলেজলৈ নাৰ্চিং ট্ৰেইনিং ল'বলৈ গুছি আহিলো। ইয়ালৈ অহাৰ পৰা দেউতাই মোলৈ টকা পঠোৱা নাই। বহুত কষ্টেৰে লিণ্ডাৰ টকাৰে মোৰ দিনবোৰ কটাই দিলো। তাৰপিছত আহি পৰিল মোৰ গতানুগতিকভাৱে দিন-ৰাতিৰ ব্যস্ততাৰ মাজৰ জীৱনটো। মই ট্ৰেইনিং লৈ থকা সময়তেই ফাগুণৰ পছোৱা বতাহৰ দৰে মোৰ জীৱনলৈ কেইটামান ৰঙীণ দিন নামি আহিল। মোৰ জীৱনলৈ আহিছিল এজন সুপুৰুষ, মোৰ মৰম, ভালপোৱা ভিক্ষা কৰিবলৈ। মোৰ চকুৰ আগতে থকা ধূঁৱলী পৰ্দাৰে তেওঁৰ সম্পূৰ্ণ পাত্ৰ অসম্পূৰ্ণ যেন দেখি মোৰ মন-প্ৰাণ সম্পূৰ্ণ ৰূপে ঢালি দিছিলো। ভৱিষ্যতৰ

ৰঙীণ কল্পনাত মই উটি-ভাঁহি ফুৰিছিলো। বহুত দিন মৰুভূমিৰ মাজেৰে আহি সাগৰ দেখাৰ দৰে হাততে সৰগ ঢুকি পাইছিলো। মই ভাবিছিলো মোৰ ওপৰত ভগৱানৰ পৰীক্ষা লোৱা শেষ হৈছে।

সেইজন সুপুৰুষ আছিল এই মেডিকেলৰ ডাক্তৰ। ডাক্তৰ গ'ল্ডস্মিথ্। তেওঁ সকলো ৰোগীৰ পৰাই সহজে মৰম আদায় কৰিব পাৰিছিল। তাৰ প্ৰধান কাৰণ আছিল তেওঁৰ মোহ লগা ব্যৱহাৰ। মই ভৱিষ্যত সুখৰ আনন্দত তৃপ্তি অনুভৱ কৰিছিলো। মাৰ্কণিয়ে হঠাৎ তেওঁৰ কিবা এটা ডিগ্ৰীৰ বাবে আমেৰিকালৈ যাব লগা হ'ল। হয়তো এইটো তেওঁৰ এটা চেলুহে মাত্ৰ। তেওঁ মোক এৰি গুছি গ'লগৈ সুদূৰ আমেৰিকালৈ। মই তেওঁৰ এই দূৰঅভিসন্ধি বুজি পোৱা নাছিলো। তেওঁ যে মোৰ জীৱনটোক লৈ খেলা কৰিব পাৰে তাক মই অকনো সন্দেহ কৰা নাছিলো। মই তেওঁক সম্পূৰ্ণ বিশ্বাস কৰিছিলো। তেওঁ মোক কৈছিল, "মই এবছৰৰ পিছতে আহিম আৰু আহিয়েই তোমাক বিয়া কৰাম।" মই মাত্ৰ তেওঁ আহি পোৱাৰ দিনটোলৈ ক্ষণ গণিছিলো, বহুত আশাৰে সৈতে মই বাট চাইছিলো এবছৰ নহয়, দুবছৰ নহয়, সম্পূৰ্ণ তিনিটাকৈ বছৰ। মই আশা কৰি আছিলো আমাৰ প্ৰেমৰ সৌধ সাজিবলৈ। দুটা জীৱন চিৰ যুগমীয়া কৰিবলৈ। কিন্তু মোৰ সকলো আশা, সকলো কল্পনা এদিন ভগ্ন স্তূপৰ দৰে চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল। মই জানিব পাৰিলো তেওঁৰ হেনো কোনোবা আমেৰিকান ছোৱালী এজনীৰ সৈতে বিয়া হৈ গৈছে। ইয়াৰ পৰা যোৱাৰ দহ মাহ মানৰ পিছতে। এই কথাটো শুনাৰ দিনা মোৰ এনে অনুভৱ হৈছিল যেন মোৰ ভৰিৰ তলৰ পৃথিৱীখন খহি গৈছে আৰু আশ্ৰয় বিচাৰি মই শূণ্যতে ওলমি ফুৰিছো। উপলব্ধি কৰিছিলো মোৰ মৃত্যুৰেই শ্ৰেয়। কিন্তু সিওটো অসম্ভৱ। মোৰ ব্যৰ্থ জীৱনটোৱে এইদৰে নিষ্ঠুৰ আঘাত সহ্য কৰিবলৈ পাই ভাগি পৰিছিল।

লিণ্ডাই আছিল মোৰ জীৱনৰ একমাত্ৰ সংগী। তাই বৰ ভাল ছোৱালী। মোক এৰি তাই ক'লৈকো যাবলৈ নিবিচাৰে। মই অকলশৰে থাকিলে কষ্ট পাওঁ বুলি তাই নিজৰ বিয়াখনকে পিছুৱাই দিছে। তাই মোৰ অন্তৰখনক আৰু জীৱনটোক খুউব ভালকৈ চিনি পায়। কিন্তু তাইৰো যে বিয়া হৈ যাব কেইটামান মাহৰ পিছতে। জেম্ছে কৈছে বিয়াখন সোনকালে হৈ যোৱা ভাল। জেম্ছ ভাল ল'ৰা। লিণ্ডাৰ লগত বেচ মিলিব। সি লিণ্ডাক কেতিয়াও নঠগে মোক মাৰ্কণিয়ে ঠগাৰ দৰে। সিহঁত সুখী হ'ব। সিহঁত সুখী হওক।

কালিৰাতি মোৰ ডিউটি নাছিল, লিণ্ডাৰো নাছিল। তাই আৰু মই একেটা ৰুমতে থাকো। বহুত নিশালৈকে বহুত কথা পাতিছিলো। এসময়ত তাই মোক



বেদনামিহলি মাতেৰে কৈ গৈছিল মোৰ মা-দেউতাৰ কথা। বহুত খবৰ কৰিহে তাই এইবোৰ কথা উলিয়াইছে। তাই মোক কৈছিল - মই হেনো সঁচায়ে এঘৰ চহকী মানুহৰ ছোৱালী। দেউতাই এতিয়া চাকৰিৰ পৰা অৱসৰ ল'লে। জেম্ছ হেনো শ্বিলঙলৈ কিবা এটা কামৰ কাৰণে যাওঁতে লিণ্ডাই মোৰ দেউতাক লগ কৰি মোৰ বিষয়ে সকলো কথা সুধি আহিবলৈ কৈছিল। দেউতাহঁতৰ ঘৰ আছিল শ্বিলঙত আৰু মাহঁতৰ ঘৰ আছিল দাৰ্জিলিংত। দেউতাই মাক ভালপাই বিয়া কৰাইছিল। কিন্তু মোৰ জন্মৰ কিছুদিনৰ পিছতে মা-দেউতাৰ মতান্তৰ ঘটে। দেউতা আৰু মাৰ প্ৰত্যেক কথাতে তৰ্ক-বিতৰ্ক হৈছিল। অৱশেষত মা নিজৰ দেউতাকৰ ঘৰলৈ গুছি গ'লগৈ। লগত মোক লৈ যাবলৈ ওলাইছিল কিন্তু দেউতা আৰু মোৰ পেহীহঁতে মোক মাৰ লগত যাবলৈ নিদিলে। মা বৰ জেদী আছিল খঙতে মোকো এৰি থৈ গুছি গ'লগৈ সেইবাবে দেউতাই মোক সেই মিছনেৰী স্কুলৰ শিক্ষয়িত্ৰী গৰাকীৰ লগত এৰি দিছিল। শিক্ষয়িত্ৰী গৰাকীয়ে মোক কোনো দিনেই এইবিলাক কথা জানিবলৈ দিয়া নাছিল। তেওঁ মোক আৱশ্যকীয় সকলো বস্তু আনি দিছিল। দেউতাই মোৰ ওচৰত আহি নিজকে চিনাকি দিয়াটো ইচ্ছা কৰা নাছিল।

যেতিয়া মই ক্লাচ নাইনত পঢ়ো তেতিয়া দেউতাই আন এগৰাকী তিৰোতা বিয়া কৰালে। নতুন মা (ওৰফে মাহীমা) য়ে দেউতাই মোলৈ টকা পঠোৱাটো ভাল পোৱা নাছিল। দেউতাই হেনো কেতিয়াবা ভাবিছিল মই মেট্ৰিক দিয়াৰ পিছতে মোক তেওঁ নিজৰ ছোৱালী হিচাবে আদৰি ল'ব, কিন্তু সেইয়া নতুন মায়ে হ'বলৈ নিদিলে। তেওঁৰ আপত্তিতেই মোৰ পৰীক্ষা শেষ হোৱাৰ পিছৰ পৰা দেউতাই মোলৈ টকা পঠাবলৈও বন্ধ কৰি দিলে।

মায়ে মোক এৰি যোৱাৰ তিনিবছৰমানৰ পিছতে মাক-দেউতাকৰ জোৰত আন এজন মানুহৰ লগত বিয়া হয়। এতিয়া মা কলিকতাত। হয়তো বেছ সুখেৰেই কাল কটাইছে। নতুন মানুহজনৰ লগত নিশ্চয় তৰ্ক নকৰে। নতুন সংসাৰ পাই মাই হয়তো মোক পাহৰি গৈছে।

মোৰ অনবৰতে হাঁহি থকা মুখখন দেখিলে কোনো ৰোগীয়ে ধাৰণা কৰিব নোৱাৰে যে মোৰ জীৱনটো ইমান প্ৰহেলিকাময়। একমাত্ৰ জীৱনৰ লগ হিচাবে পোৱা লিণ্ডাৰো বিয়া হ'ব অহা ছেপ্তেম্বৰ মাহত। এতিয়া এপ্ৰিল মাহ। মাজতে মাথোন কেইটামান মাহ বাকী। লিণ্ডা গুছি গ'লে মই যে একেবাৰে অকলশৰীয়া হৈ যাম। কিন্তু অকলে হ'লেও জীয়াই থাকিব লাগিব। মৃত্যু মানুহৰ ইচ্ছাকৃত নহয়। জীয়াই থাকিব লাগিব নতুনকৈ ভৰ্তি হোৱা ৰোগীবোৰৰ মাজত। কিন্তু

এইবিলাকৰ কাকো লিগুাক কোৱাৰ দৰে মনৰ সকলো কথা ক'ব নোৱাৰিম। কাৰণ তেওঁলোকৰ বন্ধুত্ব অলপ দিনৰ বাবেহে। সুস্থ হোৱাৰ লগে লগে তেওঁলোক মোৰ পৰা বিদায় লৈ গুছি যাব। মনৰ কথাবোৰ মনতে গুপুতে থাকিব। কিন্তু জীয়াই থাকিবই লাগিব মোৰ মৰমৰ ৰোগীবোৰৰ পৰিচৰ্য্যাৰ বাবে। জীয়াই থাকিম দুটামান দিনৰ সম্বন্ধটোৰ বাবে। মোৰ বাবে, সেই পৰিচৰ্য্যাৰ সময়কণ আৰু সম্বন্ধটোৱেই হ'ব চৰম তৃপ্তি।

"মেৰিলিন, কি কৰিছা? সাতাইশ নম্বৰ বেডৰ ৰোগী চিৰিয়াচ, সোনকালে যোৱা।" এই বুলি কৈয়েই ডাক্তৰ হাজৰিকা বেগা-বেগিকৈ গুছি গ'ল। মইয়ো যাব লাগিব ৰোগীজনৰ কাষলৈ। ৰোগীজনৰ জীৱনটো বচাবলৈ চেষ্টাকৰি চাব লাগিব। মোৰ যে আচল কৰ্তব্য আহি পৰিছে। ডায়েৰী লেখাৰ সময় কেতিয়াবাই পাৰহৈ গ'ল।

❖❖❖

---

*১৯৭১-৭২ চনত প্ৰকাশিত।*



TINSUKIA COLLEGE LIBRARY * TINSUKIA, ASSAM * ESTD 1956

# উদ্দীপ্ত শিখা

মাফিদা বেগম

এযুৰি নিস্তেজ চকু,
নিষ্প্ৰাণ এটা হাঁহি,
অনামী বেদনাই ছায়া পেলোৱা এখন মুখ।

সেই সকলোবোৰৰ সমন্বয়তে মই দেখিছিলো এক অদ্ভুত সৌন্দৰ্য্য। মই অভিভূত হৈছিলো। মোৰ বাঙ্ময় দুচকুৰ ভাষা পঢ়ি তেওঁ হয়তো কিবা বুজিছিল, মুখৰ বিশেষ অভিব্যক্তি কিন্তু চকুত নপৰিল।

'কিয় আহিছা?' এটা আচৰিত প্ৰশ্ন। কি ক'ম তেওঁক মই। উত্তৰ নাছিল, মই নিজেই নাজানিছিলো কিয় আহিছিলো।

'এনেয়ে !' ক'বলৈ একোকে বিচাৰি নাপাই তেওঁক কৈছিলো।

'আহিব নালাগিছিল!! তুমি সদায় ভুল কৰিছা আৰু ভুল নকৰিবা।

মই হতবাক হৈছিলো। উদাস ভাৱে বাহিৰলৈ চাই তেওঁ কি বিচাৰিছিল সেইয়া আছিল মোৰ উপলব্ধিৰ বাহিৰত সেই দৃষ্টি অনুসৰণ কৰি মই চাইছিলো। তেওঁৰ চকুত ধৰা নপৰাকৈ নোৱাৰিলো। অনিমেষ নেত্ৰে মোৰ ফালে চাই তেওঁ হাঁহি আছিল।

মই তলমূৰ কৰিছিলো।

এটা সুন্দৰ হাঁহি, কিন্তু কি যে বেদনাসনা আছিল।

'মই যাওঁ।' অনুমতি বিচাৰি মই তেওঁলৈ চাই থিয় হৈছিলো।

'নাযাবা !' বাধা দি তেওঁ কৈছিল।

মই ৰৈ গৈছিলো, কিন্তু কিয় ? দুটা জীৱন্ত মানুহ এনেদৰে বোবা হৈ বহি থকাৰ কোনো মানে নাই। মই অস্বস্তি অনুভৱ কৰিছিলো। শেষত কৈছিলো ক'বলৈও বহুত সময় মনৰ মাজত আখৰা কৰিব লগা হৈছিল।

'কিবা কোৱা!'

'কি ক'ম!' তেওঁ মোৰ ফালে চাইছিল, যেন কি ক'ব তেওঁতকৈ মইহে বেছিকৈ জানিছিলো।

'কিবা কিবি! এনেয়ে ভাল লগা নাই।'

'তুমিতো এনেয়ে আহিছিলা।'

মোৰ অসহ্য লাগি আহিছিল। তেওঁৰ এই নিৰুদ্বেগপূৰ্ণ ব্যৱহাৰ মোৰ বাবে যে কিমান উদ্বেগপূৰ্ণ তেওঁ যদি জানিলেহেঁতেন। কিবা ক'বলৈ গৈ মই ৰৈ গৈছিলো। তেওঁৰ মুখলৈ চালে মোৰ কণ্ঠৰুদ্ধ হৈ যায়।

'যাওঁ!' পুনৰ তেওঁৰ পৰা অনুমতি বিচাৰিছিলো।

যাবলৈতো অহা নাছিলো।'

মই জব্দ হৈছিলো তেওঁৰ ওচৰত।

মোৰ অৱস্থা দেখি তেওঁ হাঁহিছিল।

এইবাৰ স্বাভাৱিক হাঁহি। মইও স্বাভাৱিক হোৱাৰ অৱকাশ পাই তেওঁৰ টেবুলত চকু থৈছিলো। দৰ্শনৰ এখন ডাঙৰ কিতাপ আধা মেলা অৱস্থাত। তেওঁ পঢ়িছিল। বিজ্ঞানৰ ছাত্ৰ মই, দৰ্শন পঢ়াৰ অৰ্থ নাই। অলপ কৌতূহল হৈছিল। কৌতূহলবশতঃ চাই পেলাইছিলো। দাৰ্শনিক হিউমৰ কিতাপ।

হিউমৰ প্ৰতি তেওঁৰ প্ৰগাঢ় ভক্তি। হিউমৰ ফিলচফী তেওঁ ভাল পায়। মোলৈ চাই তেওঁ হাঁহি আছিল।

'হাঁহিছা কিয় ? এক অস্বস্তিকৰ অৱস্থাত পৰি মই তেওঁক সুধি পেলাইছিলো 'দৰ্শন নপঢ়িবা। তেওঁ মোলৈ পৰামৰ্শ আগবঢ়াইছিল।

'কিয় ?'

দৰ্শন পঢ়াৰ কথা কাহানিও নাভাবিলেও আপোনা-আপোনি প্ৰশ্নটো ওলাই গৈছিল। তেওঁ কিন্তু একো নকলে। আকৌ একেই নীৰৱতা। এই নীৰৱতা বহু সময়ত অসহ্য হ'লেও, মোৰ বাবে ইয়াত বহুতো কথা আছিল। তেওঁৰ ওচৰলৈ অহাৰ কোনো অৰ্থ নাথাকিলেও তেওঁৰ সান্নিধ্যৰ বাবে মই বাউল হৈছিলো। কিন্তু



কোনো প্ৰেমৰ গুঞ্জনেই ইয়াত নাছিল। মই প্ৰেক্‌টিকেল দৃষ্টিৰে চোৱা কাৰ্য্যবোৰক তেওঁৰ স্পিৰিচুৱেল দৃষ্টিয়ে অসহায় কৰি তুলিছিল।

তেওঁৰ মোৰ মাজত ক'তোৱেই সাদৃশ্য বিচাৰি নাপালেও মই অনুভৱ কৰিছিলোএই আচৰিত বৈসাদৃশ্যৰ মাজতো ক'ৰবাত এক অদ্ভুত সাদৃশ্য লুকাই আছিল। তেওঁক বুজিবলৈ গৈ ব্যৰ্থ হৈছিলো। বৰ অসহায় লাগিছিল মোৰ জ্ঞানৰ অপৰিপক্কতা যেন প্ৰকট হৈ উঠিছিল। মোক বুজিবলৈ তেওঁ চেষ্টা কৰিছিলনে নাই কৰা মই নাজানিছিলো, কিন্তু মোৰ মনৰ গোপন খবৰটোও তেওঁ পাইছিল। তেওঁৰ কাষত গোপন কৰিব খোজা কথাবোৰ এনেদৰে ওলাই পৰিলে মই লাজ পাইছিলো। মই মিছা কোৱাৰ যত্ন কৰিছিলো। তেওঁ তেতিয়া হাঁহিছিল।

তেওঁৰ এই অকাৰণ গাম্ভীৰ্য্য, মৰামানুহৰ দৰে নিৰ্জীৱ ব্যৱহাৰ মোৰ অসহ্য লাগিছিল। মোৰ মুখত সেই ভাবেই বোধকৰোঁ স্পষ্ট হৈছিল। তেওঁ তেতিয়া হাঁহিছিল। কথা কৈছিল। মোৰ প্ৰেকটিচত কিমান লাভ কৰিছো সুধিছিল আৰু কেতিয়াবা মোক জোকাবৰ মনেৰে কৈছিল, তোমাৰ বিয়াৰ কইনা মই চাই থৈছো। তুমি মনে মনে ঠিক নকৰিবা। বিয়া ? মই তেওঁৰ চকুলৈ চাইছিলো। তেওঁৰ চকুত তেতিয়া দুষ্টামিয়ে খেলা কৰিছিল। বিয়াৰ কথা কাহানিবা ভাবিছো। নেকি ভাবিছিলো। তেওঁ কৈছিল ,

বিয়া নাপাতা ?

ওঁহো।

বাঃ বিয়া নাপাতিবা কিয় ? তোমাৰ মোৰ ইচ্ছাত, মোৰ পছন্দও হ'ব লাগিব, ৰাজী ?' তেওঁ আমোদ কৰি হাঁহিছিল।

তোমাৰ বিয়া ?

অকস্মাতে প্ৰশ্নটো মোৰ মুখৰ পৰা ওলাই গৈছিল। মই সুধিছো তোমাৰ কথা'। তেওঁ মোক শুধৰাই দিছিল। 'কিয় তোমাৰ জীৱনৰ এইটো প্ৰয়োজনীয় কাম নকৰিবা ? 'মোৰ অপ্ৰয়োজনীয় আনইম্পৰটেণ্ট জীৱনটোত একো প্ৰয়োজনীয় বস্তু নাই। তেওঁৰ উত্তৰত মই স্তব্ধ হৈছিলো। তেওঁৰ জীৱনটোৰ এক মহান প্ৰয়োজনীয়তা মই সদায়ে উপলব্ধি কৰি আহিছিলো সেইবাবেই তেওঁৰ কথাটো ভাল নালাগিল। 'তেনেকৈ কিয় ভাবা'? মই কৈছিলো। সত্যটোক অস্বীকাৰ কৰাৰ শক্তি মোৰ কেতিয়াও হোৱা নাই।'

তেওঁৰ কথাত এটা স্বাভাৱিক সুৰ আছিল, মোৰ কিন্তু অসহ্য লাগিছিল। 'তোমাৰ ভুল হৈছে। দৰ্শনত নিশ্চয় সেইবোৰ নাই।

মোৰ কথা শুনি তেওঁ হাঁহিছিল। হাঁহিটো মোৰ কাৰণে স্বাভাৱিক নাছিল, কাৰণ তেওঁ এনেদৰে খুউব কম হাঁহে। 'মাটিৰ দেহা মাটিতে মিলি যাব। তেন্তে এইবোৰ কিয় লাগে? তোমালোক ডাক্তৰবোৰৰ কথা অৱশ্যে সুকীয়া মানুহক মৰিবলৈ দিব নোৱাৰা বাবেই তোমালোকে চিকিৎসা কৰা। তোমালোকো সেইবাবেই মৰিব নোৱাৰিবা।

তেওঁৰ কথাবোৰ নীৰৱে শুনি থকাৰ বাহিৰে মোৰ আন উপায় নাছিল। তেওঁৰে সৈতে তৰ্কত জিকাটো মোৰ বাবে কেতিয়াও সহজসাধ্য হোৱা নাছিল। কিন্তু জিকাৰ এক তীব্ৰ আকাঙ্খ্যাই অহৰহ মোক আমনি দিছিল।

কলাফুললৈকে পৰা দীঘল চুলিখিনি মেলি তেওঁ বহি আছিল। মই পিছফালৰ পৰা তেওঁক লক্ষ্য কৰিছিলো। তেওঁৰ নিচেই কাষ পোৱাৰ পিছতো তেওঁৰ ধ্যান ভঙা নাছিল। হাতত বীণাখন আছিল, হয়তো অলপ আগেয়েই বজাইছিল। তেওঁৰ এই ৰূপ মোৰ বাবে অচিনাকি নাছিল। তেওঁৰ পৰা কিছু দূৰত্ব ৰাখি মই চকী এখনত বহিছিলো। এনেদৰে তেওঁ বহি থাকিলে মই মাত দিয়া নাছিলো। তেওঁ বেয়া পাইছিল। সেইবাবেই মাত দিয়াৰ প্ৰয়োজনখিনি নেদেখিলো। মোক দেখি তেওঁ মাত দিছিল,

'কেতিয়াবাই আহিলা?'

মই মূৰ দুপিয়াইছিলো।

মনে মনে আছা কিয়? বিৰহে পাইছে?'

তেওঁ কৌতুক কৰি হাঁহিছিল। তেওঁৰ এই হাঁহি মুক্তাৰ দৰে দুৰ্লভ, মইও যোগ নিদিয়াকৈ নোৱাৰিলো।

'কিবা কোৱা।' তেওঁ কৈছিল।

মই যেন সুবিধা এটা পাই নাচি উঠিছিলো। লগে লগে তেওঁৰ ভাষাৰেই ক'বলৈ আৰম্ভ কৰিছিলো, 'কি ক'ম।'

কিবাকিবি। শুনিবৰ মন গৈছে।

তেওঁ হাঁহিছিল। হাঁহিটোত ৰঙৰ ঢৌ নাছিল যদিও একেবাৰে নিস্তেজ নহয়। কথা ক'বলৈকো নাই। মই গাত নলগা ধৰণে কৈছিলো।

'বাঃ কথা দেখোন ক'ব জানা।

তেওঁ আমোদ পাইছিল। মোৰ কথাই তেওঁক তৃপ্তি দিয়াটো মোৰ বাবে কিমান আনন্দৰ কথা, তেওঁ যদি জানিলেহেঁতেন। অলপ আগতে তেওঁৰ সৈতে তৰ্ক কৰাৰ যি আঁচনি লৈছিলো নিমিষতে নোহোৱা হৈছিল। তেওঁ আৰু একো



নোকোৰাকৈ চুলিখিনি বান্ধিছিল। বিশৃংখল ঘৰটোত যেন তেওঁৰ হাতৰ যাদুৰ পৰশহে লাগিছিল। ইয়াৰ মাজতে তেওঁ মোক সুধিছিল, 'জীৱনত এনেদৰে শৃংখলা আনিব পাৰিবনে?'

কথাটো মই বুজি লৈছিলো। তাৰ পিছত উৎসাহেৰে কৈছিলো, 'নিশ্চয়।' তেন্তে তোমাৰ জীৱনটো থানথিত লগাব লাগিব।' তেওঁ শান্তভাৱে কথাকেইটা কৈছিল।

বিস্মিত হৈ মই তেওঁৰ ফালে চাইছিলো, তেওঁৰ কথাৰ অৰ্থ মোৰ বাবে দুৰ্বোধ্য আছিল। শেষত তেওঁয়েই অৰ্থ ভাঙিছিল,

'তোমাৰ এনেদৰে ভাল হোৱা নাই। সময়ে অসময়ে মোৰ ওচৰলৈ আহিছা, অথচ তোমাৰ বাবে ইয়াৰ মাজত কি অৰ্থ আছে? মন গ'লে খাইছা, শুইছা। মন নগ'লে একোকে কৰা নাই। এইবোৰ জানো ভাল? তুমিটো জানা, কোৱা কেনেকৈ তোমাৰ বিশৃংখল কামবোৰৰ এটা শৃংখলা আনিব পাৰি?'

মই বোবা হৈছিলো। বহুতো কথা হয়তো ক'ব পাৰিলোহেঁতেন, কিন্তু তেওঁৰ কাষত মই বৰ দুৰ্বল। তেওঁৰ মুখলৈ চালে মোৰ ভাষা নোহোৱা হয়। তেওঁ মোৰ অৱস্থা বুজিছিল।

'নোৱাৰি বুজিছা, তুমি বুজি নোপোৱা। ডাক্তৰ হ'লেও তুমি নাজানা তুমি এটা অকণমানি ল'ৰাৰ দৰে নিৰ্বোধ। অদৃষ্ট আমাৰ জীৱনবোৰকলৈ খেলা কৰে। বিবাহ, সংসাৰ, বান্ধোন একোৱেই আমাৰ গতিপথত হাত দিব নোৱাৰে। আমি বৰ অসহায়, বৰ অসমৰ্থ। কথা কেইটা কৈ তেওঁ যেন নিজৰ অসহায় অৱস্থাটোৰ কথা সুঁৱৰি চকুজুৰি জপাই দিছিল। লগে লগে মই দেখিছিলো তেওঁৰ সমগ্ৰ মুখমণ্ডল বিয়পি এক ভাষাহীন দুখৰ ছায়া।

এনে অৱস্থাত মই তেওঁক কিবা কোৱাৰ ভাষা বিচাৰি পোৱা নাছিলো। তেওঁক একো ক'ব নোৱাৰাতে মোৰ পুৰষত্বত আঘাত লাগিছিল।

'জীৱনটোলৈ জানা, বিস্বাদ উপজিছে।' বৰ কষ্টৰে যেন তেওঁ কথাকেইটা কৈছিল। 'বিস্বাদ লাগিলেনো কি কৰিবা,

জীৱন যে তোমাৰ হাততে।

মই এনেদৰে ক'ম বুলি তেওঁ হয়তো ভবা নাছিল। মোৰ ফালে অবাক হৈ তেওঁ চাইছিল। তেওঁ মোৰ কথাৰ প্ৰতিবাদ নকৰাত উল্লাসিত হৈ পুনৰ কৈছিলো,

'জীৱনক সদায় নিৰাসক্তভাৱে কিয় লৈছা? ইয়াৰ বাবে তোমাৰ একোৱেই লাভ হোৱা নাই। মিছাকৈ নিজক কষ্টহে দিছা।'

মই যেন তেওঁৰ ডাঙৰ পৰামৰ্শদাতা হৈ বহিছিলো।

'জীৱন ধাৰাটোৱে ভুল হ'ল।'

তেওঁ নিজকে কৈছিল। কিন্তু কথাবোৰৰ শ্ৰোতা আছিলো মই, গতিকে নীৰৱ হৈ থকাটো উচিত বুলি নাভাবি কৈছিলো,

'তোমাৰ ভাৱধাৰাতো ভুল আছে। জীয়াই আছা বাবেই তুমি কথাবোৰ ভাবিছা। এক ঠেক গণ্ডীৰ মাজতলৈ ফুৰা জীৱনে তোমাক একোকেই দিব নোৱাৰে।'

'তুমি জীৱনক যিমানেই বহল চকুৰে চোৱা জীৱন সীমাবদ্ধই, একেবাৰে লিমিটেড। তোমাৰ মৃত্যু যদি কাইলৈকে, তেন্তে বহল দৃষ্টিৰে চালেও কি দিব তোমাক জীৱনে?'

তেওঁ হাঁহিছিল।

তেওঁলৈ চাব নোৱাৰি মই চকু আঁতৰাই আনিছিলো। তেওঁক তৰ্কত পৰাজিত কৰাটো মোৰ কেতিয়াও সম্ভৱ নহ'ল। মই লাজ পাইছিলো।

সেই প্ৰসঙ্গ এৰাই তেওঁ কৈছিল, 'মোৰ প্ৰতি তোমাৰ আকৰ্ষণ আছে?'

মই যেন বসুমতীক কাকুতি কৰি তললৈ সোমাই যাম। মোৰ সমগ্ৰ মুখমণ্ডলত বিৰিঙি উঠিছিল ঘামৰ কণিকা। এই প্ৰশ্ন মই নিজকে বহুবাৰ কৰিছো, উত্তৰ নিজৰে নাছিল। তেওঁকো একো ক'ব নোৱাৰিলো।

অদ্ভুত ধৰণে তেওঁ হাঁহিছিল। মোক এনেদৰে আৱিস্কাৰ কৰি তেওঁ হয়তো আমোদ পাইছিল, তথাপি মোৰ ক্ষোভ নাছিল। মই যদি তেওঁৰ সহস্ৰ দুখৰ মাজৰ এধানি ৰঙৰ চিক্‌মিক্‌নি হ'ব পাৰো, এই সংসাৰত মোক আৰু একোকেই নালাগে।

তেওঁৰ প্ৰতি আকৰ্ষিত হৈছিলনে নাই ক'ব নোৱাৰো, কিন্তু তেওঁক মোৰ ভাল লাগিছিল। সেই ভাল লগা কেনেকুৱা ধৰণৰ হ'ব পাৰে সেই কথা মই নিজে নাজানিছিলো। নিস্তেজ এটা হাঁহিত, বেজেৰুৱা এখন মুখত ভাল লগা বস্তু নিশ্চয় একো নাছিল, তথাপি যে তেওঁক মোৰ ভাল লাগিছিল সেইটোৱেই আছিল মোৰ বাবে আটাইতকৈ ডাঙৰ কথা।

তেওঁৰ সান্নিধ্যও মোৰ বাবে আছিল এক অনাবিল আনন্দ।

আজি তেওঁৰ কাষত বহি বহি ভাবিছো মোৰ এৰি অহা দিনৰ কথাবোৰ। তেওঁৰ সান্নিধ্যৰে পৰিপূৰ্ণ আছিল সেইবোৰ দিন। কিমান যে মধুসনা আছিল সেইবোৰ দিন। আজি তেওঁৰ কেন্সাৰ। এটা দুৰাৰোগ্য ব্যাধি। জীৱনৰ আশা নাই, কিন্তু জীয়াই থাকিবলৈ তেওঁৰ যে কি দুৰ্বাৰ আশা।

'মই নাবাচিমনে?'



তেওঁ মোক এই কেইটা কথাকে বহুবাৰ সুধিছে। এসময়ত যুক্তিতৰ্কৰ বানেৰে মোক জৰ্জ্জৰিত কৰি তোলা তেওঁক ইমান দুৰ্বল ৰূপত দেখি বাৰে বাৰে মোক শোকে খুন্দা মাৰি ধৰিছে। নিজকে ইমান দুৰ্বলভাৱে প্ৰকট কৰি তোলাৰ পিছতো তেওঁৰ আগত কথা ক'বলৈ, তেওঁৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ মই মাত হেৰুৱাইছো। তেওঁক এটা আশ্বাস দিয়াৰ কৰ্তব্য হয়তো মোৰ আছে, কিন্তু মোৰ সাহস নাই। তেওঁক মই ফাঁকি দিব নোৱাৰো। ইমান দুৰ্বলভাৱে, ইমান অসহায়ভাৱে মোৰ সন্মুখত পৰি থকা তেওঁৰ এই ৰূপ মোৰ খুউব অচিনাকি। এদিন তেওঁৰ জীৱনৰ কাষত দেখা দিয়া সমস্যাবোৰে পুৰুষ হৈও মই সমাধান কৰিব নোৱাৰি অসহায়বোধ কৰিছিলো। হয়তো মোৰ বাকক্ষমতা বৰ দুৰ্বল আছিল। কিন্তু আজি কেন্সাৰৰোগৰ বিশেষজ্ঞ হৈও তেওঁক জীৱনদান দিব নোৱাৰাৰ কষ্টখিনিয়ে মোক কিমান কষ্ট দিছে তেওঁ যদি বুজিলেহেঁতেন।

'মই তেন্তে নাবাচিম?'

মোক নিমাত দেখি তেওঁ সুধিছে।

কি ক'ম তেওঁক মই। কোনোমতে মই নিজকে প্ৰস্তুত কৰি তুলিব পৰা নাই।

'বুজিছা, জীৱনটোৰ দুখবোৰ বৰ দুৰ্বিসহ আছিল। তেতিয়া ভাবিছিলো মৃত্যুত আছে পৰম শান্তি। এতিয়া ভাবিছো জীৱন যন্ত্ৰণা মৃত্যুৰ যন্ত্ৰণাতকৈ নগণ্য। মোৰ ভুল হৈছিল জানা, বৰ কষ্ট হৈছে মোৰ।' তেওঁৰ সমগ্ৰ দেহমণ্ডল বিয়পি নিৰ্ম্মম যতনা প্ৰকট হৈ উঠিছিল।

মোৰ চকুলোৱে চকুযুৰি জাপ খুৱাই আনিছিল। তেওঁৰ কষ্ট হৈছে মইতো নজনা নহয়। তেওঁৰ কষ্টবোৰ প্ৰতিটো মুহূৰ্ততে তেওঁৰ সৈতেই মই উপলব্ধি কৰিছো। কিমান কষ্ট। তেওঁ যদি জানিলেহেঁতেন। মই তেওঁক মৃত্যুৰ গৰাহলৈ আগুৱাই যোৱা দেখিছো। প্ৰতিটো মিনিট প্ৰতিটো চেকেণ্ডতে মই মৃত্যুৰ আহ্বান শুনিছো। এই যন্ত্ৰণা তেওঁৰ মৃত্যুৰ যন্ত্ৰণাতকৈ কম নহয়। মাটিৰ দেহা মাটিতে মিলাই দিবলৈ সদায় ধ্যান কৰা তেওঁ, জীৱনক সদায় সীমাবদ্ধ দৃষ্টিৰে পৰ্য্যবেক্ষণ কৰা তেওঁ আজি জীয়াই থকাৰ বাসনাত বাউল হৈছে। জীৱনলৈ তেওঁৰ মোহ উপজিছে।

তেওঁ যদি জীয়াই থাকিলেহেঁতেন।

তেওঁৰ সম্ভাব্য মৃত্যু কথা জানিও, তেওঁক স্বচক্ষুৰে মৃত্যুৰে আহ্বান জনোৱা দেখিও মোৰ নাস্তিক মনটোৱেও বাৰে বাৰে প্ৰাৰ্থনা জনাইছে। তেওঁ জীয়াই থাকক। তেওঁৰ জীৱনৰ বৰ প্ৰয়োজন।

ইমান কষ্ট হৈছে তেওঁৰ।

যন্ত্ৰণাই তেওঁক বিকৃত কৰি তুলিছে। ইমান যন্ত্ৰণা তথাপি মোৰ পালে চাই মাজে মাজে তেওঁ মিচিকিয়াবলৈ চেষ্টা কৰিছে।

'তুমি মোৰ কাষৰ পৰা নাযাবা। তুমি ডাক্তৰ, তুমি হয়তো মোক মৰিবলৈ দিব নোৱাৰা। কোৱা, পাৰিবা? মই জীয়াই থাকিম নহয়?

মূৰটো দুপিয়াবলৈ গৈ মই ৰৈ গৈছিলো। তেওঁক মই মিছা ক'ব নোৱাৰো। তেওঁক কোৱাৰে মোৰ সাহস নাই মই যে কিমান অসমৰ্থ। তেওঁ যদি দোহাৰিলেহেঁতেন, 'অদৃষ্টই আমাৰ জীৱনবোৰকলৈ খেলা কৰে। আমি বৰ অসহায় বৰ অসমৰ্থ।

তেওঁৰ বহুবোৰ প্ৰশ্নৰ উত্তৰত মই মৌনতাকে অৱলম্বন কৰিছিলো। গভীৰ বিশ্বাস আৰু আশাৰে মোৰ ফালে চাই থকা তেওঁৰ ফালে চাবলৈ মোৰ ভয় লাগিছে। তেওঁক মই আজি একোকেই দিব নোৱাৰো। মৃত্যুয়ে তেওঁৰ জীৱনক লৈ টনা আজোৰা কৰি থকা দৃশ্যটোৰ নীৰৱ দৰ্শক হৈ থকাৰ বাদে মোৰ আৰু একোৱেই সামৰ্থ্য নাই।

মই ভাবিছো, এটা জীৱন শেষ হোৱা নাই, এটা হাঁহিয়ে, এটা জীৱনে জন্মলৈয়েই মৃত্যুক সাৱটি ল'লে। এই জন্ম, এই মৃত্যু বেদনা ইমান মৰ্ম্মান্তিক। মোৰ ধৈৰ্য্যৰ বান্ধ শিথিল হৈ আহিছে। মই কান্দিছো। এগৰাকী ৰোগীতকৈ মই বেছি অসহায়। আশ্বাস দিবলৈও কোনো নাই মোৰ ওচৰত।

ইমান অসমৰ্থ, ইমান অসহায় মই।

জীৱনটোলৈ মোৰ বিস্বাদ উপজিছে।।

❖❖❖

১৯৭২-৭৩ চনত প্ৰকাশিত।



# কুঁৱলি আঁতৰি গ'লে

লম্বিত কোঁৱৰ

সময়বোৰ আগবঢ়াৰ লগে লগে বেলিটোৱে গতি কৰিলে নদীখনৰ সিটো পাৰৰ পাহাৰখনৰ আঁৰলৈ, আবেলিৰ শেষ ৰ'দজাক বুকুত লৈ ৰঙা হৈ পৰা বেলিটোৰ কিৰণবোৰ হেলনীয়াকৈ আহি বিয়পি পৰিছেহি নদীখনৰ বুকুত। কিঞ্চিত নীলা বৰণীয়া পানীবোৰৰ ওপৰত ৰ'দজাক পৰি এতিয়া প্ৰায় হেঙুলীয়া হৈ পৰিছে। প্ৰৱাহমান নদীৰ পানীবোৰৰ ওপৰত ৰ'দজাক পৰি এটা অপূৰ্ব্ব চিক্‌মিক্‌নি উঠিছে। নৈখনৰ বুকুলৈ একেথৰে চাই ৰ'ল দিগন্তই বহুতপৰ। নিজান-নিতাল পৰিৱেশ। নিৰৱতাৰ অবুজ ভাষাই বাৰে বাৰে তাৰ শিল্পী প্ৰাণটোক আমনি কৰি যাব ধৰিলে। সন্মুখত ৰক্তিম আভৰণেৰে প্ৰৱাহমান নদীখন, ওপৰত সু বিস্তৃত বিশাল নীলা আকাশ, এটা বিৰাট বালিচৰৰ মাজত বহি আছে সি। সৌন্দৰ্য্যঘন এনে এটা মুহূৰ্তত কল্পনা বিলাসী তাৰ মন আপ্লুত হৈ উঠিল। অকাৰণতে তাৰ মনটো পূৰ্ণতাৰে ভৰি উঠিল। সুন্দৰৰ মাজত নিজকে বিলাই দিবৰ দুৰ্ব্বাৰ আগ্ৰহ জন্মিল। সৃষ্টিকামী তাৰ শিল্পীমনটো জাগি উঠিল। এনে এটা অপূৰ্ব্বক্ষণক সি ধৰি ৰাখিব বিচাৰিলে। সৌন্দৰ্য্যৰ পূৰ্ণ উপলব্ধিৰ শীৰ্ষ বিন্দুত থিয় হৈ সি এই নিৰ্ব্বাক সৌন্দৰ্য্যৰ এক আমেজ অনুভৱ কৰি দুচকু মুদ খুৱাই দিলে। সি অৱশ যেন বোধ কৰিলে। ক্ৰমে সি উত্তেজিত হৈ উঠিল। এই ৰূপ, এই দৃশ্য সি বাস্তৱ ৰূপত ধৰি ৰাখিব বিচাৰিলে তাৰ ৰঙ আৰু তুলিকাৰে। তাৰ অজানিতেই তাৰ হাত দুখন মুঠি মাৰি ধৰিলে। কিন্তু ৰং তুলিকাৰ

বাবে ইয়াৰ পৰা যোৱা অসম্ভৱ। ঘূৰি আহি হয়তো এই দৃশ্য পুনৰ পোৱা নাযাব। এটা ৰঙা বেলি ৰক্তিম নদীৰ সোঁত, নীলা এশাৰী পাহাৰ, এটা বালিচৰ, কোমল কঁহুৱা ফুলৰ গতিময় নাচোন .......। সৃষ্টিৰ দুৰ্ব্বাৰ আহ্বানত তাৰ মন অসহ্য হৈ উঠিল। কিন্তু ঘৰলৈ গৈ প্ৰস্তুতিৰে আহি যে পুনৰ পোৱা নাযাব ইয়াক। ঘৰ? লগে লগে তাৰ মনটো সেমেকি উঠিল। ঘৰলৈ গ'লেই তাৰ এই আহ্লাদ আনন্দ শেষ হৈ যাব। ঘৰত ৰং তুলিকা বিচৰা গম পালেই হয়তো ভায়েক ভাস্কৰে আৰম্ভ কৰিব সেই ভয় লগা কথাবোৰ। পঢ়ি থকা কিতাপখনকে উদ্ধৃতি দিবলৈ সি এনেকুৱা যুক্তিতৰ্ক আৰম্ভ কৰিব হয়তো তাৰ আৰু অহাৰ সম্ভৱ নহ'ব। কফৰ হেঁচাত কাঁহি কাঁহি ভাগৰি পৰা দেউতাকৰ কাঁহৰ শব্দবোৰে হয়তো লাজ দিব । এনেবোৰ সুন্দৰৰ কথা চিন্তা কৰাৰ বাবে। বাতৰ বিষত অনবৰত বিছনাত পৰি কেকাই থকা মাকৰ চিন্তাই বাস্তৱৰ নাঙঠ ৰূপৰ কথা সোঁৱৰাই দিব। ঘৰতে আবিয়ৈ হৈ বহি থকা মাষ্টৰনী ভনীয়েকে স্পষ্টভাৱে সোঁৱৰাই দিব ঘৰখনৰ প্ৰতি বৰপুত্ৰ হিচাবে তাৰ কৰণীয়খিনি আৰু অক্ষমতাখিনি। আৰু সি তেতিয়াই হয়তো নিৰুত্তৰ হৈ চিন্তা কৰিব তাৰ দোষৰ কথা – অক্ষমতাৰ কথা অসহায়ৰ দৰে। সি জানো অক্ষম? পঙ্গু? তাৰ অভাৱ কি? স্বাস্থ্য, ৰূপ, গুণ, শিক্ষা কিহৰ অভাৱত সি পুতৌৰ পাত্ৰ হ'ব লগা হৈছে? এনেদৰে কিমান সময় পাৰ হৈ গ'ল সি গম নাপালে। হঠাতে কান্ধত কাৰোবাৰ পৰশ পাই সি সম্বিত ঘূৰাই পালে। ঘূৰি চালে ভনীয়েক বিথীকা। তাইও যে লগত আছিল সি পাহৰিয়েই গৈছিল।

"দাদা"

"হু"

"কি ভাৱিছা"

"ওহোঁ একো নাই"। সি অন্যমনস্কভাৱে ক'লে। গোটেই ঘৰখনত কেৱল মাত্ৰ এই বিথীকাহে যি অকল আগ্ৰহেৰে তাৰ লগত কথা পাতে। অৱশ্যে সিহঁতৰ পৰিয়ালটোত এনে এটা পৰিৱেশ সৃষ্টি হৈছেহি আজি কালি যে কোনেও কাৰো লগত কথা পতাৰ আৱশ্যক অনুভৱ নকৰে। প্ৰত্যেকেই নিজৰ নিজৰ ভাগে চলি যায়। সেয়েই স্বাভাৱিক হৈ পৰিছে। "বলা যাওঁ – নোযোৱা"? ভনীয়েকে ক'লে সি দেখিলে আন্ধাৰ প্ৰায় হওঁ হওঁ সি উঠি পৰিল। বেলিটো তেতিয়া পাহাৰবোৰৰ আঁৰত হেৰাই গৈছিল সম্পূৰ্ণভাৱে।

দুয়ো আগবাঢ়িল। ঘৰ অৱশ্যে বেছি দূৰত নহয়। আগৰে পৰা অভ্যাস থকাৰ বাবে দুয়োটাই এতিয়াও ফুৰিবলৈ বুলি আহি থাকে। এয়া সিহঁতৰ আড়ম্বৰ



নহয় অভ্যাসহে। এই কাৰণত ঘৰখনে সিহঁত দুটাক অলপ ক্ষুণ্ণ দৃষ্টিৰে চায়। কিন্তু চেষ্টা কৰিও নৈখনৰ পাৰত এই সময়কণ উপভোগ কৰাৰ মোহ এৰিব পৰা নাই।

'কি ভাবিছা ইমানকৈ দাদা?' বিথীকাই নীৰৱতাৰ মাজত ক'লে।

'নাই অ' একো নহয় দে'। দিগন্তই এৰি যাব বিচাৰিলে ভনীয়েকৰ প্ৰশ্ন।

'কোৱাচোন বাৰু' বিথীকাই এৰি দিব নুখুজিলে।

'হু' অন্যমনস্কভাৱে দিগন্তই ক'লে – এটা বৰ সুন্দৰ দৃশ্য দেখি আহিলো। পাহৰিব নোৱাৰো। মোৰ ৰং তুলিকাৰ পৰশৰ পৰা কিন্তু বঞ্চিত হৈ ৰ'ল। মোৰ মন অতৃপ্তিৰে ভৰি ৰ'ল জান? আবেগত দিগন্তৰ মাতটো সামান্য কপি উঠিল। একমনে শুনি থকা বিথীকাই কৈ উঠিল "কিন্তু দাদা – পূৰ্ণতাৰ পৰিতৃপ্তি প্ৰত্যেকৰ বাবে নহয়। মোৰো মনটো সেইদৰে কহুঁৱাৰ মাজে মাজে উৰা মাৰিছিল পাতল বতাহজাকৰ পৰশ পাই। কিবা এটা সৃষ্টি কৰাৰ উন্মাদনাত মই আত্মহাৰা হৈ উঠিছিলো। কিন্তু বাস্তৱৰ কঠোৰ নিপীড়নে কাকোৱেই ক্ষমা নকৰে যে, ঘৰখনৰ কথা, ভাস্কৰৰ কথাই মোক কাইটৰ দৰে বিন্ধে তেনে উন্মাদনাৰ বাবে" বিথীকাৰ মাতষাৰো সেমেকি আহিছিল শেষলৈ।

দিগন্তই বিথীকালৈ চালে। বিথীকাই সন্মুখৰ ফালে একেথৰে চাই চাই গৈ আছিল লাহে লাহে। সি তলমূৰ কৰিলে। সিহঁত দুয়োটাৰে উৰি ফুৰা কাল্পনিক মনটোৱে বাৰে বাৰে আহি এটা কেন্দ্ৰবিন্দুত খুন্দিয়াইছেহি। সি বুজে, দুয়োটাই জানে এই কথা। সি ভাবে ভনীয়েকৰ কথা। কিমান আশা, কিমান স্বপ্নক বুকুত সাৱতি এজনী গাভৰুৱে যৌৱনৰ দিনবোৰক উপভোগ কৰাৰ চেষ্টা কৰে। তিল তিলকৈ গঢ়ি তোলা যৌৱনৰ ৰংবোৰ কিমান যে হেঁপাহেৰে সাঁচি ৰাখে উপভোগৰ আশাত। অথচ বিথীকাই কৰিছে কি? জীৱনৰ এনে পূৰ্ণতাক উপভোগ কৰাৰ সলনি অভাৱৰ নিষ্ঠুৰ নিপীড়নত তিল তিল যন্ত্ৰণাৰ মাজেদি ক্ষয় নিয়াইছে সেই স্বপ্ন আশাবোৰক আৰু শিকিছে কান্দোনৰ চকুলোক চেপি ৰাখি দুঃখক সহ্য কৰিবলৈ। অকল বিথীকাই নহয় সৰু ভনীয়েক দিপিকাইয়ো। সি ককায়েক হিচাবে কোনো প্ৰতিকাৰেই কৰিব নোৱাৰে। সি জানে, বুজে। কিন্তু অসহায় দুৰ্বলীৰ এক দৰ্শকৰ বাদে যেন একো নহয়। একো কৰিব নোৱাৰে।

সি গান গাই হিয়াৰ আকৰ্ষণত, ছবি আঁকে প্ৰাণৰ তাগিদাত। সফলভাৱে সি স্বীকৃতি পাইছে। 'অথচ....। ভাস্কৰে সেয়ে প্ৰায়ে কয় তুমি গান গাইছা হিয়াৰ অবুজ ভাৱৰ প্ৰকাশৰ বাবে। তুমি সফল হৈছা। সীমিত কেন্‌ভাছৰ ওপৰত অস্থায়ী এসোপা ৰঙৰ চাতুৰ্য্যৰে কল্পনাক জীৱন্ত কৰাৰ চেষ্টা কৰিছা। তাতো সফল হৈছা,

হয়তো। তুমি শিল্পী। বিথীকায়েও সৃষ্টিৰ বাবেই সাহিত্য চৰ্চাত মন প্ৰাণ সঁপি দিছে। প্ৰত্যেকেই নতুন সৃষ্টিকেই বিচাৰে। কিন্তু জানা, তোমালোকৰ কোনোৱেই অজন্তা ইলোৰাৰ স্থায়িত্বও পোৱা নাই। কিন্তু মই - ? মই কি বিচাৰিছো জানা ? মই বিচাৰিছো অজন্তা ইলোৰাতকৈ অধিক স্থায়ী সৃষ্টিৰ। এক সীমিত তুলিকাত অবুজ হাজাৰ ৰঙৰ সমাবেশেৰে নহয়। মোৰ এই দুই হাতৰ শক্তি, শিক্ষা, এবুকু ন্যায়, সত্য আৰু সাহসেৰে । মোৰ সেই সৃষ্টিৰ পটভূমি সমগ্ৰ সমাজ। সেয়ে মই ভাবো মইও শিল্পী। হয়তো স্বীকৃতি নাই পোৱা আৰু তাৰ বাবে আক্ষেপো নকৰো। মই জানো সৃষ্টিকামী মোৰ মন জন্মশিল্পী। বাহ্যিকতাৰ দাম মই নিবিচাৰো। আপেক্ষিক তুলনাত হয়তো তোমালোকে জগতৰ পৰা সহানুভূতি পালা শিল্পী হিচাবে। সুন্দৰৰ পূজা তোমালোকে বহুত কৰিলা কিন্তু সত্যক কিমানদূৰ দাঙি ধৰিব পাৰিছা ? প্ৰাণৰ তাগিদাত গান গালা, ছবি আঁকিলা, কবিতা লিখিলা, অভিনয় কৰি হাঁহিলা-কান্দিলা। তোমালোক সফল হ'লা শিল্পীৰ আখ্যা লৈ। কিন্তু কিমান দূৰ ? সত্য সৃষ্টি কিমান কৰিলা ? জীৱনৰ দাবীত কিমান সৃষ্টি কৰিলা ? এই ঘৰখনৰ প্ৰতি তোমাৰ দায়িত্বৰ ক্ষেত্ৰত এটা অৱস্থান সৃষ্টি কৰিব পাৰিলা নে ? জীৱনৰ প্ৰয়োজনীয়তাৰ বাবে কি সৃষ্টি কৰিব পাৰিলা আজিলৈ ? বিথীকায়ে কিয় জীৱনৰ পূৰ্ণতাৰ বাবে সৃষ্টি কৰি ল'ব পৰা নাই এখন সংসাৰ ? কিয় মনৰ আশা আকাঙ্খাক হত্যা কৰিছে হত্যাকাৰিণীৰ দৰে ? হয়তো এইবোৰকে তোমালোকে পাৰ্থিৱ মূল্যহীন মোহৰ আখ্যা দিবৰ চেষ্টা কৰিবা। কিন্তু এইয়া জানো জীৱনৰ চৰম দাবী নহয় ? সৃষ্টিতেই হেনো শিল্পীৰ সংজ্ঞা। তেন্তে এইটো যুগত এই সমাজত এইবোৰো সৃষ্টি তত্ত্বৰে অঙ্গ নহ'বনে ? কোৱা এই সমাজত এইখন দেশত এই বাস্তৱে তোমালোকক কি দিছে। শিল্পীৰ ভুৱা আখ্যাৰ বাদে দিছে কি ? মিছা কথা তোমালোক কোনো সফল হোৱা নাই ! কোনো ! তুমি, বিথীকা, দেউতা সকলো ব্যৰ্থতাৰ প্ৰতীক মাত্ৰ... ব্যৰ্থতাৰ। "উস" দিগন্তই অসহ্যভাৱে অস্ফুট আৰ্তনাদ কৰি উঠিল। কথাবোৰ যেন ভাস্কৰে চিঞৰি চিঞৰি তাৰ দুকাণৰ কাষত কৈ আছেহি। সি শুনিব নিবিচৰা, ভয় কৰি কথাবোৰ যেন সি শুনিয়েই আছে। 'কি হ'ল দাদা' কাষে কাষে একে তন্ময়াতে গৈ থকা বিথীকাই উচপ খাই ককায়েকৰ ফালে চালে, "হুঁম্ - নাই একো নহয় একো নহয়"। খৰধৰকৈ ক'লে দিগন্তই। হাতখনেৰে এবাৰ কপালখন মুচি পেলালে। "মই কিন্তু বুজিছো, তুমি কি ভাবিছা" বিথীকাই একে গহীনভাৱে ক'লে।

'তই কি বুজিছ?' আচৰিতৰ দৰে ক'লে দিগন্তই।

'এই যে তুমি কি ভাবিছা। বিথীকাই ক'লে ।



'ওহোঁ মিছা কথা নাই বুজা তই' অস্বীকাৰ কৰাৰ চেষ্টাৰে ক'লে দিগন্তই। বিথীকাই প্ৰায় লগে লগে উত্তৰ দিলে - 'কিয় নুবুজিম, শতকৰা এশভাগেই বুজিম। ঘৰখনত মাত্ৰ এটা ভাস্কৰেই আছে । যিয়ে স্পষ্টতাৰ ভেজা লৈ আমাক আক্ৰমণ কৰে। কিন্তু জানা দাদা, মই ভাবো ভাস্কৰেই সত্য ? তুমি ছবি আঁকা, গান গোৱা, মই কবিতা লিখো, অভিনয় কৰো, কিন্তু জীৱনক বাস্তৱ দিশবোৰৰ প্ৰতি লক্ষ্য কৰি নিষ্ক্ৰয় হৈ বহি থাকো। তাৰ বাদে অন্য কোনো উপায় নাই। শিল্পী হৈও সত্যৰ পূজা কিমানদূৰ কৰিছো সন্দেহ।

দিগন্তই ভাবি নাপালে বিথীকাই কেনেকৈ জানিলে তাৰ মনৰ ভাৱ ৰাজিৰ কথা। সঁচাই সিহঁত দুয়োটাৰ চিন্তাৰ সুঁতি একে সুঁতি হৈ পৰিছে নেকি? হ'ব পাৰে। সি ক'লে "কিন্তু বিথী শিল্পী মানেই হ'ল সত্য ও সুন্দৰৰ পূজাৰী, আমি জানো সত্যক অৱমাননা কৰিছো?" "নাই কৰা। কিন্তু আংশিকভাৱে হ'লেও উপেক্ষা কৰিছো। কৰিবলৈ বাধা হৈছো। প্ৰকৃত অৰ্থত জানা দাদা, শিল্পীৰ ভূমিকাত আমি সত্যক আঁতৰৰ পৰা নিৰীক্ষণ হে কৰো। তাৰ ভিতৰত সোমাই পৰাৰ অৱকাশৰ নতুবা ইচ্ছাৰ অভাৱ আমাৰ।"

কথাখিনি মনতে এবাৰ ভাবি চালে দিগন্তই। হয়তো সঁচা কথা, বহু ক্ষেত্ৰত সি সত্যক স্বীকাৰ কৰিব পৰা নাই। তাৰ অৱচেতন মনে তাক বাধা দিছে হয়তো। অকল সি কিয় এই সমাজৰ কিমান জনেইবা সত্যক স্বীকাৰ কৰিবলৈ আগবাঢ়ে। এৰা, ভাস্কৰে ঠিকেই কৈছে "জানা দাদা, সত্য আৰু সুন্দৰৰ পূজা কৰা বুলি চিঞৰি-বাখৰ কৰিলেও প্ৰকৃত পক্ষত সত্য পূৰ্ণভাৱে পূজিত নহয়। সত্য বঞ্চিত, তুমি যদি আজি সত্যক উলংগভাৱে প্ৰকাশ কৰিবলৈ যোৱা সমাজে তোমাক পুৰস্কৃত নকৰে। বৰং তিৰস্কৃতহে কৰিব। কোৱা দেউতালৈকে চোৱা বাৰু - কি পালে ? "দেউতা।" অকস্মাতে দিগন্তই উচ্চাৰিলে।

"কি হ'ল"? বিথীকাই সুধিলে।

এইবাৰ দিগন্তই সহজভাৱে ক'লে - "দেউতাৰ কথাকে ভাবিছো। দেউতাৰ কথা আমি যিমান ভাবো ভাস্কৰে হয়তো তাতকৈ বেছিকৈ ভাবে। অকল কিয় - গোটেই ঘৰখনৰ কথাকে সি হয়তো আমাতকৈ বেছিকৈ ভাবে। বিচাৰ কৰি চাব বিচাৰে"। "এৰা" - ধীৰ ভাৱে বিথীকাই ক'লে - ভাস্কৰ দেউতাৰে দ্বিতীয় সংস্কৰণ হ'ব চাবা। কেৱল ঘৰখনেই নহয় গোটেই সমাজখনকে সি নিজৰ দৃষ্টিত আপোনভাৱে গ্ৰহণ কৰিছে। অন্ততঃ মই ভবাত সি তাকে কৰিবলৈ চেষ্টা কৰিছে। দেউতাই যিদৰে কৰিছিল "ওঁ" সৰুকৈ শলাগিলে দিগন্তই। এৰা দেউতাই সমস্ত দেশখনকে নিজৰ

ঘৰ বুলি ভাবি লৈছিল এটা সময়ত। সেইবোৰ বহুত পুৰণি কথা। পৰাধীন অৱস্থাৰ কথা। দেশৰ মুক্তিত নিজৰ জীৱনৰ চৰম সাৰ্থকতাক সাঙুৰি দিছিল। জেইল খাটিছিল দেহত সহ্য কৰিছিল অসহনীয় অত্যাচাৰ। তাৰ চিন আজিও আছে। সেইবোৰ ক্ষত চিহ্নক লৈ দেউতাকে আজিও গৌৰৱ কৰে। দেশৰ মুক্তি আন্দোলনত যোগ দি ঘৰ-বাৰী সকলো অকাতৰে দান কৰি দিছিল কংগ্ৰেছৰ নামত। উদ্দেশ্য দেশৰ মুক্তিতকৈ এইবোৰ ডাঙৰ হ'ব নোৱাৰে। দেশৰ মুক্তিৰ বাবে দিব পৰা প্ৰতিটো বস্তুৱেই দান কৰি যোৱা আত্মীয় স্বজন ত্যাগ কৰিছিল। নিজৰ পৰিয়ালৰ কথা তল পৰিছিল। শেষত স্বাধীনতা আহিল। দেউতা বহুতৰ দৰে লাখ লাখ দেশকৰ্মী যুঁজত জয়ী হ'ল। তথাপি দেউতাক জয়ী নহয় পৰাজিতহে।

সিদিনা অলপতে দেউতাকক মুক্তি যুঁজাৰুৰ মানপত্ৰ পোৱাৰ কথা কৈছিল দিগন্তই। তেতিয়া ভাস্কৰে খঙত অগ্নিশৰ্মা হৈ উঠি কৈছিল।

"নাই নালাগে। আৱেদন নিৱেদন কৰি পোৱা মুক্তি যুঁজাৰুৰ পেন্সনৰ টকা ল'ব নালাগে।

কি আচৰিত এই দেশৰ নীতি? দেশসেৱাৰ বাবেও পাৰিশ্ৰমিক ল'ব খোজে?

"কিন্তু এইয়া পাৰিশ্ৰমিক নহয় ভাস্কৰ"? দিগন্তই বাধা দিয়াৰ চেষ্টা কৰি কৈছিল -

"অন্যৰ কথা বাদ দিয়া অন্তত আমাৰ ঘৰত এইয়া মজুৰীৰ দৰেই। লজ্জাজনক হ'লেও সত্য। অথচ তোমালোকেই কোৱা শিল্পীয়ে পাৰ্থিৱ মোহৰ পৰা উৰ্দ্ধত বুলি। তেন্তে? দেউতা শিল্পী। কাৰণ ঈশ্বৰে পৃথিৱী সৃষ্টি কৰিছে। গতিকে তেওঁও শিল্পী। দেউতাহঁতেও দেশখনক গঢ়িবলৈ বিচাৰিছিল, যেতিয়া শিল্পী হ'ব নোৱাৰে নেকি?" অৱশ্যে ব্যৰ্থ শিল্পীহে। কি সৃষ্টি কৰিব বিচাৰিছিল জানা? এখন ৰামৰাজ্যৰ! এখন কাল্পনিক অপূৰ্ব সুন্দৰ ছবিক ৰঙীণ ৰূপ দিয়াৰ চেষ্টা কৰিছিল। কিন্তু ভুল ৰঙৰ সমাৱেশ আৰু কেঁচা হাতৰ অপৈনত পৰশত সেই ছবি পৰিণত হ'ল এক কুৎসিত বীভৎস ছবিলৈ। ৰামৰাজ্যত আধিপত্য বিস্তাৰ কৰিলে কংস, ৰাৱণ হিৰণ্যকশিপুৰ বংশধৰহঁতে। যি নহওঁক। খুজি সন্মান ল'বলৈ যাবৰ দৰকাৰ নাই।"

শেষত ভাস্কৰৰ কথাই ৰজিল। দেউতাকে একো নামাতিলে। অৱশ্যে আজি কালি দেউতাকে প্ৰায়েই নীৰৱ হৈ থাকে। আগতে কথা কৈছিল সাংঘাটিক বেছিকৈ। কৈছিল এই ভাস্কৰৰ দৰেই কথাবোৰ। অতীতৰ কথাবোৰ যেনে কিদৰে স্বাধীনতা যুদ্ধত অংশ গ্ৰহণ কৰিছিল। কিদৰে শাস্তি ভোগ কৰিছিল। স্বাধীন দেশত



মানুহৰ কিমান উন্নতি হয় - দেশৰ কেনে উন্নতি হয় ইত্যাদি। কিন্তু লাহে লাহে মানুহে আমনি পোৱা হ'ল কথাবোৰ শুনি। লাহে লাহে দেউতাকক সকলোৱে এৰাই চলা হ'ল। দেউতাকে উপায় নাপায় মানুহ বিচাৰি ফুৰিবলৈ ধৰিলে। শেষত এদিন অকস্মাতে দিগন্তহঁতে শুনি পালে সকলোৱে দেউতাকক পাগলৰ আখ্যা দি পেলাইছে। দেউতাকৰ এই আখ্যাটো সৰ্বপ্ৰথমে শুনিছিল বেমাৰী মাকে। ওচৰৰ এগৰাকী মহিলাই সেইদিনা কথা প্ৰসঙ্গতে কৈ পেলাইছিল যে সকলোৱে সিহঁতৰ দেউতাকক পাগল বুলি ক'ব ধৰিছে। গধূলি মাকে কান্দি কান্দি কথাষাৰ সিহঁতৰ আগত কৈছিল। দিগন্তৰ হিয়া ভাগি কান্দোন ওলাব খুজিছিল। কিন্তু কান্দিব পৰা নাছিল। ভাস্কৰে কিছুসময় মৌন হৈ কৈছিল "অ অ পাগল দেউতা পাগল হ'ল কি হ'ল? এইখন ঘৰৰ সকলোৱেই পাগল। এই ঘৰৰ মানুহে ছবি আঁকিব পাৰে, গান গাব পাৰে, সাহিত্য চৰ্চ্চা কৰিব পাৰে, অভিনয় কৰিব পাৰে, দুদিনীয়া লঘোণত নাখায়ো থাকিব পাৰে। তাতোকৈও ডাঙৰ কথা সত্যক অস্বীকাৰ কৰিব নোৱাৰে। সত্যক প্ৰকাশ কৰাৰ বাবেই দেউতা পাগল জানা মা। এইখন ঘৰৰ পৰা সমাজে বহুত বিচাৰে , আদায় কৰিব লাগে। প্ৰতিটো দাবী সমাজৰ। কিন্তু একো নিদিয়ে সমাজে। এইখন সমাজেই আমাৰ নহয়।"

খঙত ভাস্কৰে কঁপি আছিল। দিগন্তই কৈছিল "শান্ত হ'চোন ভাস্কৰ।"

"কিহৰ বাবে শান্ত হ'ম? এইখন ঘৰত সকলো আছে কিন্তু নাই এটা বস্তু। যিটো বস্তুৰ বাবে এইখন সমাজৰ প্ৰত্যেকেই পাগল, বলীয়া সেই টকা। সেই টকা নাই এই ঘৰত - যদি থাকিলেহেঁতেন তেন্তে কোনেও এনে কথা নক'লেহেঁতেন। ফুটনী মৰা লোকেৰে ভৰা এই ভণ্ড সমাজখন চোৱা। চোৱা। দাদা সকলো বুজিও মিছাই শান্তনা লভি লাভ নাই। বাদ দিয়া তোমাৰ ৰং আৰু তুলিকা। বিথীকা, বাদ দিয়া কাকত কলম আৰু শব্দৰ খেলা। প্ৰথমতে সকলোৱে অন্তত এইখন ঘৰৰ মজিয়ালৈ প্ৰকৃত সন্মান আনি লোৱা। ভুৱা তোষামোদ নহয়।

সিদিনাৰ পৰা দিগন্ত, বিথীকাই সকলো বাদ দিছে। দিগন্তৰ ৰং আৰু তুলিকা পৰি আছে অনাদৰত। অৱশ্যে চিৰদিনৰ বাবে নহয়। চিৰদিনৰ বাবে ত্যাগ কৰা সম্ভৱ নহয় বুলি দিগন্তই জানে। তথাপি আগৰ উৎসাহ হয়তো ভালেখিনি হ্ৰাস পালে। বিথীকাৰো একে অৱস্থা। সৃষ্টিৰ উন্মাদনাত কেতিয়াবা সিহঁত হৈ পৰে অস্থিৰ। দিগন্তই লুভীয়া চাৱনিৰে চাই তাৰ ৰঙৰ বাকচটোলৈ। বিথীকাই চাই পঢ়া টেবুলৰ পৰা একোণত থকা সৰু ৰঙা এক্সচেচাইজ বহীখনলৈ আৰু তাৰ পিছতে ভাঁহি উঠে দেউতাকৰ কাঁহৰ শব্দ, মাকৰ কেঁকনি, ভাস্কৰৰ ৰঙা মুখখনলৈ চালে শীতল

হৈ আছে - সেই সাময়িক উৎসাহ।

এদিন এনেকুৱা এক মুহূৰ্ততে সিহঁতৰ মনৰ কথা বুজিব পাৰিয়েই হয়তো ভাস্কৰে হঠাতে কৈছিল -

"চোৱা দাদা - বিথীবা শুনা, সৃষ্টিত হেনো নতুনত্ব থাকে। তোমালোকে সৃষ্টিৰ গতিক হেঁচা দি ৰাখিছা কিয়? দিয়া প্ৰবাহিত হ'ব দিয়া। তোমালোকৰ সৃজনী শক্তিক। কিন্তু দাদা তুমি এনে এক নতুন ছবি আঁকি দিয়া যাৰ বুকুত থাকে সত্যৰ কাহিনী। বিথীকাৰ কবিতাটো যেন সেই নতুন সত্যই থাকে। এনে এক সৃষ্টি কৰিবা যাৰ বাবে আমাৰ আজিৰ এই চাম নতুন পুৰুষে পায় সাহস, পায় উৎসাহ। এনে এক ছবিক ৰূপ দিবা যেন তাৰ মাজেদি প্ৰকাশ পাই এই সমাজৰ পঙ্কিলতা আৰু আমি নতুন শক্তিধৰহঁতে পাওঁ ধৰ্মৰ ইঙ্গিত, লাচিত, চিলাৰায় জ্যোতি, বিষ্ণুৰ সাহস, মূলা, জয়া, কণকলতা, ভোগেশ্বৰী ফুকননীৰ মহানতা সকলো যেন আমি তাৰ মাজতেই পাও। এখন নতুন ছবি আৰু এটা নতুন কবিতা। পাৰিবা?

সিহঁত দুয়োতাই কোনো উত্তৰ দিয়া নাছিল। ইটোৱে সিটোৰ চকুলৈ চাই পুনৰ আঁতৰাই নিছিল। এতিয়া এই সময়তো এবাৰ দিগন্তই হঠাতে ভনীয়েকৰ ফালে চালে। ভনীয়েক বিথীকাই একেমনে গৈ আছে। সি সুধিলে "ভাস্কৰে কোৱা সেই নতুন সত্যৰ সৃষ্টি জানো সম্ভৱ হ'ব?" " কিয় নহ'ব?" বিথীকাই ক'লে হ'বই লাগিব। সঁচাই আমি ভুৱা কল্পনাৰ হাঁহি, আশা, স্বপ্নৰ ছবি বহুত দেখিলো এতিয়া আৰু সেই দিন নাই। এতিয়া পৰিৱৰ্তনৰ জোৱাৰ আহিছে। সত্য আৰু সাহসৰ ছবিহে প্ৰকৃত সৃষ্টিৰ আখ্যা পাব পাৰে। এইখন সমাজ বহুতো অন্যায় অনাচাৰেৰে ভৰি পৰিছে। ইয়াক ধ্বংস কৰিবৰ নিতান্তই প্ৰয়োজন। ধ্বংসৰ ভেটিতেই সৃষ্টিৰ কঠিয়া সিঁচিব লাগিব।"

সংযতভাৱে কোৱা বিথীকাৰ কথাখিনিৰ মাজত দিগন্তই প্ৰথমবাৰৰ বাবে যেন এক সত্য উদ্‌ঘাটন কৰিলে। এক নতুন সত্য। ইতিমধ্যে সিহঁত দুয়োটাই আহি ঘৰৰ সন্মুখ পালেহি।

নঙলা ডাল খুলিবলৈ লৈয়েই দিগন্তই দেখিলে ঘৰৰ নঙলা খোলা আছে। চোতালখনৰ ফালে চাই দেখিলে কেইজনমান লোক চোতালতে বহি আছে। কেইজনমানে কিছু আঁতৰত ঠুক ঠাক শব্দৰে কিবা কৰিব ধৰিছে। ভিতৰত মাকে ৰাউচি জুৰিছে। অজান আতংকত মন প্ৰাণ জঠৰ হৈ গ'ল দিগন্তৰ। ভনীয়েকলৈ ঘূৰি চালে। কিছু সময় থমকি ৰৈ বিথীকাই দৌৰ মাৰিলে চোতাললৈ। দিগন্তও আগবাঢ়িল। কিন্তু ওচৰ চাপি থৰ লাগি ৰ'ল। কাৰ মৃতদেহ সৌৱা তুলসীৰ তলত?



উপস্থিত সকলোৱে সিহঁতলৈ চালে। বিথীকাই একেকোবে মাকৰ ওচৰ পালেগৈ। দিগন্তই কাষৰে মাণিক মাষ্টৰক সুধিলে -

"পেহাদেউ কি হ'ল?"

মাণিক মাষ্টৰ নিমাত।

"নোকোৱা কিয় পেহাদেউ ?" দিগন্তৰ কান্দোন মিহলি মাতষাৰ শুনিয়েই যেন আগবাঢ়ি আহিল আন্ধাৰ চুকটোত থকা ভাস্কৰ।

"একো নহয় দাদা শেষ হৈ গ'ল"।

"কি শেষ হৈ গ'ল ভাস্কৰ?"

"দেউতা, দাদা আজি শেষ হৈ গ'ল। খুউব গহীন হ'বৰ চেষ্টা কৰিলেও ভাস্কৰৰ মাতষাৰ কঁপি উঠিল। "ভাস্কৰ" এক বিকট চিঞৰ মাৰি দিগন্তই বাগৰি পৰিল মৃতদেহটোৰ ওপৰত। "দেউতা এইয়া তোমাৰ কি হ'ল দেউতা।" দিগন্তই সৰু ল'ৰাৰ দৰে কান্দি উঠিল। ভিতৰত মাকৰ লগতে বিথীকাৰ হিয়া ভগা কান্দোন। এবাৰ বিথীকা ওলাই আহি দেউতাকৰ মৃতদেহৰ কাষত বহি পৰিল। একে কোবে মূৰৰ বগা কাপোৰখন আঁতৰাই দিলে আৰু লগে লগে দুয়োটা চকু ঢাকি চিঞৰি উঠিল। থিয় হৈ থকা ভাস্কৰে মুখখন ঘূৰাই লৈ ওলাই আহিব খোজা চকুপানীখিনিক জোৰ কৰি বন্ধ কৰি ৰাখিব খুজিলে। বিথীকাই থিয় হৈ ভাস্কৰৰ বুকুত ধৰি সুধিলে "এয়া কি হ'ল ভাস্কৰ? দেউতাৰ কি হ'ল"। "কি হ'ব বিথীকা" ভাস্কৰেও উচুপি পেলালে শেষত। "সৰু বাইদেউ মুহীধৰ পিয়নৰ লগত পলাই গ'ল। গধূলিৰ আগে আগে খবৰ পালো। দেউতাই শুনিয়েই দৌৰি ৰাস্তালৈ ওলাই গৈছিল। আৰু তাতে গাড়ী খুন্দাত ......।

শেষ কৰিব নোৱাৰিলে ভাস্কৰে।

"দিপীকা পলাই গ'ল" বিথীকাই উচ্চাৰিলে।

"অ দিপীকা পলাই গ'ল। "চিঞৰি উঠিল ভাস্কৰে"।

"পলাই নগৈ কি কৰিব, এজনী গাভৰু ছোৱালীয়ে চিৰদিন এখন ঘৰত থাকিব পাৰে নেকি? পলাই যোৱাত কিহৰ দোষ? ই দোষ হ'ব নোৱাৰে। দিপীকাই জীৱনৰ পথ চিনি পাইছে, পলাই যোৱা নাই। ওলাই গৈছে। সমাজৰ নীতি নামানিলেই দোষ নেকি? কিহৰ বাবে জানিব লাগে এইখন সমাজৰ নীতিয়ে কি দিছে এইখন সমাজে কি দিছে এইখন দেশে? কেৱল দৰিদ্ৰতাৰ যন্ত্ৰণা, নিষ্পেষণৰ লাঞ্ছনা। তাৰ বাদে আৰু কি?" দিগন্ত, বিথীকা, মাণিক মাষ্টৰ হঁতে পাৰ্য্যায়মানে ভাস্কৰক শান্ত কৰিববলৈ চেষ্টা কৰিলে। কিন্তু কোনেও ভাস্কৰক শান্ত কৰিব নোৱাৰিলে, এবাৰ

উচাত মাৰি গৈ দেউতাকৰ দেহৰ কাষত মৃত দেহৰ বিকৃত হৈ পৰা ৰক্তাক্ত মুখৰ ওপৰত নিজৰ দুহাত বুলাই দিগন্তৰ উদ্দেশ্যে ক'লে -

লোৰা, লোৰা দাদা এইবোৰ তেজ দেউতাৰ ৰঙা তেজ। তাৰে তোমাৰ তুলিকাত বুলাবা। এখন নতুন ছবিৰ কথা যে কৈছিলো সেই ছবি আঁকি দিবা দেউতাৰ তেজেৰে। যি দেউতাৰ মৃত্যু হ'ল চহৰৰ বিখ্যাত ৰাজনৈতিক নেতা চন্দ্ৰমোহন দুৱৰাৰ সুন্দৰ মটৰ গাড়ীৰ খুন্দাত।

"ভাস্কৰ" দিগন্তই উচ্চাৰণ কৰিলে শব্দটো মাত্ৰ। লোৰা বিথীবা দেউতাৰ তেজেৰে তোমাৰ কবিতা লিখা, যাতে নতুন এক জলন্ত বিদ্ৰোহ তুমি ঘোষণা কৰিব পাৰা। লোৰা বিথীকা, দেউতাৰ তেজ নুশুকায়, শেষ হৈ নাযায়। লোৰা বিথীকা লোৰা দাদা, এখন নতুন ছবিৰ ৰং বুলোৱা। সত্যৰ এখন নতুন ছবি। দেউতাৰ মুখৰ ওপৰতে মূৰ থৈ এইবাৰ অবুজভাৱে কান্দি উঠিল ভাস্কৰে।

এটা সময়ত জ্বলি উঠা দেউতাকৰ চিতা জুইৰ পোহৰে নিশাটোৰ আন্ধাৰ খিনিক প্ৰায় ম্লান কৰি দিলে। দেউতাকৰ চিতাৰ জ্বলি থকা জুই কুৰাত দিগন্তই মাত্ৰ দেউতাকৰ মুখখন দেখিলে। জ্বলিছে যেন এটা বেলিৰ দৰে। জুইৰ লেলিহান শিখাৰ মাজত দেউতাকৰ মুখ। এখন নতুন সত্যৰ ছবি। ভাস্কৰৰ পলকহীন দুচকুত জুইকুৰাৰ প্ৰতিবিম্ব কঁপি কঁপি জ্বলিছে। পিছফালৰ বাৰান্দাত বহি সন্মুখৰ আকাশৰ ফালে কিঞ্চিত ৰঙচুৱা হৈ উঠা অংশলৈ চাই চাই বিথীকাই দেউতাকৰ স্থিতি বিচাৰিলে উৰি যোৱা ধোৱাবোৰৰ মাজত। এই জুইৰ ধোৱাৰে আকাশ চানিব। এটা কবিতাৰ শিৰোনামা বিচাৰি পালে বিথীকাই। মাক ইতিমধ্যে টোপনিত অৱশ হৈ পৰি ৰৈছিল ভিতৰ কোঠাৰ আন্ধাৰত। আহিব ধৰা পুৱাতো বহুত সলনি হ'ব।

❖❖❖

---

*১৯৭৩-৭৪ চনত প্ৰকাশিত।*



# তোমালোকৰ বাবে এটা গল্প

লম্বিত কোঁৱৰ

গল্প কোৱা যায়, শুনা যায়, গল্প জানো কাৰোবাক জোৰ কৰি দিব পাৰি? মই ভাবো নোৱাৰি। সময়বোৰ, দিনবোৰ, ঘটনাবোৰে জীৱনটোকে নিজে নিজেই টানি নিয়ে গল্পৰ মাজলৈ। গল্পবোৰ নিৰ্জে নিজে গঢ় লয় জীৱনৰ অজানিতে। কবিতা এটাৰ শব্দবোৰ যিদৰে শব্দৰ মালাৰ দৰে এটা এটাকৈ আহি গঢ় লৈ উঠে, গল্পৰ কাহিনীও তেনেদৰে গঢ় লয়। জোৰ কৰি কাহিনী জোৱা লগোৱা যায়, তাত আবেগ ঢলা নাযায়। প্ৰাণহীন প্ৰতিমাৰ ৰূপৰ বাদে আৰু থাকেইবা কি?

তোমালোকে মোক এটা গল্প দিয়াৰ কথা কৈছিলা। মই প্ৰতিশ্ৰুতি দিছিলো। সময় দিব পৰা নাছিলো। মই বুজিছিলো নিৰ্দিষ্ট এটা সময় অথবা এটা কক্ষপথ দি কাহিনী নিয়ন্ত্ৰণ কৰা নাযায়। সেয়ে মই তোমালোকক দিব খোজা গল্পৰ বাবে পৰিণতিৰ অপেক্ষাত হাবাথুৰি খাইছিলো। ধৈৰ্যৰ পৰীক্ষা চলাইছিলো।

ক-ৰু-বী, কৰুবী তোমালোকৰ নাম। ক মানে কমি, কমি বৰুৱা। ৰু মানে ৰুণু, ৰুণু শইকীয়া(তোমাৰ আন নাম মায়াশ্ৰীও হবলা।) বী মানে বীণু, বীণু চাংমাই। তোমালোকৰে গোট নাম ক-ৰু-বী, কৰুবী। এৰা, নামটো ময়ে দিছিলো তোমালোকক। নামৰ আদি আখৰ কেইটাৰে এক কৰি নাম দিছিলো আঁকি কৰুবী। কি যে, ভুল নকৰিছিলো। মই এই নাম এক কৰি দি। তোমালোকে কৈছিলা "ঋতু, আমি একেলগেই কটাইছিলো দিনবোৰ তিনিওজনীয়ে। একেলগেই আছো আৰু

একেলগেই থাকিম। আমাক লৈ তুমি এটা গল্প লিখা। আমাক এটা গল্পত ঠাই দিয়া পৰিণতিও আমাক একেই দিয়া। কোৱা, দিবা এটা গল্প?"

মই একো কোৱা নাছিলো। নীৰৱে প্ৰতিশ্ৰুতি দিছিলো মাত্ৰ। হাঁহিবৰ চেষ্টা কৰিছিলো। একেলগে নামটো আঁকি দি কৈছিলো ... ক-ৰু-বী কৰুবী। ভাবিছিলো মৃত্যুৰ কথা জানিও মানুহৰ জীৱনত স্বপ্ন থাকে কিয় বাৰু? সময়ৰ অসীম ক্ষমতাৰ কথা জানিও তোমালোকে একেলগে থাকিব বিচৰাৰ সাহস ক'ত পালা বাৰু? অৱশেষত মুখ ফুটাই মই মাত্ৰ কৈছিলো ক-ৰু-বী, কৰুবী।

সেই যে নামটো দিছিলো তোমালোকক , সেয়ে আৰম্ভ তোমালোকৰ বাবে এটা গল্পৰ। তাৰ পাছত দীৰ্ঘদিন জুৰি আৰম্ভ হৈছিলে সেই একেটা গল্পৰে শেষ পৰিণতিৰ বাবে। বহুসময়ত বহুবাৰ বেলেগে বেলেগে চিন্তা কৰি চাইছিলো এই একেটা পৰিণতিৰ কথাটো। কিন্তু আচৰিত, মোৰ কল্পনাই এবাৰতো ঢুকি পোৱা নাছিল তোমালোকৰ গল্পৰ আচল পৰিণতিৰ ছবি। সেয়ে মই এৰি পেলাইছিলো তোমালোকৰ গল্পৰ গতি মোৰ নিয়ন্ত্ৰণৰ পৰা।

দিনবোৰ ৰাতি হৈছিল। মাহবোৰ বছৰ। শীতৰ পাছত বসন্ত আহিছিল। বছৰ বোৰ খহি গৈছিল যুগৰ বুকুলৈ। সময়বোৰ উটি উটি গুছি গৈছিল অতীত হ'বলৈ। হাঁহিবোৰ, সপোনবোৰ তেতিয়াও তোমালোকে চেষ্টা কৰিছিলা ধৰি থ'বলৈ। এটা দুৰ্গৰ নিথৰ প্ৰাচীৰ এখনৰ দৰে তোমালোকে বৰ্তমানটোক কল্পনা কৰিছিলা। মই পাছে তাকে কল্পনা কৰিব পৰা নাছিলো। সেইবাবেই সকলোতকৈ আগে ময়েই খহি পৰিছিলো সেই কক্ষৰ পৰা। আঁতৰি আহিছিলো মই। সময়ক ভেটা দিয়াৰ মোৰ কোনো চেষ্টা নাছিল। সেইবাবেই বাধ্য হৈ অৱস্থাৰ তাড়নাত খোজ দিবলৈ আৰম্ভ কৰিছিলো বাস্তৱৰ পথত। আঁতৰি পৰিও তোমালোকৰ গল্পটোৰ পৰা ফালৰি কাটি যোৱা নাছিলো। প্ৰথম ডোখৰত সঘনেই সোঁৱৰাই দিছিলা তোমালোকৰ গল্পটোৰ কথা। কৈছিলা নহয় লিখিছিলা "ঋতু আমাৰ গল্পটোৰ কথা কি কৰিলা? সময় জানো এতিয়াও হোৱা নাই গল্পটোৰ বাবে? আমি আজিও বাট চাই আছো আৰু একেলগে বাট চাই আছো।"

মই একো উত্তৰ দিয়া নাছিলো। মই নিৰুত্তৰে তেতিয়াও ধৈৰ্যৰে অপেক্ষা কৰিছিলো আচল পৰিণতিলৈ। মই জানিছিলো এইয়া কোনো পৰিণতি নহয়। মই আঁতৰি যোৱাতে সেই গল্পৰ শেষ হ'ব নোৱাৰে। এয়া মাত্ৰ সংঘাতহে। গল্পৰ কাহিনীভাগ চলিয়েই আছে। তোমালোকে নাজানিলেও মই বুজিছিলো এইয়া আৰম্ভণিহে। শেষ হোৱাৰ সময় হোৱাই নাই। শেষহীন আৰম্ভণি। অৰ্থহীন অৰ্থহীন।



গতিকেই মই পুনৰ বাট চাইছিলো শেষ হোৱালৈ।

লাহে লাহে সোঁৱৰণীৰ উত্তাপ কমি আহিছিল চাগে তোমালোকে আমনি পাইছিলা সোঁৱৰাই দি দি। মই কিন্তু তেতিয়াও সেই গল্পৰ বাবে ঘূৰি ফুৰিছিলো অবিৰাম। মই বুজিছিলো এই কমি অহা উত্তাপেই শেষৰ লক্ষণ। আৰু এই এবাৰৰ বাবে মোৰ কল্পনা যথাৰ্থ বুলি প্ৰমাণিত হৈছিল। সঁচাই এয়ে আছিল গল্পৰ সামৰণি। আৰু চোৱা কৰুবী, এয়া আজি দিছো তোমালোকৰ বাবে মোৰ গল্পৰ সেই আশা কৰা সামৰণি।

বোধহয় টলষ্টয়ৰ গল্প হ'ব, সেই যে অভিশাপ প্ৰাপ্ত স্বৰ্গচ্যুত দেৱদূতজন। যিজনে পৃথিৱীৰ মানুহৰ অজ্ঞানতা দেখি তিনিবাৰ হাঁহিছিল। পঢ়িছিলা নে কেতিয়াবা গল্পটো? মোৰ সেই গল্পটো বাৰে বাৰে মনত পৰে। মই এই তোমালোকৰ গল্পৰ বাবে তিনিবাৰ হাঁহিবৰ চেষ্টা কৰিছিলো। এবাৰ বীণুৰ বিয়াত, এবাৰ ৰুণুৰ বিয়াত আৰু শেষবাৰ এই গল্প শেষ কৰাৰ সময়ত। কিয় জানা? বীণুৰ বিয়ালৈ মই গৈছিলো। তোমালোক দুজনী নাহিলা। কিয় মই ক'ব নোৱাৰো। কিন্তু বিয়াঘৰত তোমালোকক নেদেখি মোৰ হাঁহি উঠিব খুজিছিল তোমালোকৰ আগৰ সেই একেলগে থকাৰ দৃঢ়তাৰ কথা মনত পৰি। ৰুণুৰ বিয়ালৈও তোমালোক দুজনী নাহিলা। কিয় মই ক'ব নোৱাৰো। কিন্তু বিয়াঘৰত তোমালোকক নেদেখি মোৰ হাঁহি উঠিব খুজিছিল তোমালোকৰ আগৰ সেই একেলগে থকাৰ দৃঢ়তাৰ কথা মনত পৰি। মই গৈছিলো। মোৰ হাঁহি উঠিছিল সময়ৰ হাতত পৰাজিত তোমালোকৰ কথা ভাবি। আৰু আজি এয়া গল্পটো লিখিবলৈ বহি মোৰ হাঁহি উঠিছে ইয়াৰ পৰিণতি দেখি। কমি, তোমাৰ বিয়াৰ খবৰ মই বৰ পলমকৈ পাইছো। এই অলপ আগতে তোমাৰ চিঠিখন পাইহে জানিছো তোমাৰ বিয়াৰ কথা। আৰু লগে লগেই বহিছো গল্পটো শেষ কৰিবৰ বাবে।

তোমালোকে এবাৰ এখন নাটক কৰিছিলা। মনত আছে নে? সেই যে নাৰী জাতিৰ অবলা অৱস্থাক আঁতৰাই পেলাবলৈ বিপ্লৱ কৰাৰ কথা আছিল নাটকখনত। নামটো কি আছিল বাৰু? "সেউতীহঁতক জগাবৰ হ'ল" নে কি জানো, তেনেকুৱাই নাছিল জানো নামটো? এৱা নাটকখন ময়েই লিখিছিলো কিন্তু তোমালোকে নাটকখনক এনে জীৱন্ত কৰি দৰ্শকৰ আগত দাঙি ধৰিছিলা যে মই আশা কৰিছিলো তোমালোকে সঁচাই নাটকত কৰাৰ দৰেই সমাজৰ বিৰুদ্ধে থিয় দি নাৰীজাতিৰ স্বাধীনতা আনিবা। নাটকখন নাৰীবৰ্ষ, নাৰীদশকৰো আগতেই কৰিছিলা - কলেজত পঢ়ি থাকোতে। তাৰ পাছত নাৰীমুক্তিৰ বাবে বহুত কিবাকিবি কৰা হৈ

গ'ল মুখে মুখে। কিন্তু নাটকখন নাটক হৈয়েই থাকিল। মই আশা কৰাৰ দৰে তোমালোকে নাটকৰ মঞ্চৰ পৰা নামি আহিব নোৱাৰিলা। পাৰিলা জানো?

নোৱাৰিলা। যদি পাৰিলাহেঁতেন তেন্তে বীণু আজি এনেদৰে নিমাত নহ'লাহেঁতেন। ৰুণু তুমিও চিন্তাত কোঁচ খাই নগলাহেঁতেন। আৰু কমি তুমিও অভিশাপ মূৰ পাতি ন'ললাহেঁতেন। বীণুৰ বিয়া হ'ল গাঁৱৰে শিক্ষক এজনৰ লগত। আৰু লগে লগে বীণু হেৰাই গ'ল বান্ধনিঘৰ, ঢেঁকীশাল, পথাৰ আৰু নদীঘাটৰ দৈনিক জীৱনৰ মাজত। ৰুণুৰে বিয়া সোমালে পি, ডব্লিউ, ডি, ৰ কেৰাণীৰ লগত আৰু লগে লগে সোমাই পৰিল নগৰীয়া কেৰাণী জীৱনৰ সংসাৰ আৰু বজাৰৰ সমস্যা ভৰা অঙ্কৰ হেঁচাৰ মাজত। আৰু কমি তুমি? তুমি মাত্ৰ এবাৰ ঘৰৰ মতৰ বিপৰীতে নিজা মাত মতাৰ বাবেই সমাজৰ কঠোৰ বিচাৰৰ সন্মুখিন হ'লা। এইবোৰৰ মাজৰ পৰা জানো ওলাব পাৰিছা তোমালোকে পুনৰ? ক'ত গ'ল সেই নাৰীবৰ্য, নাৰীদশকৰ ধুনীয়া ধুনীয়া কথাবোৰ ক'ত গ'ল সেই পুৰণিৰ দৃঢ়তা? ক'ত ক'ত গ'ল সেই কৰুবীৰ সপোন?

মই জানো, এতিয়া আৰু অৰ্থ নাই এই গল্পৰ। তোমালোকৰ বাবে ইয়াৰ প্ৰয়োজন শেষ হৈ গৈছে আজি। আজি আৰু তোমালোকে একেলগে থকাৰ কল্পনাৰে মোক গল্প নোখোজা। মই জানো আজি আৰু তোমালোকে আগৰ দৰে গল্পৰ বাবে আমনি কৰিব নোৱাৰা। সেই সাহসো তোমালোকৰ নাই আজি। বৰ বেছি বীণু বা ৰুণু নাইবা কমিৰ গল্প তোমালোকে বিচাৰিব পাৰা বেলেগে বেলেগে। কিন্তু একেলগে কৰুবীৰ গল্প জানো বিচাৰি আহিবা। আৰু এই কথা জানো বাবে মই এয়া বহিছোহি তোমালোকৰ গল্পৰ সামৰণিৰ বাবে।

মই বৰ ভুল কৰিলো। তোমালোকেও ভুল কৰিছিলা। সময়ৰ আঘাতক এৰাই চলা নাযায়। তোমালোকৰ এই আবেগ ভৰা সংকল্প ময়ো ভুল কৰিলো। ভুল কৰিলো তোমালোকক কৰুবী বুলি কৈ। সময়ক জয় কৰা নাযায়। সময়ে সকলোকে আঁতৰাই নিয়ে। বান্ধোন বুলি একো নাই, থাকিব নোৱাৰে। কৰুবী বুলি একো নাথাকিল থাকিব নোৱাৰিলে। ক-ৰু-বী মানে কৰুবী নহয়। ক-ৰু-বী মানে কমি-ৰুণু-বীণু। তোমালোক এক নহয়। প্ৰত্যেকেই বেলেগ বেলেগ সময়ৰ দাবী মাত্ৰ। ময়ো মুক্ত নহয় সময়ৰ হাতৰ পৰা। সময়ে আমাক টানি আনি থিয় কৰাইছিলহি এটা মুহূৰ্তৰ বাবে একেলগ কৰি আকৌ সময়েই উটাই নি থানবান কৰি দিলে। ক-কমি হৈ ৰ'ল। ৰু- ৰুণু হৈ আৰু বী -বীণু হৈ। প্ৰত্যেকেই নিজ নিজ পথত। দুনাই ইজনীয়ে সিজনীলৈ ঘূৰি চাবৰ সাহস তোমালোকৰ কাৰো নাথাকিলে বাকী।



আজি এয়া ৰাতি যায়, দিন আহে। মাহ গৈ বছৰ হয়। শীতৰ পাছত বসন্ত। বসন্তৰ পাছত শীত। ইটো ঋতুৰ সলনি সিটো, এটাৰ পৰা আনটো ঋতুলৈ, সময়বোৰ খহি যায় যুগৰ বুকুলৈ।

আৰু মই তোমালোকৰ ঋতু, আজিও বাট চাই আছো তোমালোকৰ বাবে তোমালোকৰ এটা গল্প বুকুৰ মাজত সাঁচি লৈ লগ পালে তোমালোকক যাঁচি যাবলৈ।

❖❖❖

---

*১৯৭৫-৭৬ চনত প্ৰকাশিত।*

# অন্তৰালত

ৰীতা হাজৰিকা

নতুন ঘৰটোলৈ অহা মোৰ বেছি দিন হোৱা নাই। এতিয়াও ঘৰটো থানথিত লগাই নাই। লগাম লাহে লাহে। আজি তিনিদিন হৈছেহে মাত্ৰ। চাকৰিৰ সন্দৰ্ভত মই বদলি হৈ অকলেই শ্বিলঙৰ পৰা ডিগবৈ পালোহি।

ঘৰ এটা বিচাৰি হাবাথুৰি খালো। ভাড়া ঘৰ পাবলৈ বৰ টান। অৱশেষত যেনিবা মোৰ বন্ধু এজনে এই ঘৰটোকে দেখুৱাই দিলে। কোনোমতে মূৰটো সোমোৱালোহি।

ঘৰটো এটা সৰু ওখ টিলাৰ ওপৰত অৱস্থিত। তলেদি এটা সৰু নিজৰা বৈ গৈছে। কাষত কেইজোপামান ডাঙৰ ডাঙৰ সোণাৰু গছ। ফুলবোৰ ফুলি কেউফালে সোণোৱালী কৰি তুলিছে। দুৱাৰ মুখৰ দুফালে দুজোপা হাচ্‌নাহানা। তাৰ সৌৰভে গোটেই টিলাটো আমোলমোলাই থাকে। হেলনীয়া ঘাহনিৰে আগফালডোখৰ মিহিকৈ কলম কাটি দিয়া হৈছে। আতৰৰ পৰা চালে এনে লাগে যেন সৰু টিলাটোত প্ৰকৃতিৰ সেউজীয়া আচলখনিহে কোনোবাই মেলি দিছে। মুঠতে ঠাইডোখৰ বেচ্ ধুনীয়া আৰু নিৰল।

চাৰি বজাত কামৰ পৰা ঘূৰি আহিলো। কাম কৰা ল'ৰা মনায়ে চাহ কৰি দিলে, খালো। বাৰান্দালৈ ওলাই আহিলো, হাতত বেহেলাখনলৈ। বেহেলাখনেই যে এতিয়া মোৰ একমাত্ৰ সংগী। মাহঁতলৈ মনত পৰি বেয়া লাগিল। কোনোদিনে



মই ঘৰৰ পৰা আতৰ হৈ এনেদৰে থকা নাছিলো। চকী এখনত বহি লাহে লাহে বেহেলাত ৰেপ দিলো। এটি ধুনীয়া ৰাগ। ভৈৰবী। ভাল লাগিল। বহু সময় পাৰ হৈ গ'ল। তেতিয়া পশ্চিম আকাশত বেলিটি মাৰ যাওঁ যাওঁ।বেলিটো কাৰোবাৰ ন-সেন্দুৰৰ ফোঁট যেন লাগিল। জাৰকালি দিনবোৰ চুটি চুটি। এচাটি চেঁচা বতাহ মাৰিছিল। সিৰাই-উপসিৰাই কঁপি উঠিল। মনায়ে বোধহয় চুইচবোৰ টিপি গৈছিল। চকু টিপিয়াই নিয়ন লাইটবোৰ জ্বলি উঠিল। কিন্তু বাহিৰত তেতিয়াও কিছু পোহৰ।

হঠাৎ মোৰ চকু পৰিল নিজৰাৰ পাৰত এজনী ছোৱালী। ধুনীয়া যেন লাগিল। গাত বগলীৰ পাখি যেন বগা সাজ। দীঘল, কিচ্‌কিচ্‌য়া চুলিকোচা পিঠিত পেলাই মোৰ ফালে পিঠি দি বহি আছে। প্ৰথমে মই চকামকাকৈ দেখি বৰ ভয় খাই গৈছিলো। আচহুৱা ঠাই।

বেহেলাৰ ৰাগ মোৰ শেষ হৈ আহিল। বন্ধ কৰি থ'লো। লগে লগে ছোৱালী বহাৰ পৰা উঠি এখোজ দুখোজকৈ টিলাটোৰ কাষেদি যোৱা বাটটোৱেদি গুছি গৈছিল। মই তাই যোৱালৈকে চাই থাকিলো। ইমান গহীন তাইৰ খোজবোৰ। ভাবিলো হয়তো ওচৰৰে কোনোবা ছোৱালী। আবেলি ফুৰিবলৈ আহিছিল চাগে। গধূলি হোৱাত ঘৰলৈ গুছি গ'ল।

ৰাতি মনায়ে সিজাই দিয়া ভাত মুঠি খাই বিচনাত বাগৰ দিলো। কিন্তু টোপনি হ'লে নাহিল। বাৰে বাৰে দেখোন আবেলি দেখা ছোৱালীজনীৰ চেহেৰাটোহে মোৰ মানসপটত জিলিকি উঠে। ৰাতি তেতিয়া ১১ বাজিছে হঠাৎ যেন মই কাৰোবাৰ কান্দোন শুনিবলৈ পালো। বহু সময় বিচনাতে টলকা মাৰি ৰ'লো। হয়, কান্দিয়েই আছে। ভয় লাগিল। সিটো কোঠাৰ পৰা মনাইক জগাই আনিলো। টৰ্চ মাৰি চাৰিওফালে চালো। ক'তো একোটো নাই। ধেৎ এনেয়ে ভ্ৰম হ'ল হবলা মোৰ। দুৱাৰবোৰ ভালকৈ পৰীক্ষা কৰি শুই পৰিলো।

পিছদিনা গতানুগতিক জীৱন আৰম্ভ হ'ল। দিনটোৰ ব্যস্ততাৰ মাজত কালি দেখা ছোৱালীজনীৰ কথা পাহৰিয়েই পেলালো। কিন্তু কামৰ পৰা আহি বাৰান্দাত বহি বেহেলাখন বজোৱাৰ অলপ পাছতে আকৌ সেই ছোৱালীজনীৰ আবিৰ্ভাৱ। আজিও তাই একে সাজ। শুদ্ধ বগা। কোনোবা দেবী যেন লাগিল।

সৰি পৰা সোণাৰু ফুলবোৰ তাই কোঁচ পাতি বুটলি ল'লে। তাৰপিছত তাই নিজৰাটোৰ পাৰৰ সেই নিৰ্দিষ্ট শিলডোখৰত বহি পৰিল। কোঁচৰ সোণাৰু ফুলবোৰ অলপ অলপকৈ তাই নিজৰাটোলৈ দলিয়াই থাকিল। মই মাথো বোবা হৈ তাইলৈ চাই ৰ'লো। বেহেলাখনো বজায়ে থাকিলো। এটা সময়ত ভৈৰবী

ৰাগৰ অন্ত পৰিল। বোধহয় তেতিয়া ছোৱালীজনীৰ কোঁচৰ ফুলবোৰো শেষ হৈ আহিছিল। তাই বহাৰ পৰা উঠি অহা বাটেৰেই উভতি গ'ল।

এনেদৰে কেইবাদিনো ছোৱালীজনী অহা দেখিলো। সদাই মই বেহেলা বজোৱা আৰম্ভ কৰাৰ অলপ পাছতে আহি উপস্থিত হয়হি আৰু বজোৱাৰ শেষ হোৱাৰ লগে লগে গুছি যায়। মোৰ মনটো সন্দিহান হৈ পৰিল। ইয়াৰ অন্তৰালত নিশ্চয় কিবা এটা গুপুত ৰহস্য থাকিবই লাগিব। ছোৱালীজনীক মাতিবলৈ মোৰ বৰ মন যায়। কিন্তু সাহ নহয়। অচিনাকি ছোৱালী এজনীক আগেয়ে মাতিবলৈ দেখোন বৰ কেনেবা কেনেবা লাগি যায়। কিন্তু অস্থিৰ মনটোক আৰু বেছি দিন দমাই ৰাখিব নোৱাৰিলো। এদিন ঠিক কৰিলো "আজি তাইক মাতিমেই মাতিম।"

সন্ধিয়াৰ লগে লগে আলিবাটৰ লাইটবোৰ জ্বলি উঠিল একেলগে। চাৰিওকাষেদি নামি আহিছে সন্ধিয়াৰ ছায়া। এন্ধাৰে তৰা লেখিছে। এটি তৰা দুটি তৰা অলেখ তৰা। তথাপি ছোৱালীজনী বহিয়েই আছে সেই শিলটোতে।

বেহেলাখন বন্ধ কৰি বুকুত সাহ গোটাই মাতিম বুলিয়েই ঘৰৰ পৰা নামি আহি নিজৰাৰ পাৰ্ পালোহি। তাই বোধহয় তেতিয়া মোৰ বেহেলাৰ মাত বন্ধ হোৱা শুনি উভতিবলৈ ধৰিছিল। কিন্তু হঠাতে মোক দেখি যেন তাই থমকি ৰ'ল। ৰাতিৰ কৃত্ৰিম পোহৰত তাইৰ মুখখন অস্পষ্টকৈ দেখিলেও অনুমান কৰিব পাৰি এজনী বেচ্ ধুনীয়া ছোৱালী। সাহ কৰিয়েই সুধি পেলালো তাইৰ নামটো।

"মাহেন্দ্ৰী" উত্তৰ আহিল – অতি নম্ৰভাৱেৰে। কিন্তু উত্তৰ দিয়েই তাই গুছি গৈছিল। আকৌ সেই একেই খোজ ইমান গহীন, গম্ভীৰ। মই নেদেখা হোৱালৈকে চাই ৰ'লো।

তাৰপিছত এদিন জানিব পাৰিলো মাহেন্দীৰ জীৱনৰ সকলো কাহিনী, তাইৰ জীৱনকাহিনীবোৰ এদিন তাই মোক নিজ মুখে কৈ পেলাইছিল। সেইদিনাহে যেন তাই কিছু শান্তি বিচাৰি পাইছিল। অব্যক্ত হৈ থকা বেদনাবোৰ ব্যক্ত কৰি। তাইৰ কথা কোৱাৰ ধৰণটো মোৰ ভাল লাগিছিল। স্পষ্টভাৱে আবেগময়ী ভাষাত জটিল কথাবোৰ শ্লীলতাৰ মাজেদি কৈ যায়। অতি আবেগপূৰ্ণ মাহেন্দ্ৰীৰ জীৱন কাহিনী। অতি কৰুণ, মৰ্ম্মস্পৰ্শী। তেওঁ মোক কাহিনীটো কৈছিল হিন্দীতে। সাহিত্যানুৰাগী ছোৱালী এজনীৰ পক্ষে ভাষাৰ প্ৰাচুৰ্য্যও একো অস্বাভাৱিক হোৱা নাছিল।

মাহেন্দ্ৰী আছিল এজনী পাঞ্জাৱী গাভৰু। পাঞ্জাৱৰ কোনোবা এখন গাঁৱত তাইৰ ঘৰ। বি, এ, পাচ কৰি মাহেন্দ্ৰী গুছি আহিছিল কোনোবা এখন বিশ্ববিদ্যালয়লৈ



এম, এ, পঢ়াৰ মানসেৰে। দৰিদ্ৰ হ'লেও মাক-দেউতাকে তেওঁলোকৰ একমাত্ৰ জীয়েক মাহেন্দ্ৰীক পঢ়োৱাটো বন্ধ কৰা নাছিল। নানা কষ্ট কৰিও মাহেন্দ্ৰীক বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ পঠাইছিল। তেওঁলোকৰ আশা-ভৰষাৰ একমাত্ৰ স্থল হ'ল মাহেন্দ্ৰী।

যৌৱনৰ এটা মধুৰ দিনৰ মধুৰ ক্ষণত মাহেন্দ্ৰীৰ পৰিচয় হ'ল অসমৰ পৰা অহা পূৰ্ণ যৌৱন প্ৰাপ্ত ডেকা লোহিত বৰুৱাৰ লগত। শৰতৰ স্নিগ্ধ ৰাতিপুৱা এটাত দুয়ো আৱিস্কাৰ কৰি পেলালে যে দুয়ো দুয়োকে ভাল পাই পেলাইছে। সিহঁতৰ সম্পৰ্ক হৈ উঠিল পৃথিৱী আৰু সূৰ্য্যৰ সম্পৰ্কৰ দৰে গভীৰ আৰু চিৰন্তন।

এদিন মন্দিৰৰ ঘন্টাবোৰ বাজি উঠিছিল এটা এটাকৈ। তাৰ প্ৰতিধ্বনিত এনে লাগিছিল যেন হাজাৰটা ঘন্টা বাজিছিল একে সময়তে। পূজাৰীৰ মন্ত্ৰপাঠ শেষ হ'ল। আৰু লগে লগে মাহেন্দ্ৰীয়ে লোহিতৰ ডিঙিত আৰু লোহিতে মাহেন্দ্ৰীৰ ডিঙিত পিন্ধাই দিছিল দুধাৰি মালা আলফুলে। দুয়োৰে অন্তৰত আনন্দৰ শিহৰণ জাগিছিল। সিহঁতৰ চকুৰ আগত পৃথিৱীখন আৰু বেছি ধুনীয়া হৈ ৰঙীণ হৈ ধৰা দিছিল। কিন্তু ! কোনে জানিছিল সেই সময়তে মাহেন্দ্ৰীৰ যৌৱনৰ পশ্চিম আকাশত ভাঁহি উঠিছিল এটুকুৰা ঘন ক'লা মেঘ।

সিহঁতৰ বিয়াখন সমাধা হৈছিল কিন্তু অতি গোপনে। মাক-দেউতাকৰ অমতত এনে কাম কৰাত ঘৰৰ পৰা জনাই দিলে যে, মাহেন্দ্ৰীৰ বাবে ঘৰৰ দুৱাৰ চিৰদিনৰ বাবে বন্ধ হৈ গৈছে।

তাৰপিছত সেই ৰেলষ্টেচনটো ... সেই ৰেল গাড়ীখন। চকুৰ কোণবোৰ তিতি উঠিছিল দুয়োৰে। গাৰ্ডৰ নীলা ফ্লেগখন কঁপি উঠিছিল মাহেন্দ্ৰী আৰু লোহিতৰ হাতৰ ৰুমাল দুখন। দুখনি সদ্য বিবাহিত ডেকা গাভৰুৰ মৰম ভৰা কণমানি হিয়া। ৰেলখনে যেন তাক তাইৰ বুকুৰ মাজৰ পৰা আজুৰি টানি লৈ গ'ল।

মাহেন্দ্ৰীৰ পৰা আঁতৰি সি গুছি গৈছিল বহুত দূৰলৈ। কান্ধত বন্ধুক লৈ। বহু দূৰলৈ য'ত লাগে লোহিতৰ দৰে হেজাৰ যুৱকৰ কলিজাৰ কেঁচা তেজ। চাইৰেণৰ ধ্বনি বাজি উঠিল। বাজি উঠিল একেলগে বহুতো বন্দুক-বাৰুদ আৰু ঐনিতমৰ ঐক্যতান।

কেলেণ্ডাৰৰ পাতবোৰ বহুবাৰ সলালে মাহেন্দ্ৰীয়ে। বছৰ বাগৰি গ'ল। হঠাৎ এদিন সন্ধিয়া। যেতিয়া দুডাল পেং লৈ লোহিত আহি মাহেন্দ্ৰীৰ ওচৰত উপস্থিত হ'ল – সেইদিনা কান্দি কান্দি গাৰু তিয়াই দিছিল – তাই। লোহিতৰ এখন ভৰি শত্ৰুপক্ষৰ নিষ্ঠুৰ বন্দুকৰ গুলিৰ আঘাতত যুদ্ধস্থলীতে পেলাই থৈ আহিব

লগা হয়। ইখন ভৰিও ক্রমান্বয়ে জঠৰ হৈ আহিছিল। সি খোজ কাঢ়িবলৈ অক্ষম হৈ পৰিল। আৰু এদিন যেতিয়া হাস্পাতালত মাহেন্দ্রীৰ চকুৰ আগতে লোহিতৰ দেহাটো নাৰ্চজনীয়ে বগা কাপোৰেৰে ঢাকি আতৰি গৈছিল সেইদিনা মাহেন্দ্রীয়ে দেখিছিল মাত্র – চাৰিওফালে আন্ধাৰ, আন্ধাৰ আৰু আন্ধাৰ।

কিন্তু এই আন্ধাৰৰ মাজেদিয়েই মাহেন্দ্রীয়ে খেপিয়াই গ'ল। তেতিয়া তাই সন্তান সম্ভৱা। জীৱনৰ সকলো দুখ আৰু গ্লানি পাহৰি যাবলৈ চেষ্টা কৰি মাতৃত্বৰ গৌৰৱেৰে জীয়াই থকাৰ আশা কৰিলে। কিন্তু হায়।

তাই পুনৰ মাক-দেউতাকৰ ওচৰলৈ গুছি গৈছিল তাইৰ বাবে দুৱাৰ বন্ধ বুলি জানিও। কিন্তু তাইৰ ৰক্ষণশীল গোড়া সমাজখনে তাইক আদৰি ল'ব নোৱাৰিলে। নোৱাৰিলে আনকি তাইৰ মাক-দেউতাকেও। অৱশেষত তাই পৰিচিতা হ'ল কলঙ্কিতা নাৰী হিচাবে।

তাৰ পিছত ...। কোনোবা এটা ৰাতিপুৱা তাই যাত্রা কৰিছিল লোহিতৰ মৰমৰ অসম অভিমুখে। তাই আহি ডিগবৈ ষ্টেচনত নামি পৰিল। হাতত এটা মৃত সন্তান লৈ যিটো তাই বাটত আহোতেই প্রসৱ হৈছিল।

তাইৰ জীয়াই থকাৰ সকলো আশা যেন ধূলিসাৎ হৈ গ'ল। তাই আশা কৰিছিল অসমলৈ আহি লোহিতৰ স্মৃতি স্বৰূপে লোহিতে দি থৈ যোৱা সন্তানটিকে লৈ তাই জীয়াই থকাৰ সপোন ৰচিব, কিন্তু নিয়তিৰ যে কেনে নিষ্ঠুৰ পৰিহাস! ভাগ্যৰবি যেন মাহেন্দ্রীৰ প্রতি কেতিয়াও সন্তুষ্ট হ'ব নোৱাৰিলে, তাই যে এটা মৃত সন্তানহে জন্ম দিলে।

তাৰপিছত নামি আহিল হেজাৰ বন্যা। দুকূল ঢাকি অশ্রুধাৰা নামিল অবিশ্রান্ত ভাৱে।

সেইদিনা মই তাক বাধা নিদিলো। কিনো সান্ত্বনা দিম এই হতভাগিনী ছোৱালীজনী। অজানিতে মোৰ চকুৰ কোণ দুটা তিতি উঠিছিল।

তাই মোক কৈছিল, "বুজিছে, যিদিনা প্রথম আপুনি এই বাৰান্দাত বহি বেহেলাত ভৈৰৱী ৰাগ বজায় সেইদিনা যে মোৰ দুখত হিয়া ভাগি টুকুৰা টুকুৰ হৈ যায়। ঘনে ঘনে মনত পৰিছিল লোহিতলৈ । লোহিতৰ যে এই ৰাগটো বৰ প্রিয়। তেৰো বৰ ধুনীয়া বেহেলা বজাইছিল। ঠিক আপোনাৰ দৰে। ইমান ভাল, ইমান মিঠা, মোৰ বুকুখন শোকে খুন্দা মাৰি ধৰিছিল। চেপি ৰাখিব নোৱাৰি ৰাতি চিঞৰি চিঞৰি হুৰাহুৰে কান্দি পেলাইছিলো।" মাহেন্দ্রীয়ে যেন আৰু ক'ব নোৱাৰে। বাক্‌শক্তি যেন ৰুদ্ধ হৈ গ'ল।



তাৰপিছত মাহেন্দ্রী গুছি গৈছিল সেই সৰু ঘৰটোলৈ । ঠিক মোৰ ঘৰৰ পিছফালে। যিটো ঘৰ মই অতদিনে মনেই কৰা নাছিলো। বোধহয় ঘৰটোৰ আগফালডোখৰ কুঞ্জলতা বনেৰে আগুৰি ধৰাৰ বাবে।

তেতিয়া জোনটোৰ তলেদি এচপৰা ডাঠ কলা মেঘ পাৰ হৈ গৈছিল। সোণাৰু গছৰ পাতবোৰ সৰি পৰিব ধৰিছিল অকালতে।

❖ ❖ ❖

---

*১৯৭৫-৭৬ চনত প্রকাশিত।*

TINSUKIA COLLEGE LIBRARY ★ TINSUKIA, ASSAM ★ ESTD. 1956

# জীৱন নাটৰ আঁৰত

মায়াশ্ৰী শইকীয়া

পৰাণ, ধীৰাজ, হাফিজ আৰু চিন্ময় আটাইকেইটাই উচ্চস্বৰে চিঞৰি উঠিল "চাব্বাচ চল 'হোটেল ৰেক্স', আজি মাইনাৰ বিৰাট পাৰ্টি"। লগে লগে আটাইকেইটাই মাইনা নামৰ বেঞ্চৰ এচুকত বহি থকা অল্পভাষী নম্ৰ ল'ৰাটোক হাত দুখনত ধৰি প্ৰায় টানি নিয়াৰ দৰে লৈ গ'ল। মাইনাই আপত্তি দৰ্শালে "নাই ভাই এতিয়া মোৰ হোটেললৈ যাবলৈ সময় নাই - অনাৰ্ছৰ ক্লাছ এটা আছে। কিন্তু আজি মাইনাৰ আপত্তিলৈ কাণ দিবলৈ কাৰোৰেই সময় নাই। কাৰণ সিহঁত কেইটাৰ সংগৰ পৰা সদায়ে আঁতৰি ফুৰা মাইনা নামৰ ল'ৰাটোৰ পকেট আজি ষাঠি টকাৰ খম্‌খমীয়া নোটেৰে পূৰ্ণ হৈ আছে। চিগাৰেট যাচিলেও "কালিৰ পৰা বৰ বেয়া কাহ এটা আৰম্ভ হৈছে। নচলিব" বুলিকৈ আঁতৰি যোৱা আৰু কেন্টিনলৈ চাহ একাপ খাবৰ বাবে লগ ল'লেও "ইকনমিক্সৰ নোটটো ক্লিয়েৰ নহ'ল, পাৰো যদি কাৰোবাৰ পৰা টুকি লওঁ" বুলি কৈ আঁতৰি যোৱা মাইনাৰ কথালৈ আজি কোনেও কৰ্ণপাত নকৰি টানি নি 'হোটেল ৰেক্স'ৰ ভিতৰ পোৱালেগৈ।

আজি তিনি বছৰে কলেজলৈ অহা-যোৱা কৰোতে 'হোটেল ৰেক্স'ৰ বাহিৰখন মাইনাই প্ৰত্যেকদিনেই দেখি আহিছে যদিও ভিতৰখন চোৱাৰ অথবা চাহ একাপ খোৱাৰ প্ৰয়োজনবোধ কৰা নাছিল কাহানিও। অফ্ পিৰিয়দ বিলাক মাইনাৰ বাবে অতি মূল্যবান সময়। ইয়াৰ প্ৰতিটো মুহূৰ্ততেই মাইনাই জ্ঞানৰ ভঁৰালত



সঞ্চয় কৰি যায় জ্ঞানৰ সোণালী শস্য। ৰিডিংৰুমৰ চাৰিবেৰৰ মাজত সোমাই পৰিলে মাইনাই পাহৰি পেলায় দুসাজ লঘোণীয়া পেটৰ জ্বালা, শীৰ্ণ-শেঁতা মাকৰ মুখখন, সৰগ দেখা ঘৰৰ চালখনৰ কথা আৰু পাহৰি পেলায় সংগ্ৰামী জীৱনৰ দুখ বেদনাবোৰৰ কথা। সেয়েহে ভাল লাগে মাইনাৰ ৰিডিং ৰুমটোক। ৰিডিং ৰুমটোৱে ক্ষন্তেকৰ বাবে হ'লেও আঁতৰাই ৰাখে বাস্তৱ জগতৰ হাঁহি কান্দোন, ৰং ৰহইচবোৰ।

কলেজৰ আন আন সম্ভ্ৰান্ত পৰিয়ালৰ উচ্চ বিষয়াৰ পুত্ৰসৱৰ ৰংতামছাবোৰৰ ভাগ ল'ব নিবিচাৰে মাইনাই কাহানিও।

কাহানিও অভাৱৰ মুখামুখি নোহোৱা ধনৰ প্ৰাচুৰ্য্যৰে জীৱনটো ৰঙীণ দেখা পৰাণ, প্ৰীতমহঁতৰ বাবে জীৱন উপভোগ, স্কুল, গান আৰু হাঁহিৰ সমষ্টি মাথো। জীৱন শব্দটোৰ অৰ্থ সিহঁতৰ বাবে 'এনজয়মেন্ট'। কিতাপ পত্ৰৰ বাহিৰে অভাৱ শব্দটো বাস্তৱৰ প্ৰেক্‌টিকেল জীৱনত পোৱা নাই সিহঁতে।

সিহঁতৰ ক্ষুদ্ৰতম এটি স্বাৰ্থৰ বাবেও অভাৱ গ্ৰস্ত পৰিয়ালৰ মাইনাহঁতে বৃহত্তম স্বাৰ্থবোৰ বিসৰ্জ্জন দিব লগা হয়।

পাঁচ মাহৰ ফিজ দিবলৈ বাকী থকা বাবে মাকে অতি যত্নেৰে থৈ দিয়া সাঁচতীয়া এড়ীচাদৰ খনকে মৌজাদাৰৰ ঘৰত ষাঠি টকাতে বিক্ৰী কৰি দিলে। মাইনাই পঢ়ি-শুনি কিবা এটা চাকৰি কৰিলে এনেকুৱা চাদৰ এখন নালাগে কেইবাখনো ল'ব পাৰিব। সেই ষাঠি টকা মাক সুভদ্ৰাই মাইনাৰ হাতত তুলিদি কৈছিল - "কলেজত পঢ়িলে হাত খৰচৰ বাবদ দুপইচা লাগে। তই বৰ দুৰ্ভগীয়া মাইনা, আজি তোৰ দেউতাৰ জীয়াই থকা হ'লে কেতিয়াও এনে অভাৱৰ সন্মুখীন হ'ব নালাগিলহেঁতেন"। মাকৰ চৰণ চুই মাইনাই কৈছিল - 'হাতখৰচ শব্দটো আমাৰ মুখত শোভা নাপায় মা, তুমি দুনাই উচ্চাৰণ নকৰাযেন। দেউতা নথকা অভাৱটোৰ বাহিৰে অন্য অভাৱবোৰে মোক পৰশিব নোৱাৰে মা। তুমি মিছাই চিন্তা নকৰিবা।" মাইনাই অনুভৱ কৰিছিল - দুটোপাল তপত চকুলো মাকৰ চকুৰ পৰা মাইনাৰ মূৰত পৰিছেহি। এয়াযেন চকুলো নহয়, আশীৰ্বাদৰ পুষ্পবৃষ্টিহে মাইনাই উপলব্ধি কৰিছিল।

অনাৰ্ছৰ ক্লাছ দুটা কৰি ব্যস্ততাৰ হেতু কপালত বিৰিঙি উঠা ঘামৰ কণিকাকেইটা মচিবলৈ ৰুমালখন জেপৰ পৰা উলিয়াওঁতেই ঘটি গ'ল কাণ্ডটো। ফিজ দিবলৈ অনা টকাকেইটা ৰুমাল খনেৰে সৈতে ওলাই আহি মাটিত পৰি গ'ল। ওচৰতে ৰৈ থকা পৰাণৰ তৎক্ষণাত টকাকেইটা দৃষ্টিগোচৰ হ'ল। আৰে ইমানসোপা টকালৈ বুৰ্বকৰ দৰে কি চুপচাপ আছ। হাফিজ, ধীৰাজ, প্ৰীতম দেখনা ভাই ইমানবোৰ নোট মাইনাৰ হাতত।" লগে লগে আটাইকেইটাই বিস্ফোৰিত

নেত্ৰে তালৈ চাই স্বাভাৱিকতেই এক হুলস্থূল পৰিৱেশৰ সৃষ্টি কৰি দিলে।

তাৰ পিছতেই এই কাণ্ড। এতিয়া মাইনাৰ অৱস্থা হাতে-ভৰিয়ে বান্ধি থোৱা ধৰা পৰা চোৰৰ দৰে হ'লগৈ। সেয়াযে ফিজৰ টকা তাক বুজাবলৈ গ'লে এক প্ৰহসন কাণ্ড হোৱাৰ সম্ভাৱনাহে সৰহ। দৌৰমাৰি আঁতৰি গ'লেও পিচে পিচে দহটা ভৰি আহি দহখন হাতেৰে পাকৰাও কৰাৰ ভয়ত অগত্যা কিংকৰ্তব্যবিমূঢ় হৈ থম্ থম্ কৰে বহি থাকিল। এক অনন্ত নিৰ্বাক চাৱনিৰে মাইনাই মুহূৰ্তবোৰ পাৰ কৰি দিব ধৰিলে। তাৰ বাহিৰে যে আজি মাইনাৰ গত্যন্তৰ নাই।

কাণ দুখন সজাগ কৰি ৰাখিলে। যাতে ওচৰে-পাজৰে থকা কেইবাখনো মুখে উচ্চাৰণ কৰা নিৰ্দেশ অথবা আদেশেই হওক তাৰ কৰ্ণগোচৰ হয়।

"আজি ভাই কাট্‌লেট আৰু চিকেন পৰঠা নহ'লে মাইনাৰ পাৰ্টিটোৰ একো সন্মানেই নৰব। গতিকে সেইফালৰ পৰা মাইনাই সচেতন হ ।" ধীৰাজে চকীত বহি ভৰি দুটা মেলি কিলাকুটি দুটাৰে টেবুলত ভেজাদি হাতদুখনৰ তৰ্জনি আঙুলি দুটা লগ লগাই ক'লে।

আৰে কি ভাবিছ মাইনাই ইয়াতকৈ ষ্ট্ৰং খানা দি দিব, অনুগ্ৰহ কৰি মুখখন বন্ধ কৰি ৰাখ" প্ৰীতমে প্ৰয়োজনতকৈ বহুত বেছি জোৰেৰে কথা কেইটা উচ্চাৰণ কৰিলে।

পৰাণে দুৱাৰমুখত বহি থকা মেনেজাৰৰ সমুখৰ টেবুলত খোৱাবস্তুৰ লিষ্টখন দি ক'লে "আমাৰ টেবুললৈ যিমান পাৰে সোনকালে চাপ্লাই দিব।

যথাসময়ত খাদ্যসামগ্ৰী আহিল। মাইনাৰ বাদে আটাকেইটাই বেচ উল্লাসেৰে খাদ্য সামগ্ৰী উদৰস্থ কৰিলে। মাইনাৰ ভৰ্তি ডিচখনলৈ চকু দিবলৈ কাৰো সময় নহ'ল। মাথো সিহঁতে বন্ধুৰ টকাৰ শৰাধেৰে তুষ্টহৈ ৰুমালেৰে মুখহাত মচি বাৰেবিংকৰা কথাৰ মহলাৰে হোটেলৰ বাহিৰ হ'ল।

সেইদিনা ঘৰলৈ আহি মাইনাই আনদিনাৰ দৰে ভনীয়েক নয়নাক ইটো সিটো কথাৰে জোকাই মেলি এক গণ্ডগোলৰ সৃষ্টি নকৰিলেহি। "মা চাহ কৰা, মই ভৰি হাত ধুইছো।" বুলি কৈ বাথৰুমৰ পৰা আহি চাহৰ আখলত বহি দিনটোৰ ঘটনাবিলাক বৰ্ণনা কৰাৰ ইচ্ছাপ্ৰকাশ নকৰিলেহি। সেইদিনা মাইনাৰ দৈনিক কাৰ্য্যসূচীৰ বহুতো ব্যতিক্ৰম হ'ল। দ্বিতীয় বিভাগত মেট্ৰিক পাছ কৰি অৰ্থাভাৱৰ হেতু উচ্চ শিক্ষা লোৱাৰ আশা ত্যাগ কৰি ঘৰতে থকা নয়নাই কিবা কাৰণবশতঃ মাইনাৰ কোঠাৰ আগেদি যাওঁতে দাদাকক কোঠাৰ ভিতৰত দেখি অবাক হ'ল। তাতোকৈ অবাক হ'ল তাইক দেখিও নেদেখাৰ ভাওজুৰি থকা মাইনাৰ অস্বাভাৱিক গম্ভীৰ



ৰূপত। আশ্চৰ্য্যত হতবাক হৈ পোনচাটেই তাই মাকৰ ওচৰ পালেহি। "মা দাদাই কিয় মন মাৰি আছে, কিবা হৈছে নেকি?" "ক'তা মাইনা আহিল নেকি কলেজৰ পৰা?" মাক সুভদ্ৰা এক্কেকোবেই মাইনাৰ কোঠা পালেহি। "মাইনা তই আক' কলেজৰ পৰা কেতিয়া আহি মনে মনে সোমাই আছ, গা বেয়া কৰিছে নেকি?"

"একো হোৱা নাই মা, এনেয়ে" - নিৰুদ্বেগ কণ্ঠে মাইনাই উত্তৰ দিলে।

"তেন্তে ভৰি হাত ধুই লগৈ, মই চাহ আনো" যতদূৰ সম্ভৱ সহজ হ'বলৈ চেষ্টা কৰি মাক সুভদ্ৰাই ক'লে।

মাকৰ মুখলৈ চোৱাৰ মানসিক প্ৰস্তুতিখিনি গোটাব নোৱাৰি অযথা ইংৰাজী কিতাপখনৰ পাত লুটিয়াই ব্যস্ততাৰ সুৰেৰে ক'লে - "চাহ আৰু নাখাওঁ দিয়া আহোতে লগৰ ল'ৰা এটাই জোৰ কৰি তাহাঁতৰ ঘৰলৈ লৈ গ'ল, তাতে চাহ খাই আহিছো।"

এক অবিশ্বাসৰ দৃষ্টিৰে অনামী এক আশংকাৰে মাইনাৰ মূৰৰ পৰা ভৰিলৈ লক্ষ্য কৰি মাক সুভদ্ৰা আঁতৰি গ'ল। কিবা এটা নিশ্চয় হৈছে, যিটোৰ বাবে শিশুসুলভ মাইনাই আজি অভিভাৱকৰ গাম্ভীৰ্যৰে বহি আছে। কেতিয়াবা ক'ৰবাত কিবা খাই আহিলেও ঘৰত মাকে কৰা চাহটোপা নাখালে চাহখোৱা যেন নলগা মাইনাৰ আজি কিয় এনে ৰূপ স্থিৰ কৰিব নোৱাৰি জীয়েক নয়নাক দাদাকৰ লগত নৈৰ পাৰে পাৰে এনেয়ে ফুৰি আহিবলৈ নিৰ্দেশ দিলে।

অনিচ্ছাস্বত্বেও ভনীয়েকৰ নেবানেপেৰা অনুৰোধ উপেক্ষা কৰিব নোৱাৰি অগত্যা মূৰত ফণিখন বুলাই মাইনা নয়নাৰ স'তে মাকক মাত লগাই ঘৰৰ পৰা ওলাল।

অস্তাচলত মাৰ যাব ধৰা সূৰ্য্যৰ ৰক্তাভ পোহৰবোৰে পশ্চিম আকাশ ৰক্তিম কৰি তুলিছে। গতিশীল লুইতৰ স্বচ্ছপানীত ৰক্তিম আভা পৰি পানীখিনিও ৰঙীণ হৈ পৰিছে।এতিয়া আৰু দুপৰৰ সূৰ্য্যৰ প্ৰখৰতা নাই কিন্তু আছে অবৰ্ণনীয় এক অপৰূপ সৌন্দৰ্য্য। যি সৌন্দৰ্য্যই যিকোনো পিপাসু মনক বিমল আনন্দ দিব পাৰে।

ৰিব্ ৰিব্ কৈ এচাটি মলয়াই শীতল পৰশেৰে প্ৰকৃতিক মৰম যাঁচি গ'ল। তাৰেই প্ৰতিক্ৰিয়াত যেন মৰমৰ প্ৰতিদানত বৰফ বগা কহুঁৱাবোৰে হালিজালিমলয়াৰ বোকোচাত উঠি নৃত্য কৰিবলৈ ধৰিলে।

আবেলিৰ এই মোহনীয় দৃশ্য মাইনাৰ বৰ প্ৰিয়। আজি কিন্তু এই অন্তস্পৰ্শী দৃশ্যই মাইনাৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা নাই। দেখিলে ভাব হয় - মাইনাৰ চেতনাৰ পৰা সমস্ত জগত সংসাৰ বিলুপ্ত হৈ গৈছে। বৰ্ষনোন্মুখ মেঘখণ্ডৰ দৰে, কিবা এটা

বিলুপ বেদনাৰ ভাৰত তলমল কৰি উঠিছে। মাইনা আজি সকলোতে নিৰাসক্ত। এটা যেন অলৰ অচৰ শিলামূৰ্তি। সমগ্ৰদেশৰ অৱসাদ আৰু ক্লান্তি আহি মাইনাৰ শৰীৰত যেন আশ্ৰয় লৈছেহি তপত হুমুনিয়াহ এটা এৰি ডাঙৰ শিল এচপৰাত মাইনা বহি পৰিল।

নয়না সচকিত হৈ উঠিল। অথনিৰে পৰা তাই আলেঙে আলেঙে দাদাকৰ সকলো কাৰ্য্যকলাপ লক্ষ্য কৰি আছে। সূৰ্য্যাস্তৰ অপৰূপ সৌন্দৰ্য্য ৰাশিয়েও আজি দাদাকক আকৰ্ষণ কৰিব পৰা নাই। গভীৰ বেদনাত যেন আজি তাইৰ দাদাক বিধুৰ কিন্তু কিয়? কিয় এই ৰূপ দাদাকৰ! উদঘাটন কৰিবই লাগিব। নয়না দৃঢ়প্ৰতিজ্ঞ হ'ল - আজি তাই দাদাকৰ বেদনাৰ কাৰণ উলিয়াবই লাগিব।

"দাদা" মাইনাৰ কান্ধৰ ওপৰত হাতখন নয়নাই মাত দিলে।

"ওঁ" সম্বিত ঘূৰাই পালে মাইনাই "কি নয়না? যাওঁ গৈ নহয়নে বাৰু?"

"ওঁহো আজি মই নাযাওঁ ঘৰলৈ, যদিহে তোমাৰ মনৰ এই অৱস্থাটোৰ কাৰণ মোক নোকোৱা। কোৱা তুমি ক'বই লাগিব মোক।"

"ধেৎ এইবিলাক যা-তা তই কিয় বকিছ নয়না, মোৰ এনে কি হৈছে কি হৈছে তোক ক'ব লাগিব।"

"নয়ন দাদা, তুমি অভিনয় এৰা, কোৱা তোমাৰ কি হৈছে।" চলচলীয়া চকুৰে অভিমান মিহলি থোকাথুকি মাতেৰে নয়নাই ক'লে।

ফান্দত পৰি গ'ল মাইনা। এইবাৰ ৰক্ষা নাই। নোকোৱালৈকে তাই চকুপানীৰ নিজৰাটো অবিৰাম বোৱাই থাকিব।

"মোৰ বাবে মা আৰু তই ইমানবোৰ স্বাৰ্থ বিসৰ্জন দিয়াৰ পাচতো মই তহঁতক আজীৱন দুখেই দি আহিছো নয়না" নয়নাৰ চকুপানী মচি দি মাইনাই ক'লে। "মোৰ আজি ফিজ দিয়া নহ'ল ফিজৰ টকা আধাৰে মই পৰাণহঁতক চাহ খুৱাই দিলো নয়না। এতিয়া চিন্তাত পৰিছো ক'ৰ পৰা যোগাৰ কৰিব পাৰো টকাকেইটা।"

"ইয়াকে নকৈ তুমি অথনিৰে পৰা চিন্তাৰ পৰ্বত প্ৰমাণ বোজা এটা অনৰ্থক কঢ়িয়াই লৈ ফুৰাৰ প্ৰয়োজনেই বা আছিল কি?" মাইনাৰ হাত দুখন মোহাৰি মোহাৰি নয়নাই হাঁহি হাঁহি ক'লে। "চিন্তাৰ কাৰণ নাই দাদা, তোমাক তোমাৰ বন্ধুহঁতে প্ৰায়ে খুৱাই। তুমি মাথো আজিহে খুৱাইছা। মই খুউব ভাল পাইছো দাদা।"

"নহয়, নহয় তই ভাবি চোৱা নাই, এতিয়া ফিজ মই ক'ৰ পৰা দিম।" মাইনাই আৰ্ত্তস্বৰে কৈ উঠিল।

"চিন্তা নকৰিবা মই এটা কথা ভাবিছো। অলপতে যে পাটৰ বাণী দি দুযোৰ



মেখেলা-চাদৰ বৈছিলো বৰুৱাণীয়ে এদিন আহি কৈ গৈছিল তেওঁ কাপোৰ দুযোৰ কিনি ল'ব। কালিলৈয়ে মই কাপোৰ দুযোৰ দি পইচা লৈ আহিম।" নয়নাই উৎফুল্লিত কণ্ঠেৰে ক'লে।

মাইনাই কিবা এটা ক'বলৈ মুখ মেলোতেই তাই বাধা দি কৈ উঠিল - স্কলাৰশ্বিপৰ টকা পালে তুমি মোক কিবা এটা প্ৰেজেন্ট দি দিবা বচ্। ব'লা এতিয়া যাওঁ সন্ধ্যা হ'লহি - মায়ে চিন্তা কৰিব।

"তোৰ দৰে যে ভনী এজনী পালো এইয়া হয়তো পূৰ্বজন্মত কিবা পূণ্যৰ ফল। জনমে জনমে তই যেন মোৰ ভনী হৱ, এয়ে নেদেখাজনৰ ওচৰত মোৰ মিনতি?" বুলিকৈ সমস্যা সমাধানৰ স্বস্তিৰ নিশ্বাস এৰি দুগালেৰে আনন্দাশ্ৰু বোৱাই ভনীয়েকক বুকুৰ মাজলৈ সাৱটি লৈ কপালত তপত চুমা এটি আঁকি দিলে।

সেই সময়ত নীড়মুখী এজাক চৰাই কলকাকলিৰে আকাশ মুখৰিত কৰি দিগন্তৰ ফালে ঢাপলি মেলিলে।

❖❖❖

১৯৭৫-৭৬ চনত প্ৰকাশিত।

# টেক্‌নিক্‌

প্ৰণৱ কুমাৰ বৰঠাকুৰ

**য**তীনদাই অন্ততঃ আমাক এনে নগুৰনাগতি খন কৰিব নালাগিছিল। তেখেতেতো ব্যক্তিগত ভাৱে বুজাইও আমাৰ স্বভাৱৰ সংশোধন কৰিব পাৰিলেহেঁতেন। সমজুৱা ভাৱে আমাক কিয় লাজ দিলে। ছাৰক যি কৰিলে কৰিলে লগতে আমাকনো লেতিয়ালে কেলেই? তেখেতেতো পৰিৱেশৰ লগত স্বভাৱৰ সম্বন্ধ স্বীকাৰ কৰে। এই পাতল মনৰ অনিলটোৰ গাতে য'ত চব দোষ। ৰবীন ভাল বাচি গ'ল। চাৰৰ লগত আমাৰ সম্বন্ধ বোধকৰোআজিৰ পৰা চিগিল। মুঠৰ ওপৰত, আমি নিজেই আমাৰ ভৰিত কুঠাৰ মাৰিলো।

মই অনিল আৰু ৰবীন তিনিওটা শিক্ষিত নিবনুৱা। মই যোৱাবাৰ বি, এচ, চি পাছ কৰিলো।অনিলৰ 'ৰাজনীতি বিজ্ঞান'ত অনাৰ্চ' সহ বি, এ পাছ কৰা দুবছৰ হ'ল আৰু ৰবীনে দুবছৰে বি, এ মহলা বৈ থকাত শেষত 'নহ'ব আৰু' বুলি পঢ়া সামৰণি মাৰিলে। আমি তিনিওটা সংস্থানহীন বেকাৰ বন্ধু। ইন্টাৰভিউ' দি দি এতিয়া আমি ইন্টাৰভিউ ল'ব পৰা হ'লো। শিক্ষাৰ চাৰ্টিফিকেট বোৰ কেতিয়াবা চিগাৰেট জ্বলাবলৈ হ'ব বুলি থৈ দিছো। দিনটো কটাবলৈ হাতত দুটামান পইচা লাগে। আৰু সেইবাবেই দিনটোৰ পকেট খৰচৰ বাবেই বিবেকক নেওচি বহুতো নিম্নস্তৰৰ কাণ্ড কৰো। ইতিমধ্যে আমাৰ বিবেকেও এক নতুন গঠন লৈছে আৰু বৰ্তমান সেই বিবেকেই আমাৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰণ কৰে। অনিলক চাহ একাপ খুৱাবলৈ ক'লে



সি কয়, "আমাৰ কাৰণেতো একাপ চাহৰ দাম পচিশ পইচা নহয়, পশ্চাশ পইচা। পইচা পচিশটাৰে এটা শ্লিপিং টেবলেট কিনিব লাগিব, নহ'লে পচিশ পইচা খৰচ কৰি ৰাতিটো শুব কি শান্তিত?" ৰবীনে ক'লে কয় "চাহ একাপ খুৱাবলৈ হ'লে বেংকৰ পৰা ধাৰ ল'লেহে হ'ব।" কেতিয়াবা ভাৱ হয় পৃথিৱীৰ ভিতৰত বোধকৰো আমি তিনিটাই আটাইতকৈ দৰিদ্ৰ। গতিকে এই চাহ চিগাৰেট সৰকাব পৰা 'মক্কেল' (আমাৰ ভাষাত) এজন পালে আমি সকলো নৈতিকবোধ আঁতৰাই সৰকোৱাত লাগি যাওঁ। শেষত মন্তব্য দিওঁ 'বৰ জমিলে'। আমি যান্ত্ৰিক যুগৰ মানুহ, আমাৰ 'হৃদয়' নাই, আছে 'হৃদযন্ত্ৰ'। গতিকে আমাৰ আবেগ, অনুভূতিৰ অস্তিত্ব আমি অনুভৱ নকৰো। এদিন আমাৰ ভাগ্যৰ বলত আমি এজন ভাল 'মক্কেল' পালো। সেইজন হ'ল আমাৰ 'ছাৰ'।

'ছাৰ' আমাৰ এটাৰো শিক্ষক নহয়। এই অঞ্চলৰ সকলোৱে তেখেতক 'ছাৰ' বুলি মাতে। গোটেই অঞ্চলটোৰ  ভিতৰত 'ছাৰ'ৰ লগত ঘনিষ্ঠতা বেছি। কাৰণ ছাৰে সাহিত্য চৰ্চ্চা কৰে (বিশেষকৈ আধুনিক কবিতা) আৰু সুযোগ পালেই ছাৰে স্থান কাল পাত্ৰ নাচাই কবিতাৰ ওপৰত বক্তৃতা দিবলৈ আৰম্ভ কৰে, আৰু এদিন আমি আৱিস্কাৰ কৰিলো যে ছাৰৰ এই বক্তৃতা যিকেইজন শ্ৰোতাই মনোযোগেৰে আৰু মাজে মাজে দুই এটা প্ৰশ্ন কৰি মনোযোগিতাৰ পৰিচয় দিয়ে, শেষত সেই সকল সাৰ্থক শ্ৰোতা'ই ছাৰৰ পৰা চাহ চিগাৰেটৰ পৰা আদিকৰি ছাৰৰ সামৰ্থ্যৰ ভিতৰৰ যি কোনো বস্তু আদায় কৰিবলৈ সমৰ্থ হয়। উক্ত সূত্ৰানুযায়ী ছাৰৰ শ্ৰোতা হিচাবে কৃতকাৰ্য্য হোৱাত ছাৰৰ লগত আমাৰ ঘনিষ্ঠতা আটাইতকৈ বেছি হয়। ছাৰে স্থানীয় 'বিক্ৰীকৰ' কাৰ্য্যালয়ত কেৰাণী কৰে। অবিবাহিত, বিয়া কৰোৱাৰ বয়স পাৰ হৈ গ'ল। এটা দুকোঠলীয়া ঘৰ ভাড়া কৰি অকলে কাৰ্য্যালয়ৰ ওচৰতে থাকে। শিৱসাগৰত ছাৰৰ আচল ঘৰ। ঘৰৰ অৱস্থা ভাল।

একেষাৰে ক'বলৈ গ'লে, ছাৰৰ কবিতাৰ ওপৰত কোনো জ্ঞান নাই। কিন্তু ছাৰৰ মূৰত কবিতাৰ এই পোকটো কেনেকৈ সোমালে ছাৰেহে জানে। ছাৰে বিশেষকৈ আধুনিক কবিতাৰ বিষয়েহে আলোচনা কৰে। কবিতাৰ বিষয়ে যে আমাৰ কিবা জ্ঞান আছে সেইটোও নহয়। মই আধুনিক কবিতাৰ ওপৰত দুই এটা প্ৰবন্ধ পঢ়িছো। অনিলে মাজে মাজে লিখাৰ চেষ্টা কৰে। এবাৰ তাৰ কবিতা এটা আলোচনীত ওলাইছিল, কবিতাটো বুজিব নোৱাৰি তাৰ পৰা অৰ্থৰ ব্যাখ্যা বিচাৰিলো। সি ক'লে "আৰে ভাই তই কি বুজিবি কবিতাটো মই নিজেই বুজা নাই"। ৰবীনৰ বাবেতো 'আধুনিক কবিতা' এটা 'নাৰিকল' বুলি সি নিজেই স্বীকাৰ কৰে। ছাৰৰ আধুনিক

কবিতা আমি ক'তো প্ৰকাশ পোৱা আজিলৈকে দেখা নাই, কিন্তু সৃষ্টিৰ গতি অব্যাহত থাকে।

ছাৰৰ মতে, 'আধুনিক কবিতা' বুলিলে পাঠকে যিটো ভয় খায়, সেইটো ভয় খাবৰ কোনো প্ৰয়োজন নাই। তেখেতে সহজ ভাষাত বুজাবলৈ আমাক সোধে, "হেৰা তোমালোকে বাৰু সাঁথৰ ভাঙি পাইছানে?"

"পাইছো ছাৰ"। আমাৰে এটাই কয়।

"ভাঙি বৰ মজা লাগে ছাৰ"। সাধাৰণতে অনিলে অলপ বঢ়াই কয়।

"পাইছা নহয়। এই যে সাঁথৰ, তাৰেই ৰূপান্তৰ আধুনিক কবিতা। আধুনিক ৰূপান্তৰ।

সাঁথৰত এটা উত্তৰ থাকে নহয়?"

"হয় ছাৰ"।

"এই যে উত্তৰটো, সেইটোৱেই হৈছে 'আধুনিক কবিতা'ৰ নামটো'। উত্তৰটো দিয়া থাকে। পাছত থকা কবিতাটোত কিছুমান প্ৰশ্ন, মন কৰিলে দেখিবলৈ পাবা। প্ৰত্যেকটো প্ৰশ্নৰে উত্তৰ সেই নামটো? সাঁথৰেই কেৱল টেক্‌নিকৰে ৰূপান্তৰ। যিদৰে আজি কালি প্ৰশ্ন কাকতত উত্তৰটো দিয়া থাকে কেৱল বাচি উলিয়াব লাগে।ঠিক সেইদৰে ইয়াতো। মাত্ৰ টেক্‌নিকৰ ৰূপান্তৰ বুজিলা'। ছাৰৰ যে Theory বোৰ ভুল সেইটো আমি ভালদৰে বুজো। এই যুক্তিহীন Theory বোৰৰ মাজত আমি এটা অহেতুকী আনন্দ পাও আৰু ইও এটা আমাৰ তৃপ্তিৰ সম্বল। ছাৰৰ টেক্‌নিক্‌ৰ প্ৰতি এটা বেলেগ দুৰ্বলতা আছে। ছাৰৰ মতে যুগৰ পৰিৱৰ্তন মানেই সাহিত্যৰ পৰিৱৰ্তন আৰু সাহিত্যৰ পৰিৱৰ্তন মানেই টেক্‌নিক্‌ৰ পৰিৱৰ্তন। এইটো ছাৰৰ নতুন Theory আৰু ছাৰে এই Theory টোকে বেছিকৈ Apply কৰে।

ছাৰে এদিন এটা নতুন টেক্‌নিক্‌ৰ ওপৰত এটা কবিতা লিখিলে আৰু তেখেতৰ ঘৰলৈ বিহু খাবলৈ মাতি, সেইটো আমাক দেখুৱালে। কবিতাটো পঢ়ি মই আৰু অনিল দুয়োটা অবাক হ'লো। ৰবীনে আকৌ সেইয়া কবিতা নে নাটক বুজিব নোৱাৰি ছাৰক সুধিয়েই পেলালে "ছাৰ, কবিতাত জানো নায়ক-নায়িকা থাকে"। সি ছাৰৰ মুখলৈ আচৰিত হৈ চালে।

ছাৰে গাম্ভীৰ্য্যপূৰ্ণ হাঁহি এটা মাৰি ক'লে "সেইটোৱেইটো মোৰ টেক্‌নিক্‌ৰ বাহাদুৰী"। ছাৰে এটা নতুন টেক্‌নিক্‌েৰে আমালৈ চালে।

"হেৰা তোমালোকক কোনে ক'লে যে 'আধুনিক কবিতা' নাটকৰ দৰে হ'ব নোৱাৰে। হেৰা, তোমালোকে নাটকৰ মাজত কবিতা মানে আধুনিক কবিতা



থকা দেখিছানে নাই? ছাৰে আমাক নিমাত যেন দেখি 'মৌনং সন্মতি লক্ষণং' বুলি আকৌ আৰম্ভ কৰিলে "যদি নাটকৰ মাজত আধুনিক কবিতা থাকে, তেনেহ'লে আধুনিক কবিতাৰ মাজত কিয় নাটক থাকিব নোৱাৰিব"? খন্তেক ৰৈ, বাৰু কোৱাচোন তোমালোকে, সাহিত্য কিহৰ ওপৰত ভিত্তি কৰি সৃষ্টি কৰা হয়"?

"সমাজৰ ওপৰত,"অনিলে ক'লে।

"ওঁ সাহিত্য সমাজৰ দাপোন" ছাৰে গুৰুগম্ভীৰ স্বৰে ক'লে।

"তেনেহ'লে আধুনিক কবিতা একা?"

"আধুনিক সমাজ, আধুনিক সমাজ ছাৰ"। অনিল সাৰ্থক শ্ৰোতা হোৱাৰ চেষ্টাত। মোকে, ৰবীনকে মাত মাতিবলৈ সি সুযোগ দিয়া নাই।

"বাৰু তেনেহ'লে তোমালোকে আধুনিক সমাজত ক'ত 'পাৰ্থক্য' দেখিছা, ল'ৰা আৰু ছোৱালীৰ মাজত নে, বাপেক আৰু পুতেকৰ মাজত নে, নে গাখীৰ আৰু পানীৰ মাজত পাৰ্থক্য দেখিছা?"

"ক'তো নাই দেখা ছাৰ'। আমি তিনিওটাই প্ৰায় একেলগেই ক'লো।

"যদি ক'তো পাৰ্থক্য নাই", তেনে ক্ষেত্ৰতআধুনিক সমাজৰ ওপৰত সৃষ্টি কৰা সাহিত্যত বিশেষকৈ আধুনিক কবিতাত কিয় পাৰ্থক্য থাকিবহে?" খন্তেক আমালৈ স্থিৰ দৃষ্টিৰে চাই, আকৌ আৰম্ভ কৰিলে "সাহিত্য সমাজৰ দাপোন আৰু প্ৰত্যেক যুগৰ দাপোন প্ৰত্যেক যুগৰ সাহিত্য, সেইদৰে আধুনিক যুগৰ সাহিত্যই' হৈছে আধুনিক সমাজৰ দাপোন। প্ৰতি যুগৰ সত্যক যি সাহিত্যই দেখুৱাব নোৱাৰে সেই সাহিত্য অবাস্তৱ আৰু সাহিত্যৰ লিখক বাস্তৱজ্ঞানহীন আৰু অনভিজ্ঞ বুলি পৰিচয় পাব। ছাৰৰ কথাৰ পৰা আমি এইটো বুজিব লাগিব যে, ছাৰ এজন অভিজ্ঞ আৰু বাস্তৱবাদী লিখক।

ছাৰৰ মতে আধুনিক কবিতাত ছন্দৰ বৈসাদৃশ্য অৰ্থাৎ অমিলৰ কাৰণ হ'ল, যিহেতু আধুনিক সমাজত বাপেক পুতেকৰ মাজত, কথা আৰু কামৰ মাজত আদি ক'তো মিল নাই বা সাদৃশ্য নাই গতিকে আধুনিক কবিতাতো ছন্দৰ মিল থকা অবাঞ্চণীয়।

ছন্দৰ মিল নথকাৰ আন এটা কাৰণ দেখুৱাই ছাৰে কয় যিহেতু আমাৰ সমাজৰ অতি মানৱ পৰ্য্যায়ৰ লোকৰ আদৰ্শ আৰু চিন্তাধাৰাত মাহাত্ম্য প্ৰদানৰ বাবে ছন্দৰ প্ৰয়োগ কৰা হয়, কিন্তু আমাৰ আধুনিক সমাজত অতি মানৱ দূৰৰে কথা প্ৰকৃত মানৱৰে অভাৱ গতিকে 'আধুনিক কবিতা'ত ছন্দৰ প্ৰয়োগ কৰা নহয়।

এই সকলোবোৰ ছাৰৰ মৌলিক (?) সূত্ৰ এনে নহয়। প্ৰকৃততে এইবোৰ

ছাৰে ভাল বক্তা কিম্বা ভাল প্ৰবন্ধৰ পৰা আহৰণ কৰা তথ্য, কিন্তু ছাৰৰ মগজুত এইবোৰ ভালদৰে পৰিপাক নোহোৱাত ছাৰে অপ্ৰাসঙ্গিক ভাৱে আবোল তাবোল বকে। কাৰণ, কেতিয়াবা প্ৰমাণ স্বৰূপে ছাৰে আমাৰ আগত একোটা ভাল প্ৰবন্ধ ডাঙি ধৰে, কিন্তু পঢ়ি চাই দেখো তাত লিখা আছে এটা আৰু ছাৰে কৈছে আন এটা। ছাৰৰ এই 'মৌলিক ' Theory বোৰৰ বাবে বহুতে তেখেতক 'বুদ্ধিজীৱি' বুলি জোকায়'। কেৱল ছাৰৰ পৰা আমাৰ প্ৰয়োজনীয় দুই এটা আদায় কৰাৰ অভিপ্ৰায়েৰে এই যুক্তিহীন Theory বোৰ শুনো।

কিন্তু সৰকোৰা মতলৱটোৰে যে এদিন আমাক শলঠেকত পেলাব, ভবা নাছিলো, আৰু আজি আমি ভালদৰে শিকিলো। আমাৰ জীৱনত বোধকৰো এই ঘটনাটোৱে সাঁচ নবহুৱালেও চিৰদিন সোঁৱৰাই ৰাখিব।

আজি এসপ্তাহৰ আগত মই আৰু অনিল তিনিওটায়ে অনিলৰ বাবে এটা হল্ডঅল্ বিচাৰি ছাৰৰ ঘৰলৈ ওলালো। অনিল অভয়াপুৰী সাহিত্য সভালৈ যাব। বাপেক যোৱাৰ কথা আছিল কিন্তু হঠাৎ গা অসুখ কৰাত তাকে পঠিয়ালে কাৰণ গাড়ীৰ টিকেত আগতেই লোৱা হ'ল। এনেবোৰ সমস্যা আমি ছাৰৰ যোগেদিয়েই সমাধা কৰো, আৰু ছাৰেও হল্ডঅল দি ছাৰৰ সম্বন্ধীয়া লোকলৈ চিঠি এখন দি নিজৰ চাৰ্ট, পেন্ট, কোট, চুৱেটাৰ আদি দি আমাৰ সমস্যাবোৰ সমাধান কৰি দিয়ে।

আমি ছাৰৰ ঘৰ পাই দেখো ছাৰে কিবা এখন একান্তমনে পঢ়ি আছে। ওচৰ পাই দেখিলো, এদিন এটা ধেকুৱা কুকুৰ... সেই ১ম মানৰ কিতাপৰ পদ্যটো। অনিলে টেক্‌টেকাই হাঁহি দিলে হাঁহিৰ শব্দত ছাৰৰ তন্ময়তা ভাগিল।

"কি হ'ল? অ' তোমালোক বহা, বহা।

আমি বহিলো। অনিলে একেবাৰে ছাৰৰ গাতে গা লগাই বহিল। খন্তেক নীৰৱে থাকি ছাৰে ক'লে, "বুজিছা আজি মই এটা নতুন টেক্‌নিক্ উদঘাটন কৰিলো। ৰবীনে চকু কেইটা ডাঙৰ কৰি মোলৈ চালে।

"এই যে কবিতাটো" ছাৰে আৰম্ভ কৰিলে।

"কোনটো ছাৰ"? মই বাটতে বাধা দি সুধিলো।

'এইটো' বুলি ছাৰে গলগলীয়া মাতেৰে পঢ়ি শুনালে এদিন এটা ধেকুৱা কুকুৰে মুখত মঙহ লৈ....। কিন্তু ৰবীনে মাজতে 'ছাৰ এইটো পদ্যহে বুলি মাতি দিলে।

'পদ্য'কিন্তু তাতহে আচৰিত হ'লো। কাৰণ এইটো সম্পূৰ্ণ এটকাৰ আধুনিক কবিতা।



"মানে এটকা মূল্যৰ কবিতা"। ৰবীনে কাণত ফুচফুচাই মোক ক'লে। মই শ্ৰোতা হোৱাৰ উদ্দেশ্যে আৰু অনিলে হল্ডঅলৰ আশাত হাঁহি ৰখোৱাত ব্যস্ত।

"কবিতাটোৰ ভিতৰলৈ সোমাই যোৱা তেতিয়াহে দেখিবা।"ছাৰে বোধকৰো আমাৰ অৱস্থা বুজি ক'লে।

"চোৱা"। ছাৰে খন্তেক ৰৈ, আৰম্ভ কৰিলে। "কাহিনীটো হ'ল এদিন ধেকুৱা কুকুৰে মুখত মঙহ লৈ এখন নৈৰ সাঁকো পাৰ হৈছিল কিন্তু পানীত তাৰ প্ৰতিবিম্বটো দেখি শত্ৰু বুলি ভুকিবলৈ লওঁতেই তাৰ মঙহ টুকুৰা পানীত পৰি থাকিল।

খন্তেক ৰৈ ছাৰে আকৌ আৰম্ভ কৰিলে "মন কৰা।" ইয়াত কুকুৰটোৱেই সৰ্বহাৰাক প্ৰতিনিধিত্ব কৰিছে।" "বাৰু কোৱাচোন নৈ কিহৰ প্ৰতীক।" খন্তেক আমাৰ চকুলৈ একেথিৰে চাই ছাৰে সুধিলে "সাহস আৰু ত্যাগৰ" ৰবীনে জাতীয় পতাকাৰ ৰঙৰ প্ৰতীকলৈ গ'ল। "নহয় বোঁৱতী জীৱনৰ প্ৰতীক" ছাৰে গম্ভীৰভাৱে ক'লে। "কুকুৰটোৱে তাৰ জীৱনত সংগ্ৰাম কৰিবলৈ নিবিচাৰি, সি সাঁকোৰ অৰ্থাৎ জীৱনক নেওঁচি যাব বিচাৰিলে।কিন্তু বাস্তৱতে আহাৰ তেনেকৈ পোৱা নাযায়। কুকুৰটোৱে তাৰ জীৱনত সংগ্ৰাম নকৰি আন সৰ্বহাৰাৰ পৰা মঙহ টুকুৰা বচাবলৈ, সি জীৱনক নেওঁচি অৰ্থাৎ সাঁকোৰে নৈখন পাৰ হ'ব বিচাৰিলে। কিন্তু মঙহ টুকুৰা সি হেৰুৱাব নোৱাৰিলে। তাৰ প্ৰতিবিম্বৰ অৰ্থাৎ তাৰ শ্ৰেণীৰেই, তাৰ প্ৰতিকৃতি স্বৰূপ আন সৰ্বহাৰা। পলায়ণবাদী এইটো সৰ্বহাৰা অৱশেষত পৰাজিত হ'ল। শেষত সি মঙহটুকুৰা হেৰুৱালে। আমালৈ প্ৰশ্নসূচক দৃষ্টিৰে চালে। অৰ্থ, 'দেখিলা মই কেনেকৈ ৰহস্য উদঘাটন কৰিলো'। বুজিছা কবিতাটোৰ 'টেক্‌নিক্' চমৎকাৰ। আমাৰ শিক্ষাবিভাগে এইটো '১ম মান'ত দিছে কিন্তু মই কওঁ এইটো স্নাতক মহলাত দিব পৰা কবিতা। ল'ৰা বুঢ়া সকলোৰে ভাল পাব পঢ়ি। পণ্ডিতৰতো কথাই নাই। চমৎকাৰ 'টেকনিক্'। তিনিওটাই সাৰ্থক শ্ৰোতা হোৱাৰ বাটত। অনিলে একান্তমনে শুনি আছে। হঠাৎ 'হল্ডঅল' কথাটো মনত পৰাত সি উঠিল আৰু ছাৰক কথাটো ক'লে। ছাৰে লগুৱা ল'ৰাটোৰ হতুৱাই হোটেলৰ পৰা চাহ অনালে। আমি সাৰ্থক শ্ৰোতা' হোৱাৰ আনন্দত নিজে নিজেই গৌৰৱান্বিত হ'লো।

ছাৰে আগ্ৰহেৰে জাৰি জোকাৰি হল্ডঅলটো উলিয়াই আনিলে। লেপ, বিচনাচাদৰ, কিবা লাগিব নেকি সুধিলে। ছাৰে সাহিত্য সভাৰ ওপৰত বহুতো লেক্‌চাৰ দিলে। এটা সময়ত আমি যাবলৈ ওলালো। ছাৰে খচ্‌কৈ চাৰ্টৰ ওপৰ পকেটৰ পৰা টকা পশচাশটা উলিয়াই দিলে আৰু ক'লে "বাটত পইচা পাতিব বৰ দৰকাৰ হয়

এই কেইটা লৈ যোৱা।" অনিলে পইচা কেইটা লোৱাৰ বেলি নকৰিলে যদিও সামান্য 'অনিচ্ছা'ৰ অভিনয় কৰিলে।

"ছাৰ মই সোনকালেই আপোনাক ঘূৰাই দিম" সি উচ্ছাসতে কথাবোৰ ক'লে।

"দিবা আৰু পাৰিলে"। লাহে ধীৰে দিবা আৰু"। ছাৰে পাতল সুৰত কথাষাৰ ক'লে । অনিল ছাৰৰ সৰলতাত মুগ্ধ। ছাৰৰ এই সৰলতাৰ বিনিময়ত সি কিবা দিব খুজিলে। কিন্তু কি দিব সি ভাবিলে সেয়েহে সি আবেগতে ফাঁকি এটা মাৰি দিলে "ছাৰ আমাৰ স্থানীয় সাহিত্য সভাই এখন কবি সন্মিলন পাতিছে। স্থানীয় কবিৰ বাবে। তাৰ কাৰণে আপোনাৰ কবিতা বিচাৰিছে। আপুনি ভাল কবিতা এটা দিয়ক আৰু"। আমি শুনি আচৰিত। অনিলে চকুটিপ মাৰিলে। কবিতা সন্মিলন পতাটো সঁচা কিন্তু ছাৰৰ কবিতা বিচৰা কথাষাৰ একেবাৰে মিছা, কাৰণ সন্মিলনৰ সম্পাদক যতীনদাক এই কামত আমিয়েই সহায় কৰি দিছো, কিন্তু তেখেতেতো কোনো দিনেই কোৱা নাই।

"কি দিমহে লিখি থোৱা নাই।" তুমি নেৱা যদি কিবা এটা কৰিম আৰু"। ছাৰে চিন্তাক্লিষ্ট ভঙ্গীত ক'লে।

আমি ছাৰৰ পৰা বিদায় ল'লো। যতীনে কথাষাৰ ভুৰুংকৈ কৈ দিব নালাগিছিল। এতিয়া আমি কি কৰিম। আমাৰ যেন চাকৰি এটাহে যাব, আমি তেনে অনুভৱ কৰিলো।

অনিল সাহিত্য সভালৈ গ'ল। মই আৰু ৰবীনে যতীনদাক ছাৰৰ সাহিত্য চৰ্চ্চাত আগ্ৰহৰ বিশদ বিৱৰণ দি অৱশেষত মান্তি কৰালো। প্ৰথমতে কোনোমতেই মান্তি নহয়। তেখেতে আমাক বৰ ঠাট্টা কৰিলে। ইতিমধ্যে আমি ঠাট্টাপ্ৰুফ্ (Proof) হৈ গৈছো। যতীনদা ঠাট্টা কৰাত বৰ পাকৈত। তেখেতৰ এটা নাম আছে। তেখেত নিজে এজন ভাল কবিও। আজি সন্ধ্যা ছাৰৰ 'কবি সন্মিলন'ত কবিতা পাঠ কৰা সময়। অনিল সাহিত্য সভাৰ পৰা আহি পালোহি। মই আৰু অনিল পাছফালে শেষ শাৰীত স্থানীয় কবি সকলৰ মাজত বহি পৰিলো। ৰবীনে "নাৰিকল সোপাৰ মাজত মই বান্দৰটো কি বহিম" বুলি নাহিলেই। ছাৰক দেখি উপস্থিত সকলোৱে ফিচিঙাফিচিঙ কৰিলে। ছাৰে আজি ধুনীয়া পাঞ্জাৱী আৰু পায়জামা পিন্ধি আহিছে। কান্ধত এখন ফুলাম গামোচা। ছাৰৰ কবিতাপাঠ কৰাৰ পাল পৰিল। ছাৰে সুৰ লগাই পাঠ কৰিবলৈ আৰম্ভ কৰিলে। ছাৰে সুৰৰ লগত তবলা সঙ্গত কৰিব পৰা যায়। কবিতাটো শেষ হোৱাত যতীনদাই কবিতাটো 'শ্ৰুতিমধুৰ হৈছে' বুলি মন্তব্য দিলে।



যতীনদাই ছাৰক ভালদৰে জানে। অনিলে যতীনদাৰ কথাত টেক্‌টেক্‌কৈ হাঁহি দিলে। পিছ ফালৰ পৰা অনিলে যতীনদাক খোচ্ এটা মাৰি ক'লে "গানহে শ্ৰুতি মধুৰ হয়"। ছাৰে কিবা এটা বুজিলে। ফিচিঙা ফিচিঙ, ৰাইজৰ মাজত বাঢ়ি গৈছে। ছাৰে গৈ সম্পাদকক 'শ্ৰুতি মধুৰ'ৰ তাৎপৰ্য্য বিচাৰিলে।

প্ৰথমতে দাদাই একো কোৱা নাছিল। পিছত খঙত দাদাই হঠাৎ ছাৰৰ পৰা কবিতাটো প্ৰায় একপ্ৰকাৰ আজোৰ মাৰি নি চিঞৰি চিঞৰি ক'বলৈ ধৰিলে "এইটো আপোনাৰ কবিতা হ'লনে? 'মৰাশ', (কবিতাটোৰ অন্তৰ্গত এটা শব্দ) শ, মৰা নহে জীয়া থাকে নেকি? 'টোপনিৰ পৰা সাৰ পোৱা', টোপনিৰ পৰা সাৰ নাপায়, কিহৰ পৰা সাৰ পায়? 'ভৰিত পিন্ধা জোতাযোৰ' জোতা ভৰিত নিপিন্ধি কাণত পিন্ধা ক'ৰবাত দেখিছা নেকি? ব্যাকৰণৰ ফালৰ পৰাই আপোনাৰ কবিতাত এইখিনি ভুল জলজল পট্‌পট। আৰু কিমান আছে"। ময়ে অনিলে তাপ মাৰিলো। ছাৰৰ অৱস্থা দেখি আমি পলোৱাটোকে শ্ৰেষ্ঠ উপায় বুলি বিবেচনা কৰিলো। এইবাৰ দাদাই আমাক উদ্দেশ্যি ক'লে "মই জানো আপুনি কেইটামান শিয়ালৰ ফান্দত পৰিছে। সেই কেইজন ইয়াতে আছে।" সীতা হোৱাহেঁতেন মই মুহূৰ্ততে "হে বসুমতী ফাট মেলা বুলি ক'লোহেঁতেন"।

দাদাই এইবাৰ কোমল মাতেৰে ক'লে সেই ডেকা ল'ৰা কেইজনে যাতে এইবোৰ বহুৱালি এৰে, এয়ে মোৰ অনুৰোধ। তেওঁলোকে যেন নিজৰ লগতে আনকো শেষ নকৰে। আমি তলমূৰ কৰি আছো।

এটা সময়ত আমি বিজুলী বেগেৰে ওলায় আহি ৰাস্তা পালোহি। সন্মিলন ভাগিল। বাহিৰত আন্ধাৰ হোৱাত আমি ভালেই পালো। দুইটা চিন্তাক্লিষ্ট ভাৱেৰে আহি আছো। ছাৰক মৰা ফাঁকিটো ধৰা নপৰিলেই হয়। আমাৰ সন্মান গ'লেই আৰু আনহাতে আমাৰ চাকৰি তুল্য ছাৰ লগত ঘনিষ্ঠতাও বোধকৰো আজিৰ পৰা চিগিল।

"মোৰ বুজিছ এই বছৰটোৱেই বেয়া" জ্যোতিষী এজনে কৈছিল"। অনিলে নিজৰ দোষ ঢাকিবলৈ কৰা বৃথা চেষ্টা। মোৰ মূৰটো গৰম হৈ আহিছিল।

"ৰবীনৰ বছৰটো ভাল বুলি কৈছিল নেকি?" খঙতে সুধিলো। সি একো নামাতিলে।

"আমাৰ গাতো দোষ নথকা নহয় বুজিছ"।

দোষটো আমাৰ গাত লেটিয়াই দিব খোজা দেখি মোৰ খংটো বাঢ়ি গৈছিল। কিবা এটা কওঁ বুলি ভাবোতেই পাছফালে কাৰোবাৰ কাঁহ এটা শুনিলো। উভতি

চাই দেখিলো, ছাৰ।

ছাৰ আমাৰ ঘৰলৈ আহিল। খন্তেক নীৰৱে থাকি আৰম্ভ কৰিলে "বুজিছা তোমালোকক তেনে কৰিব নালাগিছিল"। আমাক নিমাত যেন দেখি আকৌ আৰম্ভ কৰিলে "বুজিছা সোণ দলিয়াই দিলেও তাৰ উজ্জ্বলতা কমি নাযায়। অনিলৰ ডিঙিৰ মাজৰ পৰা 'কুৎ' কৈ শব্দ এটা হ'ল। সি হাঁহি ঢাকিবলৈ চেষ্টা কৰিছে।

"ভাষা আগতে সৃষ্টি হৈছিল নে ব্যাকৰণ"? হাতত থকা টৰ্চটো বহুত দূৰলৈ মাৰি আকৌ ক'লে "মই অৱশ্যে এটা কথা আৱিস্কাৰ কৰিলো বুজিছা। মোৰ যোগেদি তোমালোকক ঠাট্টা কৰা সম্পাদকৰ ইও এটা চমৎকাৰ টেক্‌নিক্ বুজিছা। অনিলৰ ডিঙিৰ 'কুৎ'টোৰ এইবাৰ বাহিৰত নিলৰ্জ্জ প্ৰকাশ। মই চিকুট মাৰি দিলো। ছাৰে যে আমাক ভুল বুজা নাই মই তাতে সন্তুষ্ট।

"মই কি ভাবিছো জানা"। যিহেতু ছাৰৰ লগত আমাৰ সম্বন্ধ অব্যাহত থকাৰ সম্ভেদ পালো গতিকে সাৰ্থক শ্ৰোতা হোৱাৰ অভিপ্ৰায়েৰে, মনোযোগিতাৰ পৰিচয় দিবলৈ স্থিৰ দৃষ্টিৰে ছাৰৰ মুখলৈ চালো।

"মই ভাবিছো" ছাৰে আৰম্ভ কৰিলে। "এই টেক্‌নিক্‌টোৰ ওপৰতে এটা কৌতুক গল্প লেখিম।"

❖❖❖

---

*১৯৭৬-৭৭ চনত প্ৰকাশিত।*



# দংশন

হৃদয়ানন্দ মহন্ত

প্ৰিয় সম্পাদক,

নমস্কাৰ জানিব। আপোনাৰ আলোচনীৰ বিশেষ সংখ্যালৈ মোৰ গল্প এটা বিচাৰি দিয়া চিঠিখন পাইছো। উত্তৰ ইচ্ছাকৃত ভাবে ... হয়, ইচ্ছাকৃত ভাবেহে দিয়া নাছিলো। আচল কথা কি জানে, সম্ভৱতঃ মই আৰু গল্প নিলিখিমেই। আজি কিছুদিনৰ আগৰ এটা ঘটনাৰ পৰা মই একপ্ৰকাৰ মানসিক সংঘাতত ভুগিছো, আপোনাৰ অনুৰোধ ৰাখিব নোৱাৰি দুখ পাইছো। কিন্তু ঠিক তেনে এটা ঘটনাৰ পিছতো মই মোৰ সেই 'প্ৰতিবাদৰ গল্প' লিখাতো যেন ভুল হ'ব তেনে এটা ধাৰণাই মোৰ মনত দকৈ শিপাইছে। সেয়েহে গল্প লেখাতো বাদেই দিম বুলি ভাবিছো। কাৰণ বিবেককটো আৰু ফাঁকি দিব নোৱাৰি, নহয় জানো?

মোৰ দৰে বিপ্লৱী লেখক এজনৰ এনে ধৰণৰ প্ৰস্থানৰ বাবে আপুনি নিশ্চয় প্ৰস্তুত নাছিল। এৰা, কিছুদিনৰ আগলৈকে আপোনালৈ এনে এখন চিঠি লেখিব লাগিব বুলি ময়ো ভবা নাছিলো।

প্ৰিয় সম্পাদক, বিশেষ সংখ্যাৰ আলোচনী খনত মোৰ গল্প নাথাকিলে নচলা নহয় চলিব। কিন্তু এচাম বিপ্লৱী মনৰ তৰুণৰ বাবে যে মোৰ নামটো সূচীত থকা প্ৰয়োজন সেইয়া ময়ো বুজো। 'দায়বদ্ধ লেখক' এই বিশেষণেৰে ইতিমধ্যে বহুতে মোক চিহ্নিত কৰিছেই। কাৰণ, মোৰ গল্পবোৰে সৰ্ব্বহাৰাৰ মুক্তিৰ পথৰ

সন্ধান দিয়ে হেনো। এচাম পাঠকে মোৰ গল্পৰ পৰাই জীয়াই থাকি সংগ্ৰাম কৰাৰ সাহস পায়। এইবোৰ মোৰ কথা নহয়। মোৰ গল্পৰ সহস্ৰ মুগ্ধ পাঠকৰ চিঠিৰ অংশহে। এইবোৰ পঢ়ি আপুনি হয়তো বিৰক্তি অনুভৱ কৰিব পাৰে কিন্তু মোৰ জনোৱাৰ প্ৰয়োজন বাবেই জনালো। নহ'লে হয়তো আপোনাৰ মোৰ প্ৰতি ভুল ধাৰণা থাকি যাব। বাৰু এতিয়া পূৰ্বৰ প্ৰসংগলৈ আহো।

মোৰ প্ৰথম গল্প "সিহঁতে সাৰ পাইছে" সম্ভৱতঃ আপোনাৰ আলোচনীতে প্ৰথম প্ৰকাশ হৈছিল। সেই গল্পটো প্ৰকাশ হোৱাৰ পাছৰে পৰা মই 'লেখক'ৰ শাৰীলৈ উঠিলো। তাৰ পিছত এটাৰ পিছত এটাকৈ বহুতো গল্প লেখি গ'লো। নক'লেও হ'ব আটাইবোৰেই 'প্ৰতিবাদৰ গল্প'। বিশেষকৈ উদীয়মান পাঠক চাম মোৰ গল্পৰ প্ৰতি অধিক দুৰ্বল হৈ পৰিল। সমাজৰ বহু গেলা ঘা মোৰ গল্পৰ যোগেদি নিলৰ্জ্জ ভাৱে উদঙাই দিলো। শোষিত বঞ্চিত চামৰ বাবে প্ৰতিবাদৰ ভাষা লেখিলে ডাঙৰ কথা কি জানে কেতিয়াবা মোৰ গল্পবোৰ পঢ়ি মই নিজেই আচৰিত হৈ যাওঁ। মোৰ কলমৰ পৰা ওলোৱা কথানে এইবোৰ। প্ৰায়েই সভা-সমিতিলৈ নিমন্ত্ৰণ পাওঁ, আলোচনা চক্ৰত ভাগ লওঁ। সৰহভাগৰে মূল উদ্দেশ্য সমাজ পৰিৱৰ্তন। অগ্নিবৰ্ষী ভাষাৰে গম্ভীৰ বক্তৃতা দিওঁ। শোষক নামৰ বস্তুটো আগত দেখা মাত্ৰকে যেন কি কৰিম  একো ঠিক নাই এনে ভাৱত উদাত্ত কণ্ঠেৰে বক্তৃতা দিও।

এইবোৰ কৰি আন একো নাপালেও আমেজ এটা পাইছিলো, আচৰিত আত্মতৃপ্তি এটা।

একমাত্ৰ এই আত্মতৃপ্তিৰ বাবেই নিজৰ কাষৰ সমাজখনৰ কথা নাচাই ক'ৰবাৰ দূৰৰ এখন সমাজৰ কথা কল্পনা কৰি লেখি যাওঁ, সেইখন সমাজৰ শোষিতচামৰ বাবে শোষকচামৰ বিৰুদ্ধে। কল্পনাৰে ৰহণ দিও, শেষত প্ৰতিবাদৰ ধ্বনি বা বিপ্লৱৰ ইঙ্গিত দি (অতি সঁচা কথা এইয়া) গল্পটো শেষ কৰো। এইয়া মোৰ গল্প লেখাৰ টেক্‌নিকৰ কথা কৈছো। তাৰ পিছত গল্পটো হেনো এখন আলোচনীলৈ পঠাই দিও। সুন্দৰকৈ গল্পটো প্ৰকাশ পায়। কোনো কোনো আলোচনীৰ সম্পাদকে মাননী পঠায়। মাননীৰ মোৰ কোনো প্ৰয়োজন নাই। প্ৰায়েই ঘূৰাই পঠাও। আপোনাৰ দৰে দুই এজন সম্পাদকৰ দাবী পেলাব নোৱাৰি M,O, খন লওঁ। আকৌ লিখো। আৰু লেখিলোহেঁতেন। কিন্তু আজি দুদিনমানৰ আগৰ এটা সামান্য ঘটনাই মোৰ কলম বন্ধ কৰিবলৈ বাধ্য কৰালে। অৱশ্যে কাৰো হেঁচাত নহয়। একমাত্ৰ বিবেকৰ নিৰ্দেশত। মোৰ গল্পবোৰৰ মাজত যে একোটা বিৰাট শূণ্যহে আছে সেইয়া পলমকৈ হ'লেও উপলব্ধি কৰাত ঘটনাটোৱে সহায় কৰিলে। মোৰ প্ৰতিবাদ যে মুখৰহে



কাৰ্য্যৰ নহয় সেইয়া পলমকৈ বুজিলো। বুজাৰ পিছত আৰু কলম ধৰাৰ সাহস নোহোৱা হৈছে।

ষ্টেট টেন্সপোৰ্ট বাছৰ যাত্ৰীৰ ঠেলা-হেঁচাৰ মাজৰ পৰা কোনোমতে ওলোৱাৰ প্ৰায় শেষৰ চিট এটা যোগাৰ কৰি বহিলো, গন্তব্যস্থান যোৰহাট। অলপ পিছতে মোৰ পিছৰ শাৰী চিটত ভিক্ষাৰী সদৃশ মানুহ এটা বহিলহি। প্ৰথমে ভিক্ষা বিচাৰি আহিছে বুলিয়ে ভাবিছিলো, পিছত দেখিলো নহয়, মানুহটোৱে একেবাৰে শেষৰ চুকৰ চিট এটাতে সংকোচেৰে কুচিমুচি বহি ৰ'ল। ভাবিলো বেমাৰী সম্ভৱ। অৱশ্যে জৰাজীৰ্ণ চোলাটো ঘোলা ডাঙৰ ডাঙৰ চকু দুটাই তাৰে ইঙ্গিত দিছিল। আৰু বিশেষ মন কাণ নিদি বহি ৰ'লো।

বাছ চলিল। কণ্ডাক্টৰে টিকেত চেক কৰিবলৈ ল'লে। নিৰুদ্বিগ্নচিত্তে নিজৰ টিকতটো দি পুনৰ অন্যমনস্কতাত বুৰ গ'লো। হঠাৎ পিছৰ চিটৰ পৰা অহা গণ্ডগোলৰ শব্দত উচপ খাই উঠিলো। ঘূৰি চাই দেখো বিবাদৰ বিষয় সেই মানুহটো । প্ৰসঙ্গ টিকত নোলোৱাকৈ গাড়ীত উঠিছে। বচ্‌ কথা নাই। বিহু, পূজা, শিৱৰাত্ৰিৰ সময়ত প্ৰয়োজনীয় পকেটৰ ঘাটি পূৰাবলৈ আঠ জনলৈকে অভাৱ পেচেঞ্জাৰ ল'ব পৰা সেইজন  কণ্ডাক্টৰেই গাড়ী ৰখাই মানুহটো নমাবলৈ চেষ্টা কৰিলে অকথ্য গালি-গালাজেৰে। ওঁহো তাক নমাব নোৱাৰিলে। মানুহটো টানি আনি কণ্ডাক্টৰে বাছৰ মজিয়াত পেলাই দিলে। তাৰ বেমাৰী শৰীৰটোৰ ওপৰত দুই এবাৰ ভৰি-হাতো পৰিল। তাৰ ঘোলা চকু দুটা পানীৰে ভৰি আহিছিল। শেষত সম্ভৱতঃ তাৰ শেষ সম্বল টকা এটা উলিয়াই দিছিল,  ওঁহো নহ'ল। অৱশেষত গাড়ীৰে সুন্দৰকৈ ডাড়ি-গোফ ৰখা শকত-আৰত এজন ডেকাৰ সহায়ত তাক গাড়ীৰ পৰা নমাই দিয়া হ'ল। শেষত সেই মানুহটোৱে ডাঙৰকৈয়ে কান্দি দিছিল। সি কন্দা দেখি ওচৰৰ চিটৰ সৰু ছোৱালী এজনীয়ে হাঁহিছিল। "ডাঙৰ মানুহে কান্দিছে... ডাঙৰ মানুহে কান্দিছে"।।

ঠিক তাৰ পিছৰে পৰা বিবেকৰ দংশনত ভুগিছো মই। এইযে মই মানুহটো (যি নিজকে বিৰাট বুদ্ধিজীৱি বুলি গৌৰৱ কৰো, সৰ্বহাৰাৰ পক্ষে প্ৰতিবাদ কৰো, কলমেৰে) তাত থাকিও মুখেৰে এটা মাত মাতিবও নোৱাৰিলো, পকেটৰ পৰা টকা বাৰটা উলিয়াই তাৰ টিকতৰ ভাড়াটো দি তাক সহায় কৰিবও (অথচ মোৰ পকেটত আগদিনা 'সাপ্তাহিক যুগবাণী'ৰ সম্পাদকৰ পৰা পোৱা নগদ ডেৰশ টকা অতিৰিক্ত ভাৱে আছিলে।) নোৱাৰিলো। এই কথাটোৱে মোক জ্বলাই মাৰিছে।

"আমাৰ বিশেষ সংখ্যাটিলৈ আপোনাৰ উত্তপ্ত বিষয় বস্তুৰ অগ্নিবৰ্ষী

লেখনিৰ সাহসী প্ৰতিবাদধৰ্মী গল্প এটা..."। আপোনাৰ চিঠিখনৰ এই যে উত্তপ্ত 'বিষয় বস্তু'ৰ 'সাহসী' এই শব্দকেইটাই মোৰ বিবেকত বৰকৈ খুচিছে। মই যি স্থলত সাহসী নহয়, তেনে স্থলত আনক আৰু কিমান ভুৰা দিম। এতিয়াৰ পৰা প্ৰথমে কাৰ্য্যত প্ৰতিবাদ কৰিবলৈ চেষ্টা কৰিম। তাৰপিছত থাওক সেইয়া পিছৰ কথা।

এইখিনি কথা জনাৰ পিছত আপুনি নিশ্চয় মোক বুজিবলৈ চেষ্টা কৰিব। চিঠিখন বেছ দীঘলেই হ'ল।

আপোনাৰ বিশেষ সংখ্যাটি' সৰ্বাঙ্গ সুন্দৰ হওক। পুনৰ নমস্কাৰ জানিব।

*ক্ষমা প্ৰাৰ্থনাৰে*
*অনিৰুদ্ধ ফুকন।*

❖❖❖

১৯৭৯-৮০ চনত প্ৰকাশিত।



# অংগীকাৰ

বসন্ত কুমাৰ বৰুৱা

সোণপাহীয়ে উঠো উঠো বুলিও উঠিব পৰা নাই। আঘোণৰ এই সেমেকা পুৱা ঢাৰিত সাৰ পাই পৰি থাকি এনেয়ে ভাল লাগে। হয়তো এটা মধুৰ আমেজ পোৱা যায়, শাহুৰেকো উঠা নাই। বুঢ়া মানুহ। শাহুৰেকে সদায় তাই উঠাৰ পাছতহে উঠে। হাঁহ কেইটাই গঁৰালত কোৰ্হাল লগাই আছে। ছাগলী জনীয়েও আজি গোটেই ৰাতি বেবাইছে। তাইৰ পোৱালীটো কালি মুখেৰে ফেন ওলাই মৰি থাকিল। যিমান হ'লেও পেটৰ পোৱালীটো, নিচিঞৰিব কিয়? দেওৰেক সদানন্দই একান্তমনে টোপনি মাৰিছে। সেইয়া তাৰ নাকেৰে এটা শব্দ হৈছে। তাই কিন্তু আজি গোটেই ৰাতি টোপনি নাহিল, এইমাত্ৰ চিল্‌মিল্‌কৈ টোপনি আহিছিল। আহিলে কি হ'ব। আঘোণৰ বতৰত তিৰোতা মানুহ দেৰিলৈকে শুই থকাটো এটা অপৰাধ। আজি আকৌ পথাৰৰ মূৰত ধান দিব লাগিব। দিনে দিনে ঠাণ্ডাটো বেছি হৈ আহিছে। তাই যিমানেই টোপনি যাব খোজে সিমানে চাৰিওফালে ঠাণ্ডাই চেপি ধৰিব খোজে। এৰা, এইবাৰ তাই কপাহী কাপোৰ দুখনিৰেই জাৰটো পাৰ কৰিব লাগিব। কম্বল নিহালী কিনিবলৈ ধন থাকিলেহে। যি কেইডৰা মাটি ৰোৱে তাৰে পেটৰেই জোৰা নমৰে। এই ধান কেইটা বেচিলে পাছত নাখাই মৰিলেহে হ'ব। নিজৰ মাটি দুবিঘাহে, এপুৰা আধি মাটি। মাটিৰ মালিকক ধান নিদিলে শুদাই এৰিবনে? নগেন মৰাৰ পাছত দেওৰেকে স্কুল এৰি দিলে। সি থাকোতে খাই -নাখাই ল'ৰাটোৰে স্কুল গৈ

আছিল। দুই এপইচাও মাজে মাজে উলিয়াই আছিল। এতিয়া ঘৰৰ সকলো কাম এই ল'ৰাটোৰ ওপৰতেই পৰিল। সিহঁতৰ দৰে দুখীয়া মানুহবোৰৰ ভাগ্য নুফুলিবই নেকি বাৰু? এটা 'সমস্যা'ৰ পাছত আন এটাই মূৰ দাঙে। তাই ভাবিলে সিহঁতৰ দৰে মানুহবোৰে আনৰ পদলেহন কৰি হ'লেও জীয়াই থকাৰ কিযে দুৰ্বাৰ সংগ্ৰাম কৰিছে। জীৱনৰ প্ৰতি মমতা থকাৰ বাবেই তাই কেইবাবাৰো আপোনঘাটী হ'বলৈ গৈও ঘূৰি আহিছে। অৱশ্যে শাহুৱেকৰ ঘৰত তেনে কাম কৰিবলৈ যোৱাও নাই, ভবাও নাই।

সমাজৰ চকুত পতিতা, লাঞ্ছিতা হোৱা স্বত্ত্বেও নগেন সমাজলৈ ভয় নকৰি তাইক অকণমান সুখ দিয়াৰ উদ্দেশ্য স্নিগ্ধ সৱলতাৰে আকোৱালি ল'লে। নগেনৰ দৰে আন মানুহবোৰে তাইক বুজিবলৈ চেষ্টা নকৰে কিয় বাৰু? তাইৰ জানো প্ৰকৃততে দোষ আছিল? তাইক যদি পতিতা, লাঞ্ছিতা বুলি ক'ব পাৰে, তেন্তে ৰূপেশ্বৰক কিয় ক'ব নোৱাৰে? ৰূপেশ্বৰ পুৰুষ বুলি? এই প্ৰশ্নবোৰে তাইৰ মনত স্বাভাৱিকতে ক্ৰিয়া কৰে।

ৰূপেশ্বৰহঁত এইখন গাঁওৰ সৰ্বেসৰ্বা। গাঁৱৰ নীতি-নিয়ম সকলো সিহঁত কেইজনমান মুখিয়াল লোকৰ হুকুম মাফিক। ৰূপেশ্বৰৰ অবিহনে এই গাঁৱত অইনে ৰায় দিয়া নচলে। সিহঁতৰ প্ৰতিটো কথাই আইনৰ মৰ্য্যদা পায়।

ৰূপেশ্বৰহঁতৰ পতিপত্তি এইখন গাঁৱত সৰ্বাধিক। গাঁওখনৰ প্ৰায় আধামান মাটি সিহঁতৰ দখলত আছে। ৰূপেশ্বৰৰ বাপেক গোপধন একালত এই অঞ্চলৰ কংগ্ৰেছী এম. এল. এ আছিল। তেতিয়াই তেওঁ বহুত সম্পতি কৰি থৈ গৈছে। এতিয়া অৱশ্যে গোপধন নাই। তাৰ পুতেক তিনিটা ডাঙৰটো ৰূপেশ্বৰ, বাকী দুটা গুৱাহাটীত পঢ়ি আছে। গোপধনে এম. এল. এ হোৱাৰ আগতে যি ধৰণে ধন ঘটিছিল সেই ব্যৱসায়ৰ ভিত্তিতে ৰূপেশ্বৰে আজিও শোষণ-শাসন গজগজীয়াকৈ চলাই আছে। অৱশ্যে ৰূপেশ্বৰে শোষণৰ কিটিপ্ সময়ৰ লগত খাপ খুৱাই লৈছে।

এই ৰূপেশ্বৰৰ উচটনিত কেইজনমান মুখিয়াল লোকৰ কথামতেই সোণপাহীহঁতক কলঙ্কিনী বুলি এঘৰীয়া কৰা হ'ল, অৱশ্যে ৰাইজক ভোজ-ভাত খুওৱা হ'লে এই এঘৰীয়াকৰণৰ পৰা ৰেহাই দিয়া হ'লহেঁতেন।

ৰাইজৰ এই সিদ্ধান্তত সোণপাহীয়ে দুঃসহ যন্ত্ৰণাত ছট্‌ফট্ কৰিছিল। মাকে ভাবিলে, নাই নাই বুলি ইমান দিন সমাজৰ লগতে আছিল। ওচৰ-চুবুৰীয়াৰ লগত দুই এটা সুখৰ-দুখৰ কথা পাতিছিল। এতিয়া তাৰো মুদা মৰিল, এই কথা ভাবি তাই হিয়া ঢাকুৰি কান্দিলে।



সোণপাহীৰ মাকে অসহায় চাৱনিৰে পদুম দাইটিক কৈছিল "আপুনি কিবা এটা নকৰে কিয়? সিহঁতৰ লগত মোকাবিলা কৰি ল'লেই দেখোন হয়। সমাজ নহ'লে সমাজৰ লগত হলিগলি নকৰিলে কেনেকৈ চলিবি?"

কিন্তু পদুম দাইটি অলৰ-অচৰ। তেওঁ পৰিশ্ৰমী কৃষক। বিদ্যাৰ কেইবা মহলাও গচকা। পদুম দাইটিৰ এটা বৈশিষ্ট আছে যে তেওঁ যিটো কাম শুদ্ধ আৰু সত্য বুলি ভাবে, সেইটো নকৰাকৈ নাথাকে। সকলো কথা তেওঁ যুক্তিৰে বিচাৰ কৰি চায়। তেওঁ সমাজৰ ওচৰলৈ নাযায়। কাৰণ সমাজৰ এইটো অন্যায় দাবী। সমাজ যি নিয়মত চলিছে এই নিয়মত চলিলে মানৱতাক অস্বীকাৰ কৰা হ'ব। কিন্তু সেই বুলি তেওঁ সমাজৰ পৰা আঁতৰি যাব বিচৰা নাই। কিন্তু সমাজেই যেতিয়া সিহঁতক আঁতৰাই দিছে, তেনেহ'লে তেওঁৰ ক'বলৈ একো নাই। তেওঁ অকলশৰীয়া হৈ বাচি থাকিবলৈ চেষ্টা কৰিব লাগিব।

পদুম দাইটিৰ এই কাৰ্য্যত নগেনে বহুত আনন্দ পাইছিল। তেওঁ গৰীবৰ ঘৰৰ ল'ৰা। বজাৰত লাই-লফা বেচি কেইমাহমান কলেজত পঢ়িছিল। ঘৰখন চলাবলগীয়া হোৱাত সি কলেজ এৰি দিলে। নগেনৰ মানুহক অন্তঃকৰণে বুজা আৰু ভালপোৱাৰ এটা সৱল অথচ নিৰ্ভীক মন আছে। প্ৰচলিত সমাজ ব্যৱস্থাৰ কোনো নিয়মৰ লগতে তেওঁ আপোচ নকৰে। এইখন কৌটিকলীয়া সমাজ ব্যৱস্থাৰ সাৰশূণ্য নীতি-নিয়মক তেওঁ তীব্ৰ সমালোচনা কৰে আৰু সেইবোৰ জনসাধাৰণৰ আগত উদঙাই দেখুৱাৰ লগতে ৰূপেশ্বৰহঁতৰ প্ৰত্যক্ষ-পৰোক্ষ শোষণৰ বিৰুদ্ধে নিৰ্ভীকভাৱে থিয় দিয়ে। আৰু এই কাৰণেই, ধনী মানুহখিনিয়ে তেওঁক সমূলি ভাল নাপাই। আঁৰে আঁৰে তেওঁক ভেঙুচালিও কৰে।

এইখন গাঁৱৰ সৰহভাগ মানুহৰ অৱস্থা বৰ দুখ লগা। এসাজ লোণে তেলে খোৱাৰ পিছত আন সাজৰ চিন্তা। অভাৱ-অনাটন যিমানেই বাঢ়িছে মানুহবোৰে সিমানেই নিজক লৈ ব্যস্ত হৈ পৰিছে। আত্মকন্দল, আত্মস্বাৰ্থত মানুহবোৰ মছগুল হৈ পৰিছে। গাঁওবোৰত আগৰ দিনৰ সেই আনন্দ উচ্ছলতা নাই। দেশে স্বাধীনতা পোৱাৰ পাছত বস্তুৰ দামো স্বাধীনভাৱে বাঢ়ি মানুহবোৰক পেপুৱা লগাইছে। স্বাধীনতাৰ আগতে মানুহবোৰৰ এনে অৱস্থা নাছিল। অন্তত তেতিয়া মাছে-মঙহেৰে, বাৰীৰ বয়-বস্তুৰে এসাজ সুখেৰে খাবলৈ পাইছিল। অৱশ্যে অভাৱবোধ তেতিয়াও আছিল। শিক্ষাৰ প্ৰসাৰ তেতিয়া হোৱা নাছিল। কিন্তু স্বাধীনতাৰ তিনিটা দশক পাৰ হোৱাৰ পিছতো মানুহৰ অৱস্থাৰ কোনো মৌলিক পৰিৱৰ্তন নহ'ল। আনকি জনসাধাৰণৰ ভাত-কাপোৰৰ চিন্তাৰেই ওৰ নপৰিল। মানুহবোৰে এতিয়া কু-চৰ্চ্চা,

পৰচৰ্চ্চা কৰি এক বিজতৰীয়া ফূৰ্ত্তি লাভ কৰিবলৈ চেষ্টা কৰিছে।

এইখন গাঁৱৰ দৰেই আন আন গাঁওবোৰৰো অৱস্থা তথৈবচ। সৰহভাগ কৃষকেই এতিয়া ভূমিহীন হৈ কটাইছে। কেইডৰা মাটি আছে তাতেই কপালৰ ঘাম মচি মচি ফেহুজালিৰ পৰা সূৰ্য্যাস্তলৈকে পৰিশ্ৰম কৰে। কিন্তু তাৰ অনুপাতে ফচল নেপায়। আগতে ইমান পৰিশ্ৰম কৰিব নেলাগিছিল। অলপ পৰিশ্ৰমতে পথাৰ শস্যৰে উপচি পৰিছিল। খৰাং বতৰ, অসময়ত বৰষুণ, বানপানী আদি প্ৰাকৃতিক দুৰ্যোগ্যৰ ফলত শস্যৰ উৎপাদন ব্যাহত হয়। তদুপৰি একেডৰা মাটিতে বছৰি শস্য কৰাৰ ফলত মাটিৰ উৰ্বৰা শক্তিও টুটি আহিছে ফলত উৎপাদন হ্ৰাস পাইছে। কৃষকসকলে এইবোৰ সকলো ভাগ্যৰ পৰিহাস বুলি মূৰে-কপালে হাত দিয়ে। ভাগ্যৰ দোষতেই এনে হৈছে বুলি দৌৰ দিয়ে। বেজ-জ্যোতিষীৰ ওচৰলৈ, কিবা এটা উপায় বিচাৰি। বেজে বিধান দিয়ে, শনিৰ কোপদৃষ্টি পৰিছে। বেজক কাকুতি-মিনতি কৰাৰ পিছত শনিৰ পৰা ৰক্ষা পোৱাৰ উপায় দিয়ে। বামুণক চাৰিঠেঙীয়া জন্তু এটা দান, বুঢ়া এঘাৰজনক ক'লা হাঁহ এটাৰে ভোজ আৰু কেতিয়াবা এটা কাছৰে বুঢ়াসকলক এটা বৰভোজ শনিৰ পৰা ৰক্ষা পোৱাৰ এয়ে উপায়, নহ'লে বিপদ আছে। পুহকৰ লাগিবও পাৰে। পুহকৰ লাগিলে ঘৰখনৰ কাৰো নিস্তাৰ নাই। গতিকে গিৰিহঁতে ততাতৈয়াকৈ ঘৰলৈ আহে, আহি দেখে ঘৰত পানী গুলি খাবলৈও পইচা এটা নাই। সকাম কৰিবলৈ হালৰ গৰু এটা বিক্ৰী নতুবা মহাজনৰ ওচৰলৈ লৰ মাৰিব। টকা লাগে, এইবাৰৰ কাৰণে দেউৰে বচাব লাগে। নহ'লে বন্দীৰ নিগমে মৰণ। মহাজনে বৰশীত মাছক টোপ দিয়াৰ দৰে সুবিধা চাই টকা দিয়ে, সেই টকাৰ ফলত সি বন্দী হয় নতুবা পৈতৃক মাটি কেইডৰা হেৰুৱাই। পিছত দেখে সকাম নিকাম কৰাৰ ফলতো অৱস্থাৰ একো উন্নতিনহ'ল, বৰং আগতকৈ এখোপ চৰাহে হ'ল।

এইদৰে ৰূপেশ্বৰহঁতে বতৰ চাই কঠিয়া সিঁচি সৰল হোজা মানুহখিনিৰ পৰা মাটিবোৰ কাঢ়ি লয়, ফলত কেইজনমান মুষ্টিমেয় মানুহৰ হাতত সম্পতিবোৰ কেন্দ্ৰীভূত হৈছে। কিন্তু নগেন, দিলীপহঁতৰ দৰে কেইজনমান শিক্ষিত ডেকা ল'ৰাৰ ফলত আৰু সিহঁতে মানুহবোৰৰ এই দুৰৱস্থাৰ কাৰণবোৰ বুজাই দিয়াৰ ফলত মানুহবোৰ অলপ আত্ম সচেতন হৈছে। সিহঁতৰ দুৰৱস্থাৰ কাৰণবোৰ অনুধাৱন কৰিবলৈ চেষ্টা কৰিছে।

মানুহবোৰ যিমানেই সজাগ আৰু সচেতন হৈছে, সিমানেই এই শোষক শ্ৰেণীটোৱে শোষণৰ কায়দা নতুনকৈ উদ্ভাৱন কৰিছে। এতিয়া সাধাৰণ মানুহৰ দৃষ্টিত সহজে সিহঁতৰ শোষণ ধৰা নপৰে। কিন্তু নগেনহঁতৰ দৰে প্ৰগতিশীল লোকৰ



চকুত সিহঁতৰ চল-চাতুৰী, শোষণৰ কায়দা ফট্‌ফটীয়াকৈ জিলিকি উঠে।

সোণপাহীহঁত দুখীয়া মানুহ। বাপেক পদুম দাইটিয়ে অকলে চাৰি পাঁচটা মানুহক পুহিব নোৱাৰে। গতিকে সোণপাহীহঁত আৰ-তাৰ ভুঁই ৰুই, ধান দাই, লোকৰ ঘৰত কাম-বন কৰি খোৱাৰ যোগাৰ কৰে। এদিন ৰূপেশ্বৰহঁতৰ পথাৰত অকলে সোণপাহীয়ে ধান দাবলৈ গৈছিল। মাকৰ জ্বৰ হোৱাৰ কাৰণে সেইদিনা যোৱা নাছিল। পথাৰৰ মাজত একান্ত মনে সোণপাহীয়ে ধান দাই আছিল। দুপৰীয়াৰ নিৰ্জন পৰিৱেশ। ধান কটাৰ শব্দই এই নিৰ্জনতা ভঙ্গ কৰিছিল। হঠাতে ৰূপেশ্বৰৰ আৰ্বিভাৱত সোণপাহীয়ে সন্মুখত বাঘ দেখাৰ দৰে থতমত খালে। তাই ভয়ত কঁপিবলৈ ধৰিলে। ৰূপেশ্বৰে সোণপাহীৰ অৱস্থা বুজিব পাৰি ঢেকঢেকাই হাঁহিবলৈ ধৰিলে আৰু সি লাহে লাহে তাইৰ ওচৰ চাপি গ'ল। সোণপাহীয়ে ৰূপেশ্বৰৰ অভিপ্ৰায়ৰ কথা গম পাই নিজকে বচাবলৈ সাম্ভাব্য উপায়বোৰ চিন্তা কৰি থাকোতে হঠাতে ৰূপেশ্বৰে সোণপাহীৰ হাতখন থাপমাৰি ধৰিলে। তাই আজোৰ মাৰি হাতখন এৰুৱাই দৌৰ দিলে। ৰূপেশ্বৰেও চিকাৰ হেৰুৱাৰ বেদনাত পিছে পিছে দৌৰ দিলে। সোণপাহীয়ে ধানৰ গছত উজুতি খাই উফাল খাই পৰিল আৰু ৰূপেশ্বৰে সেই সুযোগ গ্ৰহণ কৰিলে। ৰূপেশ্বৰৰ হাতৰ পৰা এৰাই যাবলৈ টনা-আজোৰা কৰি থাকোতে নগেন ঘটনাক্ৰমে তাত উপস্থিত হ'লগৈ। সি ধান আনিবলৈ বিৰিয়াডাল লৈ গৈছিল। নগেনে ৰূপেশ্বৰৰ এই কাৰ্য্য দেখি স্থিৰেৰে ৰৈ থাকিব নোৱাৰিলে। তেওঁৰ খং চুলিৰ আগ পালেগৈআৰু বিৰিয়াডালেৰে ৰূপেশ্বৰক এটা পূৰ্ণহতীয়া মাৰ সোধালে। তাৰ পিছত আৰু এটা এটাকৈ উপৰ্য্যুপৰি মাৰৰ কোবত ৰূপেশ্বৰ চিত হৈ পথাৰতে পৰি থাকিল।

সোণপাহীয়ে ভয়ত ফোপাবলৈ ধৰিলে। নগেন নোহোৱাহেঁতেন তাইৰ অৱস্থা কিযে হ'লহেঁতেন । নগেনক তাই সাক্ষাৎ দামোদৰ যেন লাগিল।

ঘটনাটো গাঁৱত খুউব সোনকালে বিয়পি পৰিল। ৰূপেশ্বৰৰ লগুৱা মাখন, দ্যুতি, হৰেণহঁতে ৰূপেশ্বৰক দাংকোলাকৈ ঘৰলৈ লৈ আহিল। ৰূপেশ্বৰৰ শৰীৰ তেজেৰে লুতুৰি পুতুৰি। তাক লগে লগে টাউনৰ হাস্পাতাললৈ লৈ যোৱা হ'ল।

প্ৰায় এমাহমান চিকিৎসাৰ ফলত যেনিবা ৰূপেশ্বৰ আগৰ দৰে সুস্থ হৈ উঠিল।

নগেনক কোবাই কোবাই হাত কেৰিয়া লগাই পুলিচে থানালৈ লৈ গ'ল। সি তিনি মাহ জেলত কটালে।

এই ঘটনাত গাঁৱৰ কিছুলোকে নগেনৰ সাহসিকতাক প্ৰশংসা কৰিলে।

ৰূপেশ্বৰক এসেকা দিয়াত ভালেই পালে। কিন্তু গাঁৱৰ সৰহখিনি মানুহেই নগেন আৰু সোণপাহীক দোষী সাব্যস্ত কৰিলে। ফুকলীয়া ল'ৰা নগেনে ৰূপেশ্বৰৰ ওপৰত হাত উঠুৱাৰ কাৰণে তাক প্ৰকাশ্যে নিন্দা কৰিলে।

নগেন জেইলত থাকোতে সোণপাহীহঁতক ৰূপেশ্বৰৰ উচটনিত ৰাইজে এঘৰীয়া কৰিলে।

এই ঘটনাত ৰূপেশ্বৰৰ শৰীৰৰ ঘা সময়ত শুকাই গ'ল। কিন্তু মনৰ ঘা নুশুকাল। যিজন মানুহক সকলোৱে মান সন্মান কৰি চলে, ৰাজহাড় বেকা কৰি প্ৰণাম জনায়, ৰূপেশ্বৰ বুলিলেই এই অঞ্চলত মানুহৰ জীৱ ধিপিৰ ধিপিৰ কৰে, তেনে এজন মানুহক ছাল চিগা ভিকহু এটাই বৰ চৰম ভাৱে আঘাত হানিলে। ইয়াতকৈ লাজৰ কথা আছেনে? এতিয়া ৰাইজৰ আগত মুখ উলিয়াই কেনেকৈ? এইবোৰ প্ৰশ্নই তাৰ মনত ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিবলৈ ধৰিলে। নগেনক একো কৰিব নোৱাৰি ৰূপেশ্বৰে নিস্ফল আক্ৰোশত দাঁত কৰচি উঠিল। দেখা যাব নগেন কিমান পানীৰ মাছ। এবাৰ তাৰ গাত হাত উঠালে যেতিয়া আৰু ৰূপেশ্বৰৰ হাতৰ পৰা কোনো সাৰি যাব নোৱাৰে। নগেন কোন কুটা?

সোণপাহীয়ে জীৱনত সুখৰ মুখ দেখি নেপালে। বৰঞ্চ দুঃখহে বেচি। কৈশোৰ আৰু যৌৱনকাল চৰম লাঞ্ছনাৰে পাৰ হৈ গ'ল। সকলোৱে তাইক ঘৃণা কৰে। নগেনে কিন্তু তাইক ঘৃণা নকৰি সুঠাম, বহল বুকুত অকণি আশ্ৰয় দিলে। তাই তাৰ ওচৰত সদায় কৃতজ্ঞ থাকিব, স্বামী পৰিশ্ৰমী মানুহ, ঘৰখনত সকলোৱে তাইক মৰম কৰে। অভাৱ ইয়াতো আছে। কিন্তু অভাৱ থাকিলেও ইয়াত সুখ আছে। সোণপাহীয়ে যেতিয়া অভাৱৰ তাড়নাত ভাগি পৰিব খোজে তেতিয়া নগেনে তাৰ মনত কোনো অভাৱ অনুভৱ প্ৰোথিত নকৰাকৈ উদাত্ত কণ্ঠেৰে কয়, "মানুহৰ জীৱনত ঘাত-প্ৰতিঘাত দুৰ্য্যোগ থাকিবই, জীৱনৰ প্ৰকৃত মৰ্ম্ম উপলব্ধি কৰিব পাৰি। ঘাত-প্ৰতিঘাত সমস্যা নাথাকিলে জীৱন কিহৰ? এইবোৰৰ পৰা পলাই হাত সাৰিবলৈ হ'লে জীৱনক অস্বীকাৰ কৰা নহ'বনে ?" নগেনৰ কথাবোৰত সোণপাহীয়ে এক অনাবিল আনন্দ পায়। দুখৰ মাজতো তাইৰ মুখত এক সমাহিতৰূপে প্ৰকাশিত হয়।

এদিন সোণপাহীয়ে ৰূপেশ্বৰৰ কথা ক'লত নগেনে তীব্ৰ ঘৃণাৰে কৈছিল। "এই শ্ৰেণীটোক কেতিয়াও বিশ্বাস নকৰিবা। সিহঁতে দুখীয়াৰ কাৰণে কেতিয়াও নেভাবে। তোমাৰ আমাৰ দৰে বহু দুৰ্ভগীয়া এই সংসাৰত বাচি আছে। সেই দুখী



আৰ্ত্তজনক জীয়াই থকাৰ সাহস আৰু মনোবল আমিয়েই দিব লাগিব। ৰূপেশ্বৰহঁতৰ নিচিনা দুখীয়াৰ তেজ পিয়া মানুহৰ প্ৰকৃত শ্ৰেণী চৰিত্ৰ উদঙাই দেখুওৱাই আৰু শোষিত মানুহখিনিৰ সহযোগত আমি সিহঁতৰ মূলোচ্ছেদ কৰিব লাগিব। অৱশ্যে ইয়াৰ বাবে প্ৰস্তুতি লাগিব, আবেগক সাৰথি কৰিলে নচলিব, যেতিয়ালৈকে আমি সৱল প্ৰতিৰোধৰ ভিত্তিভূমি গঢ়ি তুলিব নোৱাৰো, তেতিয়ালৈকে প্ৰস্তুতি চলাই যাব লাগিব, ভেঁটি এৰিলে নহ'ব।" সোণপাহীয়ে মন্ত্ৰমুগ্ধৰ দৰে কথাবোৰ শুনিছিল আৰু বুজিবলৈ চেষ্টা কৰিছিল, এদিন কোনোবা গাঁও এখনত কৃষক সভা এখনত বক্তৃতা দি আহোঁতে অন্ধকাৰৰ আঁৰ লৈ কোনোবা দুৰ্বৃত্তই বাটতে নগেনক হত্যা কৰিলে। ঘটনাস্থলীত তেজৰ দাগ আৰু কিছুমান কাগজ-পত্ৰৰ বাহিৰে আন একো চিনচাব পোৱা নগ'ল।

এটা তজবজীয়া, প্ৰগতিশীল, প্ৰতিভাসম্পন্ন মানুহক হৃদয়েৰে বুজি পোৱাৰ এটা সবল আৰু নিৰ্ভীক মনৰ, প্ৰচলিত সমাজ-ব্যৱস্থাৰ বিৰুদ্ধে যুঁজাৰ চৰম অস্বীকাৰ নগেনৰ মৃত্যুৰ লগে লগে শেষ হৈ গ'ল।

যথাসময়ত পুলিচো আহিছিল। কিন্তু হত্যাকাৰী হ'লে আজিও ধৰা নপৰিল।

আজি নগেনৰ শূণ্যতাত বৰ বিৰক্ত অনুভৱ কৰিলে সোণপাহীয়ে, তাই নিজৰ মনটোক প্ৰবোধ দিছে এই বুলি, নগেনৰ দৰে প্ৰগতিশীল, প্ৰতিভাসম্পন্ন ব্যক্তিক ডিঙি চেপি চিৰকালৰ বাবে মাত বন্ধ কৰিবলৈ বিচাৰিলেও তেনে ব্যক্তি এই সংসাৰত শেষ হৈ যাবনে? বোকাত পদুম ফুল ফুলাৰ দৰে এই পয়াঁলগা ক্লেদাক্ত সমাজখনৰ পৰাও তেনে ব্যক্তি জন্মিয়ে থাকিব।

এই ৰূপেশ্বৰে এজনী বিয়া কৰোৱাৰ পিছতো অন্য ছোৱালীৰ প্ৰতি লোলুপ দৃষ্টি এৰা নাই। দৰিদ্ৰতাৰ সুযোগ লৈ কিমান তিৰোতাৰ যে সতীত্ব হৰণ কৰিছে। নগেন মৰাৰ পিছত তাইকো অন্য দৃষ্টিৰে চাবলৈ লৈছে। এদিন ৰাতিপুৱা ধান দাবলৈ যাওঁতে ৰূপেশ্বৰে পথাৰৰ মাজতে বৈ হাতেৰে কিবা ইঙ্গিত দিছিল আৰু অশ্লীল কথা কৈছিল। তাই সেইদিনা গালি পাৰি দূৰতে থুৱাই দিছিল।

সোণপাহীয়ে মনতে স্থিৰ কৰিলে আৰু এদিন যদি এই ধুৰন্ধটোৱে কিবা কৰিবলৈ সাহস কৰে, নেপালী কমাৰটোৰ পৰা গঢ়াই থোৱা চিক্‌চিকিয়া কটাৰীখনেৰেই তাই ৰূপেশ্বৰৰ ডিঙিত ৰেপ দিব। এজনৰ মৃত্যুৰ পৰা যদি হাজাৰ জনৰ উপকাৰ হয়, তেনেহ'লে তাই তাকে কৰিবলৈ প্ৰস্তুত আছে।

এইবাৰ সোণপাহীয়ে অসংযত হৈ পৰা কাপোৰ-কানিখিনি ঠিকঠাক কৰি

খাটখনৰ পৰা খৰধৰকৈ নামি আহিল। ছেঃ, বহুত দেৰি হ'ল হবলা। আজি আকৌ পথাৰৰ একেবাৰে মূৰত ধান দাবলৈ যাব লাগিব। লখিমী, চেনীহঁতে চাগে গা ধুলেই। তাই বাহিৰলৈ ওলাই আহি দেখিলে পূৰ আকাশৰ ৰঙা সূৰ্য্যটো কুঁৰলীৰ ওৰণি ফালি লাহে লাহে ওলাই আহিছে।

❖❖❖

---

১৯৭৯-৮০ চনত প্ৰকাশিত।



TINSUKIA COLLEGE LIBRARY ★ TINSUKIA, ASSAM ★ ESTD 1956

# অভিজ্ঞতাই ইয়াকে কয়

(মূল ঃ পেটাৰ কোৱাম বুহিন, ঘানা)

অনুবাদ ঃ মদন শৰ্মা

মই মোৰ প্ৰশংসাৰ ঢোল বজাওঁ নে নবজাও ঠিক কৰাটো এক সমস্যাই হৈ পৰিছে। পিছে যিজন মানুহে অতদিনে মোৰ প্ৰশংসাৰ ঢোল বজাই আহিছিল তেওঁ হঠাতে মোক এৰি থৈ গুছি গ'ল। তেওঁ পিছে কম পাৰিশ্ৰমিক পোৱা বাবে আঁতৰি যোৱা নাছিল। তেওঁৰ অৰ্ন্তদ্ধানৰ কাৰণ এয়ে যে আক্ৰা চহৰৰ কোলাহল আৰু উলহ-মালহৰ মাজত তেওঁৰ ঢোলৰ মাত হেৰাই গৈছিল আৰু মানুহবোৰেও তেওঁৰ ঢোলৰ সেই মাতৰ দ্বাৰা প্ৰভাৱিত হৈ নিজৰ নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ এৰি দিছিল।

মোৰ পৰিচয় পৰ্ব্বৰ আৰম্ভণিতে জনাই থও যে মই সত্যৰ নিষ্ঠুৰ উপাসক। মই ইমান স্পষ্টবাদী যে কেতিয়াবা মোৰ কথাবোৰ বৰ কঠুৱা যেনেই লাগে।

প্ৰয়োজন অনুসৰি মই চুটি বা দীঘল হৈ যাব পাৰো। মোৰ আন নাম হ'ল আলবৈদৰ্। মোৰ ব্যক্তিগত পৰস্পৰ বিৰোধী ভাৱধাৰাৰ অদ্ভূত সংমিশ্ৰণ। মই বি. এ. পাছ। পামাৰিনোলজীত অনাৰ্চো আছিল। কোলটাৰ আৰু টাৰ্পেন্টাইন তেলৰ বাহিৰে আন সকলো ড্ৰিংকৰে মাষ্টাৰ। মই 'ৰয়েল ইন্‌ষ্টিটিউট্ অৱ এলকোহল'ৰ সদস্য। লগতে 'মদ্যপাণ বিৰোধী ইনষ্টিটিউট'ৰো অধ্যক্ষ। মোৰ ধমনীত সেউজীয়া তেজ প্ৰবাহিত। মোৰ মগজু ইৰাস্মাছতকৈও তীক্ষ্ণ। চমুকৈ ক'বলৈ হ'লে মই এজন অসামান্য ব্যক্তি। মই ভাবি নাপাও চৰকাৰে স্বাধীনতা দিৱসৰ দিনাখন সমবেত

হোৱা ভি. আই. পি. সকলৰ দৰে মোকো আৰামদায়ক আৰু ফেশ্যনেব্‌ল মটৰ কাৰেৰে সুসজ্জিত কৰি সন্মানিত কৰা নাই কেলৈ?

মই আক্ৰা চহৰৰ নিউ টাউন অঞ্চলৰ এনে এটা ঘৰত বাস কৰো, য'ত জেঠি, তেজপিয়া আৰু এন্দুৰৰ সাম্ৰাজ্য। সিহঁতে মোৰ ঘৰত অবাধ গণতান্ত্ৰিক স্বাধীনতা উপভোগ কৰে। অৰ্থাৎ সিহঁতে মোৰ গাত শৌচ প্ৰস্ৰাব কৰাৰ অধিকাৰ সাব্যস্ত কৰে। কেতিয়াবা মোৰ লগত একেখন বিচনাত একে লগে শুবৰ সাহসো সিহঁতৰ আছে।

দুপৰীয়া মই শুব খুজিলে সিহঁতে খেলিবলৈ বিচাৰে। দয়া কৰি মোক শান্তিৰে বিচনাত বাগৰি থাকিবলৈ দিলেও ভাগ্যৰে কথা, কিয়নো তেনে অৱস্থাত মই চকুমুদি সহনশীলতাৰ ট্ৰেনিং ল'ব লগীয়া হয়। পিছে এতিয়া পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰ হৈ পৰিছে। সিহঁতে এতিয়া মোৰ ওপৰত জপিয়াবলৈ লাগি গৈছে আৰু মই কেইবাবাৰো ছালৰ বেমাৰৰ ভয়ত ডাক্তৰৰ ওচৰ চাপিব লগীয়া হৈছে। ফলত মোৰ আৰ্থিক অৱস্থাৰ ওপৰতো আঘাত পৰিছে।

কেতিয়াবা ইহঁতৰ খেল-ধেমালি বন্ধ হ'লে মোৰ মূৰৰ ঠিক ওপৰৰ কোঠাত থকা মিছ চানে ওভেন জ্বলাই ডবল ৰুটী বনোৱা কাৰ্য্য আৰম্ভ কৰে। ওভেনটোও আকৌ মোৰ ঠিক মূৰৰ ওপৰতে অৱস্থিত। গতিকে মই প্ৰায়ে ডবল ৰুটীতকৈও বেছি সিজি যাওঁ।

মই এন্দুৰ আৰু জেঠিৰ দ্বাৰা আক্ৰান্ত এক দুৰ্ভগীয়া ভাড়াতিয়াৰ বেশেৰে ঘৰৰ মালিকৰ ওচৰলৈ গৈ সমস্ত অভিযোগ বাকি দিবলৈ ধৰিলো। ঘৰৰ মালিকে "খৰচ"লৈ সংক্ৰামক ৰোগৰ দৰে ভয় কৰিছিল। গতিকে ঘৰৰ চিলিঙ ঠিক কৰিবলৈ ক'লত তেওঁ উচপ খাই উঠিল। তেওঁ উপদেশ দিলে যে, মোৰ এই দুখাৰহ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ এটা কোৱালিফাইদ, ষ্টুৱাৰ্ড অৰ্থাৎ মেকুৰী নোপোহো কেলৈ? তেনে কৰিলে মোৰ আৰ্থিক অৱস্থাও টনকিয়াল হ'ব আৰু তেৰোঁ খৰচৰ পৰা হাতসাৰিব পাৰিব।

গতিকে মোৰ বাবে এতিয়া দুটা ৰাস্তা খোলা আছে। হয় মোৰ আৰ্থিক অৱস্থা ফোপোলা কৰি এই ঘৰটোতে থাকি যাওঁ, নহয় আন এটা ভাড়া ঘৰলৈ যাও যদিও আক্ৰা চহৰত ভাড়া ঘৰ পোৱাটো অতি কঠিন কাম। শেষত উপায় নাপায় এটা মেকুৰীকে পুহিবলৈ ল'লো। মেকুৰীটো সঁচাকৈয়ে কাৰ্য্য-কুশল আছিল। দুদিনৰ ভিতৰতে মোৰ ভাড়া ঘৰৰ সহবাসিন্দা সকল একেবাৰে বোবা হৈ গ'ল, যেনিবা ঘৰৰ দেৱালহে। নিজৰ ব্যক্তিত্বৰ প্ৰদৰ্শন কৰিবলৈ যোৱাৰ অৰ্থ যে জীৱনৰ



সংগ পৰিত্যাগ কৰা সিহঁতে ভালদৰে বুজি পালে। অৱস্থাৰ যে ইমান উন্নতি হ'ব মই আশা কৰা নাছিলো। বেচ সুখেৰেই আছিলো, এনেতে এটা ঘটনা ঘটি গ'ল।

সেইদিনা আছিলে ইষ্টাৰ পৰ্ব। সূৰ্য্যই মিচিকি হাঁহিৰে পৃথিৱী উজলাই দিছিল। ময়ো ইষ্টাৰ দেওবাৰটো সেই মিচিকি হাঁহিৰে পালন কৰিবলৈ ঠিক কৰিলো। মুৰ্গী এটা কিনি আনি মিচ্ কাইন্দক ৰান্ধিবলৈ দিলো। তেওঁ বৰ ভাল ৰান্ধনি আছিলে। গাৰ্হস্থ্য বিজ্ঞান স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী। তেৰোঁ মোৰ ইচ্ছাক বাস্তৱত পৰিণত কৰি নিজৰ ৰন্ধন শিল্প কলাৰ সুনিপূৰ্ণ প্ৰয়োগৰ পৰিচয় দিলে। ৰন্ধন কাৰ্য্যৰ সুবাসেৰে ঘৰ সুবাসিত। মই ভালদৰে সেই আনন্দ উপভোগ কৰিবলৈ থিৰাং কৰিলো। ওচৰৰ কেন্টিনৰ পৰা মদৰ বটল আনিবলৈ ওলালো। অৱশ্যে ইতিমধ্যে মোৰ খোজ একেবাৰে গধুৰ হৈ আহিছিল আৰু ওঁঠৰ পৰা লেলাৱতি ব'বলৈ ধৰিছিল।

ঘূৰি আহি দেখো মোৰ প্লেট উদং। চিকেন উধাও। ইপিনে- সিপিনে চকু ফুৰালো দেখা পালো মিচ্ কেটে এচুকত বহি চিকেনৰ অন্তিম টুকুৰাৰ আস্বাদ ল'ব লাগিছে। মোৰ খঙৰ সীমা নাইকিয়া হ'ল। তাইক তাতেই শেষ কৰি থ'লোহেঁতেন। পিছে মোৰ মনোকষ্টৰ কথা তাই ইতিমধ্যে উপলব্ধি কৰি দৌৰি পলাল। তাৰ পিছত তাইৰ স'তে দেখাদেখি আৰু নহ'ল।

এতিয়া আন এটা ঘৰ বিচাৰি লোৱাৰ বাহিৰে গত্যন্তৰ নাই। এটা ঘৰৰ পৰা আন এটা ঘৰলৈ তাঁত-বাতি কৰিবলৈ ধৰিলো।

অতি অপ্ৰত্যাশিত ধৰণে মই নিজকে আট্টালিকা সদৃশ বিল্ডিং এটাৰ সন্মুখত আৱিস্কাৰ কৰিলো। ঘৰটো আধুনিক শিল্প-কলা, সৌন্দৰ্য্য আৰু সম্পদৰ।

মই বেচ গহীনাই ভিতৰ সোমাই গৃহস্থৰ খবৰ ল'লো। তেওঁ বহি আছিল। তেওঁ ক'লে যে যিহেতু মই এজন অবিবাহিত যুৱক গতিকে ছোৱালীবোৰে মোক বিচাৰি আহি তেওঁৰ শান্তি ভংগ কৰিব পাৰে। মই নিজকে অবিবাহিত বুলি কৈ সাংঘাটিক ভুল কৰিলো।

ভাবিলো এইবোৰ মোৰ বক্তব্য সলাবই লাগিব। মই তেওঁক বুজালো যে যদিও মই এতিয়ালৈকে অবিবাহিত, তথাপি ইয়াৰ অৰ্থ এইটো নহয় যে মই কাহানিও বিয়া নকৰিমেই। অহা সপ্তাহতে মই বিয়া কৰিম আৰু পত্নীৰ সৈতে আহি ঘৰ ল'মহি। এই চৰ্তত তেওঁ ঘৰ দিবলৈ ৰাজী হ'ল। গতিকে ঘৰ পাবলৈকে এসপ্তাহৰ ভিতৰতে বিয়া কৰোৱাটো জৰুৰী হৈ পৰিল। এজন বন্ধুৱে উপদেশ দিলে যে মই কোনো এটা নাইট্ ক্লাবলৈকে গৈ তাৰ পৰাই এজনী জীৱন সংগিনী বাচি ল'ব পাৰো। মই এটা ডাঙৰ নাইট্ ক্লাব পালোগৈ আৰু বেচ আয়াসেৰে চকীত বহি

ডাঙৰ মানুহৰ দৰে চিগাৰেট হুপিবলৈ ধৰিলো। এক পেগ হুইস্কী আৰু দুবটল বীয়েৰৰ অৰ্ডাৰ দিলো। মোৰ আশা ফলৱতী হ'ব যেন লাগিল। দুজনী ধুনীয়া ছোৱালী মোৰ পিনে আহিবলৈ ধৰিছে।

সিহঁতে হাঁহিলত ময়ো বহল মিচিকিয়া হাঁহিৰে সিহঁতক স্বাগত জনালো। এজনীয়ে তাইৰ অন্তৰ উদঙাই মোৰ স'তে কথা পাতিবলৈ ধৰিলে। "আপোনাক আগতে ক'ৰবাত দেখিছো যেন লাগিছে" "দেখিব পাৰা। মইতো ঘানাতেই ঘূৰি ফুৰো। মোৰ ডাঙৰ ব্যৱসায় আছে"। দুয়ো আশ্বস্ত হৈ পুনৰ হাঁহিলে।

দুয়োজনী মোৰ সন্মুখত থিয় হৈ আছিল। দুয়োৰে চকু প্ৰেমৰ সাগৰত নিমৰ্জ্জিত। মোৰ ওচৰৰ পৰা যোৱাৰ বিশেষ উৎসাহ নেদেখিলো। গতিকে দুয়োকে আমন্ত্ৰণ কৰিলো।সিহঁত সহজে ৰাজী হৈ গ'ল। সৌন্দৰ্য্যৰ সম্ৰাজ্ঞী দুয়ো নিজৰ লাহী দেহ সৌষ্ঠৱ প্ৰদৰ্শন কৰি মোৰ সোঁ আৰু বাওঁফালে বহি পৰিল। দুয়ো ইটোৰ পিছত সিটোকৈ বিভিন্ন বিধৰ মদৰ অৰ্ডাৰ দি নিজৰ চফিষ্টিকেটেদ্ টেষ্ট জাহিৰ কৰিলে।

নাচ আৰম্ভ হ'ল। দুয়ো নিজৰ লাহী দেহা ৰবৰৰ দৰে ভাজ লগাই দ্ৰুত পদচালনাৰে নাচিবলৈ ধৰিলে। সেই নাচৰ জৰিয়তে মোক জনাই দিলে যে কাৰো পত্নী হোৱাৰ ইচ্ছা তেওঁলোকৰ নাই আনকি এসপ্তাহৰ বাবেও।

ভগ্ন মন লৈ তাৰ পৰা ওলালো। সেই ঘৰটো লোৱাৰ আশা এৰিব লাগিল। গোটেই চহৰত সেই এটা ঘৰেইতো নাই। এই কথাভাবি মই নিজৰ মন পাতলাবলৈ চেষ্টা কৰিলো।

তাৰপিছত চুট-পেন্ট পিন্ধি, মুখত চিগাৰেট গুজি, বন্ধুৰ পুত্ৰক কান্ধত উঠাই অভিযানলৈ ওলালো। এইবাৰ ঘৰৰ গিৰিহঁতনীয়ে নিজে মোক আদৰি নি সুধিলে "ল'ৰাটো আপোনাৰে নেকি?"

মই ক'লো হয়।

"অবৈধ সন্তান, নে বৈধ"?

"বৈধ" মই সংক্ষেপে উত্তৰ দিলো।

"তেন্তে আপুনি বিবাহিত"?

"সেই কথাটো ওলাইয়ে আছে"।

"আপুনি বিবাহিত, অথচ আপুনি মোৰ ঘৰ ভাড়ালৈ বিচাৰিছে। বিবাহিত ব্যক্তি কেতিয়াও মোৰ বন্ধু হ'ব নোৱাৰে। গতিকে আপুনিও মোৰ ভাড়াতীয়া হ'ব নোৱাৰে"।



মই কিবা ক'বলৈ পোৱাৰ আগতে তেওঁ দুৱাৰ বন্ধ কৰি ভিতৰলৈ সোমাই গ'ল।

আপুনি বিবাহিত নে অবিবাহিত ই এক জ্বলন্ত প্ৰশ্ন আৰু ইয়াৰ সমাধান আপোনাৰ ওপৰত নহয়, আপোনাৰ গ্ৰহ-নক্ষত্ৰৰ ওপৰতহে নিৰ্ভৰ কৰে। কিয়নো ঘৰ বিবাহিত হ'লে পাব, নে অবিবাহিত হ'লে পাব সেই বিষয়ে ভৱিষ্যৎবাণী কৰা অসম্ভৱ।

❖❖❖

---

১৯৭৯-৮০ চনত প্ৰকাশিত।

TINSUKIA COLLEGE LIBRARY * ASSAM * TINSUKIA ESTD 1956

# গ্ৰহণ

কৃষ্ণ কুমাৰ বড়া

থম্‌.....।”

বজাৰলৈ যাবলৈ বুলি চাইকেলখন বাবাণ্ডাতে থৈ চকাকেইটাত বতাহ ভৰাই আছিলো। পিছ চকাটোত বতাহ ভৰোৱা শেষ কৰি আগৰ চকাটোৰ বতাহ ভৰাই থাকোতেই হঠাতে ডাঙৰকৈ এটা শব্দ হ'ল। চক্‌ খাই উঠিলো। ক'ত কি বাজিল বুলি ইফালে সিফালে চাওঁতেই চকু গ'ল মোৰ ঘৰৰ সন্মুখা-সন্মুখিকৈয়ে ৰাস্তাটোৰ সিপাৰে কেইনলমান নিলগতে থকা ধুনীয়া বিল্ডিংটোৰ ফালে।

দেখিলো, মই চাইকেলৰ চকাত বতাহ ভৰাবলৈ লোৱাৰ আগৰপৰাই চোতালৰ একাষে আৰামী চকীত বহি ৰ'দ লৈ লৈ কিবা আলোচনী এখন পঢ়ি থকা বিশ-বাইশ বছৰীয়া ল'ৰাটোৱেও পুলুং-পালাংকৈ ইফালে সিফালে চাইছে আৰু এটা সময়ত ভিতৰৰ ফালে প্ৰায় দৌৰি যোৱাৰ দৰেই সোমাই গৈছে। আচৰিত হ'লো মনে মনে। কি হ'ল বাৰু ল'ৰাটোৰ? এনেদৰে দৌৰি গৈছে যে? ..... বুজিছো, বোধকৰো সৰুপানী চুবৰ দৰকাৰ পৰিছে আৰু এতিয়া ঘৰৰ পিছফালে থকা লেট্ৰিনলৈ দৌৰ দিছে। কি যে কেয়াৰলেচ ল'ৰা। দৌৰি যাবলগীয়া হোৱাকৈ ইমান মুৰামুৰি পৰলৈকেনো থাকে কিয়?

চকু ঘূৰাই আনিলো। বতাহ ভৰাই থকা চকাটোত বতাহ হৈছেনে নাই বুলি পিটিকি চালো। কিন্তু ....ই কি? চকাত দেখোন বতাহ অকণো নাই, পাম্প মাৰিবলৈ লোৱাৰ আগতে যেনে তেনে উঠি যাব পৰাকৈ যিবা অলপ বতাহ আছিল



এতিয়া সেইকণো নাই, একেবাৰে চেপেটা হৈ ৰিমটো মাটিত লাগি আছে। বুজিলো মোৰ চাইকেলৰ চকাই ফাটিছে। ক'ত কিমান ফাটিছে পৰীক্ষা কৰি চালো। অ' মোৰ ঈশ্বৰ, ভালেটিহে, ইমান ডাঙৰকৈ শব্দ হৈছিল।

টিউবটো প্ৰায় এবেগেতমান দীঘলীয়াকৈ ফাটি গৈছে। সেই অনুপাতে টায়াৰটোও চিলাব নোৱাৰাকৈ ফাটিছে, পামচাৰ বা চিলাই মাৰি কোনোমতে ৰখাব পৰা নাযাব। মূৰে কপালে হাত দি বহি পৰিলো ওচৰত থকা মূঢ়াটোতে। পুৰণা টায়াৰটোত ইমানকৈ বতাহ ভৰাই থাকিবলৈ মোকনো কিহে পাইছিল বাৰু? এতিয়ানো ঘপহকৈ নতুন টায়াৰ -টিউব এযোৰ কিনো কেনেকৈ? মাহৰ শেষ সপ্তাহ, তাতে দুমাহৰ দৰমহা পোৱা নাই মই। যি কেইমাহৰ পাইছো তাকো পূৰা দৰমহা পোৱা নাই। কোনোবা মাহত কাটিছে  আন্দোলনত যোগ দি চৰকাৰৰ লগত অসহযোগ কৰা বুলি, কোনোবা মাহত কাটিছে কিবা কৰা বুলি। দৰমহা নাপায় ইটো-সিটো কিনিবলৈ বুলি নিওঁতে নিওঁতে সাঁচতীয়া পইচাকেইটাও বোধকৰো ইমান দিনে শেষেই হ'ল। গতিকে এতিয়া এযোৰ নতুন টায়াৰ-টিউব, গছত কঠাল......।

পৰিবাৰ ওলাই আহিল ভিতৰৰ পৰা। আহিয়েই সুধিলে “কিবা এটা শব্দ শুনিলো, কিহৰ শব্দ হৈছিল ইমান ডাঙৰকৈ?”

মুখেৰে নামাতি ফাটি যোৱা চকাটোলৈ আঙুলিয়াই দেখুৱালো। চকাটোলৈ চায়ো একো বুজিব নোৱাৰি পৰিবাৰে সুধিলে।

‘কি হ'ল?’

‘ফাটিল।’

‘ফাটিল, কি ফাটিল?’

“বতাহ ভৰাই থাকোতে বতাহ বেছি হৈ টায়াৰটো ফাটি থাকিল।” একে উশাহে কথাষাৰ কৈ পুনৰ চাইকেল খনলৈ চালো। কি কৰা যায়, বজাৰলৈ কেনেকৈ যোৱা যায়? বজাৰলৈ বাৰু গ'লোৱেই, পিছে বাকীকৈ হ'লেও দোকানৰ পৰা আনিবলগীয়া চাউল কেইকিলোমানো আনিম কেনেকৈ, কালিলৈ স্কুললৈকেনো যাম কেনেকৈ?

“এতিয়া পিছে কি কৰিব? বজাৰলৈ কেনেকৈ যাব?”

“তাকেতো এতিয়া কেনেকৈ যাওঁ।”

“আনকালৰ দৰে পামচাৰ মাৰি লওক। নহ'লে ঠেলি ঠেলি লৈ যাওঁক, দোকানত মৰাই ল'ব।”

অতি সহজভাৱে দিয়া পৰিবাৰৰ উপদেশখিনি শুনি পৰিবাৰৰ মুখলৈ চালো বেচেৰী, ভাবিছে বোধকৰো আনকালৰ দৰে দহমিনিট সময় খৰচ কৰি পামচাৰ মাৰিলেই নাইবা দোকানলৈ নিলেই লগে লগে ভাল হৈ যাব বিশেষ পইচা খৰচ নোহোৱাকৈয়ে। ক'ম যেন লাগিছিল – তুমি যিটো ভাবিছা সেইটো নহয়। পামচাৰ মাৰিলেও ৰখাব পৰা নাযাব, এযোৰ নতুন টায়াৰ -টিউব কিনিব লাগিব", নক'লো। তিনিটাকৈ ল'ৰা-ছোৱালীৰ সংসাৰখনৰ জঞ্জাল সামৰোতেই বেচেৰীৰ মূৰৰ চুলি লেখিব পৰা হৈছে। এতিয়া যদি নতুন টায়াৰ-টিউব এযোৰৰ কথা কওঁ বেচেৰীয়ে বোধকৰো কান্দিয়ে পেলাব – এযোৰ টায়াৰ-টিউব কিনিবলৈও চিন্তা কৰিবলগীয়া হোৱাকৈ আমাৰনো এনে কপাল হ'ব লাগেনে বুলি।

"যি কৰে সোনকালে কৰক" বুলি কৈ পৰিবাৰ ভিতৰলৈ সোমাই গ'ল। মই ঠাইতে বহি পৰিলো। লগে লগে আকৌ চকু গ'ল সন্মুখৰ ধুনীয়া ঘৰটোলৈ।

ফাগুণমহীয়া পুৱাৰ বতাহজাকৰ বতাহৰ লগে লগে হালি-জালি থকা বাৰেৰহণীয়া ফুলেৰে কিযে ধুনীয়া নেদেখাইছে ঘৰটো। তাতে সন্মুখতে থিয় কৰি থোৱা আছে দুখন এম্বেচেডৰ গাড়ী। সদায়েই থাকে। দুখন এম্বেচেডৰ আৰু ধুনীয়া ফুলনিখনেৰে সৈতে ধুনীয়া ঘৰটোলৈ চাই চাই মোৰ কেতিয়াবা কবিতা লিখিবলৈ মন যায়। লিখোও কেতিয়াবা, কিন্তু লগে লগে কবিতাৰ ভাৱৰ সলনি অইন ভাৱ মনলৈ আহে। দোকানৰ চাউল দাইলৰ বাকী যোৱা মাহৰখিনি ধৰি ইমান টকা, কাপোৰৰ দোকানৰ বাকী ইমান টকা...।

এইহেন এটা ধুনীয়া ঘৰৰ সন্মুখত মোৰ ঘৰটোৰ দৰে এটা ভঙা-চিঙা, দহবছৰ আগতে সজোৱা বাঁহৰ ঘৰৰ অৱস্থিতি একেবাৰে বিসদৃশ ধৰণৰ। 'আমাৰ ঘৰৰ সন্মুখত এনে এটা ঘৰ নথকাহ'লেই বেছি ভাল হ'লহেঁতেন বুলিয়েই সিটো ঘৰৰ মানুহে ভাবে তাক সেই ঘৰৰ মানুহে মোৰ ঘৰৰ ফালে চোৱাৰ ধৰণৰ পৰাই মই বুজো। কিন্তু ভাবিলেওনো মই কি কৰো, অইন ঠাইলৈকেওনো উঠি যাওঁ কেনেকৈ? মান্ধাতা আমোলৰ বুঢ়া চাইকেলখনেৰে তিনিমাইল ৰাস্তা কোনোমতে অহা-যোৱা কৰি এল পি স্কুলৰ মাষ্টৰি কৰোতেই কলাফুল শুকাই শুকান জেওৰা যেন হৈছে, দিনে দিনে বাঢ়ি যোৱা ধাৰৰ পৰিমাণটোৰ কথা চিন্তা কৰোতে কৰোতেই মূৰৰ তালু ওলাই গৈছে। এতিয়া যদি এনে এটা ঘৰৰ কথা চিন্তা কৰো মূৰত চুলিৰ নামত বাকী বগা পদাৰ্থবিধেও বিদায় মাগিব। গতিকে এল পি স্কুলৰ মাষ্টৰি কৰি এনে এটা ঘৰ সজোৱাৰ কল্পনাটোও গছত গৰু উঠা ধৰণৰ হ'ব। মানুহে শুনিলেও হয়তো হাঁহি দিব, 'চোৰা চোৰা এওঁলৈ চোৰা, এওঁ বোলে দৰমহাৰ টকাৰে এনেকুৱা



ঘৰ সজায়' বুলি। আৰু এল. পি. স্কুলৰ মাষ্টৰ হোৱাৰো মজা এইখিনিতে। খোজকাঢ়ি বৰ বেছি ভঙা চাইকেল এখনৰ পেদেল মাৰি মাৰি তুমি স্কুললৈ যাবা, হাতত ধৰি ধৰি ল'ৰা-ছোৱালীক আখৰ শিকাবা, নোৱাৰিলে কেতিয়াবা চকুদুটা ওলাই আহিবলগীয়া হোৱাকৈ ল'ৰাটোলৈ পোন্দোৱাকৈ চাবা আৰু বিনিময়ত পাবা আঠ-দহটা মানুহৰ পৰিয়ালৰ কাৰণে দুটা মানুহো প্ৰকৃততে চলিব নোৱাৰা কেইটামান টকা তাকো আকৌ কেতিয়াবা কাটে আন্দোলনৰ কাৰণে কেতিয়াবা কিবা কাৰণে। ইফালে তুমি পঢ়ুওৱা ল'ৰাই ডাঙৰ হৈ তোমাৰ চকুৰ আগতে বৰ বৰ ঘৰ সজাব, গাড়ী কিনিব, ধনী হৈ পৰিব আৰু তুমি চাই থাকিবা মুখ মেলি – আ, ইমান ডাঙৰ, ইমান ধুনীয়া....।

কিন্তু অথনিৰ সেই ল'ৰাটোৱে টাউনৰ ফালে যোৱা ৰাস্তাটোলৈ ইমানকৈ কি চাইছে বাৰু? ঘৰৰ অইন মানুহবোৰো ওলাই আহিছে? কিনো হ'ল? .... অ নহয়, কোনোবা আহিবলগীয়া আছে বোধকৰো। এৰা, ইহঁতৰেই ভাল ইচ্ছামতে ফুৰিব-চাকিব, আড্ডা পিটিব, ক'ৰবাত ইহঁতেই গণ্ডগোল লগালেও পুলিচে ইহঁতক নধৰি বাকীবোৰক গৰু পিটন দিব আৰু ইহঁতক গাড়ীৰে আনি ঘৰত থৈ যাবহি। কেলৈনো নথ'ব? জনসাধাৰণে অবৈধ বুলি প্ৰত্যাহাৰ কৰিব খোজা নিৰ্বাচনটোত প্ৰতিদন্দ্বিতা কৰি ইহঁতৰ দেউতাকহঁতে চৰকাৰৰ লগত সহযোগিতা কৰিছেতো।

ঘৰটোৰ গৃহস্থই এইবাৰ নিৰ্বাচনত এম, এল, এৰ কাৰণে প্ৰতিদন্দ্বিতা কৰিছে। মনোনয়ন পত্ৰ দিবৰ দিনৰে পৰা সিহঁতৰ কাৰণে বহুতো সুবিধা আহি গ'ল। মানুহজন অৱশ্যে এতিয়া দিচপুৰতেই আছে, কিন্তু তথাপি যিকোনো সময়তে চৰকাৰী সহায় ইহঁতে পাই থাকে। চৰকাৰৰপৰা এনেদৰে সহায় পোৱা দেখি কেতিয়াবা মোৰো মন যায় – ময়ো এম, এল, এ হওঁ নেকি? কিন্তু নোৱাৰো। এল পি স্কুলৰ মাষ্টৰহে তেওঁ। আমিয়েই যদি এম, এল, এ হ'বলৈ যাওঁ, বাকী ধনী মানুহবোৰ থাকিব ক'ত?

পৰিবাৰ ওলাই আহিল ভিতৰৰ পৰা। ক'লে "কিনো কৰি আছে বহি বহি? বজাৰলৈ যায় যদি সোনকালে যাওঁক।"

"এৰা এৰা যাওঁ। মোনাখন আনা।"

"চাইকেলখন পিছে নিবনে নিনিয়ে?"

"এতিয়া নিনিওঁ দিয়া। পাৰিলে আবেলিলৈকে আকৌ এপাক গৈ ভাল কৰাই আনিমগৈ।" গধূলিলৈকে টায়াৰ-টিউবযোৰ কিনাৰ কিবা এটা উপায় ওলায় বুলিয়ে ক'লো। কিন্তু পৰিবাৰে খেংখেঙাই উঠিলে –"নেলাগে আকৌ এবাৰ যাব।

যি কৰে এবাৰতে সোনকালে কৰি আনকগৈ। যিহে দিনকাল হৈছে এবাৰ ওলাবলৈকে ভয়। কালিও বোলে ধৰিলে দুটামানক, আমাৰটোও জানো ক'ত আছেগৈ। লগ পালে ধমকি দুটামান দি পঠাই দিবচোন।" কৈয়ে পৰিবাৰ আকৌ সোমাই গ'ল। কাক ধৰিলে নুসুধিলো। সুধিওনো কি লাভ হ'ব। মানুহ ধৰিয়েই আছে, নাম ক'বলৈ গ'লে এখন মহাভাৰত হ'ব।

সৌৱা দেখোন পুলিচৰ গাড়ী। তিনিখন। ক'লৈ আহিছে বাৰু এই ৰাতিপুৱাই? .... অ, নহয়, ক'ৰবাত কিবা লাগিল বোধকৰো। কিনো হৈছে ঐ দেশখনত? চাৰিওফালে পুলিচেই পুলিচ। কিন্তু গাড়ীকেইখন আমাৰ ঘৰৰ সন্মুখতে ৰৈ দিলে। ৰোৱাৰ লগে লগে গিৰ্‌গিৰ্‌কৈ এসোপামান পুলিচৰ মানুহ নামি আহিল। নামিয়ে আটাইজাক দীঘল পদূলিটোৰেদি সন্মুখৰ ঘৰটোলৈ গতি কৰিলে। আগত অ'চি। গন্তি কৰি চালো, পূৰা তিনিডজন, অ'চিকে ধৰি সাতত্ৰিছটা। কি ঘটনা ঘটিল মুঠেইকৈ ধৰিব নোৱাৰিলো। মানুহঘৰে কিবা বিপদৰ গোন্ধ পাই পুলিচ মাতিছে নেকি? আগতে অৱশ্যে প্ৰতিদিনেই পুলিচ আহিছিল, পহৰাও দিছিল। কিন্তু মনোনয়ন পত্ৰ দিয়াৰ কেইদিনমানৰ পাছতে মানুহজন দিচপুৰলৈ গুছি গ'ল, লগে লগে পহৰা ব্যৱস্থাও উঠাই লোৱা হ'ল। এতিয়া আকৌ পহৰা দিব নেকি? পহৰা দিলে অৱশ্যে আমাৰো লাভ হয়। ঘৰৰ পাছফালেই পৰিবাৰৰ পোহনীয়া হাঁহকেইজনীৰ গঁড়াল। ওচৰৰে পিলিঙা ল'ৰাকেইটাৰ আকৌ তাতেই চকু। গতিকে আমি জাগি শুবলগীয়া হয়। ওচৰৰ ঘৰটোতে পুলিচ থাকিলে আমাৰ সেই ভয় নোহোৱা হয়, নিশ্চিন্তে টোপনি যাব পাৰো।

"চাউল দাইলতো বাকীকৈয়ে আনিব? এইকেইটা টকা লৈ যাওক, শাক-পাচলি কিনি আনিব। সেইবোৰতো বাকীকৈ নিদিয়ে।" কৈ কৈ এখন হাতত মোনা আৰু আনখন হাতত কেইটামান টকা লৈ পৰিবাৰ ওলাই আহিল। কিন্তু আহিয়ে ঘৰটোলৈ ইমানবোৰ পুলিচ যোৱা দেখি থত্‌মত্‌ খাই গ'ল। মোলৈ চাই সুধিলে "পুলিচ? কিয় আহিছে?"

"জানো ক'ব নোৱাৰো। কিবা দৰকাৰ হ'ল বোধকৰো।" "অলপ পাছতে যাব নহ'লে, একাপ চাহ কৰোগৈ, খাই যাব" বুলি চাহ কৰাৰ ছলেৰে পৰিবাৰ ভিতৰলৈ গ'ল। পিছফালৰ পৰা তেওঁলৈ চালো। পুলিচ দেখিয়ে তেনেকৈ কৈছে বুজিলো। আনকালে এইটো সময়ত চাহ নিদিয়ে। আজি পুলিচ দেখি অকলে থাকিবলৈ ভয় কৰি তেনেকৈ কৈছে.....। হাঁহি উঠিল মনে মনে। চাহৰ লোভ নেদেখুৱালেও হৈছিল। মইনো বাৰু পুলিচ দেখিও কিয় এৰিথৈ যাম?



চকু ঘূৰাই আনি আকৌ সন্মুখলৈ চালো। পুলিচ দল প্ৰায় বাৰাণ্ডা পাইছেগৈ আৰু লগে লগে অথনিৰ সেই ল'ৰাটোৱে উত্তেজিতভাৱে অ'চিক কিবা কৈছে। কি কৈছে নুশুনিলো, চেষ্টাও নকৰিলো। ডাঙৰ মানুহৰ কথা শুনাৰ দৰকাৰ নাই.....।

কিন্তু .... অ' মোৰ চোলা নিপিন্ধা কলীয়া কৃষ্ণ, ল'ৰাটোৱে দেখোন মোৰ ঘৰৰ ফালে আঙুলিয়াই দেখুৱাইছে। কিনো জগৰ লগালো এই ৰাতিপুৱাতে, পুলিচ মাতি আনি দেখুৱাইছে যে? ... ধুনীয়া ঘৰটোৰ সন্মুখত মোৰটোৰ দৰে এটা ঘৰ একেবাৰে বেয়া দেখে বুলি পুলিচ লগাই ভঙাই পেলাব খুজিছে নেকি? কিন্তু মইনো কেনেকৈ লওঁ? এল, পি, স্কুলৰ মাষ্টৰ, দুমাহৰ বেতন পোৱা নাই তাতে, এযোৰ টায়াৰ টিউব কিনিবলৈকে উপায় নাই....।

অলপ সময়ৰ পাছতে পুলিচ দল উভতি আলিৰ ফালে খোজ দিলে। ভাবিলো, মোৰ ঘৰলৈকে আহিছে নেকি? ল'ৰাটোৱে কিবা এটা দেখুৱাইছিল। অ' নহয় নহয়, পুলিচ দল গাড়ীলৈহে আহিছে। গাড়ীকেইখন মোৰ ঘৰৰ ফালে আছে যেতিয়া গাড়ীকেইখনলৈ আহোতে মোৰ ঘৰৰ ফালে অহা যেন লাগিবই। হে ঈশ্বৰ, ৰক্ষা কৰিলা তুমি । কিন্তু পুলিচ দলটোৱে দেখোন গাড়ীত নুঠি মোৰ ঘৰৰ ফালেহে সোমাইছে। হয় হয়, জপনা খুলি সোমালেই। কি হ'ল বাৰু? বহাৰ পৰা উঠি চোতাললৈ নামি গ'লো, ইতিমধ্যে অ' চিও আহি চোতালত ভৰি দিলে। আহিয়ে সুধিলে

"এইটো আপোনাৰ ঘৰ?"

"হয়।"

"আপোনাৰ ঘৰ ছাৰ্চ কৰা হ'ব, ডেঞ্জাৰাচ বস্তুৰ সন্ধান পোৱা গৈছে।"

ছাৰ্চ ? মোৰ ঘৰত? মোৰ ঘৰ ছাৰ্চ কৰিবলৈ অ'চিৰ মূৰত কিনো গুবৰুৱা সোমালে? ছাৰ্চ কৰিলেও কিনো পাব মোৰ ঘৰত? ছোৱালীকেইজনীৰ ফটা সস্তীয়া শাড়ী চাদৰ কেইখনমান, তেল-পাউদাৰৰ খালী টিন কেইটামান, বাকচ খুলি চালে বৰ বেছি পাব বিয়াৰ সময়তে পোৱা পৰিবাৰৰ সোণৰ গহনা কেইপদমান। আৰুনো কি পাব মোৰ ঘৰত? অ, আৰু এটা বস্তু পাব অৱশ্যে। সেইয়া চাইকেলৰ ফটা টিউবৰ টুকুৰা, নট বল্টু আদি চাইকেলৰ সৰু-সুৰা বেমাৰ-আজাৰ হ'লে দৰকাৰ হোৱা বস্তুবোৰ ভৰাই থোৱা আমুল স্প্ৰেৰ পূৰণা টিনৰ ফাৰ্ষ্ট এইডৰ বাকচ এটা। ইয়াতকৈ বেছি কিনো পাব? অ'চিয়ে যদি আমূল স্প্ৰেৰ এই টিনটোকে ডেঞ্জাৰাচ বুলি ভাবিছে বচ ক'লেই হ'ল - মই উলিয়াই দিম। সেইটো নিলে অৱশ্যে অসুবিধা মোৰেই বেছি হ'ব। তাৰ জৰিয়তে চাইকেলখনৰ সৰুসুৰা অপাৰেচনবোৰ কৰি আছো....।

“মোৰ ঘৰত ছাৰ্চ কৰিব ? কিনো পাব মোৰ ঘৰত ?” মনতে ভবা কথাষাৰকে কৈ অ’চিক ঘূৰাই প্ৰশ্ন কৰিলো।

“আপুনি মনে মনে থাকক, আমাৰ কাম কৰিবলৈ দিয়ক।”
গৰগৰাই উঠিল অ’চি। লগে লগে লগৰ পুলিচখিনিক ইংগিত কৰিলে। ইতিমধ্যে বাহিৰত মানুহৰ মাত শুনি পৰিবাৰো ওলাই আহি মোৰ ওচৰত থিয় দিছিলহি। দুয়ো অ’চিৰ ওচৰত থিয় হৈ থাকিলো। পৰিবাৰৰ মুখত ভয়ৰ ভাব। তিনিকোঠলীয়া সৰু ঘৰটো আৰু দুশ বৰ্গফুটৰ বাৰীখন চুক-কাণ মাৰি চাই আহিবলৈ তিনিডজন পুলিচৰ তিনিমিনিটো নালাগিল। চাই আহি সিহঁতে হিন্দীতে ক’লে-

“একো পোৱা নগ’ল ছাৰ।”

“একো পোৱা নগ’ল মানে ?” অ’চি যেন যথেষ্ট আচৰিত হ’ল, “একো নাপালে কেনেকৈ হ’ব ?”

মোৰ মুখলৈ চাই অ’চিয়ে ক’লে “ক’ত ৰাখিছে ভালে ভালে কৈ দিয়ক। নহ’লে মই ঘৰৰ মাটি ভেঁটি খান্দি চাবলৈ বাধ্য হ’ম।”

“ৰাখিছো মানে .. কি ৰাখিছো ?”
কিন্তু মোৰ কথাৰ উত্তৰ নিদি অ’চিয়ে পুনৰ সুধিলে -

“আপোনাৰ ল’ৰা-ছোৱালী ?”

“আছে। তিনিটা। দুজনী ছোৱালী, এটা ল’ৰা।”

“ক’লৈ গ’ল ?”

“ছোৱালী দুজনী পৰহিয়ে মোমায়েকৰ ঘৰলৈ গ’ল। আৰু ল’ৰাটো শৰ্মাৰ ঘৰত আছেগৈ বোধকৰো।”

“শৰ্মা, কোন শৰ্মা ?”

“সৌ চাৰিআলিটোৰ কাষৰ শৰ্মা।” চাৰিআলিটোৰ ওচৰতে থকা শৰ্মাক অ’চিয়ে চিনি পাইনে নেপায় নজনাকৈয়ে উত্তৰ দিলে।

“কি কৰিবলৈ গৈছে?”

“জানো কি কৰি আছেগৈ। ল’ৰা মানুহৰ কথা, কেৰম খেলি আছে ছাগৈ।” অ’চিয়ে হুঁ বুলি এটা গোৰোহনি মাৰিলে।

ইতিমধ্যে ডেকা ল’ৰাটোও ঘৰৰপৰা আহি আলিবাটত থিয় দিছিল। তাৰপৰাই সি চিঞৰি সুধিলে “কিবা পালেনে অ’চি চাহাব ?”

“নাই.... মানে .... ক্ষমা কৰিব, একো পোৱা নগ’ল।” অ’চিৰ কথাত ন টিঙিৰি তুলাৰ ৰূপ ল’লে ল’ৰাটোৱে।



“আপুনি কি কয় হেৰি ? মই নিজ কাণেৰে শুনিছো।” কৈ কৈ ল’ৰাটো চোতালত উঠিলহি। ল’ৰাটোলৈ চালো। মোৰ ডাঙৰজনী ছোৱালীৰ বয়সৰে। ইমান ওচৰতে আছে যদিও এই প্ৰথম সি মোৰ ঘৰৰ চোতালত ভৰি দিছে। সি আহি চোতালত থিয় দিয়াৰ লগে লগে অ’চিয়ে ক’লে-

“গোটেইখন আমি পৰীক্ষা কৰি চালো, কিন্তু একো পোৱা নগ’ল। আপুনি বোধকৰো ভুল শুনিলে।”

“ভুল শুনিলো ? মই ?” যথেষ্ট উত্তেজিত স্বৰেৰে ল’ৰাটোৱে ফেৰ পাতি ধৰিলে, “ঘটনাৰ লগে লগে মই ফোন কৰি থানাত খবৰ দিছো। আপোনালোকৰ হেমাহিৰ কাৰণেই এতিয়া লুকুৱাবলৈ সুযোগ পালে।”

“মানে ... নহয় ... মানে ..... আমি খবৰ পাইয়ে দৌৰি আহিছো।” অ’চিয়ে সেমেনা সেমেনি কৰিলে।

“ঠিক আছে। ৰ’ব মই আজিয়ে দেউতালৈ ট্ৰাংক- কল কৰিম।”

“ৰ’ব ৰ’ব আপুনি বাৰু দেউতাকলৈ ট্ৰাংক - কল কৰিব নালাগে, আমিয়েই ঠিক কৰিছো।” হাত দুখন মোহাৰি মোহাৰি অ’চিয়ে ক’লে। তাৰ পাছত মোৰ ফালে চাই টানকৈয়ে সুধিলে - “ক’ত ৰাখিছে ভালকৈ কৈ দিয়ক , নহ’লে মই আপোনাক এৰেষ্ট কৰিবলৈ বাধ্য হ’ম।”

“আপুনি বাৰু ক’ত কি লুকুৱাই থোৱাৰ কথা কৈছে?” মই সুধিলো। কিন্তু অ’চিয়ে উত্তৰ দিয়াৰ আগতেই ল’ৰাটোৱে স্থান-কাল-পাত্ৰ পাহৰি গৈ প্ৰায় চিঞৰিয়েই সুধিলে, “চালা কুকুৰ এতিয়া নজনাৰ ভাও ধৰিছে। অ’চি চাহাব, দুছাটমান লগাই দিয়ক, লগে লগে সৈ কাঢ়িব।”

শালীনতাৰ সীমা পাৰ হৈ গৈ অ’চিয়েও ক’লে “ক ক’ত আছে। নহ’লে এতিয়াই এৰেষ্ট কৰিম।” একো কাৰণ নোহোৱাকৈ ৰাতিপুৱাই এনেদৰে দেওদুপালনি মৰা দেখি খংটোৱে গৈ হঠাতে মোৰো মূৰত ধৰিলেগৈ। ময়ো সমান ভলিউমতে উত্তৰ দিলো।

“আপোনালোকে ৰাতিপুৱাই কি বেবেৰিবাংখন গাবলৈ আহিছে হেৰি ? কি লুকুৱাই থোৱা নোথোৱাৰ কথা কৈছে?”

“অলপ আগতে তোৰ ঘৰত কিহৰ শব্দ হৈছিল ?”

“শব্দ ? মোৰ ঘৰত.......... ।”

“অ তোৰ ঘৰত। অথনি মই সৌ তাত বহি থাকোতে।” ছাত্‌কৈ মনত পৰিল টায়াৰটো ফটাৰ কথা। তাৰমানে টায়াৰটো ফটাৰ শব্দতে ল’ৰাটো চক্ খাই

উঠিছিল আৰু ভয় খাই ফোন কৰিবলৈ ভিতৰলৈ দৌৰ দিছিল। মই আকৌ ভাবিছিলো প্ৰস্ৰাৱ কৰিবলৈ যোৱা বুলি। মনে মনে ভীষণ হাঁহি উঠিল। চাইকেলৰ চকা ফুটাৰ শব্দতে ভয় খাই পুলিচলৈ ফোন কৰিছে।

মই কিবা ক'বলৈ পোৱাৰ আগতে অ'চিয়ে সুধিলে

"ক কিহৰ শব্দ হৈছিল?"

"চাইকেলৰ চকাত পাম্প মাৰি থাকোতে চকা ফুটিছিল, তাৰে শব্দ হৈছিল।" কথমপি হাঁহিটো ৰখাই ক'লো।

"কি - ই-ই?"

"চাইকেলৰ চকাত পাম্প মাৰি থাকোতে চকা ফুটিছিল, তাৰে শব্দ হৈছিল।"

"মিছা কথা, চাইকেলৰ চকা ফুটিলে সিমান ডাঙৰ শব্দ হয় নেকি?" এইবাৰ ল'ৰাটো গুজৰি উঠিল।

"বিশ্বাস নকৰে যদি এয়া চাওক।" বুলি কৈ মই আগবাঢ়ি গৈ বাৰাণ্ডাতে থকা চাইকেলখনৰ ফুটা চকাটো দেখুৱাই ক'লো "ইমান ডাঙৰকৈ ফাটিছে, শব্দ নহ'ব নেকি?" অ'চি আৰু ল'ৰাটো দুয়োযেন দমি গ'ল। দুয়ো দুয়োৰে চকুৰে চকুৰে খন্তেক চাই থাকিল। পিছ মুহূৰ্ততে ল'ৰাটোৱে মুখেৰে 'হুঁ' বুলি এটা শব্দ কৰি সুৰসুৰকৈ আঁতৰি গৈ একেবাৰে নিজৰ পদূলি পালেগৈ। অ'চি আৰু বাকী পুলিচখিনি তাতে থিয় হৈ থাকিল। ল'ৰাটো গৈ ঘৰৰ ৰাৰাণ্ডাত ভৰি দিয়াৰ লগে লগে অ'চিয়ে সুধিলে

"মানে চাইকেলৰ চকা ফুটাৰ শব্দ হৈছিল?"

"হয়।"

খন্তেক পৰ তলকা মাৰি থাকিল অ'চি। তাৰ পিছত সম্বোধনটো 'তই'ৰ পৰা আপুনিলৈ হঠাতে উন্নীত কৰি ক'লে -

"আপুনি পিছে বৰ ভাল কাম নকৰিলে।"

"মানে?

"মানুহঘৰক এনেদৰে ভয় খুৱাব নালাগিছিল।"

"মইনো কি জানো হেৰি। চাইকেলৰ চকাহে ফুটিছিল। ইয়াতে ইমানকৈ ভয়খাই তিনিডজনকৈ পুলিচ মাতিব লগীয়া হ'ব বুলি জনা হ'লে ....।"

"আপুনি ভুল কৰিছে।" অ'চিয়ে বাধা দি উঠিল। বেঙাৰ দৰে মই সুধিলো।

"কেনেকৈ?"



"এই যে কালি-পৰহিলৈ নিৰ্বাচনটো আহিছে জানেতো?"

"জানো।"

"এই ল'ৰাটোৰ দেউতাকেও এম,এল, এৰ কাৰণে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিছে? জানেতো?"

"তাকো জানো দিয়ক।"

"আচল কথা সেইখিনিতেই। অবৈধ বুলি জনসাধাৰণে নিৰ্বাচনটোৰ বিৰোধিতা কৰিছে, নিৰ্বাচনত প্ৰতি দ্বন্দিতা কৰা মানুহৰ ঘৰ ঘেৰাও কৰিছে।এতিয়া অৱশ্যে মনোনয়ন পত্ৰ দিয়া হৈ গ'ল। কিন্তু লগে লগে অন্য এটা ঘটনা ঘটিব ধৰিছে। প্ৰতিদ্বন্দিসকলৰ ঘৰৰ আশে-পাশে কাৰোবাৰ ঘৰত বোমা ফাটিছে, কাৰোবাৰ ঘৰত বন্দুক ফুটিছে। অবৈধ বুলি ভবা নিৰ্বাচনটোত এই মানুহজনে প্ৰতিদ্বন্দিতা কৰাৰ কাৰণে ল'ৰাটোৱেও ভাবিলে তেওঁৰ দেউতাকো প্ৰতিদ্বন্দি যেতিয়া তেওঁলোকৰ ঘৰৰ ওচৰতো কোনোবাই বোমা বাৰুদ পতাৰ কাম কৰোতে বোমা ফুটিল। সেয়ে শব্দ হোৱাৰ লগে লগে তেওঁ দৌৰি গৈ আমাক ফোন কৰি আনিছে।" বুৰ্বকৰ দৰে মই কথাবোৰ শুনি গ'লো। একো নামাতিলো। অ'চিয়েই পুনৰ কৈ গ'ল।

"আৰু জানেইতো আমিও চাকৰিয়াল। এখেতসকলৰ মনৰ মতন কাম নকৰিলে আমাৰো চাকৰিৰ ফালেই টনাটানি।"

"এৰা মই জনাই নাছিলো দেওহে। পিছে মোৰ চাইকেলৰ চকাহে ফাটিছিল, বোমা ফুটা নাছিল, বন্দুকো ফুটা নাছিল।"

"এ ল'ৰাটোৰেনো কি জানে, তাৰ গাত অকণো দোষ নাই। বৰ্তমান দেশত যিটো অৱস্থা চলিছে তেনে নহ'ব বুলিওতো ক'ব নোৱাৰি।"

"এৰা, ডাঙৰ মানুহৰ ভয়টো অলপ বেছিয়েই।"

"যাহওক আজিৰ পৰা এনে কাম নকৰিব।" অ'চিয়ে পৰামৰ্শ দিলে। হাত দুখন মোহাৰি মোহাৰি মই ক'লো।

"নকৰো দিয়ক। নিৰ্বাচনটো পাৰ হৈ নোযোৱালৈকে মই বাৰু চাইকেলৰ টায়াৰ-টিউব নিকিনোৱেই, ভয় নকৰিব। টায়াৰ-টিউব কিনি আকৌ এটা অঘটন ঘটালে কেনেবাকৈ ফিটচিটেই হৈ যাব পাৰে। তেতিয়া আমাৰনো কি হ'ব। লাঠিৰ কোবহে খাম, আপোনালোকৰ পিছে চাকৰিটোৱেই যাবগৈ।"

অ'চিয়ে একো নামাতিলে। ইংগিতেৰে পুলিচ দলটোক যাবলৈ কৈ নিজেও আলিবাটত উঠিলগৈ। পুলিচ দলটো আলিত ভৰি দিয়াৰ লগে লগে মই

পৰিবাৰলৈ চালো। এনে লাগিল মানুহজনীয়ে এতিয়াহে যেন ভালকৈ উশাহ টানিব পাৰিছে। পৰিবাৰলৈ চাই ক'লো।

"ভয় নকৰিবা দিয়া, গ্ৰহণ পাৰ হ'ল।"

সেপ ঢুকি হাঁহিবলৈ চেষ্টা কৰি পৰিবাৰ ভিতৰলৈ সোমাই গ'ল। হয়তো চাহৰ কেটলিটো চাবলৈ। ময়ো চোতালৰ পৰা বাৰাণ্ডাত উঠিলো। বজাৰলৈ যাব লাগে। চাইকেলখনলৈ চকু গ'ল। কি কৰো বাৰু, কেনেকৈ যাও? ঠেলি ঠেলি নি ধাৰ-ঋণ কৰি লগাই ল'লোৱেই যেনিবা টায়াৰ-টিউবযোৰ, যদি আকৌ কিবা অঘটন ঘটায়? ইফালে অ'চিকে কথা দিলো....।

ছিঃ কি ভাবিছো বাৰু? বিজ্ঞানী সকলৰ মতেও দেখোন ডাঙৰ গ্ৰহণৰ পাছত পৃথিৱীত কিছুমান প্ৰতিক্ৰিয়া হয়েই। এতিয়া এইটোও বোধকৰো নিৰ্বাচনৰ পাছলৈকে হ'বলগীয়া প্ৰতিক্ৰিয়াই। গতিকে মিছাকৈ চিন্তা কৰি মৰাৰ দৰকাৰ কি?

বাৰাণ্ডাৰ পৰা নি চাইকেলখন ভিতৰত ভালকৈ থৈ দি পৰিবাৰক চিঞৰিলো "হেৰা, চাহ আনা সোনকালে, বজাৰৰ পৰা আহোঁগে, খোজকাঢ়ি যাব লাগিব।"

❖❖❖

*১৯৮৩-৮৪ চনত প্ৰকাশিত।*



# দুৰ্দিনত উত্তৰ পুৰুষৰ জন্ম

নৱনীতা গগৈ

"চাচোন, ছদিনমান চলিব পাৰিবিনেকি?" সাৱিত্ৰীলৈ নোচোৱাকৈ সুধিলে সি। তাই এখোজ দুখোজকৈ ক্লান্তভাৱে আহি খৰিদ'মৰ ওচৰতে বহি পৰিল। তালৈ চাই তাই ক'লে, "হ'ব দে, দেওবাৰে আহিবিতো? আহিবলৈ নিদিলে পলাই আহিবি।"

গোপাল আগুৱাই আহিল। তাৰ শুকান মুখখনৰ জিলমিলিয়া চকু দুটা ঘৈনীয়েকৰ প্ৰতি মমতাত ভৰি পৰিল। সি থৰ লাগি তাইলৈ চালে। "এই মানুহটো! কি যে নেচাবলগীয়া ধৰণে চায়।" সাৱিত্ৰীয়ে তাৰ মুখৰ পৰা দৃষ্টি আঁতৰাই নিয়ে। লাহে লাহে দুয়োটা নিচেই কাষ চাপি বহিল।

ধুমুহাই ঠেকেচি পেলোৱা কুমলীয়া হালধি গছৰ দৰে জীৱনটোৱে ঠেকেচি ঠেকেচি শতচ্ছিন্ন কৰা সাৱিত্ৰীৰ মলিন ৰূপটোৱে গোপালক জোকাৰি দিলে। ব্যস্ততাৰ স'তে কিছুদিনৰ পৰা সি ইমান একাকাৰ হৈ আছিল যে তাইৰ অৱস্থাটোৰ কথা আজিৰ দৰে গভীৰভাৱে ভাবিয়ে চোৱা নাছিল। তাৰ বুকুখনৰ কোনোবা এডোখৰত হুৰহুৰাই গৰাখহণীয়া আৰম্ভ হ'ল হঠাতে । আৱেগত সি চঞ্চল হৈ পৰিল। তাইক এহাতেৰে আলফুলকৈ ধৰি সি ক'লে, "পলাই আহিম? ঠিক আছে বাৰু পলায়ে আহিম। সুবিধা কৰিব পাৰিলে মই ৰাতি ৰাতি সদায়ে আহিম।" মনে মনে সি ভাৰপ্ৰাপ্ত বিষয়াজনৰ মুণ্ডপাত কৰিলে।

“বল ভিতৰলৈ ব'ল এতিয়া।” ভিতৰলৈ উঠি যাওঁতে দুয়োটাৰ মাজৰ ব্যৱধান নোহোৱা হৈ গ'ল।

গধুৰ মানুহজনী শুই পৰাৰ লগে লগে মেৰ্‌মেৰাই উঠিল কাঠৰ দুৰ্বল বিচনাখন। তাইৰ চকুযোৰ ৰম্‌ৰমকৈ পুৰিবলৈ ধৰিলে আৰু এটা সময়ত তাইৰ শেঁতা চকুহালৰ পৰা চকুলো দুসোঁতা ওলাই আহি শেঁতা গাল দুখন তিয়াই পেলালেহি। ভগৱানৰ প্ৰতি নে কাৰ প্ৰতি জানো তাই নিজেও নাজানে, অন্ততঃত গোপালৰ প্ৰতি নহয় – অভিমানত সাবিত্ৰীয়ে হুকহুকাই কান্দি উঠিল। আনমনা হৈ কাষতে গোপাল বহি আছিল। সি উচপ খাই উঠিল। “কি হ'ল অ'? এই, কি হ'ল তোৰ?” কান্দোনটো হেঁচি ধৰি তাই মানুহটোলৈ চালে। কিয় যে তাই অকস্মাৎ কান্দি উঠিল। তাইয়ো আচৰিত হ'ল। কাৰণৰ দোহাই দি তাই যদি ক্ৰমাৎ সহিব নোৱাৰা হৈ অহা সিহঁতৰ অভাৱৰ যন্ত্ৰণাৰ কথা কয়, তাইৰ ৰক্তহীনতাৰ কথা কয় অথবা অনাগত আন্ধাৰ ভৱিষ্যতটোৰ বিষয়ে কয়, তাৰ উত্তৰত গোপালে কি ক'ব তাই আগতেই জানে। সি ক'ব, ‘এইবোৰেই যদি তাইৰ এই মুহূৰ্তত কন্দাৰ কাৰণ হয়, তেন্তে তাই প্ৰতিটো পল, প্ৰতিটো ক্ষণ অকল কান্দিয়ে নেথাকে কেলেই?’ চুপ-চাপ, নাকান্দিবৰ বাবে সচেষ্ট হ'ল সাবিত্ৰী। তাইৰ কান্দোন বন্ধ হোৱা দেখি গোপাল সিহঁতৰ পাকঘৰ নামৰ তিনি বৰ্গফুটমানৰ ঠাইটুকুৰালৈ উঠি গ'ল। কিছুপৰৰ পাছতে সি আহি আকৌ তাইৰ শিতানতে বহিলহি। হাতত তাৰ এবাতি তিওৱা চিৰা আৰু এলদা লেজুৰা গুৰ।

‘হে খাই ল, মোৰ যাবৰ হৈছে।’

‘তই নেখাৱ নেকি?’

‘মই খালো, অথনিয়ে।’ আঙুলিবোৰ সুমুৱাই সুমুৱাই নিজৰ চুলিবোৰ সি ব্যস্তভাৱে ঠিক্‌ঠাক কৰিবলৈ ধৰিলে। তেল চিকটি লগা পেন্ট-চাৰ্টযোৰ আৰু গধুৰ জোতাযোৰ পিন্ধিলতহে সাবিত্ৰীৰ তাক অলপ মানুহৰ আকাৰলৈ অহা যেন বোধ হ'ল। তাৰ শুদা গাটোও জিলিকি থকা কামিহাড়বোৰে সাবিত্ৰীক বৰ কষ্ট দিয়ে। তাইৰ নিৰস ওঁঠ দুখনত হাঁহিটো পশ্চিমৰ বেলিৰ দৰে চুচুক-চামাক কৰিবলৈ ধৰিলে। তাইৰ যেন কুমাৰী হাঁহিটোৰ স্মৃতিচাৰণহে কৰিছে। আগ্ৰহেৰে খাই থকা সাবিত্ৰীৰ সমগ্ৰ অৱয়বটোত গোপালৰ চকুদুটাই সিহঁতৰ সোণৰ ৰূপৰ দিনবোৰ পিতপিতকৈ বিচাৰিবলৈ ধৰিলে। সেই অনুসন্ধানৰ বাবেই যেন সি তাইৰ কাষ চাপি আহিল। তাইৰ পানীত উপঙি থকা মৰা মাছৰ দৰে চকুদুটাত সি দেখিলে – কেঁচা চিক্‌চিকিয়া চাহ পাতৰ মাজত অকলশৰে একান্তমনে এটি কলি দুটি পাত



টুকি থকা তাৰ মানসীজনী। আৰু সি তাই ক'ব নোৱাৰাকৈয়ে নিচেই কাষৰ শিৰিষজোপাত উঠি যেন তাইক সুহুৰিয়াই তাৰ উপস্থিতিৰ উমান দিব খুজিছে। ক্ৰমাৎ আগবাঢ়ি যোৱা গোপালৰ হাতখন সাবিত্ৰীৰ নিস্তেজ গালখনত ঘঁহনি খোৱাত সি পুনৰ কৰ্কশ বৰ্তমানটোত সজোৰে আঁচাৰ খাই পৰিল। ওঁঠলৈ উজাই অহা সেউজীয়া হাঁহিটো, সুহুৰিটো এই বেজেৰুৱা, হাঁহিবলৈ সত নোযোৱা, জেঠৰ দুপৰীয়া চটা-চটে ফাটি যোৱা পথৰুৱা মাটিৰ দৰে জীৱনটোৰ মাজলৈ টানি নানি সি জোৰেৰে দমন কৰিলে।

অলপ সময়ৰ ভিতৰতে তাৰ মুখখনে বিভিন্ন অভিব্যক্তি ধাৰণ কৰাটো সাবিত্ৰীৰ চকুৰ পৰা এৰাই নগ'ল। তাইৰ আকৌ হাঁহি উঠিল।

যোৱা চাৰিটা বছৰৰ ভিতৰত সিহঁতৰ মাজলৈ দুটা নতুন জীৱন আহিব খুজিও আধাবাটৰ পৰাই উভতি গ'ল। সেই দুটা শাৰীৰিক দুৰ্ঘটনাৰ লগতে অৰ্দ্ধাহাৰ, বেমাৰ, পৰিশ্ৰম সকলোৱে মিলি সাবিত্ৰী নামৰ ভৰপূৰ গাভৰুজনীক এজনী কুৰূপা তিৰোতা ৰূপে সজাই তুলিলে। ৰূপ স্তৱিত সাবিত্ৰীক যেন গোপালৰ বিশ্বাস নহ'ল। বৰ্তমান সঁচা সাবিত্ৰীৰ আগত ৰাখি অতীতৰ সাবিত্ৰীক গোপালে তাৰ মনোজগতৰ ক'তো বিচাৰি নাপালে।

তাইৰ হাঁহিটো মাৰ যোৱাই নাছিল। জুই যেনকৈ তালুৰ পৰা তলুৱালৈকে তাক পুৰি নিয়া তাইৰ হাঁহিটো এই কেইবছৰতে এটা এৰাসূঁতি হ'ল। অলৰ-অচৰ এসোপামান পানী। ঘোলা, শান্ত, ক্লান্ত। অসহ্য! গোপালে মুখ ফিৰাই নিলে।

সিহঁতৰ বিয়া, সাবিত্ৰীৰ প্ৰতি বাগানৰ মেনেজাৰ অসংযত ব্যৱহাৰ, মেনেজাৰৰ হত্যা, এই চাৰিটা বছৰ সিহঁত দুটাৰ আত্মগোপনৰ সতেজ যন্ত্ৰণা, ভোক, বেমাৰ ফাঁচিকাঠত চট্‌ফটাই ওলমি থকা সিহঁতৰ আশাবোৰ গোটেইবোৰৰ বাবে নিজকে জগৰীয়া কৰিলে সি অযুক্তিকৰভাৱে হ'লেও।

‘এই! যাওঁ বুজিছ। দেৰিয়ে হৈছে। আজি নিশা যেনেতেনে এপাক মাৰিম। তই আক' সময়ত ৰুক্মী, বুধনীহঁতক খবৰ নিদিয়াকৈ নাথাকিবি।’

আনদিনাৰ দৰে কেম্পলৈ উভতি যোৱাৰ সময়ত গোপাল মাত লগাবলৈ তাইৰ ওচৰ চাপি নগ'ল তায়ো অৱশ্যে কথাটোত গুৰুত্ব নিদিলে।

কালি ফুটগধূলিৰে পৰাই প্ৰাণবায়ু কাঢ়ি নিব খোজা যমৰ যন্ত্ৰণাটো মাজে মাজে উঁকাই আছিল। আজি ৰাতিপুৱা মাত্ৰ দুটা ঘন্টাৰ কাৰণে লগ পোৱা গোপালক তাই এইবোৰ একো নক'লে। আচলতে চিন্তা আৰু কৰ্মব্যস্ততাই অহৰহ নিৰ্যাতন কৰি থকা মানুহটোক তাই এইবোৰ সম্ভেদ দি অধিক জুৰুলা কৰিব নুখুজিলে।

সময়ৰ হিচাব ৰখাৰ সময়ো তাৰ নাই। বেচেৰা। সি হয়তো ভাবি আছে তাৰ তৃতীয় সন্তানটো ভূমিষ্ঠ হ'বৰ হোৱাই নাই বুলি।

মনে মনে তাই ঠিক কৰিলে, তাইৰ দুৰ্দিনৰ এই সন্তানটো তাই মনে মনেই প্ৰসৱ কৰিব, ৰুক্মী, বুধনী কাৰো সহায় নালাগে। সাৱিত্ৰী অসহায় নহয়। তাই যেন ৰণক্ষেত্ৰত এজনী অকলশৰীয়া বীৰাংগনা। মৰণসম যন্ত্ৰণাত তাইৰ মুখমণ্ডল বিকৃত হৈ উঠিল। পেটটোত এখন হাতেৰে সজোৰে সাৱটি ধৰি আনখন হাতেৰে বিচনাত সমস্ত দেহৰ ভৰ দি তাই বহি পৰিল। অপৰিসীম কষ্টেৰে বিচনাৰ পৰা নামি গৈ দুৱাৰখন এনেয়ে জপাই দিলেগৈ তাই, দাংডাল দিবৰ বাবে তাইৰ ধৈৰ্য , আগ্ৰহ দুয়োটাৰে অভাৱ হ'ল। জীৱন-মৰণৰ যুঁজখন প্ৰত্যাহ্বান হিচাবে গ্ৰহণ কৰা সাৱিত্ৰীয়ে বিষত চকুৰে সৰিয়হ ফুল দেখিলে। কথমপি তাই বিচনাখনত উঠিলহি।

কৰ্মমুখৰ ঠাই ডোখৰেও গোপালৰ নিৰ্জন মনটো কোনোপধ্যেই সৰৱ কৰি তুলিব নোৱাৰিলে। হাহাঁকাৰখিনি তাৰ বুকুতে গোট মাৰি নিগাজি হৈ ল'লে।

মানুহবোৰৰ পৰা আঁতৰি আহি সি শিল এটাৰ ওপৰত বহি পৰিল। প্ৰকাণ্ড এচটা শিল। মানুহ এটাৰ দুগুণ আয়তন। শিলচটাৰ বিশেষধৰণেৰে ঘূৰণীয়া মিহি খাঁজ এটাত গোপালে মূৰটো আঁউজাই দিলে। নাকে-মুখে কোবাই যোৱা বতাহখিনি বৰ আপোন আপোন লাগিল তাৰ। হেঁপাহেৰে সি দুটামান গভীৰ উশাহ ল'লে।

আজি কিছুদিনৰ পৰা প্ৰায় দুমাহেই হ'লহি, তাৰ গাটো কিবা জ্বৰ জ্বৰ লাগে। কাহো উঠে। লগতে কেতিয়াবা চেকুঁৰা-চেকুঁৰে তেজো ওলাই আহে। মনে মনে অকণ সময় কটাব খোজা গোপালক প্ৰচণ্ড কাহটোৱে মুখৰ কৰি তুলিলে। কাহ আৰম্ভ হ'ল যি হ'লেই। তাৰ কাহ শুনি লগৰে এটা আগুৱাই আহিল। হোলোককৈ ওলাই অহা তেজবোৰ দেখি আগুৱাই অহাটো কেইহাতমান দূৰৈত আঁতৰি থিয় দিলেগৈ। মানুহটোৰ প্ৰতি গোপালৰ মূৰলৈ অহেতুক খং এটা উঠি আহিল।

'ঐ মৰা! কি চাইছ শগুণৰ দৰে? মৰ যদি মৰহি আহ মোৰ লগত। দূৰত বৈ আছ কেলেই? চাপি আহ'। তাৰ মাত কথাবোৰ আচহুৱা যেন পাই কেম্পত খবৰ দিবলৈ মানুহটো লৰ মাৰিলে। কেম্পত গুণ-গুণনি উঠিল। ৰাতিপুৱা ভালদৰে কথা-বতৰা পাতি ঘৈনীয়েকক সপ্তাহটোৰ খৰি-খেৰৰ যোগাৰ দিবলৈ যোৱা সুস্থ মানুহটোৰ, কথা-বতৰা নাই হঠাৎ কি হ'ল? দুটামানে ঘৰৰ পৰা অহাৰ পাছত তাক মৰা-মুৱা যেন দেখা বুলিও ক'লে। আলোচনা চলি থাকোতেই গোপাল স্বয়ং আহি উপস্থিত হ'লহি। মানুহটোৰ মুখলৈ চাব নোৱাৰা অৱস্থা। খবৰ পাই ভাৰপ্ৰাপ্ত



বিষয়াজনো পালেহি। জাৰে-জহে সমানে উৱলি ক'লীয়া কৰা ছালৰ মানুহজাকৰ পৰা দহফুটমান আঁতৰত বৈ তেওঁ বেমাৰৰ বিৱৰণ শুনিলে আৰু বিছফুটমান আঁতৰৰ পৰা আমন-জিমনকৈ বহি থকা বেমাৰীটোক নিৰীক্ষণ কৰিলে।

'চাহাবে কি ক'লে অ'?

'ইয়াক হস্পিটেলত ভৰ্তি কৰিবলৈ কৈছে।'

দুটামানৰ গাত গোপালক হস্পিটেলত থৈ অহাৰ ভাৰ পৰাত সিহঁতৰ চকু-মুখত অসন্তুষ্টি প্ৰকট হ'ল। ইফালে অফিচাৰৰ নিৰ্দেশ ঃ কেম্পত বেমাৰ বিয়পাব নোৱাৰি। আওহতীয়া ঠাই। নিশ্চয় বেমাৰৰ আস্তানা। গোটেইমখা আকৌ পৰক বেমাৰত। জঞ্জাল হ'ব তেওঁৰ। সোনকালে চাৰ্ভে শেষ কৰি উভটিব পাৰিলেই ৰক্ষা পৰে তেওঁ। মিঃ ৰহমানে মনে মনে কেইবাবাৰো আল্লাহ-তালাহ স্মৰণ কৰিলে।

"ব'ল ব'ল। হস্পিটেলতে থৈ আহোঁ। ইয়াতে লাচ হ'লে মহা অথন্তৰ হ'ব। যিহে কাহ মাৰিছ'। বহা ঠাইতে মূৰটো দুহাতেৰে হেঁচি ধৰি কাহি কাহি হোলোকা-হোলোকে তেজ বমি কৰি থকা গোপাললৈ চাই এটাই ক'লে।

'ঠিকেই, ব'ল। হস্পিটেলত থৈ অহাই ভাল হ'ব। বৰ লেতেৰা বেমাৰ।' আনটোৱে গাৰ বলেৰে কাষৰে জোপোহা হাবিডৰাত থুৱাই দিলে।

দিনটোৰ ভিতৰতে গোপালৰ বেমাৰটো চৰি আহিল। সাৱিত্ৰীয়ে গমেই নেপায়। তাইৰ নিজৰবোৰেই আতিছেগৈ। সি জনোৱা নাই তাইক। সকলোৰে পৰাই লুকুৱাই ৰাখিছিল সি। আজি পিছে ঘপহকৈ ধৰা পৰি গ'ল। আনদিনা কাহে ধৰিলে সি কেম্পৰ পৰা আঁতৰি যায়গৈ মনে মনে। আজিও গৈছিল। দেখেলেগৈ এটাই। নিধক্‌টো কটা।

চাৰ্ভে পাটিৰ 'অইল ইণ্ডিয়া লিমিটেড'ৰ চাব মৰা ভানখনত আগুৱাই আহি সিহঁতৰ কাষতে ৰ'লহি। গাড়ীখনত বেমাৰীটোক গাত ধৰি তোলে কোনে এতিয়া? ইটোৱে সিটোৰ মুখলৈ চোৱা-চুই কৰিবলৈ ধৰিলে। বাটৰ কচু গাত ঘঁহি ল'বলৈ কাৰো মন যোৱা নাই। গোপালে মূৰ তুলি চাই দেখিলে - গোটেই মখাই তালৈ খং আৰু বিতৃষ্ণা মিহলাই চাই আছে। সিহঁতবোৰ ঋষিমুনি হোৱা হ'লে গোপাল ইমানপৰে ভষ্ম হ'লহেঁতেন, ভালেই হ'লহেঁতেন অৱশ্যে, সি মুক্তি পালেহেঁতেন। কিন্তু প্ৰাণৰ পুতলী সাৱিত্ৰীলৈ মনত পৰাত তাৰ মৰিবৰ মনো নগ'ল। সি নিজেই উঠি গাড়ীত সোমালগৈ।

ৰোগী ভৰ্তিকৰণৰ যাৱতীয় কাম-কাজবোৰ শেষ হোৱাত তাক থ'বলৈ অহা গাড়ীখন গ'লগৈ। সি অকলশৰীয়া হৈ পৰিল। নতুন অচিনাকি পৰিৱেশটোত

তাৰ গা, মন সমানে অসাৰ হৈ পৰিল। কিছুপৰ ইফাল সিফাল কৰি সি নিজৰ বিচনাখনৰ ফালে খোজ পেলালে। বিচনাত পৰি কম্বলখন গায়ে মূৰে মেৰিয়াই লৈ সি টোপনিয়াবৰ চেষ্টা কৰিলে। টোপনিটো আহিবই খুজিছিল। এনেতে তাৰ কাণত এনে এটা মাত পৰিলহিয়ে উত্তেজনাত তাৰ সৰ্বশৰীৰ জোকাৰ খাই উঠিল। সি থৰথৰকৈ কঁপিবলৈ ধৰিলে। তাক অৱশ্যে দেখিলেও ৰতনলালে সহজে চিনি যে নাপায়, ই ঠিক কথা। সি আৰু এতিয়া আগৰ সেই ডাড়ি গোফ চিকুনকৈ খুৰোৱা, চুটিকৈ চুলি কটা, মাদল কাঠৰ বৰণীয়া, গাঁঠলু গোপাল নহয়। সি এতিয়া ডাড়িয়ে-গোফে ভোবোকাৰ, অবিন্যস্ত চুলিৰে অস্থিচৰ্মসাৰ গোপাল। অতীতৰ তাৰ নিমজ কপালখনত এতিয়া গভীৰ বালিৰেখা। আগৰ জীৱনটোৰ চিন বুলিবলৈ তাৰ গাত আছেগৈ জাকতজিলিকা জিলমিলাই থকা দুটা চকু। পোহৰ পোহৰ লগা তাৰ চকু দুটাই হয়তো তাক ৰতনলালৰ চকুত পেলাই দিব পাৰে। সি সচেতন হ'ল। আসন্ন প্ৰসৱা সাৱিত্ৰীৰ কিবা বিপদৰ আশংকা কৰি তাৰ বুকুখন চিৰিং কৰি উঠিল। ৰতনলালক হওঁতে ভয় কৰিবলগা একো নাই। তাক গোপালৰ পুৰণি বন্ধুচামৰ লেখতে ল'ব পাৰি। যিয়েই নহওক, সি সেই বাগিচাৰ কাকো লগ পাব নিবিচাৰে। আনকি তাৰ অন্তৰ্ধানৰ পাছতে ভগ্নহৃদয় হৈ পৰা তাৰ মাককো। মাকক এবাৰ চাবৰ বাবে ক'তদিন তাৰ বুকু ভাগি চুৰমাৰ হৈ গৈছে। কিন্তু লগে লগেই সি আবেগলৈ পিঠি দি শিল হৈছে। ক্ষন্তেকীয়া আবেগত তাৰ সৰ্বনাশ হ'ব পাৰে। সি তৎক্ষণাত সিদ্ধান্ত ল'লে। সি পলাব। আজি ৰাতিয়েই। তাৰ ঘৰ এই ঠাইৰ পৰা দুমাইলমানহে নিলগত। কেনেবাকৈ ৰতনলালে যদি তাৰ উপস্থিতি গম পায়। সি আত্মগোপন কৰি থকা নবককুণ্ড বস্তিখনৰ সন্ধেদ পায়।। নিজৰ সুন্দৰ চকুযোৰে ঘটাব পৰা সম্ভাব্য বিপদটোৰ কথা ভাবোতে ভাবোতে উৎকণ্ঠাবোৰ তাৰ দেহৰ শিৰাই-উপশিৰাই বিয়পি পৰিল।

এন্ধাৰ ঘন হৈ আহিছিল। পলোৱাৰ পৰিণামৰ কথা খৰকৈ মনতে এবাৰ জুকিয়াই ল'লে। এনেকৈ পলাই গ'লে তাৰ সাময়িক সংস্থানটোৰ পৰালি পৰিব। আকৌ সেই বিস্বাদ কচু, ঢেঁকীয়া, কাঠফুলাসোপা । ছিঃ আগৰ অভিজ্ঞতাৰ কথা মনত পৰি তাৰ চকু চলচলীয়া হ'ল।

পৰিৱেশটো নিৰ্জনতাই হেঁচি ধৰাৰ লগে লগে হাতত সাৰে ভৰিত সাৰে সি বাহিৰ হ'ল। পহৰাত থকা মানুহ দুটা নিশ্চিন্তমনে বিড়ি হোপাতে ব্যস্ত। ফেৰফেৰীয়া হিমচেঁচা বতাহজাকত তাৰ গাটো সিৰিক্কৈ গ'ল। নাতিদূৰত কাটাতাঁৰৰ ফেন্সিংখন একেজাপে অতিক্ৰম কৰিলে সি। তাৰ দুৰ্বল দেহটো উত্তেজনাত মুহূৰ্তৰ বাবে এবাৰ কঁপি উঠিল। মনটো বিহ্বলতাত উথলি উঠিল। আৰু পিছ মুহূৰ্ততে



ঘৰলৈ বুলি সি দৌৰ দিলে। সৰাপাতবোৰ নিয়ৰে কেতিয়াবাৰে পৰাই সেমেকাই থৈছিল।তাৰ ওপৰেদি নিঃশব্দে সি প্ৰচণ্ড জোৰেৰে দৌৰিবলৈ ধৰিলে। চেতনাশূণ্যভাৱে সি দৌৰি থাকিল অহৰহ। বাটৰ সোঁমাজতে ঠেংভগা ফপৰা কুকুৰ এটা বহি আছিল। সি আমনি পাই কেংকেঙাই উঠিল। নিশাচৰ কীটবোৰৰ ভিন্নসুৰি তানটোও আন্ধাৰৰ লগে লগে দৌৰি গ'ল। আধাঘন্টামান উৰ্দ্ধশ্বাসে দৌৰাৰ পাছত সি তাৰ বস্তিত উপস্থিত হ'লহি। ভাগৰত ৰাস্তাটোৰ ওপৰতে বহি দিলে সি। বিপদ সীমা অতিক্ৰম কৰি আহি তাৰ মনটো মুকলি মুকলি লাগিল। স্বস্তিৰে উশাহ দুটামান সলাই লাহে লাহে তাৰ চালিখনৰ ফালে আগবাঢ়িল গোপাল।

টিমিক-টামাককৈ চাকি এটা জ্বলি আছিল। সাৱিত্ৰীয়েনো নিশা ইমান পৰলৈকে তেলসোপা পুৰি পুৰি কি কৰি থাকিব পাৰে সি চিন্তা কৰিলে। গোটেই দিনটোৰ স্মৃতিৰাশি অবান্তৰভাৱে চাট্‌কৈ তাৰ চকুৰ আগেদি পাৰ হৈ গ'ল। তাৰ মনটো কেনেবা লাগিল। আজি দিনটোৰ ভিতৰতে সি যেন জহন্নাম ফুৰি আহিলেগৈ। ভাবি ভাবি তাৰ কণমান কুঁঠৰীটোৰ ফালে আগুৱাই গ'ল সি। টিনৰ এচলীয়া দুৱাৰখন ফাঁক হৈ থকা দেখি তাৰ মনটো অচিন সন্দেহ কিছুমানে জপটিয়াই ধৰিলেহি। নঘটিবলগীয়া কিবা ঘটিল নেকি?

চাকিটো জ্বলাইও তাই ইমান নিসাৰে আছে কিয়? মেকুৰী খোজেৰে গোপাল ভিতৰ সোমাল।

আঁঠুৰ মাজত থুতঁৰিতো গুজি বিচনাতে বহি আছিল সাৱিত্ৰী। সি সোমাই অহা স্বত্বেও তাই লৰচৰেই নকৰিলে। আউলী-বাউলী চুলিৰে সাৱিত্ৰীক তাৰ বৰ ভয় লাগিল। সি তাইক তন্ন তন্নকৈ চালে। তাই বহাতে মৰিয়েই আছে বা। নাই, নাই মৰা। তাইক চকু পিৰিকিওৱাদেখি সি আস্বস্ত হ'ল। পিছে তাই ইমান সহজ ভংগীৰে বহিব পৰা হ'লচোন। তাৰমানে কিবা হ'লেই নেকি আজিয়ে।

দুখোজমান ভয়ে ভয়ে আগুৱাই আহি সি তাইৰ দৃষ্টি অনুসৰণ কৰি দেখিলে - তাই উদভ্ৰান্ত চাৱনিৰে সিহঁতৰ তৃতীয় সন্তানকে চাই আছে। মজিয়াত একাষৰীয়াকৈ কৰাল মৰা তেজত তুমৰলি দি আছে এটা অসাৰ কুৎসিত মাংসপিণ্ড।

❖❖❖

১৯৮৫-৮৬ চনত প্ৰকাশিত।

# অনির্বাণ

মালৱিকা তালুকদাৰ

**সেই** সময়ৰ সকলো বাতৰি কাকত, আলোচনী আদিত ৰূপ কানোৱাৰৰ সতীদাহৰ উত্তপ্ত সমালোচনাই মুখ্য স্থান লৈছিল। ঘটনাটো মাত্র সৌ সিদিনাৰ ১৯৮৭ চনৰ ৪ ছেপ্তেম্বৰ। ৰাজস্থানৰ চিকৰ জিলাৰ দেওৰালা গাঁৱৰ আকাশ বতাহ কঁপাই হাজাৰ বিজাৰ গাঁওবাসীৰ উচ্চকণ্ঠত “সতী মাতা কি জয়” এই জয়ধ্বনি বাজি উঠিছিল। সভ্যতাৰ উচ্চ শিখৰত উঠা ভাৰতবৰ্ষক ১৯ শতিকাৰো বহুত আগলৈ ঠেলি দিয়া হ'ল। আধা লিখা প্ৰবন্ধটো পুনৰ কাটি পেলালে সুপ্ৰিয়া চৌধুৰীয়ে।

অসমৰ তিনিদিনীয়া বাতৰি কাকত “আজিৰ অসম”ত সহকাৰী সম্পাদিকা হিচাবে কাম কৰা সুপ্ৰিয়াৰ আজি এবছৰেই হ'বহি। সৰুৰে পৰা ৰহস্য সন্ধানী সুপ্ৰিয়াই উক্ত কামটো পাই জীৱনৰ সকলো বিলাক পোৱা-নোপোৱাৰ ক্ষোভ বেদনা পাহৰি একাগ্ৰতাৰে কাম কৰি আহিছে। স্বামী সুব্ৰতৰ অকস্মাৎ মৃত্যুত তাই চাৰিওফালে কেৱল আন্ধাৰ দেখিছিল। সুব্ৰতৰ মৃতদেহটো সাৰাটি তাই চিঞৰি চিঞৰি কান্দিছিল। তাইৰ জীৱনৰ সকলো শেষ হৈ যোৱা যেন লাগিছিল। তথাপিও সুব্ৰতৰ একমাত্ৰ উপহাৰ সৰোব্ৰতৰ বাবে জীয়াই থকাৰ সংকল্প কৰিছিল। সৰু সুৰা দুটা ভাড়া ঘৰৰ পইচাৰে আৰু সাংবাদিকতাৰ এই চাকৰিটোৰ পইচাৰে সৰোব্ৰতক লৈ তাইৰ সৰু সংসাৰখন সুন্দৰভাৱেই চলিছে। তাইৰ কাষতে শুই থকা কণমানি সৰোব্ৰতলৈ



চালে তাই। টোপনিতে সি ফেকুৰি আছে। ঠিক সুব্ৰতৰ দৰেই জেদী। লাহেকৈ সৰোব্ৰতৰ কপালত চুমা এটা আঁকি দিলে সুপ্ৰিয়াই। যেন সুব্ৰতেই তাইৰ বাবে সৰোব্ৰত হৈ আহিছে, তেনে যেন লাগি গ'ল। চকু দুটা ঢাক খোৱাকৈ কপালত পৰি থকা তাৰ ঘন ক'লা চুলিখিনি তাই সাৱধানে আঁতৰাই লাহে লাহে নিজৰ টেবুললৈ উঠি আহিল। আজি দুদিন ধৰিও তাই ৰূপ কানোৱাৰৰ প্ৰবন্ধটো শেষ কৰিব পৰা নাই। এই সম্পৰ্কে তাই গাঁৱৰ, নগৰৰ চহৰৰ বিভিন্ন মহিলাৰ পৰা মতামতো সংগ্ৰহ নকৰা নহয়। মোটামোটিকৈ তাই লিখি উলিয়াইছিল যদিও যোৱা দুদিন ধৰি নিজ চহৰতে নন্দিনী বৰুৱা মৃত্যুক লৈ চাঞ্চল্যৰ সৃষ্টি হোৱা ঘটনাটোৱে সুপ্ৰিয়াৰ সকলো ভাৱ খেলি-মেলি কৰি দিলে। এটা সুপৰিকল্পিত হত্যাকাণ্ডক সকলোৱে আত্মহত্যা বুলি মানিলেও সুপ্ৰিয়াই কথাটো বিশ্বাস কৰিবলৈ টান পালে। স্থানীয় পুলিচ থানাৰ তথ্য আৰু প'ষ্ট মৰ্টেম ৰিপৰ্টটো চাইছে যদিও সুপ্ৰিয়াৰ মতে ইয়াত এটা বিৰাট ৰহস্য সোমাই আছে।” সুপ্ৰিয়াৰ মতে এজন পাগল স্বামীৰ মৃত্যুত কোনো নাৰীয়ে মৃত্যুক আকোৱালী নলয়। নিজৰ জীৱনটোক সকলোৱে খুউব বেছি ভাল পায়, তেনেস্থলত যিজন স্বামীয়ে মানসিকভাৱে নন্দিনীক কোনো সঙ্গ দিব পৰা নাছিল তেওঁৰ, মৃত্যুত নন্দিনীয়ে নিজক হত্যা কৰিব কিয়? সুপ্ৰিয়াই ভাল পাই সুব্ৰতৰ লগত ঘৰৰ সকলো বাধা নেওচি বিয়া হৈছিল, তথাপিতো তাই সুব্ৰতৰ মৃত্যুৰ শোকত নিজে আত্মহত্যা নকৰিলে? সুপ্ৰিয়াৰ মতে হয়তো সম্পতিৰ ভাগ বিচাৰিব বুলিয়েই নন্দিনী দেৱীক হত্যা কৰা হৈছে। সৰুৰে পৰা নিজৰ মতত বিশ্বাসী সুপ্ৰিয়াই ঘটনাটো তেনেধৰণেই ভাবি থ'লে। ঘটনাটো এইখন চহৰৰে বিখ্যাত ব্যৱসায়ী তথা সমাজ সেৱক ৰজত বৰুৱাৰ ঘৰৰ। তেখেতৰ সৰু পুতেক অবিনাশ বৰুৱা ঢুকুৱা আজি মাত্ৰ দহদিন হৈছে। আঙুলিৰ মূৰত হিচাব কৰি চালে সুপ্ৰিয়াই।

‘বাইদেউ’ কাম কৰা ছোৱালী বীণাৰ মাতত মূৰ তুলি চালে সুপ্ৰিয়াই। “নন্দিনী বৰুৱাই হেনো সঁচাকৈয়ে আত্মহত্যাহে কৰিছে।” ভয়ে ভয়ে বীণাই ক'লে। সুপ্ৰিয়াই একো নক'লে। পইচা দি সবৰে মুখ বন্ধ কৰিছে যেতিয়া আত্মহত্যাই হ'ব, মনতে ভাবিলে। সুপ্ৰিয়াৰ পৰা একো সঁহাৰি নাপাই বীণাই নিজৰ কাম কৰাত লাগিল। চাহ একাপ খোৱাৰ খুবেই মন হৈছিল যদিও পলম নকৰাকৈয়ে সুপ্ৰিয়াই ৰজত বৰুৱাৰ ঘৰলৈ বুলি ৰাওনা হ'ল। সঁচাকৈয়ে বাৰু নন্দিনী বৰুৱাই আত্মহত্যা কৰিলে নেকি?

অবিনাশৰ মৃত্যুত নন্দিনীৰ জীৱনৰ সকলো আশা হেৰাই গ'ল নেকি? কিন্তু অবিনাশ এজন মানসিক ৰোগী আছিল। হ'ব পাৰে, তথাপি হয়তো নন্দিনীৰ

বাবে অবিনাশেই একমাত্ৰ সত্য আছিল, যাৰ মৃত্যুত তাই জীয়াই থকাৰ অৰ্থ বিচাৰি নাপালে? কথাবোৰ ভাবি গৈ থাকোতে কেতিয়া তাই ৰজত বৰুৱাৰ ঘৰ পালেহি ক'বকে নোৱাৰিলে। সুপ্ৰিয়াক দেখিয়েই বাতৰি কাকতৰ তৰফৰ পৰা আহিছে বুলি জানি ভিতৰি বেচ বিৰক্তই হৈছিল যদিও বাহিৰত আন্তৰিকতাৰ সম্ভাষণ জনালে ৰজত বৰুৱাই। কথাটো সুপ্ৰিয়াই মন নকৰাকৈ নাথাকিল। কথাৰ প্ৰসঙ্গত ৰজত বৰুৱাই অলপ বিৰক্তিৰে ক'লে ঃ এইয়া আমাৰ ঘৰুৱা কথা, পেপাৰত প্ৰকাশ নকৰাই ভাল। সুপ্ৰিয়াৰ আজিকালি এনেবোৰ কথা অভ্যস্ত হৈ গৈছে। প্ৰথম অৱস্থাত বেচ নাৰ্ভাছ ফিল কৰিছিল যদিও এতিয়া বুজি পাইছে সাংবাদিকৰ বাবে এনে ব্যৱহাৰেই যথেষ্ট। সুকীয়া সুকীয়া কৈ পৰিয়ালৰ সকলোৰে লগতেই কথা হ'ল যদিও বিশেষ একো জানিব নোৱাৰিলে। সকলোৰে এটাই কথা ঃ অবিনাশৰ মৃত্যুত ইমান শোক পাইছো দ্বিতীয়টো শোক নন্দিনীয়ে দিব নালাগিছিল তাইৰতো সকলো দায়িত্ব আমাৰ ইত্যাদি। সুপ্ৰিয়া আচৰিত হ'ল ইমান ডাঙৰ দুটা ঘটনা ঘটি গ'ল অথচ তাৰ চাপ যেন ঘৰখনত মুঠেই নাই। বিৰাট অট্টালিকাটোৰ ফালে চাই ভাবিলে সাধুকথাৰ ৰাজকাৰেংবোৰ ছাগে এনেকুৱাই ধুনীয়া হ'ব। সঁচা, ৰজত বৰুৱাই কম দিনৰ ভিতৰতে নিজক প্ৰতিষ্ঠা কৰি পেলালে। সুব্ৰতে কোৱা মনত আছে প্ৰথমে ৰজত বৰুৱা হেনো এখন দোকানৰ 'চেলচ বয়' হে আছিল। বহুতে তেওঁক ক'লা বেপাৰী বুলি জানে যদিও বৰ্তমান তেওঁৰ স্থান আটাইতকৈ ওপৰত। স্থানীয় মেলে মিটিঙে সুপ্ৰিয়াই ৰজত বৰুৱাক সদায় সভাপতিৰ পদতেই দেখি আহিছে। ৰজত বৰুৱাৰ বাকী দুজন পুতেকেও দেউতাকৰ মালা ডালেই পিন্ধিছে। ৰজত বৰুৱাৰ এজন কাম কৰা লগুৱা ৰঘুকাইৰ মতে ঃ "সৰু মইনা আৰু সৰু বোৱাৰী বৰ ভাল আছিল। বাকী কিজনৰ দৰে নহয়, ভাল বাবেই সিহঁত বাছি নাথাকিল।" পিছৰ কথাখিনি দুখত তাৰ থোকাথুকি হৈ ওলাইছিল। অবিনাশ আৰু নন্দিনীয়ে আৰু এই পৃথিৱীত নাই ৰঘু মালিৰাম মালতীহঁতে সোঁৱৰাই দিছিল। অবিনাশৰ, বিশেষকৈ নন্দিনীৰ মৃত্যুত সিহঁতে বেচ শোক পোৱা যেন লাগিছিল সুপ্ৰিয়াৰ। সিহঁতৰ পৰা কিছু সংবাদ হয়তো উলিয়াব পৰা গ'লহেঁতেন, কিন্তু হঠাৎ ৰজত বৰুৱা সিহঁতৰ মাজত উপস্থিত হোৱাৰ বাবে সিহঁতে সেমেনা সেমেনিকৈ আঁতৰি গৈছিল। ৰজত বৰুৱাৰ ঘৰৰ পৰা বিদায় লৈ আহোতে প্ৰায় দুপৰীয়াই হৈছিল।

চিন্তাক্লিষ্ট মনেৰে সুপ্ৰিয়া অফিচলৈ সোমাই আহিল, দুই এজনৰ সৈতে সাধাৰণ দুই এটা কথা পাতি তাই নিজৰ টেবুলৰ কাষলৈ আহিল। টেবুলত দুদিনৰ চিঠি পত্ৰবোৰ বেচ দম খাই আছিল। তাই পানী এগিলাচ খাই চিঠিবোৰ চপাই



ল'লে। ওপৰে ওপৰে চকু ফুৰাই হঠাৎ স্থানীয় ষ্টাম্প মৰা দীঘল খামটো দেখি তুলি ল'লে। পানীৰে তিতি ঠিকনাটো প্ৰায় অস্পষ্ট হৈ গৈছে। খামটো খুলি চালে। প্ৰায় তিনিখিলা মান দীঘল পাত। নিশ্চয় গল্প বা প্ৰৱন্ধই হ'ব। কিন্তু একো নাম, ঠিকনা নেদেখি তাই অলপ আচৰিত হ'ল। প্ৰথমে ওপৰে ওপৰে পঢ়ি পিছ মুহূৰ্ততে বেছ উৎকণ্ঠাৰে পঢ়ি গ'ল সুপ্ৰিয়াই।

কেনেকৈ পাতনি মেলিম ভাবি পোৱা নাই। আজি জীৱনৰ বাইশটা বছৰৰ পাছত প্ৰথম ভাৱ হৈছে, নিজক মই কিমান ভাল পাওঁ। অথচ নিজৰ বাবে মই একোকে কৰিব নোৱাৰিম। সেইহে আজি নিজ জীৱনৰ নিৰাপত্তা বিচাৰি আত্মহত্যা কৰিবলৈ সিদ্ধান্ত কৰিলো। সুপ্ৰিয়া আচৰিত হ'ল। কি হ'ব পাৰে গল্প নে কাৰোৱাৰ আত্মজীৱনী? অধিক ভয় অধিক উৎকণ্ঠাৰে

পঢ়ি গ'ল। ভগৱানক লগ পালে সুধিলোহেঁতেন আমাৰ দৰে হতভগীয়া কিছুমানক কিয় জন্ম দিয়ে যাৰ জীৱনৰ কোনো অৰ্থ নাথাকে। সমাজে যাৰ বাবে একো গৌৰৱ কৰিব নোৱাৰে। যি মাত্ৰ নিজৰ ভীৰুতা প্ৰদৰ্শন কৰি সমাজৰ কলংক আনে। আজি এই মুহূৰ্তত কিন্তু মই আত্মহত্যাক পাপ বুলি স্বীকাৰ কৰিব খোজা নাই। কাৰণ মইতো আনৰ হানি একো কৰা নাই। মোৰ মুক্তি মই নিজে বিচৰাটো জানো অপৰাধ হ'ব? মইতো এই সময়ত মাত্ৰ ইয়াকেই ভাবিছো মৃত্যুৱেই একমাত্ৰ মুক্তিৰ উপায়। মোৰ কথাখিনি সস্তীয়া চেন্টিমেন্টৰ বাহিৰে আন একো নহয় বুলি নপঢ়াকৈ নাথাকিব। আপোনাৰ কাকতত ৰূপ কানোৱাৰৰ সতী দাহৰ ওপৰত বিভিন্ন মহিলাৰ মতামত প্ৰকাশ কৰি আছে। মই কিন্তু সকলোৰে মতামত মানিব নোৱাৰো। সতীদাহ প্ৰথাক মই বিশ্বাস নকৰো। ইমান অন্ধবিশ্বাসী নহয়। কিন্তু যি দেশত নাৰীৰ নিৰাপত্তা নাই, সেই দেশত নাৰী সতী যোৱা বা আত্মহত্যা কৰা একো ঘৃণনীয় অপৰাধ নহয় বা হ'ব নোৱাৰে। নাৰীৰে নিজৰ শ্ৰেষ্ঠ সম্পদ এবাৰ হেৰুৱালে সমজৰ চকুত তেওঁ কলংকিতা, পতিতা হয়। পতিৰ অথচ? বাৰু বাদ দিওঁ। মই বেছি আৱেগপ্ৰৱণ হৈ গৈছো কিজানি। ৰূপ কানোৱাৰৰ পাৰিবাৰিক জীৱনৰ বিষয়ে মই বেছি পঢ়া নাই। সেইবাবে তেওঁ অন্ধবিশ্বাসীয়েই নে অনাগত কিবা আশংকাৰ কথা ভাবি আত্মদাহ দিলে নাজানো।কিন্তু আজি এই বিষয়ে লিখাৰ সময়ত বাৰে বাৰে এটা প্ৰশ্নই জাগিছে নিজক ভাল পোৱা পাপ নেকি? যেতিয়া আগত আশংকিত বিপদৰ লগত যুঁজাৰ বা সন্মুখীন হোৱাৰ সাহস নাথাকে তেতিয়া নিজক ৰক্ষা কৰাৰ (মৃত্যু য'ত সহজ পথ) মানসিকতা জাগে। তেন্তে সমাজে কিয় তাক কলংক বুলি ভাৱে? যাৰ আশংকিত সমস্যাৰ লগত যুঁজাৰ সাহস নহয় তেনে কাপুৰুষবোৰ

জানো সমাজৰ আৱৰ্জনা নহয়? তেন্তে আৱৰ্জনাবোৰ নৰ্দমাত পেলাই দিয়া জানো পাপ? আকৌ এবাৰ পঢ়ি চালে সুপ্ৰিয়াই, কি বুজাব বিচাৰিছে, তাই যেন বুজা নাই। আজি আপোনালৈ এটা কাহিনী লিখি পঠিয়ালো। এজনী অতি দুৰ্ভগীয়া নাৰীৰ। যাৰ মৃত্যুৰ আগমুহূৰ্তত এই প্ৰশ্নবোৰৰ উত্তৰ তাই পাইছিল আত্মহত্যা পাপ নহয়, কাৰণ মুক্তি বিচৰাটোৰ সকলোৰে অধিকাৰ আছে। কাহিনীটোৰ নায়িকাই ইতিমধ্যে নিজক শেষ কৰি দিয়াৰ সিদ্ধান্ত কৰি পেলালে। আনৰ নামত তাই কলংক আনিলেও নিজক তাই কলঙ্কিনী বুলি নাভাৱে। সুপ্ৰিয়া আচৰিত হৈ গ'ল কথাবোৰ পঢ়ি। কোন এই নাৰী?

এখন সৰু চহৰৰ এটা অভাৱগ্ৰস্থ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল মোৰ কাহিনীৰ নায়িকা ধৰি লওক নন্দিনী শইকীয়াই যাৰ পৰিয়ালত এমুঠি ভাতৰ বাবে সদায় হাহাকাৰ আছিল। "নন্দিনী?" তাৰ মানে এইয়া মৃত নন্দিনী বৰুৱাৰ কাহিনী নেকি? সেইহে প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিও কলেজত পঢ়াৰ কথা বাদ দি নন্দিনীয়ে অফিচে অফিচে ঘূৰি ফুৰিছিল এটা কৰ্ম সংস্থাপনৰ বাবে। সেইসময়তে চহৰৰ বিখ্যাত ব্যৱসায়ী ৰজত বৰুৱাৰ ঘৰৰ পৰা নন্দিনীৰ বিয়াৰ প্ৰস্তাৱ আহিল। প্ৰথম অৱস্থাত সকলো আচৰিত হৈছিল। সকলোৱে মানি ল'বলৈ বাধ্য হৈছিল এনে ৰূপ, গুণ তেনে ঘৰৰ হে যোগ্য হ'ব। নন্দিনীৰ মত অমতৰ প্ৰশ্ন উঠা নাছিল। বিয়াৰ কাম দ্ৰুত গতিত আগবাঢ়ি গৈছিল। সেই সময়তে তাইৰ সম্বন্ধীয়া বৰদেউতাকৰ পুতেকে দেউতাকৰ আগত কোৱা কথাষাৰ শুনি তাই ভয়ত উচপ খাই উঠিছিল। "ল'ৰাজনৰ মগজুৰ দোষ আছে?" দেউতাক নিজৰ মতত অলৰ-অচৰ। "ইমান ডাঙৰ মানুহ, এবাৰ কথা দিয়াৰ পাছত মোৰ না কৰাৰ সাহস নাই। হিংসাতেই মানুহে এইবোৰ উলিয়াইছে।" বেচ ধুম-ধামেৰে অবিনাশ আৰু নন্দিনীৰ বিয়া হৈ গৈছিল। পিছত গম পাইছিল দেউতাকে তাইৰ বিয়াৰ নামত সিহঁতৰ একমাত্ৰ মাটিটুকুৰা বন্ধকত দিছিল। হয়তো দেউতাকে ভাবিছিল ইমান ধনী মানুহৰ ল'ৰা জোঁৱাই হ'ব গতিকে মাটি টুকুৰা জানো মোকলাব নোৱাৰিব? কিন্তু দেউতাকৰ আশা পূৰণ নহ'ল। কাৰণ ৰজত বৰুৱাই বিয়াৰ দিনাই ছোৱালী উলিয়াই নিবৰ সময়ত কৈছিল ঃ "আপোনাৰ ছোৱালীক মোৰ ঘৰ শুৱনি কৰিবলৈহে নিছো, কিন্তু সেই বুলি আপোনালোকৰ লগত সম্পৰ্ক ৰাখি মোৰ সন্মান নষ্ট নকৰো।" বিয়াৰ প্ৰথম ৰাতিয়েই তাইৰ সম্বন্ধীয়া ককায়েক জনে দেউতাকৰ আগত কোৱা কথাষাৰৰ সত্যতা প্ৰমাণ কৰিছিল। অবিনাশক স্বাভাৱিকতকৈ তাইৰ বেলেগ যেন লাগিছিল। তাই নীৰৱে চকুলো টুকিছিল মাত্ৰ। অবিনাশৰ দেউতাক, ককায়েক দুজন, বৌৱেক,



ভনীয়েক সকলো নিজক লৈ ব্যস্ত। দুখীয়া ঘৰৰ ছোৱালী বুলি সিহঁতে তাইক সমানে আসন দিয়াৰ পৰিৱৰ্তে কাম কৰা ৰঘু, মালিৰাম, মালতীহঁতৰ লগত তুলনা কৰিছিল। ভাগ্যৰ লিখন বুলি তাই নীৰৱে মানি গৈছিল। লাহে লাহে তাইৰ ভাৱ হৈছিল তাই যেন এটা ডেউকা ভগা পখি, যাৰ উৰিবলৈ সাধ্য নাই। মাক-দেউতাকৰ ওপৰত তাই অভিমান কৰি কৰি উচুপি উঠে। "মই কি বেছি খাই তোমালোকৰ বোজা হৈছিলো, যাৰ বাবে মোক দলিয়াই পেলালা?" প্ৰয়োজনতকৈ অধিক কথা নোকোৱা অবিনাশে এদিন তাইক বেচ মৰমেৰে কৈছিল ঃ "এইদৰে মন মাৰি থকাতকৈ এই আলমাৰীটোত থকা কিতাপবোৰকে পঢ়িবা।" তাই বিস্ময়ত অবাক হৈ বহুত সময় চাই ৰৈছিল অবিনাশলৈ। অবিনাশে একেবাৰে সুস্থ মানুহৰ দৰেই কৈছিল। তাৰ পাছত তাই দিনবোৰ কিতাপৰ মাজতেই কটাইছিল। হঠাৎ এদিন তাই আলমাৰীটোত অবিনাশৰ এখন পুৰণি ডায়েৰী আৱিস্কাৰ কৰিছিল। স্বামীৰ প্ৰতি কৌতূহলবশত লোভ সামৰিব নোৱাৰি তাই মনে মনে সেইখন পঢ়ি পেলাইছিল। ডায়েৰীখনৰ বিশেষ কিছুমান ঘটনাই ভয়, শংকা, ঘৃণাত নন্দিনীৰ গাৰ নোম ডাল ডাল কৰি দিছিল। মানুহ ইমান জঘন্য হ'ব পাৰে? আৰু অবিনাশ? চকু দুটা উপচি পৰিছিল নন্দিনীৰ অবিনাশৰ বাবে। তেতিয়া অবিনাশ সদায় থকাৰ দৰে খিৰিকীৰে বহুত দূৰলৈ চাই আছিল। অবিনাশৰ প্ৰতি শ্ৰদ্ধাত তাইৰ মূৰ দো খাই গৈছিল।

সৰুৰে পৰা বাহিৰত পঢ়ি যেতিয়া মেট্ৰিক পৰীক্ষা দি বহুত দিন থকাকৈ ঘৰলৈ আহিছিল, ঘৰখনত দিনে-নিশাই ঘটি থকা কিছুমান পাশৱিক কাণ্ড-কাৰখানাই অতীষ্ঠ কৰি পেলাইছিল অবিনাশক। চকুৰ আগতেই কাম কৰা দুজনীকৈ ছোৱালী পাশৱিক অত্যাচাৰৰ বলি হৈ শেষত জুই লগাই মাৰি পেলোৱা হৈছিল। পিছদিনা পুলিচ আহিছিল। পিছত সকলোৱে জানিছিল অসাধাৰণ বশত জুই লাগি সিহঁতৰ মৃত্যু হৈছিল। উক্ত ঘটনাই অবিনাশৰ মনত ভীষণ আঘাট দিছিল। তেওঁ প্ৰতিবাদ কৰিছিল। তাৰ বিনিময়ত অবিনাশক কঠোৰ শাস্তি দিয়াহ'ল। অবিনাশ ভাবুক হৈ পৰিল। অন্যায়ৰ প্ৰতিবাদ কৰাৰ বাবে তাক ঘৰৰ ভিতৰত বন্ধ কৰি 'পাগল' বুলি ৰাষ্ট্ৰ কৰি দিলে। লাহে লাহে অবিনাশৰ নিজৰ ভিতৰতে সন্দেহ উপজিবলৈ ধৰিলে, "মই সঁচাকৈয়ে পাগল নেকি?" নন্দিনীয়ে মৰমেৰে বুজাইছিল অবিনাশক। নন্দিনীৰ মৰমেৰে অবিনাশ সুস্থ হৈ উঠিছিল। তেওঁ জীৱনৰ আধৰুৱা কামবোৰ সম্পন্ন কৰিবলৈ ঘৰৰ পৰা আঁতৰি যোৱাৰ সিদ্ধান্ত কৰিলে। কাৰণ যিখন ঘৰৰ অন্যায়ৰ প্ৰতিবাদ কৰাৰ বাবে নিজ পুত্ৰকো পাগল বুলি ক'বলৈ কুণ্ঠাবোধ নকৰিলে, সেইখন ঘৰে নন্দিনীৰ বা কি অপকাৰ নকৰিব পাৰে? অবিনাশে নন্দিনীক লৈ নৰকৰ পৰা

মুক্তি বিচাৰি স্বাধীন হ'বলৈ বিচাৰিছিল। কিন্তু অবিনাশে বিচৰামতে ভগৱানে নিবিচাৰিলে। দীৰ্ঘদিন ধৰি অবিনাশ জ্বৰত পৰিল। বহুত পলমকৈ অবিনাশৰ চিকিৎসা কৰা হৈছিল। যথেষ্ট কষ্ট কৰি তাইৰ হাতত এটা সৰু বাকচ দি অবিনাশে কোনোমতে সেহাই সেহাই কৈছিল "মই তোমাক একো দি যাব নোৱাৰিলো। মই আজি তোমাক মুক্তি দিছো। তুমি ইয়াত এই নৰকত থাকিব নোৱাৰিবা। মোৰ এই সামান্য উপহাৰটো সময়ত তোমাৰ সহায় হ'ব।" আৰু কি কৈছিল তাই শুনাৰ ধৈৰ্য নাছিল। ভগৱানৰ ওচৰত হিয়া ঢাকুৰি কান্দিছিল তাই। হে প্ৰভু! মোক একো নালাগে। কেৱল তেওঁক সুস্থ কৰি দিয়া। দূৰৈত ক'ৰবাত বজ্ৰপাত পৰা শব্দত তাই কাণ দুখন হেঁচি ধৰিছিল জোৰেৰে?

অবিনাশৰ মৃত্যু হ'ল। অবিনাশে তাইক ইয়াৰ পৰা লৈ যোৱাৰ প্ৰতিশ্ৰুতি দিছিল। সিহঁতে একেটা গতিৰে আগবাঢ়ি যোৱাৰ সংকল্প কৰিছিল। কিন্তু খোজ দিয়াৰ আগতে অবিনাশ অকলেই গুছি গ'ল। অবিনাশে মৃত্যুৰ সময়ত দি যোৱা বাকচটো খুলি চালে তাই। চকু চাট মাৰি ধৰিলে হীৰাৰ হাৰ ডাল দেখি। মনত আছে অবিনাশে তাইক এদিন এইডাল দেখুৱাই কৈছিল "এইডাল মোক কোনেও নজনাকৈ মায়ে দি গৈছিল, দেউতা দদাইহঁতে অৱহেলা কৰিলে মোৰ সহায় হ'ব বুলি, এইডাল হাৰেৰে তুমি আৰু মই এটা স্বাধীন জীৱন আৰম্ভ কৰিম" উচুপি উঠিল নন্দিনী। অবিনাশৰ মৃত্যুত যেন সমস্ত আকাশখন তাইৰ মূৰত ভাগি পৰিল। অবিনাশৰ পৰিয়ালৰ মানুহ তেওঁৰ শ্ৰাদ্ধৰ বাবে ব্যস্ত হৈ পৰিল। কি কৰিব, কি খুৱাব, কাক মাতিব ইত্যাদি ইত্যাদি। যেন এখন বিয়া হ'ব। দিন-ৰাতিৰ প্ৰভেদ পাহৰি গৈছিল নন্দিনীয়ে। মাত্ৰ শূণ্য আকাশখন খিৰিকিৰে চাই তাই ভাবিছিল তাই কি কৰিব? ক'ৰবাৰ পৰা নিশা বাৰ বজাৰ সংকেত দিছিল তেতিয়া। হঠাৎ পিঠিত কাৰোবাৰ হাতৰ স্পৰ্শত তাই উচপ খাই উঠিল। ঘূৰি চাই অবিনাশৰ ডাঙৰ ককায়েকক দেখি তাই শিঁয়ৰি উঠিল। অসংযত হৈ থকা চাদৰখন থিক কৰি ওৰণিখন লৈ খক্‌মককৈ থিয় হ'ল। আ-পু-নি? ভয়ে ভয়ে সেপ ঢুকি তাই সুধিলে। লাহে লাহে তাইৰ কাষলৈ আহি অবিনাশৰ ককায়েক ক'লে: তুমি ইমান সুন্দৰ দেহাটো এইদৰে কিয় নষ্ট কৰিছা? সি এটা পাগল আছিল। মই তোমাক সকলো দিম, মৰম ভালপোৱা। আৰু কি কৈছিল তাই নুশুনাকৈ দৌৰি ৰুমৰ কাষতে থকা বাথৰুমটোত সোমাই তাই দৰজাখন বন্ধ কৰি দিছিল। গোটেই ৰাতিটো বাথৰুমটোত সোমাই তাই ভাবিছিল এইখন ঘৰত তাইৰ নিৰাপত্তা নাই। ইমান নীচ, পশু। প্ৰচণ্ড ঘৃণা উপজিছিল তাইৰ। ভাবিলে কি কৰিব তাই। ক'লৈ যাব? মাকহঁতৰ ঘৰলৈ যাব পাৰিব । কিন্তু



এতিয়ালৈকে ছাগে তাইৰ বিয়াৰ নামত দেউতাকে বন্ধকত দিয়া মাটিখিনিয়েই মোকোলোৱা হোৱা নাই। তেনেস্থলত তাই কেনেকৈ পুনৰ বোজা হ'ব। বহুত ভাবি গুণি তাই নিজৰ বাবে মৃত্যুকেই একমাত্ৰ আশ্ৰয় বুলি ভাবিলে। উচুপি উচুপি কান্দিলে তাই । পঢ়া-শুনাত কিমান ভাল ছোৱালী আছিল তাই। অথচ অকালতে মৰহি যাব লগা হ'ল। জীৱনৰ শেষ দিনটোত তাই অবিনাশৰ ফটোখনকে চাই থাকিলে। "তুমি মোক মুক্তি দিছিলা, মই বুজা নাছিলো, আজি ভাবিছো মৃত্যুয়েই একমাত্ৰ মুক্তি হ'ব মোৰ। মই যদি পাপ কৰিছো, মোক অন্যই ক্ষমা নকৰিলেও তুমি ক্ষমা কৰিবা।" গোটেই ৰাতি চট্‌ফটাই তাই শেষত চিৰদিনৰ বাবে চকু দুটা মুদি দিছিল। তাই মুক্তি পালে। চিৰ মুক্তি। চকুপানীখিনি মচি ল'লে সুপ্ৰিয়াই। পুনৰ পাত খিলা লুটিয়াই চালে।

শেষত আপোনাক আকৌ জনালো, এইয়া এজনী অসহায় নাৰীৰ সত্য কাহিনী। য'ত ক'তো কল্পনাৰ ৰহন সনা নাই। এইয়া মোৰ মানে নন্দিনী বৰুৱাৰ সত্য কাহিনী। জীৱনৰ অন্তিম ক্ষণত আকৌ এবাৰ আপোনাক সুধিছো এনে পৰিস্থিতিত জানো জীয়াই থকাৰ মানসিকতা থাকিব পাৰে?

এটা দীঘল হুমুনিয়াহ ওলাই আহিল সুপ্ৰিয়াৰ। কি উত্তৰ দিব তাই, নন্দিনীৰ উত্তৰ জানো তাইৰ ওচৰত আছে? আজি দুদিন ধৰি নন্দিনী বৰুৱাৰ মৃত্যুক লৈ তাইৰ মনত যি খেলিমেলি লাগি আছিল আজি সুপ্ৰিয়াৰ মনতস্পষ্ট হ'ল। ৰূপ কানোৱাৰে পতিৰ জলন্ত চিতাত নিজক দাহ দি নিজে সতী হোৱাৰ লগতে ঘৰ, সমাজকো পৱিত্ৰ কৰিলে। আনহাতে নন্দিনী বৰুৱাই বিহ খাই নিজক অপৱিত্ৰ কৰাৰ লগতে ঘৰ, সমাজৰো কলংক আনিলে? কিন্তু সুপ্ৰিয়াই ভাবিলে আত্মহত্যা পাপ হ'ব নোৱাৰে। তাইতো পাপ কৰা নাই। কেৱল নিজৰ মুক্তি বিচাৰিছে, লোহাৰ পিঞ্জৰাত আৱদ্ধ পখীটোৰ দৰে। থিকেই কৰিছে নন্দিনীয়ে। ইতিমধ্যে আধা লিখা প্ৰবন্ধটো তাই কাটি পেলালে। কাৰণ আনবোৰৰ মতামতকৈ তাই প্ৰবন্ধটোত নন্দিনীৰ মতামতক বেছি গুৰুত্ব দিব লাগিব। যিহেতু, নন্দিনী এক সঁচা পৰিস্থিতিৰ বলি। যিবোৰ পৰিস্থিতিত কিছুমান অসহায় নাৰী বলী হৈ আহিছে। যাৰ প্ৰতিকাৰ নাই। যাক সমাজে নিৰ্বান দিব নোৱাৰে। অনিৰ্বাণ ভাৱে চলি অহা এই অৱস্থাৰ সমাজে কেৱল গৰিহণা দিব পাৰে। প্ৰতিকাৰ কৰিব নোৱাৰে। হয়তো নোৱাৰিব। সুপ্ৰিয়াই ভাবিলে আৰু যদিওবা পাৰে ........। তেন্তে .........???

❖❖❖

*১৯৮৬-৮৭ চনত প্ৰকাশিত।*

# বিচ্ছিন্ন স্মৃতি

গুঞ্জনা বৰদলৈ

ফটোখন চাফা কৰি থাকোতে লাহে লাহে হাত নচলা হৈ আহিল মণিৰ, মনত পৰিল তাইৰ অতি মৰমৰ ককায়েক মনোজৰ কথা। আজিৰ পৰা প্ৰায় তেইশ বছৰৰ আগৰ পৰা ২ বছৰ আগলৈকে তাইৰ দুখ আনন্দৰ মিলিত দিনবোৰলৈ। মৰম বুজি পোৱাৰ আগতেই তাই মাকক হেৰুৱাইছিল। দেউতাক আৰু একমাত্ৰ ককায়েকৰ মৰমৰ মাজত ডাঙৰ হৈছিল মণি। কিন্তু কালৰ নিষ্ঠুৰ গতিত এদিন দেউতাকেও সিহঁত দুয়োটাকে এৰি গুছি গৈছিল চিৰদিনৰ বাবে মাকৰ ওচৰলৈ। তেতিয়া মণি আছিল দশম শ্ৰেণীৰ ছাত্ৰী। মৃত্যুৰ সময়ত দেউতাকে তাইৰ দায়িত্ব দি গৈছিল, ককায়েকৰ ওপৰত। দেউতাক, মাক আৰু ককায়েকৰ সকলোৰে মৰমৰ যেন মণিয়ে ককায়েকৰ মাজত বিচাৰি পাইছিল। এটা সামান্য ক্লাৰ্কৰ চাকৰিৰে মনোজে অতি কষ্টেৰে পঢ়াইছিল মণিক। মেট্ৰিক পাছ কৰি মণি কলেজ পাইছিলগৈ। কলেজীয়া ছাত্ৰী হিচাবে মণি ডাঙৰ হৈছিল যদিও ককায়েকৰ মনত তাই সদায় সেই আগৰ সৰু ছোৱালীজনীয়েই হৈ আছিল। পঢ়াৰ বাহিৰে তাই যেন একো কামেই ভালকৈ নাজানিছিল। কাম কৰিবলৈ বিচাৰিলেও তাইক ককায়েকে কৈছিল "তই এইবোৰ কৰিব নালাগেচোন মণি, তোক যেতিয়া বিয়া দিম তই দেখোন এইবোৰ অকলেই কৰিব লাগিব।" আৱেগত মণিয়ে কৈছিল "তুমি তাৰমানে মোক বিয়া দি দিবা। মই কিন্তু তোমাক এৰি কেতিয়াও বিয়া নহওঁ। এনেকৈয়ে পাৰ হৈছিল সিহঁত দুয়োটাৰে মিলাপ্ৰীতিৰ দিনবোৰ।



কলেজলৈ অহাৰ পথত আছিল ড° মনোৰঞ্জন শৰ্মাৰ নাৰ্ছিংহোম। নতুনকৈ ডাক্তৰী পাছ কৰি চেম্বাৰ খুলিছে। মণিয়ে সদায় কলেজলৈ অহা যোৱা কৰোতেই তাইৰ ওপৰত চকু পৰিছিল ড° মনোৰঞ্জন শৰ্মাৰ। এদিন তেওঁ নিজেই মাতি চিনাকি হৈছিল মণিৰ লগত। সদায় বাটত লগ পাওঁতে পাওঁতে মণি সহজ হৈ আহিছিল ড° মনোৰঞ্জনৰ লগত। এদিন আকস্মিকভাৱেই মনোৰঞ্জনে দেউতাক মাকৰ লগত গৈছিল মণিহঁতৰ ঘৰলৈ মণিৰ বাবে বিয়াৰ প্ৰস্তাৱ লৈ। মনোজেও মনোৰঞ্জনৰ ব্যৱহাৰ আৰু দেউতাক মাকৰ কথা-বতৰাত ভাল পাই মান্তি হৈছিল বিয়াত। প্ৰথম অৱস্থাত মণি অমান্তি হৈছিল যদিও ককায়েক আৰু মনোৰঞ্জনৰ ঘৰৰ সকলোৰে সমৰ্থনত তাই বিয়াত মত দিছিল। ডাক্তৰ মনোৰঞ্জনক এজন অমায়িক ভদ্ৰলোক হিচাবে মণিৰো ভাল লাগি আহিছিল। বৰ বেছি ধুম-ধাম নোহোৱাকৈয়ে মন্দিৰত বিয়া হৈ গৈছিল মণিৰ।

বিয়াৰ পিছৰ কিছুদিন আনন্দৰ মাজেৰেই পাৰ হৈ গৈছিল। কিন্তু ককায়েক মনোজ যেন একমাত্ৰ ভনীয়েকক উলিয়াই দি সংসাৰৰ সকলো দায়িত্বৰ পৰা মুক্ত হৈছিল। বিয়াৰ পিছত মণিয়ে ককায়েকৰ একো খা-খবৰ নোপোৱা হৈছিল। মণিয়ে কেইবাদিনো গৈছিল ককায়েকৰ গৰলৈ, কিন্তু ঘৰত ককায়েকৰ পৰিৱৰ্তে ওলমি আছিল এটা প্ৰকাণ্ড তলা। চিন্তাত অধৈৰ্য্য হৈ পৰিছিল মণি। ককায়েকৰ অফিচত খবৰ কৰি গম পাইছিল অফিচৰ চাকৰিও মনোজে ইস্তিফা দিছে। একো বুজা নাছিল মণিয়ে। কান্দি কান্দি চিন্তাত ভাগি পৰিছিল মাথো। কিন্তু শহুৰ-শাহুৰে ভৰা ঘৰখনৰ মৰম আৰু স্বামীৰ বুজনিত লাহে লাহে সহজ হৈ আহিছিল মণি।

কেইবামাহো পাৰ হৈ গৈছিল ককায়েকৰ একো খবৰ নোপোৱাকৈয়ে। পুলিচ আদিক জনোৱাৰ পিছতো কোনো সুং-সূত্ৰ পোৱা নাছিল মনোজৰ। কিন্তু এদিন হঠাতে স্বামী মনোৰঞ্জন চেম্বাৰলৈ ওলাই যোৱাৰ পিছত আহিছিল তাইৰ মৰমৰ ককায়েক মনোজ। মুখত দাড়ি গোফেৰে নধৰা হৈ আহিছিল মনোজৰ। ইমান দিনৰ পিছত ককায়েকক দেখি কান্দি পেলাইছিল মণিয়ে বহিবলৈ দিয়াৰ আগতে দুৱাৰ মুখতে প্ৰশ্নৰ উপৰি প্ৰশ্ন সুধিছিল ককায়েকক। মনোজে গম্ভীৰভাৱেই দি গৈছিল তাইৰ সকলো প্ৰশ্নৰ উত্তৰ। মনোজে তাইক কৈছিল সি তাইৰ ওচৰৰ পৰা বিদায় ল'বলৈহে অলপ সময়ৰ বাবে আহিছে। এটা উগ্ৰপন্থীৰ দলত সি যোগ দিছে। যি অসমক স্বাধীন কৰিব সাত ভনীক আকৌ একতাৰ ডোলেৰে বান্ধিব। কথাবোৰ শুনি মণিৰ সপোন সপোন লাগিছিল, চকুত চকুলোৰে উপচি পৰিছিল। খন্তেকৰ বাবে ভাবুক হৈ পৰিছিল মণি কিন্তু ককায়েকৰ মাতত সম্বিত ঘূৰি আহিছিল

মণিৰ আৰু ভিতৰলৈ দৌৰি গৈছিল ককায়েকৰ বাবে খোৱাৰ যোগাৰ কৰিবলৈ। কিন্তু ককায়েকৰ সময়ৰ অভাৱতে মাথোন একাপ চাহ খুৱায়েইবিদায় দিব লগা হৈছিল। আনকি চেম্বাৰৰ পৰা মনোৰঞ্জনক মাতি আনিবলৈকো মণিৰ সময় নাছিল। যাবৰ সময়ত মাথো কৈছিল ককায়েকক ‘আন বহুতৰ দৰে তোমাৰ অকণমান ত্যাগেও যদি দেশৰ উপকাৰ হয় তেন্তে মই তোমাক বাধা নিদিও। কিন্তু তুমি তোমাৰ মণিক পাহৰি নাযাবা, সময় পালে খবৰ কৰিবা। তোমাৰে জয় হওক।

দিন বাগৰাৰৰ লগে লগে মণি এটা সন্তানৰ মাতৃ হৈছিল। ককায়েকৰ পৰা দুই এখন চিঠি আহিছিল যদিও নিজে আহিব পৰা নাছিল। ইফালে অসমত উগ্ৰপন্থীৰ কাৰ্য্যকলাপ বৃদ্ধি পাইছিল। ৰেডিঅ’ কাকত সকলোতে কেৱল একেবোৰ কথা। অজান আশঙ্কাত কঁপি উঠিছিল মণি। স্বামী মনোৰঞ্জনে তাইক দিছিল বহুতো বুজনি আৰু সাহস। একমাত্ৰ সন্তানৰ প্ৰথম ভাত মুখত দিয়া দিনটোতো তাই মোমায়েকৰ হাতেৰে সন্তানক ভাত মুখত দিব পৰা নাছিল। প্ৰতিটো দিনেই তাই পাৰ কৰি দিছিল আশঙ্কাত আৰু ককায়েকক এবাৰ দেখাৰ আশাৰে। এদিন তাইৰ জীৱনলৈ আহিছিল সেই অভিশপ্ত দিনটো। গুৱাহাটীৰ এখন ভিতৰুৱা ঠাইত পুলিচে উগ্ৰপন্থীৰ কাৰ্য্যকলাপত বাধা দিওতে হোৱা গুলিয়াগুলিত এজন লোকৰ মৃত্যু ঘটিছে। বাতৰিটো মণিয়ে ৰেডিঅ’ৰ যোগে গম পাইছিল। আৰু সেই লোকজনেই আছিল তাইৰ অতি মৰমৰ মনোজ দা। খবৰটো শুনি চিঞঁৰি চিঞঁৰি কান্দিছিল । কান্দি কান্দি অচেতন হৈ পৰিছিল মণি কিন্তু ঘূৰি নাহিল তাইৰ মনোজদা।

সম্পূৰ্ণ দুটা বছৰৰ পিছত ককায়েকৰ আজি মৃত্যুদিনটোত তাইৰ মনত পৰিছিল তাইৰ জীৱনৰ সকলো কথা। হঠাৎ তিনিবছৰীয়া পাপুৰ মাতত সম্বিৎ ঘূৰি আহিল মণিৰ। “মা তুমি মামা ফটোখন চাই কান্দিছা কিয়? মা দেউতা এতিয়া আহিব নহয়, বাহিৰলৈ যাওঁ বলানা” চকুৰ পানী লৰালৰিকৈ মোহাৰি পাপুক কোলাত লৈ কোঠাটোৰ পৰা ওলাই আহিল মণি স্বামী অহাৰ আগতে তাই কৰিবলগীয়া কৰ্তব্যখিনিৰ কাৰণে।

❖❖❖

১৯৯০-৯১ চনত প্ৰকাশিত।



# মোৰ শেষ চিঠি

প্ৰিয়ংকা ছেত্ৰী

মোৰ এদিনৰ বুকুৰ মণি-বিনামেঘে বজ্ৰপাত পৰিলে মানুহ যেনেকৈ আচৰিত হৈ যায়, মোৰ কলুষিত হাতৰ চিঠিখন পাই তুমিও তেনেকৈ আচৰিত হ’বা, তাত কোনো সন্দেহ নাই। অৱশ্যে মই নিজেও তোমালৈ চিঠিখনি লিখিবলৈ বুলি মোৰ ভাগৰি যোৱা লিখনিডাল হাতত তুলি লওঁতেই মোৰ চকুৰ আগত ভাঁহি ফুৰা পৃথিৱীখন ক্ষন্তেকতে খহি পৰাৰ দৰে অবাক হৈ গৈছো। জীৱনত তোমালৈ আৰু চিঠি নিলিখো বুলিয়েই ভাবিছিলো। কিয়নো সেই অধিকাৰ মোৰ কাহানিবাই শেষ হৈ গৈছে যাৰ ইতিহাস চিৰদিন আন্ধাৰৰ বুকুত লুকাই থাকিব। তথাপিও হয়তো এয়াই জীৱনত মোৰ তোমালৈ শেষ চিঠি। ইয়াৰ পিছতো যে পুনৰ তোমালৈ চিঠি লিখিম, তাক মই এতিয়াই ক’ব নোৱাৰিম। কিন্তু মোৰ অন্তৰে তোমাৰ মৰম ও প্ৰেমক কেতিয়াও উপেক্ষা নকৰে, সেই কথা মই দৃঢ়তাৰে ক’ব পাৰো। হয়তো এটা মৰা মানুহৰ দৰেই তুমি মোৰ কথা পাহৰি গৈছা। কিন্তু মৰণ পথৰ যাত্ৰী হৈও মই তোমাক পাহৰিব পৰা নাই আৰু ....... নোৱাৰিম মৰণৰ সিপাৰেও...। সেয়ে চিঠি লিখিবলৈ চেষ্টা কৰি আজি যদি পুনৰ ভুলৰ ওপৰতে মহাভুলকে কৰিছো তেন্তে মোৰ বুকুৰ তেজদি লিখা চিঠিখন তোমাৰ দেৱদুৰ্লভ ভৰিৰে মোহাৰি মোক হেঁপাহ পলুৱাই অভিশাপ দি মোৰ এই মহাভুলৰ প্ৰায়চিত্ত কৰিব নোৱাৰিবানে মণি?

নহয় ...... প্ৰায়চিত্ত তুমি মোক কৰিব নালাগে মণি অভিশাপকেই যি জীৱনত চিৰসংগী কৰি আহিছো, তাৰ কাৰণে মোক আকৌ প্ৰায়চিত্ত কিহৰ, ক্ষমাৰেই বা প্ৰয়োজন কি? ..... জনমৰ আদিম পুৱাৰে পৰা ভুলৰে পূজা কৰি আজিও এই ভুলৰ পথকে ধিয়াই তিলতিলকৈ মৃত্যুৰ মুখলৈ আগবঢ়া ভুলৰ পথিক মই। সেয়ে ক্ষমা নতুবা প্ৰায়চিত্তৰ প্ৰয়োজনৰ সীমাবোৰ পাৰ হৈ গৈছে মণি।

তাৰপাছত তোমাৰ দিনবোৰ হয়তো আজিকালি জীৱনৰ নতুন লগৰীৰ লগত উজ্জ্বল সোণৰ সপোন কামনা কৰি সুখেৰেই গৈছে। আৰু মোৰ ? আজি মোৰ এই জীৱনতোৰ কথা তুমি অনুমান কৰিব নোৱাৰিবা মণি আৰু কৰাৰো প্ৰয়োজনো নাই। মণি, তুমি আজি মোৰ পৰা বহুত আঁতৰত, তোমাৰ বিয়া হৈ গ'ল। তোমাৰ জীৱনতো সুখী হোৱাই মই বিচাৰো। তোমালোকে সুখৰ সংসাৰ পাতা। মোৰ প্ৰথম যৌৱনৰ প্ৰথম ভালপোৱাৰ তিক্ততাই মোক আঁতিছে। মোক আৰু মানুহৰ মৰম নালাগে। মই নিবিচাৰো সেইবোৰ। তুমি মোক প্ৰৱঞ্চনা কৰিলেও মই তোমাক ভাল পাই থাকিম। এৰা তুমিও যে মোক এদিন পাহৰি যাবা তাক মই কল্পনাও কৰা নাছিলো। সি মোৰ সপোনৰো অগোচৰ আছিল। অৱশ্যে মোৰ দৰে সৰ্বহাৰা প্ৰেমিকৰ ভালপোৱাক প্ৰত্যাখান কৰি তুমি ভালেই কৰিলা। কিয়নো বুকুভৰা মৰমৰ বাহিৰে মই তোমাক জীৱনত একোকেই দিব নোৱাৰিলোহেঁতেন আৰু মোৰ বুকুৰ মৰমৰ উমে তোমাক সন্তোষো দিব নোৱাৰিলোহেতেন। মণি, জীৱনৰ কোনো এক দুৰ্বল মুহূৰ্তত তোমাৰ মোৰ প্ৰথম পৰিচয়ৰ দিনৰে পৰা তুমি মোক ভাল পাইছিলা আৰু ময়ো তোমাক প্ৰাণ ভৰি ভালপাইছিলো চিৰ জীৱনৰ বাবে, হয়তো তোমাক ভাল পাবৰ বাবে মোৰ কোনো যোগ্যতা নাই। কিন্তু ..........মণি তুমি যদি আজি মোৰ ব্যথা ভৰা জীৱনৰ নেদেখা ফালটোৰ কথা বুজি পালাহেতেন, অনুভৱো কৰিব পাৰিলাহেতেন , তেতিয়া হয়তো মোৰ বুকুখন ফালি দেখুৱাব পাৰিলোহেতেন, তেন্তে দেখিলোহেতেন, মোৰ বুকুৰ মাজত তেজেৰে লেটি পেটি হৈ এখন ছবি সোমাই আছে - যিখন তোমাৰেই মণি তোমাৰেই। কিন্তু মণি, নিয়তিৰ নিৰ্মম পৰিহাস, আৰু কালৰ কুটিল গতিত যেন তোমাৰ সেই তাহানিৰ চিঠিবোৰত লিখা কথাবোৰ মোৰ মনত আজি কোনোবা ৰূপকুঁৱৰীৰ সাধু। বৰ দুখ লাগে মণি মইতো তোমাৰ কোনো দোষ কৰা নাছিলো - তেনেহ'লে মোৰ লগত এইদৰে ভালপোৱাৰ অভিনয় কৰি মোৰ বুকুত একুৰা বেদনাৰ জুই দি তোমাৰ কি লাভ হ'ল - মই নুবুজিলো। অথচ তোমালোকৰ দৰে নাৰীয়েই দাবী কৰে পুৰুষ জাতিয়ে ভাল পাব নেজানে। কিন্তু এবাৰ ভাৱিচোৱাচোন, আজি তোমাৰ দৰে ক'ত নাৰীয়ে কত পুৰুষৰ



সোণৰ সপোন ভাঙি চিতাৰ জুইৰ দৰে পুৰি ছাই কৰি দিছে। তোমাক মই এইবোৰ কথা কৈ মনত বেজাৰ দিবলৈ যোৱা নাই, আৰু বেজাৰ পালেও জীৱনত এই প্ৰথম বাৰলৈ হয়তো মোৰ পৰা বেজাৰ পাবা। মোৰ ভাগৰি যোৱা লিখনিডাল আজি কোনো বাধা নোহোৱাকৈ অবিৰাম গতিত চলি আছে। কি কৰিবা মণি, মনৰ আবেগ আৰু নিদাৰুণ অতীতক পাহৰিব নোৱাৰাটোৰেই যে আজি মোৰ জীৱনৰ কালসাপ হৈ পৰিল।

ভুলৰ দ্বাৰা ভুলক কেতিয়াও শুদ্ধ কৰিব নোৱাৰি। মণি আজি মোৰ হেঁপাহ গুচাই চকুপানী টোকাৰ বাহিৰে আন উপায় নাই। তোমাক মোৰ চিৰ আপোন কৰিবলৈ বুলি অহনিৰ্শে বৰ মাগি পূজা কৰা ঈশ্বৰৰ ওপৰতো আজি মোৰ বিশ্বাস হেৰাই গৈছে। সঁচাকৈ তুমি মোক অকণমানো নুবুজিলা। মোৰ ৰূপ, মোৰ যৌৱন, মোৰ হৃদয়, মোৰ সৰ্বস্ব তুমি একোৰেই নুবুজিলা। তুমি...... তুমি প্ৰেমৰ মূল্য দিব নাজানিলা। প্ৰথম ভালপোৱাৰ প্ৰতিশ্ৰুতি হিচাবে তুমি মোক দিয়া ..... আজি পুনৰ ওভোতাই লোৱা। সেই হেৰুৱা দিনৰ বিষাক্ত স্মৃতিৰ বোজা কঢ়িয়াই লৈ মই ফুৰিব নোৱাৰো। ব্যৰ্থতাৰ নিষ্ঠুৰ পৰশত আজি মোৰ জীৱন ভাঙি গৈছে। এপাহ সৌৰভ নথকা ফুল আৰু মোৰ জীৱনৰ মাজত কোনো প্ৰভেদ নাই। মণি, শত চেষ্টা কৰিলো তোমাক পাহৰিবলৈ কিন্তু পৰিচয়ৰ প্ৰথম পুৱাৰে পৰা মোৰ জীৱনৰ প্ৰত্যেক মুহূৰ্ততে, মোৰ সাধনাৰ প্ৰত্যেক ক্ষেত্ৰতে এদিন ছাঁৰ দৰে থকা তোমাৰ স্মৃতিক পাহৰি যাব নোৱাৰিলো। মই তোমাৰ প্ৰেমক পুৱতি নিশাৰ সুন্দৰ সপোন বুলি ধৰি ৰাখিম আৰু তুমি এই সকলোবোৰ দুঃ স্বপ্ন বুলি পাহৰিবৰ চেষ্টা কৰা।

যিকি নহওক বেদনা জ্বলি পুৰি এনেকৈয়ে মোৰ দিনৰ পিছত দিন যাবলৈ ধৰিলে। তাৰপাছত শুনা মণি, অৱশেষত মই মদ খাবলৈ ধৰিলো। দিন-ৰাতি নাই, কেৱল বটলৰ পাছত বটলকৈ মদ শেষ কৰিবলৈ ধৰিলো। মণি তোমাৰ হয়তো মোৰ কথাবিলাক ভাল লগা নাই, হয়তো ভাবিছা এইবিলাক বলিয়াৰ প্ৰলাপ। কিন্তু প্ৰলাপ হ'লেও এয়ে মোৰ জীৱনৰ শেষ আমনি। মণি আজি তুমি শুনি সুখী হ'বা যে, মই আজি কেন্সাৰ ৰোগত আক্ৰান্ত। ডাক্তৰে কোনো পথ্যেই বচাব নোৱাৰে। তোমাক আৰু তোমাৰ স্মৃতিৰ অসহ্য বেদনাক পাহৰিবলৈ শেষ কৰা মদৰ পৰিণাম। তথাপিও মই অলপো আক্ষেপ কৰা নাই। কিয়নো ই হয়তো তোমাৰেই মোৰ প্ৰতি এদিনৰ ভালপোৱাৰ প্ৰতিদান। জীৱনৰ আপদীয়া ভাৰ লৈ জীয়াই থকাৰ ইচ্ছা নাই আৰু জীয়াই থাকিমেই বা কাৰ বাবে। এই গভীৰ পৃথিৱীত যে মোৰ বাবে মৰমৰ হিয়া এখনি বিচাৰি নাপালো। মণি আজি এই প্ৰলাপবোৰৰ বাহিৰে

তোমাক ক'বলৈ মোৰ একো নাই। কেতিয়াবা বৰ মন যায় শেষ বাৰলৈ তোমাক হেঁপাহ পলুৱাই চাবলৈ। কিন্তু মণি,মই জানো, সেই আশা মোৰ এই জীৱনত আৰু পূৰ্ণ নহ'ব। মোৰ অন্তৰে কয় – তোমাক জানো পুনৰ লগ পাম?

তোমালৈ হয়তো এয়াই মোৰ শেষ দান। মণি, মোৰ জীৱন প্ৰদীপ নুমাই যাবলৈ আৰু বেছি পৰ নাই। হয়তো আৰু কিছু পৰৰ পিচতেই এই সংসাৰৰ এৰি বিচনা সুদা কৰি গুছি যাম বহু দূৰলৈ। মৰণৰ সিপাৰৰ আন্ধাৰ দেশলৈ। তথাপি মনৰ অদম্য আবেগ দমাব নোৱাৰি মই যে কি কষ্টত এই চিঠিখন লিখিলো, তুমি তাক নুবুজিবা। তুমি এদিন মৰমেৰেই গ্ৰহণ কৰি পুনৰ ওভোতাই দিয়া মোৰ সেই প্ৰণয়ৰ ব্যৰ্থ হৈ পৰা উপহাৰখিনি, তুমি মোলৈ দিয়া সেই ধুনীয়া হিয়াৰ সুৰভি সনা চিঠিবোৰকে সাৱতি, তাকেই তোমাৰ মোৰ প্ৰণয়ৰ শেষ শ্ৰেষ্ঠ প্ৰতিদান স্বৰূপে লৈ আজি ধুনীয়া পৃথিৱীখনৰ পৰা বিদায় ল'বলৈ সাজু হৈছো, মণি। তোমাৰ স'তে মোৰ আৰু দেখা নহ'ল। শেষ বাৰলৈ তোমাক চাই ল'বলৈকো মই নাপালো। এয়ে মোৰ জীৱনৰ শেষ আমনি মণি। জীৱনৰ নতুন পুৱাৰ আলোকত দুখ নিশাৰ এটি সপোনৰ দৰেই আৰু মোৰ দৰে প্ৰেমিকৰ এই আপদীয় চিঠিখনিৰ কথাও পাহৰি যোৱা চিৰকাললৈ। শেষত বিদায়! বিদায়! মণি ..... বিদায়!!!

প্ৰান্তত

দুৰ্ভগীয়া ৰঞ্জন দা

❖❖❖

---

*১৯৯৭-৯৮ চনত প্ৰকাশিত।*



# অপেক্ষা

**ধৰ্মেন্দ্ৰ শইকীয়া**

৪ নৱেম্বৰ, আজি ৰাতিপুৱাৰে পৰাই মনটো বৰ ভাল লাগি আছে, কাৰণ প্ৰায় তিনিবছৰৰ মূৰত মোৰ এসময়ৰ নলে গলে লগা বান্ধৱী ৰুবী আমাৰ ঘৰলৈ আহিব। তাইক লগ পালে কিমান যে ভাল লাগিব তাৰ অনুমান মই নিজেই কৰিব পৰা নাই। মোৰ সুখ-দুখৰ লগতকিমান যে জড়িত আছিল ৰুবী। তাইক মই এজন প্ৰেমিকৰ দৰেই ভাল পাই পেলাইছিলো। কোনো কথাই ইজনীয়ে সিজনীৰ ওচৰত লুকুৱাই ৰখা নাছিলো। আমাৰ বন্ধুত্বৰ কথা বহুতৰে চকুত পৰিছিল। কোনো কোনোৱে আমাৰ দুয়োৰে সম্পৰ্কক বেয়া চকুৰে চাইছিল যদিও বহুতে আমাৰ দুয়োৰে বন্ধুত্বক নশলাগি নোৱাৰিছিল। আমি কিন্তু এইবোৰলৈ কাণসাৰ নকৰি দিনবোৰ ব্যস্ততাৰ মাজেৰে অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছিলো।

ক'ত সপোনৰ যোগ-বিয়োগৰ স্মৃতিবোৰ ব্যক্ত কৰিব পৰাকৈ একমাত্ৰ বান্ধৱীক লগ পোৱাৰ যি মধুৰ হেঁপাহ তাক এতিয়াহে মই উপলব্ধি কৰিব পাৰিছো। শুই উঠাৰ পৰা মোৰ ভাগৰ কাম বন কৰি আজৰি হোৱা পৰলৈকে সময়বোৰ পাৰ কৰি থাকিলো ৰুবীৰ অপেক্ষাতে।

এটা সময়ত তাই আৰু মাক আহি পালেহি। ওলাই যাওঁতেই 'বৰ্ণালী' বুলি ৰুবীয়ে একে দৌৰে আহি মোক সাৱট মাৰি ধৰিলেহি। মই তাইৰ বাহু বন্ধনৰ পৰা মুক্ত হৈ মাকক মাত লগাই খা-খবৰ ল'লো আৰু ড্ৰয়িং ৰুমত বহুৱালো।

ইতিমধ্যে মা অহাত আমি দুয়ো ভিতৰলৈ যাওঁ বুলি ৰুবীক মোৰ কোঠালৈকে লৈ গ'লো। দুয়ো বিছনাতে বহি আড্ডা মৰাত লাগিলো। ইমান দিনৰ পৰা থুপ খাই থকা কথাবোৰ ইজনীয়ে সিজনীক ক'বলৈ যাওঁতে উথপথপ লাগিল। মাজতে সুৰুঙা এটা উলিয়াই তাইক সুধিলো তাইৰ বিয়াৰ কথা। তই মোক জনাইছিলি বিয়াখন ঠিক হৈছিল বুলি। বিয়াখন কেনেকৈ ঠিক হ'ল, ধীৰাজক কেনেকৈ লগ পালি? ঘৰ ক'ত? বৰ্তমান কি কৰে, তাইৰ লগত কথা বতৰা হ'লনে নাই, বিয়াৰ দিন লৈছে নেকি? একেলগে কেইবাটাও প্ৰশ্ন কৰা দেখি ৰুবী মোৰ আৰু কাষলৈ আহি মোৰ চকুত চকু থৈ জোৰেৰে হাঁহি মাৰি ক'লে, "আৰু কিবা সুধিবি নেকি? তোৰ ইমানবোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মই মোৰফালৰ পৰা আৰম্ভ কৰিম?" ময়ো তাইৰ কথা শুনি হাঁহিলো। তাৰ পাছতে ৰুবীয়ে কোৱা কথাবোৰৰ পৰা মই জানিব খোজা সকলো প্ৰশ্নৰ উত্তৰ পালো।

ধীৰাজক লগ পাইছিল তাই কলেজৰ স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকতে। প্ৰথম চিনাকিতে দুয়ো বৰ সহজ হ'ব পৰা নাছিল যদিও লাহে লাহে তাহাঁতৰ বন্ধুত্ব হ'ল আৰু দিন যোৱাৰ লগে লগে দুয়োৰে বন্ধুত্বই বং সলাই ভালপোৱালৈ ৰূপ ল'লে, আৰু সেই ভালপোৱাই ক্ৰমাৎ গভীৰ হ'বলৈ ধৰিলে। তৃতীয় বাৰ্ষিকৰ ফাইনেল পৰীক্ষা হৈ যোৱাৰ পাছতে ধীৰাজে বিয়াৰ প্ৰস্তাৱ দিলে। ধীৰাজৰ বিয়াৰ প্ৰস্তাৱ শুনি ৰুবী আচৰিত হৈছিল। স্নাতক পৰীক্ষাৰ ফলাফললৈ আৰু দুমাহ মানেই বাকী আছে। স্নাতকোত্তৰ বা তেনে কোনো পৰ্য্যায়ৰ একো পঢ়া-শুনা নকৰি বা উপাৰ্জন কৰিব পৰাকৈ চাকৰি আদিৰ কথা চিন্তা নকৰি চিধাই বিয়াৰ কথা চিন্তা কৰাটো তাই ভাল নাপালে। ৰুবীয়ে ধীৰাজক তাইৰ মনোভাৱৰ বিষয়ে ক'লে। পোনে পোনে আপত্তি জনোৱাত ধীৰাজে ক'লে যে আৰু পঢ়া-শুনা কৰা বা চাকৰিৰ বাবে হাবাথুৰি খাই ঘূৰি ফুৰিবলৈ তাৰ ধৈৰ্য নাই। দেউতাকৰ প্ৰতিষ্ঠিত ব্যৱসায় আছে। ব্যৱসায়ৰ অৱস্থা যথেষ্ট ভাল। দাদা দুয়োজনেই চাকৰি কৰি আছে। গতিকে সি দেউতাকৰ লগতে ব্যৱসায় কৰিব। ধীৰাজৰ কথা শুনি ৰুবীয়ে আৰু ক'ব লগা একো নাছিল। দুয়োঘৰৰ আলোচনা আৰু প্ৰয়োজনীয় আনুষ্ঠানিকতাৰ মাজেৰে ৰুবী আৰু ধীৰাজৰ বিয়া ঠিক হ'ল। বিয়াৰ আগতে মোক লগ পাবলৈ আৰু বিয়ালৈ আমাৰ ঘৰখনক মাতিবলৈ অহাৰ কথাও ৰুবীয়ে ক'লে।

ৰুবীৰ কথাবোৰ শুনি মোৰ বৰ ভাল লাগিল। সময়বোৰ কেতিয়া অতিবাহিত হৈ গ'ল দুয়ো গমকে নাপালো। খাই বৈ ৰাতি বিছনাত পৰিও দুয়োজনীৰ কথা শেষ হোৱা নাই। এইবাৰ দুয়োজনীয়ে একেলগে পঢ়া কলেজৰ কথা। কলেজৰ



দিনবোৰলৈ ঘূৰি আহিবলৈ চেষ্টা কৰি অন্যান্য কথাৰ মাজতে ময়ে সুধিলো ৰুবীক ধীৰেণৰ কথা। ধীৰেণৰ খবৰ তাই কিবা জানেনে, কেনেবাকৈ লগ পাইছেনে ক'ৰবাত! মোৰ কথা শুনি ৰুবীয়ে আচৰিত হৈ মোৰ ফালে চাই ক'লে, "তই বাৰু এতিয়াও ধীৰেণক পাহৰিব পৰা নাই নেকি?" মই একো নকৈ তলমূৰ কৰিলো।ধীৰেণৰ প্ৰতি থকা মোৰ দুৰ্বলতাখিনি ৰুবীৰ আগত ধৰা পৰি যোৱাত মই বৰ লাজ পালো। নলে গলে লগা বান্ধৱী হ'লেও ৰুবীয়ে প্ৰথমৰ পৰাই ধীৰেণৰ প্ৰতি থকা মোৰ দুৰ্বলতাক অস্বীকাৰ কৰি আহিছে। কাৰণ, ধীৰেণে এই বিষয়ে কেতিয়াও মোক একো কোৱা নাছিল আৰু ময়ো মোৰ মনৰ কথা ধীৰেণৰ আগত কোনোদিনে প্ৰকাশ কৰা নাছিলো।

মই মনে মনে থকা দেখি ৰুবীয়ে আৰু একো নুশুধিলে। এটা সময়ত তাই টোপনি গ'ল। ভাগৰ লাগিছিল হয়তো। কলেজীয়া দিনৰ পুৰণি কথাবোৰলৈ উভতি যোৱাত মনত পৰিল ধীৰেণৰ লগত চিনাকি হোৱাৰ প্ৰথম মুহূৰ্তটো। সেইদিনা মোৰ আৰু ৰুবীৰ দুয়োৰে কলেজৰ প্ৰথম দিন। গতিকে কলেজৰ পৰিৱেশৰ লগত সহজ হ'ব নোৱাৰি ইতস্ততঃভাৱে দুয়ো বৈ আছিলো কলেজৰ বাৰান্দাৰ এচুকত। এনেতে এজন সুন্দৰ স্বাস্থ্যৰ ল'ৰা আমাৰ ফালে আহি অনুৰোধৰ সুৰত প্ৰথমবাৰ্ষিকৰ বাণিজ্য শাখাৰ ৰুম নাম্বাৰটো সুধিলে। আমি দুয়ো দুয়োৰে মুখলৈ চাই হাঁহিলো। পিছত অৱশ্যে ৰুবীয়ে ক'লে, "আমিও আজি কলেজলৈ প্ৰথম আহিছো। গতিকে নিজৰ ৰুমৰ বাহিৰে অন্য ৰুমৰ কথা নাজানো।" ৰুবীৰ কথা শুনি ল'ৰাজনে আমাৰ ফালে চাই ক'লে, "বেয়া নেপাবা দেই, ময়ো আজি প্ৰথম আহিছো।" তাৰপিছত আমাৰ দুয়োৰে পৰিচয় সুধিলে। ৰুবীয়ে ক'লে, "মোৰ নাম ৰুবী বৰকটকী। ঘৰ যোৰহাটতে আৰু এই মোৰ বান্ধৱী বৰ্ণালী হাতীকাকতি। তাইৰে ঘৰ ইয়াতেই। আমি দুয়ো এইবাৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকৰ 'কলা' শাখাত নাম লগাইছো।" মোতকৈ ৰুবী অলপ বেছি প্ৰগল্‌ভা, গতিকে কথা-বতৰাত তাইয়ে ভাগ লৈছিল। আমাৰ দুয়োৰে পৰিচয় দিয়াৰ পিছতে ৰুবীয়ে ল'ৰাজনৰ পৰিচয় সুধিলে, 'তেওঁ ক'লে, "মোৰ নাম ধীৰেণ বৰুৱা, ঘৰ তিনিচুকীয়াত। ইয়াত মামাৰ ঘৰ। সৰুৰে পৰা মামাৰ লগত আছো। ইয়াতেই পঢ়িছো। ঘৰত মা- দেউতা, নবৌ, বাইদেউ আৰু মোৰ ওপৰৰ দুজন দাদা আছে।" ৰুবীয়ে আকৌ ক'লে, "বৰ্ণালী আৰু মই দুয়ো সৰুৰে পৰাই একেলগে পঢ়া-শুনা কৰা, গতিকে আমি দুয়ো তেতিয়াৰে পৰা বন্ধু।" অকণমান সময় ইফালে-সিফালে চাই তাই ক'লে, "বাৰু, আপোনাৰ সৈতে পৰিচয় হৈ ভাল লাগিল। একেখন কলেজতে পঢ়িবলৈ আহিছো যেতিয়া

পুনৰ লগ পাব পাৰিম, নহয় জানো ?" এইবুলি কথা সামৰণি মাৰি আমি সেই ঠাইৰ পৰা আঁতৰি আহিলো।

তাৰপিছৰ পৰা ধীৰেণক প্ৰায়ে লগ পাবলৈ ধৰিলো। কেতিয়াবা কেন্টিনত, কেতিয়াবা লাইব্ৰেৰীত আৰু কেতিয়াবা অফ- পিৰিয়দত। বিভিন্ন সময়ত লগ পাওঁতে মই কথা পাতিবলৈ ধৰিলো। তাৰ প্ৰতি এটা আকৰ্ষণৰ ভাবো আহিল লাহে লাহে। এদিন নেদেখিলেই মনটো বেয়া লগা হ'ল। কিন্তু কোনোদিনেই মই সপ্ৰতিভ হৈ তাক মোৰ মনৰ কথা ক'ব নোৱাৰিলো। সন্দেহ আছিল সি বা কি ভাৱে। কিয়নো ধীৰেণৰ মনৰ ভাৱ জনাৰ মোৰ কোনো উপায় নাছিল। ৰুবীয়ে তাৰ লগত হাঁহি-ধেমালিৰেই কথা পাতিব পাৰিছিল। প্ৰথম দিনাৰ পৰা তাই ছোৱালীজনী তেনেকুৱাই। এনেকৈয়ে দুটা বছৰ টলকিব নোৱাৰাকৈ পাৰ হৈ গ'ল। পৰীক্ষাৰ পিছত সি কেনি গ'ল মই খবৰ নাপালো। ৰুবীক কিন্তু মই ধীৰেণৰ প্ৰতি থকা মোৰ দুৰ্বলতাৰ বিষয়ে নোকোৱাকৈ থকা নাছিলো। কিন্তু ৰুবীয়ে মোক কথাটো ভাল নহ'ব বুলি বুজাইছিল, যিহেতুকে মোৰ আৰু ধীৰেণৰ মাজত 'কাষ্ট'ৰ পাৰ্থক্য আছিল। তথাপিও ধীৰেণক মই পাহৰিব পৰা নাছিলো। ৰুবীয়ে মোক বুজাবলৈ চেষ্টা কৰি কৈছিল আমাৰ সমাজত এতিয়াও গোড়ামি আছে। মোৰ মা-দেউতাই কথাটো কেতিয়াও মানি নলয়। মোৰহে দুখ হ'ব, গতিকে ভুল কৰি শুধৰণি কৰিবলৈ গৈ মনোকষ্ট পোৱাতকৈ ভুল কৰাৰ আগতেই ভাবি-চিন্তি খোজ দিয়াহে ভাল। তাইৰ কথাৰ উত্তৰত মই একো কোৱা নাছিলো। কিন্তু মোৰ মনৰ অপ্ৰকাশ্য কথাবোৰ চকুৰ পানী হৈ ওলাই আহিছিল।

মানসিকভাৱে সম্পূৰ্ণ স্বাভাৱিক হ'ব নোৱাৰিলেও বাহিৰত কিন্তু মই আনে ধৰিব নোৱাৰাকৈ আছিলো। ইতিমধ্যে আৰু এটা বিৰহে মোলৈ দুখৰ বোজা কঢ়িয়াই আনিছিল। দেউতাকৰ কৰ্মক্ষেত্ৰ গুৱাহাটীলৈ বদলি হোৱাৰ কাৰণে মোৰ মৰমৰ বান্ধৱী ৰুবীও গুৱাহাটীলৈ যাব লগা হ'ল। মই অকলশৰীয়া হ'লো। পঢ়ি থকা কলেজখনতে পুনৰ নাম ভৰ্তি কৰি পঢ়া-শুনাত মন দিলো যদিও ৰুবী আৰু ধীৰেণৰ স্মৃতিয়ে মোক আমনি কৰি আছিল। ধীৰেণৰ মই একো খা-খবৰ পোৱা নাছিলো কিন্তু ৰুবীৰ লগত চিঠিৰে যোগাযোগ চলাই ৰাখিছিলো। ৰুবীয়ে চিঠিত লিখিছিল, "বৰ্ণালী, তই যাৰ খবৰৰ বাবে আজিও অপেক্ষা কৰি আছ সি হয়তো তোৰ কথা কেতিয়াও ভবাই নাই। নহ'লে তোৰ লগত সি নিশ্চয় সম্বন্ধ এটা ৰাখিলেহেঁতেন। গতিকে তই ধীৰেণক পাহৰি পেলাবলৈ চেষ্টা কৰাই ভাল। কাৰণ, সপোন সদায় সপোনেই, বাস্তৱত ৰূপায়িত কৰিব নোৱাৰা সপোনক লৈ ব্যস্ত থকাটো মূৰ্খামি"।



ৰুবীৰ কথাবোৰ মই বুজিবলৈ চেষ্টা কৰিছিলো। সঁচাই ধীৰেণক মই একপ্ৰকাৰ চোৰৰ দৰে ভাল পাই যি ভুল কৰিলো তাৰ জানো শুধৰণি আছে। বৰ্তমান সি ক'ত থাকে, কি কৰে, একোকে নাজানো। গতিকে ৰুবীক আৰু তাৰ কথা সুধি মই আমনি দিয়াটো উচিত নহ'ব। আগতেই তাই মোক কথাটোত সমৰ্থন দিয়া নাছিল। গতিকে, নিজেই নিজৰ মনক সান্ত্বনা দি শুবলৈ চেষ্টা কৰিলো। পিছদিনা পুৱা তাইৰ লগত আকৌ স্বাভাৱিকভাৱে হাঁহি-ধেমালিৰে কটালো। চাহ-তাহ খাই তাহাঁত যাবলৈ ওলাল। তাইৰ বিয়াৰ এসপ্তাহৰ আগতেই মোৰ পৰা যোৱাৰ প্ৰতিশ্ৰুতি লৈ মাকৰ লগত তাই গুৱাহাটীলৈ গুছি গ'ল। মনটো আকৌ উকুঙা লাগিল। কিছুদিন যোৱাৰ পিছত ৰুবীৰ পৰা এখন ৰেজিষ্টাৰ চিঠি পালো। চিঠিখন খুলি লৈ মই একে উশাহতে পঢ়ি গ'লো, কি বা লিখিছে তাই। পঢ়ি যাওতে কথাবোৰ মোৰ বাবে বুজিব নোৱাৰা সাঁথৰ যেন হৈ পৰিছিল। তাই লিখিছিল -

মৰমৰ বৰ্ণালী,

মৰমবোৰ ল'বি। বিশেষ এটা কাৰণত চিঠিখন লিখিবলৈ ল'লো। সেইদিনা ভালেৰেই পালোহি। তহঁতৰ ঘৰলৈ গৈ ইমান দিনৰ মূৰত তোক লগ পাই মই বৰ সুখী হৈছিলো। কিন্তু এটা কথাই মোক বৰ আমনি কৰিছে। কাৰণ, এতিয়াও ধীৰেণৰ প্ৰতি থকা তোৰ গভীৰ ভালপোৱাৰ কথা জানি মোৰ অন্তৰতো আঘাট হানিছে। অন্তৰ্দন্দত ময়ো ভুগিছো। তই হয়তো এই কথা জানিলে মোক কেতিয়াও ক্ষমা নকৰিবি। কাৰণ তোৰ ধীৰেণেই মোৰ হ'ব লগা স্বামী ধীৰাজ। যিটো কথা মই তোৰ পৰা ইমানদিনে লুকুৱাই ৰাখিছিলো। বিয়াৰ আগতে সেই কথা লুকুৱাই ৰখাটো ভাল নহ'ব বুলিয়েই তোক জনাইছো। আমি যেতিয়া গুৱাহাটীলৈ বদলি হৈ আহিছিলো। এদিন হঠাৎ ধীৰেণক লগ পাই গ'লো কলেজত। যোৰহাটৰ পৰা আহি ইয়াত ভৰ্তি হৈছেহি। সি তেতিয়া স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকত। প্ৰথম বাৰ্ষিকত লগ পাই আমি প্ৰথমে অলপ সংকোচ ভাৱেৰেই কথা-বতৰা পাতিছিলো। তাৰপিছত বহুখিনি সহজ হ'লো লাহে লাহে। কথা প্ৰসঙ্গত বহুতবাৰ তাৰ মন জুখি চাবৰ বাবে তোৰ কথা কৈছিলো। একো নমতাকৈ সি মাত্ৰ শুনিছিল। তোৰ প্ৰতি কোনো উৎসুক প্ৰকাশ কৰা নাছিল বা নিজেও একো সোধা নাছিল তোৰ বিষয়ে। দিনযোৱাৰ লগে লগে আমাৰ লগ পোৱা বাঢ়িবলৈ ধৰিলে। আমাৰ ঘৰলৈও সি আহিল। মা- দেউতাৰ লগতো চিনা-পৰিচয় হ'ল। তেওঁলোকেও তাৰ লগত কথাপাতি ভাল পালে আৰু তাক আমাৰ ঘৰলৈ আহি থাকিবলৈ ক'লে। মাজে মাজে মোৰ প্ৰতি তাৰ দুৰ্বলতা ধৰা পৰি গৈছিল। অৱশ্যে ময়ো তাক নিৰাশ কৰা

নাছিলো। পিছলৈ এই সম্বন্ধ গভীৰ হ'বলৈ ধৰিলে। আমাৰ মাজত চিঠি-পত্ৰৰ আদান-প্ৰদান তেনেকৈ হোৱা নাছিল। কিন্তু এদিন ধীৰেণৰ পৰা মই এখন চিঠি পালো। তাত সি লিখিছিল, সি হেনো মোক যোৰহাটত লগ পোৱাৰে পৰাই বিশেষভাৱে লৈছিল। মাত্ৰ প্ৰকাশ কৰিব পৰা নাছিল। গুৱাহাটীলৈ আহি হঠাৎ আকৌ লগ পোৱাত সি নিজক দমন কৰি ৰাখিব নুখুজিলে। চিঠিত আৰু বহু কথা লিখিছিল সি। ধীৰেণৰ প্ৰতি তোৰ ভালপোৱাক জীয়াই ৰাখিবলৈ গৈ ধীৰেণৰ মোৰ প্ৰতি থকা ভালপোৱাক নুই কৰিব পৰা নাছিলো। কাৰণ মোৰ আগত যদি তই ধীৰেণক ঘূৰাই পোৱাটো সম্ভৱ হ'লহেঁতেন তেন্তে তোৰ দৰে এজনী বান্ধৱীৰ খাতিৰত তাকেই কৰিলোহেঁতেন। কিন্তু সিটো তোৰ প্ৰতি একো ভাৱেই প্ৰকাশ নকৰিলে। এদিনলৈও তোৰ কথা নুলিয়ালে। গতিকে মোৰ লগত হোৱা ঘনিষ্ঠতাত মই সমৰ্থন জনাইছিলো। তোৰ অন্তৰত দুখ দিয়াৰ ইচ্ছা নাছিল বাবেই ইমানদিনে ধীৰেণৰ খবৰ তোক জনোৱা নাছিলো। আনকি ধীৰেণৰ নামটো তোক ধীৰাজ বুলি ক'বলৈ বাধ্য হৈছিলো। তইঁতৰ ঘৰলৈ গৈ তোৰ মনত এতিয়াও ধীৰেণৰ প্ৰতি থকা তোৰ আগ্ৰহৰ উমান পাই মই আচৰিত হৈছিলো। কিন্তু একো ক'ব পৰা নাছিলো। তই মনে মনে থকা দেখি ময়ো টোপনিৰ ভাও জুৰি এটা কথাই ভাবিছিলো, বিয়ালৈ আহি 'মোৰ দৰা' ৰূপত ধীৰেণক দেখিলে তই মোক কি বুলি ভাবিবি। সেই কাৰণে তেতিয়াই ভাবিছিলো তোক খুলাখুলিকৈ সকলো জনাই দিম বিয়াৰ আগতেই, মোৰ মনৰ বোজাটো তেতিয়াহে পাতলিব। ভুল নুবুজিবি।

পুনৰ মৰমেৰে
তোৰ ৰুবী

❖❖❖

*১৯৯৯-২০০০ চনত প্ৰকাশিত।*



# সেন্দুৰ

বিচিত্ৰা চিৰিং

'সেউজী ধৰণী ধুনীয়া'। মাখনীৰ মনত পৰিল সেই শেৱালী ফুলা বতৰটোলৈ। 'মাঘত মামণিৰ বিয়া' হৈ গ'ল। তাইৰ লগৰ 'মানসী', 'ময়ূৰী', 'মধুচন্দা' আদি সকলো আহিছিল। বেছ ফূৰ্তিৰ আছিল সেই দিনটো। তাইৰ বহুদিনীয়া 'মন মন্দিৰ'ৰ 'সপোন' আছিল 'প্ৰিয়জন' 'দ্বীপজ্যোতি'ক 'মহাৰথী' ৰূপে পাই 'ঘৰ-সংসাৰ' কৰিবলৈ। তাই ভাবিছিল দ্বীপজ্যোতি মোৰ 'নয়নমণি'। সি 'ককাদেউতাৰ নাতি আৰু হাতী' আৰু ককাকে মৰমতে তাক মাতে 'পোনাকণ' বুলি আৰু বায়েকে 'ভাই ভাই'। সঁচাই বাৰু 'ইমান মৰম কিয় লাগে?' 'ভাগ্য' ভাল কোনোবা 'ৰিক্সাৱালা'ৰ লগত মোৰ বিয়া নহয় 'বুকুৰ মাজত জ্বলে' যে সেই 'অদাহ্য' দ্বীপজ্যোতিৰ মাজতে 'জখম' গ'ল। 'মন'ত গজি থকা 'বৃষ্টি', 'প্ৰভাতী পখীৰ গান'তেই মিলি গ'ল। মই 'ড° বেজবৰুৱা' আৰু মাতৃ 'লভিতা'ৰ 'মানস কন্যা'। মই 'অজলা ককাই' আৰু 'আজলী নবৌ'ও খুউব মৰমৰ। সেই 'পিতা-পুত্ৰ'ৰ খুউব ইচ্ছা আছিল কোনোবা চহৰৰ 'ভৈৰৱ' নামৰ ল'ৰাটোকে 'কন্যাদান' কৰা। ভাবিছিল চহৰত 'চামেলি মেমচাহাব'ৰ দৰে থাকিম বুলি। মাৰো সেয়াই 'সপোন'। কিন্তু 'হৃদয়ৰ আঁৰে আঁৰে' মোৰ 'আছেনে কোনোবা হিয়া'ত বুলি কোনেও নুসুধিলে। মোৰ মনে 'অভিমান' কৰি উঠিছিল। পাকে প্ৰকাৰে 'ইটো সিটো বহুতো' 'চিক্‌মিক্ বিজুলী'ৰ পোহৰত মাক শুনালো। লগতে ইয়াকো ক'লো 'মাকৰ মৰম' 'ত্যাগ' দি 'মিৰি জীয়ৰী'ৰ উপন্যাসৰ 'নায়ক' নায়িকাৰ দৰে 'ৰঙানদী'ত উটি যাম, যদিহে এই প্ৰেম 'অভিশপ্ত প্ৰেম' হয়। এই 'প্ৰেম জনমে জনমে' জীয়াই ৰাখিম। 'এই মৰম তোমাৰ বাবে'ই ত্যাগ দিব নোৱাৰো।

বেচেৰী 'মা'য়ে হয়তো জনাই নাই মোৰ দ্বীপজ্যোতিৰ লগত 'হিয়া দিয়া নিয়া' কিমান বছৰৰ। কিন্তু প্ৰেমৰ যে সেয়াও 'অন্য এক যাত্ৰা'। মায়ে বুজিবলৈ চেষ্টা কৰা নাই কিয় যে ভৈৰবৰ লগত সুখী নহওঁ, সি হয়তো আহ্বান কৰে 'মৰমী হ'বানে লগৰী' বুলি।কিন্তু তাৰ মনত মই 'মৰমী' হ'লেও মই 'যখিনী'হে হ'ম। কাৰণ মোৰ 'জোনাক বিহীন জীৱন' বাঞ্ছা নহয়। ইমান 'ৰাগ-বিৰাগ'ৰ মাজত 'সাগৰলৈ বহু দূৰ' হোৱাৰ দৰেই সুখৰো বহু দূৰত থাকিব নোৱাৰো। 'ইমান সংঘাত সংঘাত সংঘাত'ত কেনেকৈ সহ্য কৰিম। সেয়ে 'যোগ বিয়োগ' কৰি বুজিছো প্ৰেমৰ 'শেষ উপহাৰ' ৰূপে মোৰ 'জোনাকী মন'ৰ 'দ্বীপশিখা' কণ দ্বীপজ্যোতিকেই 'অৰ্পণ' কৰিম। মোৰ মনত পৰিল সেই 'যুগান্তৰ তেজাল পুৱা'ত দ্বীপজ্যোতিয়ে প্ৰথমে 'আই লাভ ইউ' বোলা কথাষাৰলৈ। মোৰতো 'মনে বিচাৰে তোমাক' কিন্তু কেনেকৈ কওঁ। কিন্তু তাৰ আগলৈকে দুয়ো 'জীৱন নদীৰ দুটি পাৰ'ৰ 'অৰণ্য'ত। এদিন 'মৰম নদীৰ গাভৰু ঘাট'ত লগ ধৰি 'তুমিয়ে মোৰ কল্পনা'ৰ বুলি কৈ দিলো। তাক লগ পোৱাৰ আগলৈকে 'যৌৱনে আমনি কৰে' কিন্তু 'তুমি মোৰ মাথো মোৰ' বুলি কাকো কৈ পোৱা নাই। মাক সকলো বিৱৰি ক'লো। মায়ে খঙত 'ফিৰিঙতি'ৰ দৰে উফৰি পৰিল। মোৰ 'প্ৰেম ভৰা চকুলো' নিগৰিল। মই যে তাৰ বাবে 'জয়মতী'ৰ দৰে 'অগ্নিস্নান' কৰিবও পাৰিম, সেই কথা মাক বুজালো। মায়ে আঘাত পোৱাত দ্বীপজ্যোতিকো কান্দি কাটি কথাটো জনালো। সি মোক 'অহংকাৰ' নকৰি 'সান্ত্বনা' দি 'নিজৰা'ৰ দৰে পানী এচলুৰে প্ৰেম ভৰা চকুলো ধুৱাই পেলালে। বহু 'লটি-ঘটি'ৰ মাজেৰে মোৰ প্ৰেমৰ 'অভিযান' চলিল। এদিন আহিল সাফল্য মণ্ডিত দিনটো। 'গুণ গুণ গানে গানে' 'পাহাৰী কন্যা'ৰ দৰে মন চঞ্চলা হ'ল 'সেন্দুৰ' এ দ্বীপজ্যোতিৰ বাবে 'কইনা মোৰ ধুনীয়া' ৰূপে 'বোৱাৰী' সাজিলো।

মনৰ অদম্য হেঁপাহ পূৰ হ'ল। সেই 'শেৱালি' ফুলা বতৰতেই। শৰতৰ সেই শেৱালি সৰিল। কিন্তু তাৰ সুৱাস এতিয়াও মোৰ নাকত বাৰুকৈয়ে লাগি আছে।

বোৱাৰী হঠাৎ শাহু আইয়ে 'বোৱাৰী' বুলি চিঞৰাত সচকিত হৈ উঠিলো। দৌৰি গৈ ৰান্ধনিশালৰ দেই যোৱা ভাতৰ চৰুটো জুইৰ পৰা নমাই দিলো। ছেঃ কি কথাবোৰ যে ভাবি আছিলো ইমান পৰে। ভাতমুঠিৰ অৱস্থা বাৰু কি হ'ব এতিয়া। তেখেতো কামৰ পৰা আহি পাবৰে হ'ল। বৰ খৰ-খেদা কৰিব লাগিব।

❖❖❖

*২০০২-০৩ চনত প্ৰকাশিত।*



# মধুবালা

শ্যাম ছেত্ৰী

**ৰে**লৰে প্লেটফৰ্মত মানুহৰ জুম সাধাৰণতে ইমান নাথাকে। মই ঘড়ীটোলৈ চালো, ৰাতিপুৱা নটা বাজি ত্ৰিছ মিনিট গৈছে। মোৰ অলপ দেৰি হৈছিল তথাপিও ঘটনাটো কি তাকে বুজ ল'বলৈ মই লাহে লাহে জুমটোৰ ফালে আগুৱাই গ'লো। জুমটোৰ মাজৰ পৰা বিভিন্ন ধৰণৰ মতামত শুনা গৈছে। ঘটনাটো বুজি পোৱাৰ আগতেই বন্ধু ৰিকক দেখা পালো। মই ৰিকৰ ওচৰলৈ খৰখেদাকৈ গৈ সুধিলো। এইবোৰ কি দেখিছো, ইমান মানুহ, ভিতৰলৈ যাবই নোৱাৰি। ৰিকৰ পৰা জানিব পাৰিলো যে আমাৰ ষ্টেচনৰ মিছ ইউনিৰ্ভাছ পাগলীজনীয়ে বোলে এটি সন্তানৰ জন্ম দিছে। মোৰ গাটো জিকাৰ খাই উঠিল যেন মোৰ গাৰ ভিতৰেদি বিজুলীৰ সোঁতহে বৈ গ'ল। মোৰ ঘপহকৈ কলেজীয়া দিনৰ এটি ঘটনা মনত পৰিল। এদিন ৰাতি আমাৰ হোষ্টেলৰ প্ৰায়বোৰ ল'ৰাই খোৱা-বোৱা কৰি বিচনাত উঠিছিলহি, মই তেতিয়াও পঢ়া টেবুলতে আছিলো। মোৰ ৰুমটো ওপৰ মহলাত খিৰিকীৰ ওচৰত আছিল। পঢ়ি থাকোতে কোনোবাই বাহিৰত কেঁকাই থকা শব্দ শুনি মই ভালদৰে কাণ পাতিলো। অনুমান কৰি গম পালো সঁচাকৈ কোনোবাই কেঁকাই আছে হয়তো অলপ দূৰতে হ'ব। মই মোৰ ৰুম মেট ৰুবুল আৰু আকাশক লৈ সেইফালে চোঁচা ল'লো। সেইদিনা ৰাতি খুউব ডাঠ কুঁৱলী পৰিছিল। ৰাতি ওচৰৰ বস্তু এটাও মণিব পৰা নাছিলো, অলপ নিশব্দে আগবাঢ়িলো আৰু হঠাত চকুৰ আগত এক অমানুষিক কাণ্ড দেখি আমাৰ চকু কপালত উঠিল। তিনিজনমান ল'ৰাই

আমাৰ হোষ্টেলৰ কাষেদি সদায় অহা-যোৱা কৰা প্ৰাণৱতী পাগলীজনীক মাটিত বগৰাই যৌন ক্ৰিয়াত মত্ত হৈ আছিল। সিহঁত ইমানেই বিভোৰ হৈ আছিল যে আমি গৈ কাষত পাওঁতেও গমকেই পোৱা নাছিল। আমি দৌৰি গৈ সিহঁতক কেইগোৰ মান মাৰিছিলোহে দুটা পলাই পত্ৰং দিলে। এটাক ৰুবুলে যেনেতেনে ধৰি ৰাখিলে, সেইটো আছিল আমাৰ কাষৰে বেকাৰীৰ মালিকৰ ল'ৰা। পাগলীজনীৰ ফালেচালো তাইৰ গাত অকণো কাপোৰ নাই। সাধাৰণতে পাগলীজনীয়ে বস্ত্ৰ বুলিলে কঁকালৰ পৰাহে ঢাকি ৰাখে। তাইৰ গোটেই গাটো ফাপৰে খোৱা লেৰেলা কুকুৰৰ দৰে। আমি তাইক পূৰে দেখিলে লাজতে পশ্চিমলৈ মুখ ঘূৰাইছিলো। কিন্তু মই সেইদিনা হতভম্ব হৈছিলো এনে ল'ৰা কেইটাৰ বিকৃত মানসিকতা দেখি। পিছত আমাৰ হোষ্টেলৰ গোটেইমখাই মিলি ল'ৰাটোক থানাত গতাই দিছিলো। তাৰ পাছত কি হৈছিল বুজ ল'বলৈ মোৰ সময় নাছিল আৰু প্ৰয়োজন বোধও কৰা নাছিলো। অতীতৰ স্মৰণীয় ঘটনাটো ভাবি থাকোতে হঠাৎ বাস্তৱলৈ ঘূৰি আহিলো। এই মিছ ইউনিভাৰ্ছ পাগলীজনী তিনিমাহৰ পৰাই ইয়াতে দেখি আছো। ব্যস্ততাৰ মাজত মই আজে-বাজে কথাবোৰ বৰ এটা মন নকৰো তথাপিও পাগলীজনী বৰ ধুনীয়া সেয়েহে তাইক মই মিছ ইউনিভাৰ্ছ বুলি কৈছিলো।

মোৰ মনত কিছুমান কথাই হুৱা-দুৱা লগাবলৈ ধৰিলে অতীতৰ সেই ঘটনাটোৰ লগত আজিৰ ঘটনাটোৰ কিবা সাদৃশ্যতা থাকিব পাৰে নেকি তাতে এইজনী পাগলী পূৰ্ণ যৌৱনা আৰু দেখাত ধুনীয়া। মই কেইদিনমান আগৰ পৰা তাইৰ পেটতো ডাঙৰ দেখিছিলো। তেতিয়া জানিছিলো ঠাণ্ডাত কাপোৰ, কানি, খোৱা-বোৱা নথকাৰ বাবেই এনে হৈছে। সেইবোৰলৈ মূৰ ঘমাবৰ সময় বা ক'ত আছে। মোৰ অফিচত গৈ ফাইলৰ মাজত আৰু ঘৰত আহি জীৱনৰ নানান অভাৱ-অভিযোগ, পঢ়ি -শুনি কি কৰিছো কি পাইছো, পোৱা নাই এইবোৰ ভাবোতেই আনলৈ ভবাৰ সময়কণো হাতত নাথাকে। কলেজীয়া দিনবোৰৰ কথা বেলেগ আছিল। মাজে-সময়ে সৰু সুৰা সমাজৰ বাবে কামো কৰিছিলো। এতিয়া যেন মই যন্ত্ৰচালিত মানুহ। মই কেতিয়াবা নিজকে লৈ অলপ গৌৰৱবোধ কৰো যে কাৰোবাক একো কৰিব নোৱাৰিলেও অকণমান সময় সিহঁতৰ বাবে ভাবিবৰ চেষ্টা কৰো। সেই ৰমাকান্ত পাণ দোকানীক কল্ড ড্ৰিংকচ খোৱাৰ আইডিয়া ময়েই দিছিলো। ইফালে আমাৰ পেটুৱা বৰুৱা, তেওঁৰ আন কাৰোলৈ একো ভ্ৰূক্ষেপেই নাই। ঘৰত ঘৈনীয়েকৰ তৰ্জনী আঙুলিত ঘূৰি পকি ভাগৰত বহা চিটতে কেতিয়াবা এঘুমটি মান মাৰে।



মই যাবলগীয়া ট্ৰেইনখনো ওচৰৰ পৰা গুচি গ'ল কিন্তু মোৰ ভিতৰৰ কিবা এটাই মোক যাবলৈ অনুমতি নিদিলে। সময় তেতিয়া দিনৰ দহমান বাজিছিল মানুহৰ জুম লাহে লাহে পাতল হ'ল তেতিয়া ময়ো পাগলীজনীৰ ওচৰ চাপিলো তাই কিবা কিবি ভোৰ ভোৰাই আছিল। ভাষাটো শুনি পাগলীজনী যে হিন্দী ভাষী তাত মোৰ কোনো সন্দেহ নহ'ল। এফালে তাইৰ কাপোৰ-কানি আৰু পলিথিনৰ দ'ম, আনটো ফালে বগা ক্ষীণ পানী কেঁচুৱাটো মজিয়াতে শুই আছে। প্ৰথমে কেঁচুৱাটো জীয়াই আছে নে নাই সেইটোলৈহে মোৰ সন্দেহ উপজিছিল। কিন্তু ভালদৰে মন কৰি দেখিলো বহু দেৰিৰ মূৰে মূৰে কেঁচুৱাটোৰ হাড় আৰু ছালেৰে গঠিত বুকুখন ধপ্ ধপাই আছে। কঁপাহৰ নিচিনা কোমল শিশুটো তেনেকৈ খহটা মজিয়াত পৰি থকা দেখি মোৰ অসহ্য লাগিছিল। মই সেইখিনিত বেছি সময় থিয় হৈ থাকিব নোৱাৰিলো কেঁচা তেজৰ ভেকেট গোন্ধে মোৰ পেটৰ নাৰী ভূৰু ওলাই যোৱাৰ উপক্ৰম কৰিছিল। তাৰ পিছত মই ঘৰলৈ ঘূৰি আহিলো। ঘৰত আহিও মনত শান্তি নাপালো ভাবো সমাজৰ প্ৰতি মোৰ অকণো দায়বদ্ধতা নাইনে? মোৰ পৰা মই আচল মানুহটো ক'ৰবাত হেৰাই গৈছো নেকি? যান্ত্ৰিক সমাজৰ চাকনৈয়াত পৰি মানৱীয়তা, সহনশীলতা, আদি মানুহৰ মাজৰ পৰা নোহোৱা হৈ গ'ল নেকি? এবাৰ মনত জোৰ কৰি ঠিৰাং কৰি পেলালো যে কেঁচুৱাটো ময়েই লৈ আনিম। আকৌ ভাবিলো, আনিলেই জানো হ'ব তাক লৈ কোনে গোটেই দিনটো চোৱা চিতা কৰিব। প্ৰথমতে আনি লওঁ তাৰ পিছত যি হয় দেখা যাব এই বুলি নিজকে সান্ত্বনা দিলো। এনেতে ফোনটো বাজি উঠিল ৰিচিভাৰটো উঠাই গম পালো ৰিকে কৰিছে। তাৰ পৰা গম পালো আজি মই অফিচলৈ নোযোৱাত বহুত খেলি-মেলি হ'ল। মোক হেনো কোম্পানীৰ নতুন প্ৰজেক্ট এটাৰ বাবে আজি গধূলিয়েই দিল্লীলৈ পঠোৱাৰ কথা আছিল। এতিয়া মোৰ সলনি তাক পঠিয়াব। মোৰ তেতিয়াহে মনত পৰিল যে আজি দহবজাত মোৰ ডিভিজনেল মেনেজাৰৰ লগত মিটিং এখন আছিল। সকলো গণ্ডগোল হৈ গ'ল, এতিয়া আৰু এটা আন সমস্যা কি কৰো কি নকৰো ভাবিবলৈ ধৰিলো। তেতিয়া বন্ধু সুশীলে কোৱা কথাষাৰ মনত পৰিল, "চিন্তা নকৰিবি তই দুনীয়াক যি ৰঙৰ চশমাৰে চাবি সেই ৰঙকেই দেখিবি, ক'লা পিন্ধিলে ক'লা, ৰঙা পিন্ধিলে ৰঙা।" সেই বচনটোকে মনতে ভাবি অলপ সান্ত্বনা লভিলো।

পিছদিনা খন ৰাতিপুৱাই ৰেল ষ্টেচনৰ ফালে দৌৰ মাৰিবলৈ ধৰিলো। আনকালে ওচৰৰ খেল পথাৰতেই ব্যায়াম কৰো কিন্তু সেইদিনাখন পাগলীজনীৰ বুজ ল'বলৈয়ে সেইফালে গ'লো। চাৰিওফালে চকুফুৰাই দেখিলো প্লেটফৰ্মৰ বেঞ্চ

এখনত পাগলীজনী অকলে বহি আছে। মই ওচৰ চাপি যোৱা দেখি তাই চকু দুটা ডাঙৰকৈ মেলি মোলৈ একেথৰে চাই থাকিল। আৰু ক'বলৈ ধৰিলে "লৈ গ'ল, লৈ গ'ল, তোক কি লাগে হা, কি লাগে"। মই অবাক হৈ গ'লো আৰু দেখিলো কেঁচুৱাটো তাইৰ কাষত নাই। তাইৰ মুখলৈ চাই দেখিলো লোতকেৰে গাল দুখন তিতি আছে আৰু খঙতে দাঁত নিকটাই আছে। মই ভয়তে তাইৰ ওচৰৰ পৰা গুছি আহিলো।

ঘৰলৈ আহি গা-পা ধুই ব্ৰেকফাষ্ট কৰিলো ইতিমধ্যে মোৰ অফিচ যোৱাৰ সময় হৈছিলেই। আজি বা অফিচত কেনেকুৱা 'ৰামায়ণ' হ'ব সেইটোলৈহেমোৰ বেছি চিন্তা হ'বলৈ ধৰিলে। অফিচ গৈ পাওঁতে ৰামলাল পিয়নৰ পৰা "ৰিক"ৰ চিঠি এখন পালো। চিঠিখন যোৱাকালি গধূলিয়েই সি দি গৈছিল। চিঠিখনৰ পৰা গম পালো যে, "মিছ ইউনিভাৰ্ছ" ৰ সন্তানটি ডিগবৈৰ অ. চি. য়ে হেনো তোলনীয়া সন্তান হিচাবে লৈছে। চিঠিখন পঢ়ি শেষ হোৱাৰ লগে লগেই বচৰ কেবিনত সোমালো। তাৰ পাছত মোৰ ফালৰ একো চাফাই নুশুনাকৈ বচে এগাল মান গালি দিলে। যেতিয়া মই সেই দিনাখনৰ ঘটনাটোৰ কথা ক'লো, তেতিয়া মোক অপদাৰ্থ বুলি কৈ কেবিনৰ পৰা আউট কৰি দিলে। মই চাৰিওফালে ধূসৰ দেখা পাইছিলো মোৰ মুখখন লাজ আৰু অপমানত ক'লা-নীলা পৰিছিল।

সেইদিনাখন শুকুৰবাৰ আছিল। কাহিলীপুৱাতে মই ষ্টেচনৰ ফালে দৌৰ মাৰি গ'লো। তিনিদিন মান অফিচৰ কামত পাগলীজনীৰ ফালে ঘূৰি চাবলৈও সময় পোৱা নাছিলো। মোক দেখি তাই প্ৰায় দৌৰিয়েই মোৰ ওচৰলৈ আহিল আৰু তাই মোক হিন্দী ভাষাত একেৰাহে ক'বলৈ ধৰিলে " বাবু মোৰ কথা কমচে কম আপুনি শুনক। মোৰ নাম 'মধুৱালা'। মোৰ ঘৰ বিহাৰৰ পাটনাত। মোৰ বিয়া হোৱা আঢ়ৈয়তিনি বছৰ হৈ গ'ল। মোৰ স্বামীয়ে মোক খুউব মৰম কৰিছিল, আমি অতি সুখেৰে খাই বৈ আছিলো। কিন্তু বিয়াৰ দুবছৰ পাৰ হোৱাৰ পিছতো কোনো সন্তান নোহোৱাত ঘৰত শাহু-শহুৰে আৰু লাহে লাহে স্বামীয়ে মোক বন্ধ্যা বুলি দেখিব নোৱাৰা হ'ল। আৰু সৰু কথাত মাৰ-পিট কৰিবলৈও ল'লে। দিনক দিনে মই মানসিক যন্ত্ৰণাত ভুগিবলৈ ধৰিলো। ক'ত পূজা-অৰ্চনা কৰিলো কিন্তু একো ফল নধৰিল। ৰাস্তাই-ঘাটে, ঘৰৰ বাহিৰে-ভিতৰে সকলোৱে মোক দেখিলেই মুখ বেকা কৰিবলৈ ধৰিলে। গাঁৱৰ তিৰোতাবোৰৰ মাজত মই আলোচনাৰ পাত্ৰ হৈ পৰিছিলো। কোন ক্ষণত মোৰ স্মৃতিশক্তি শেষ হৈ মগজুৰ বিকৃতি ঘটিছিল সেইয়া মোৰ মনত নাই। সেইদিন ধৰি সন্তানটো ভূমিষ্ঠ হোৱাৰ আগমুহূৰ্তলৈকে মোৰ



ওপৰত কি ঘটিছিল সেয়াও মোৰ মনত নাই। মই কেনেকৈ ইয়াত আহি পালো ইমানদিনে কি খাই জীয়াই থাকিলো সেয়াও মোৰ অজ্ঞাতে পাৰ হৈ গ'ল। সন্তানৰ মুখখন দেখাৰ লগে লগেই স্বামীলৈ মনত পৰিছিল। আৰু দৌৰি গৈ তেতিয়াই দেখুৱাবৰ মন গৈছিল। চাওঁক আপোনাৰ ল'ৰাক চাওঁক, নাকটো আৰু চকুহাল সাইলাখ আপোনাৰ নিচিনাই চাওঁক কোন শুভ ক্ষণত মোৰ গৰ্ভত সন্তানৰ সৃষ্টি হ'বলৈ ধৰিছিল সেইয়া জনাহ'লে আজি মোৰ এই অৱস্থা নহ'লহেঁতেন।" তাই হুক-হুকাই কান্দিবলৈ ধৰিলে। তাই আকৌ ভঙা-চিঙা মাতেৰে ক'বলৈ ধৰিলে, "যাৰ জন্মই মোৰ স্মৃতিশক্তি ঘূৰাই আনিলে তাকো মোৰ পৰা কাঢ়ি লৈ গ'ল। মই পাগলী হৈছে বুলি কৈছে সিহঁতে। মই হেনো মোৰ সন্তানটিক মাৰি পেলাম। মোৰ সন্তানৰ ভালৰ বাবেই হেনো সিহঁতে তাক লৈ গৈছে। মোৰ মাতৃ হৃদয় এতিয়া হাঁহাকাৰ কৰি উঠিছে। মোৰ স্তনৰ দুগ্ধই সন্তানক বিচাৰি খলকনি তুলিছে। মই এতিয়া কেনেকৈ মানুহক বিশ্বাস জনাও যে মই পাগলী নহয়। কওঁক বাবু কওঁক।" এই বুলি মধুৱালাই মোৰ দুবাহুত ধৰি জোকাৰিবলৈ ধৰিলে। তাই কান্দি প্লেটফৰ্মৰ মজিয়াত ঢলি পৰিল।

মই শিল পৰা কপৌৰ দৰে হৈ পৰিলো মোৰ মাত কথা একো নোলোৱা হ'ল। তাই সুস্থ আৰু তাই যে সন্তানহাৰা। তাইৰ বাবে কি কৰিব পাৰো, সেইটোকে ভাবি ভাবি ঘৰলৈবুলি খৰকৈ খোজ ল'লো। ঘৰ গৈ পোৱাৰ লগে লগে ৰিকৰ ফোন পালো সি খবৰ দিলে কোম্পানীৰ নতুন প্ৰজেক্টৰ কাম গুৱাহাটীত অহাকালিৰ পৰা আৰম্ভ হ'ব, সেয়েহে মই হেনো আজি গধূলিয়ে গুৱাহাটী পাব লাগে। মই খৰ খেদাকৈ কেইখন মান ব্ৰেড মুখত গুজি চুপাৰত উঠিলো। গুৱাহাটীৰ ব্যস্ততাৰ মাজত গোটেই দিনটো কাম কৰাৰ পাছত ৰাতি মই ৰিকক মধুৱালাৰ কথা কৈছিলো কিন্তু সি বৰ এটা গুৰুত্ব নিদিলে। আচলতে ৰিক মানুহটো বৰ মৰমীয়াল কিন্তু প্ৰজেক্টৰ সকলো দায়িত্ব কোম্পানীয়ে ৰিককে দিছে। গতিকে সি আন কথা ভবাৰ আহৰিয়েই নোপোৱা হৈছে। দুদিন মানত মোৰ দায়িত্বৰ কাম শেষ হোৱাত মই গুৱাহাটীৰ পৰা গুছি আহিলো।

পিছদিনাখন ৰাতিপুৱাই উঠিলো কিন্তু বাহিৰলৈ ওলাই যোৱাৰ সময়কণো উলিয়াব নোৱাৰিলো। যিহেতু অফিচৰ বহুত কাম পৰি আছিল সেইবোৰ কৰিবলৈ বহিলো। আৰু মনে মনে ঠিক কৰিলো যে গধূলি অফিচৰ পৰা বাহিৰে-বাহিৰে ডিগবৈৰ অ.চি. ক লগ কৰিম। যাতে মধুৱালাৰ বাবে কিবা এটা কৰিব পাৰো। তেতিয়া মোৰ ঘড়ীত ৰাতিপুৱা আঠটা বাজিছিল। ষ্টেচন পায়েই মধুৱালাৰ আজৰ

কাণ্ড দেখিলো তাই ডাঠ কাগজ এখন লৈছে য'ত "মই পাগলী নহয়" লিখা আছে। সেইখনকে দেখুৱাই "মই পাগলী নহয়" ধ্বনিৰে দৌৰি ফুৰিছে। এবাৰ মোৰ কাষেৰে পাৰ হওঁতে মই তাইক মধুবালা বুলি মাতিছিলো। তেতিয়া তাই কিছুদূৰ গৈ থমকি ৰৈছিল আৰু মোৰ ফালে হিংস্র দৃষ্টিৰে চাইছিল। মই এক অজান ভয়ত কঁপি উঠিছিলো, কেনেবাকৈ যদি তাই আকৌ স্মৃতিশক্তি হেৰুৱাই পেলাই তেতিয়া কি হ'ব, তাৰ বাবে কোন দায়ী হ'ব, সেইবোৰ ভাৱনাই মোক অতীষ্ঠ কৰি পেলাইছিল।

সকলোকে টেটুফালি চিঞৰি শুনাবলৈ মন গৈছিল তাই পাগলী নহয় বুলি। মই ভাবিছিলো মানুহবোৰে অকণমান হ'লেও তাইৰ বাবে কিবা এটা চিন্তা কৰিব। কিন্তু ওচৰতে কোনোবা এটাই কোৱা শুনিবলৈ পালো "এইজনী আধা পাগল আছিল যদিও এতিয়া পূৰা গ'ল"। কিছুমানে ক'বলৈ ধৰিলে "এইজনীক ব্ৰহ্মপুত্ৰ মেইলত ধৰি বান্ধি উঠাই দিব লাগে, নহ'লে ষ্টেচনত আহিবই নোৱাৰা হ'ব।" মই সকলো জানিও একো নজনাৰ দৰে নীৰৱে থাকিলো মোৰ আগবাঢ়িব খোজা খোজটো আধাতে থৰ হৈ ৰ'ল। মনতে বিভিন্ন কথাবোৰ আওঁৰাই থাকোতে মই যাবলগীয়া ৰেলখনে লাহে লাহে গতি কৰিবলৈ ধৰিলে ময়ো দৌৰি গৈ ডবা এটাত উঠিলো।

সেইদিনাখন অফিচতেই ৰাতি ন টা বাজি গ'ল। অফিচতো নতুন প্ৰজেক্টৰ কামটোক লৈ খেলি মেলি চলি আছিল। সেইদিনাখন মই আৰু বাকী কথা ভাবিবৰ আহৰিয়েই নাপালো। দিনটোৰ টেনচন আৰু ক্লান্তিত মোৰ অফিচতে টোপনি ধৰিছিল। ঘৰলৈ আহি সকলো কথা পাহৰি ঈশ্বৰৰ নাম লৈ চকু দুটা জপাই দিলো।

পিছদিনাখন ৰাতিপুৱা শুই উঠা দেৰি হ'ল, বৰষুণ নেৰা নেপেৰাকৈ দি আছিল সেয়েহে সোনকালেই সাৰেই নাপালো। সেইদিনাখনো মোৰ বাবে সময় ওলোৱাটো অসম্ভৱেই আছিল। মোক গুৱাহাটীলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছিল বিশেষ এটা কামত।সেইদিনাখন মই ঠিক কৰি লৈছিলো যে মই মধুবালাক লগ কৰিম, তাইক মোৰ সকলো সমস্যা খুলি ক'ম। আৰু তাইক যে মই সহায় কৰিম সেইষাৰ কথাও তাইক ডাঠি ক'ম। তেতিয়া মোৰ ঘড়ীত আঠটা বাজি পঞ্চলিছ মিনিট গৈছে ষ্টেচনত মানুহৰ ভিৰ। দূৰৈত দেখিলো মধুবালাই যাকে পাইছে তাকে ধৰি লৈ চিঞৰি চিঞৰি কিবা কিবি কৈছে। মই তাইৰ বাবে একো কৰিব নোৱাৰি, স্বাৰ্থপৰৰ দৰে একেথৰে চাই আছো। মই চাই থকা দিশেৰে উজনিলৈ যোৱা এখন ট্ৰেইন আহি আছে সেই ট্ৰেইনখন মই থিয় হৈ থকা ষ্টেচনত নৰখায়। মধুবালাই এইবাৰ মোক ধৰি জোকাৰিবলৈ ধৰিলে আৰু কান্দি কান্দি ক'বলৈ ধৰিলে, "বাবু



আপুনি মোক বিশ্বাস নকৰিলে। মই সম্পূৰ্ণ সুস্থ, বাবু মই সম্পূৰ্ণ সুস্থ। চাওঁক মই এতিয়া সুস্থ মগজুৰে নিজকে হত্যা কৰিম, চাওঁক বাবু চাওঁক। তেতিয়াহে আপোনালোকে মোক বিশ্বাস কৰিব"। এইবুলি কোৱাৰ পিছত মই আৰু একোকে ক'বলৈ নাপালো। তীব্ৰ গতিৰে অহা উজনিমুৱা ৰেলৰ উকিয়ে মোৰ কাণ তাল মাৰি ধৰিলে। মই কাণ্ড-জ্ঞান হেৰুৱাই পেলাইছিলো। ৰেলৰ গতিয়ে মোৰফালে অহা বতাহৰ সৈতে আনিছিল মধুবালাৰ কেইটোপালমান গৰম তেজ। মোৰ গালত তপত তেজৰ স্পৰ্শ মই অনুভৱ কৰিছিলো।

❖❖❖

---

*২০০৩- ০৪ চনত প্ৰকাশিত।*

# মটৰ চাইকেলৰ ধোঁৱা

চিত্ৰৰঞ্জন চেতিয়া

পৰাণে কলেজৰ পৰা আহি মুখ-হাত ধুই, ভাতকেইটা কাণে-মুখে গুজি প্ৰথমে অলপ জিৰাই ল'লে। তাৰপাছত হাতত বাতৰিখন মেলোতেই বাতৰিখনৰ ভিতৰত দিয়া মটৰ চাইকেলৰ বিজ্ঞাপনটোলৈ দৃষ্টি নিক্ষেপ কৰিলে। হঠাৎ মনত পৰিল অ', আজি দেখোন মিঠুনেও নতুন 'পালচাৰ' এখন আনিব, সেইদিনা কলেজৰ পৰা আহোতে বাটত মিঠুনে কৈছিল। পৰাণে ভাবিলে তাৰমানে সি ঘৰত থাকি দেৰি কৰাৰ মুঠেই প্ৰয়োজন নাই, সেয়েহে পোনতে পেন্ট-চাৰ্টযোৰ পিন্ধি মিঠুন হঁতৰ ঘৰলৈ বুলি চাইকেল পোনালে।

মিঠুনহঁতৰ চোতালত নতুন মটৰ চাইকেলখন দেখি পৰাণৰো মনত কিবা এটা ভাৱ হ'ল, 'মইয়ো এখন আনিব পৰা হ'লে।' তাৰপিছত পোনতে মিঠুনহঁতৰ ভিতৰলৈ গৈ মঠৰ চাইকেলৰ পাৰ্টি খুজিলে। পৰাণে তাক 'পাছত তোক ভাল পাৰ্টি দিম' বুলি কৈ মটৰচাইকেলখনৰ গুণ বখানিবলৈ ধৰিলে। পৰাণে শুনিবলৈ ভাল পোৱা নাছিল যদিও শুনিবলৈ বাধ্য হৈছিল। মিঠুনহঁতৰ ঘৰত চাহ-মিঠাই খাই, বাইকখন লিৰিকি-বিদাৰি চাই ঘৰলৈ বুলি ঘূৰিল। কিন্তু তাৰ মনত সেই পোকটোৱে তেতিয়াও কামুৰিয়েই আছিল যে 'মইয়ো যদি এখন মটৰ চাইকেল আনিব পাৰিলোহেঁতেন।'

পৰাণ আৰু মিঠুন দুয়ো একেখন গাঁৱৰে। প্ৰথম অৱস্থাত মিঠুনৰ লগত



পৰাণে ৬ কিঃ মিঃ দূৰৰ কলেজলৈ চাইকেল মাৰিয়েই গৈছিল। কিন্তু এতিয়া মিঠুনৰ মটৰ চাইকেল হোৱাত পৰাণে এতিয়া অকলেই কলেজলৈ যাবলগীয়া হয়। মিঠুনৰ দেউতাকে কোনো এটা ভাল প্ৰতিষ্ঠানত চাকৰি কৰে বাবে এতিয়া তাৰ প্ৰয়োজন পূৰাব পাৰিছে কিন্তু পৰাণৰ দেউতাকে পৰাণক এখন মটৰ চাইকেল কিনি দিয়াতো একেবাৰে অসম্ভৱ। কিয়নো সিহঁতৰ এটা ডাঙৰ পৰিয়াল, তাকো দেউতাকৰ এটা সাধাৰণ মাষ্টৰৰ চাকৰিহে আছে। পৰাণ ডিগ্ৰী প্ৰথম বৰ্ষ পৰীক্ষালৈ তিনিমাহ মান হে সময় থকাৰ বাবে সি আজিকালি সোনকালে গৈ টিউচনো কৰিবলগীয়া হৈছে। গতিকে আগতকৈ তাৰ অলপ বেছি কষ্ট হৈছে। ৰাতিপুৱাতে সোনকালে উঠি নোখোৱাকৈয়ে টিউচনলৈ বুলি দৌৰ দি পুনৰ কলেজৰ ক্লাচো কৰিব লাগে। এনেবোৰ কাৰণত পৰাণৰ মনটো বিদ্ৰোহী হৈ পৰে। সি সদায় যোৱাৰ পথত ভাবি যায় 'মোৰ যদি এখন মটৰচাইকেল থাকিলেহেঁতেন ? তেন্তে মোৰ ইমান কষ্ট নহ'লহেঁতেন আৰু সোনকালে পালোগৈহেঁতেন।' এইকেইদিন প্ৰায় তাৰ টিউচনত পলম হৈছে। এনেকুৱা কথাবোৰ ভাবি কেতিয়াবা তাৰ ওপজা ঘৰখনলৈ, মাক-দেউতাকলৈ খং উঠে, কিন্তু সি একো নকয়, জানে যে তাৰ দেউতাকৰ পক্ষে এইটো অসম্ভৱ। পৰাণ পঢ়াত ভাল হোৱাৰ বাবে মাক-বাপেকে তাৰ পঢ়াৰ প্ৰতি পাৰ্য্যমানে গুৰুত্ব দি আহিছে। সেয়েহে পৰাণে যেতিয়া মাকৰ আগত মটৰ চাইকেলৰ কথা কয় তেতিয়া তাক একেষাৰ কথাকে সোঁৱৰাই থাকে যে 'পঢ়াত মন দে আন বাকীবোৰ কথা এতিয়া বাদ দে।' তোৰ যদি কপালত থাকে এদিন তোলৈ সকলো আহিব। 'কপাল' বোলাৰ লগে লগে পৰাণৰ খংটো পতকৈ উঠি যায়, কিহৰ কপালহে ভগৱানে কি কপালত মানুহৰ জীৱনৰ সুখ-দুখৰ, বস্তু-বাহনিৰ লিষ্ট লিখি থৈছে নেকি? যাৰ বাবে লিষ্ট পালেহে কাম হ'ব বুলি ভাবিম। বহু ভাবিয়ে পৰাণে নিজৰ খংটোক দমন কৰে।

যেতিয়া পৰাণ কলেজলৈ যায়. তেতিয়া সি মনতে ভাবে তাৰ লগৰবোৰ বৰ ভাগ্যৱান কিয়নো সিহঁতে সময়মতে সুবিধাসমূহ লাভ কৰে। কলেজৰ সকলোৰে মুখত আৰু পৰাণেও জানে যে বৰ্তমানে মটৰ চাইকেল আৰু ম'বাইল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ জনপ্ৰিয় বস্তু। যিটো এতিয়া সিহঁতৰ বন্ধু কিছুমানৰ হাতে হাতে। কলেজৰ সকলোৱে নহ'লেও প্ৰায়ভাগে কামনা কৰে যে এই সুবিধা দুটা যেন তেওঁলোকেও পায়। পৰাণৰো এটাই ইচ্ছা যেনেতেনে মটৰ চাইকেল এখন কিনিব পাৰিলেই হয় আৰু যাতে তাৰ সঠিক কামত ব্যৱহাৰ কৰিব পাৰে। পৰাণে সদায় দেউতাকক কথাটো ক'ম ক'ম বুলি ক'বলৈ সাহ কৰিব পৰা নাই তথাপি সি সদায় সুযোগৰ

অপেক্ষাত ৰৈ থাকে। এদিন টিউচনলৈ অলপ সময় পলম হোৱাত লগৰবোৰে তাক নানা ইতিকিঙেৰে ক'বলৈ ধৰিলে, 'হেৰ' পৰাণ, তই কি গোটেই ৰাতিটো ঘোঁৰা ঘাঁহ কাট নেকি যে ৰাতি শুবলৈ নেপাই ৰাতিপুৱালৈকে শুই থাক।' এনেবোৰ কথাত পৰাণৰ মনটো খং আৰু বিৰক্তিৰে পূৰ্ণ হৈ উঠে। সেয়েহে সি সেইদিনা কলেজৰ ক্লাচো নকৰি টিউচনৰ পৰা চিধাই ঘৰলৈ আহি , মাক-বাপেকক ক'লে যে, 'মই আৰু কলেজলৈ নাযাঁও। আৰু মই যদি কলেজলৈ যাব লাগে তেন্তে মোক মটৰ চাইকেল এখন কিনি দে।' মাক-বাপেকে উপায়ন্তৰ হৈ বহু বুজালে, কিন্তু পৰাণে তাৰ মতত অটল হৈয়ে থাকিলে।

অৱশেষত যেনিবা পৰাণৰ কপাল ফুলিলে। চৰকাৰে ঘোষণা কৰিলে যে চৰকাৰী কৰ্মচাৰীসকলক গাড়ী লোণ, ঘৰ লোণ দিয়াৰ কথা। এইবাৰ পৰাণক পায় কোনে, দেউতাকক লাগি লাগি যেনিবা মটৰচাইকেল এখন কিনি পেলালে। মটৰ চাইকেল পাই পৰাণৰ মনত বেছ ফূৰ্তি লাগিল। সি তাৰ বন্ধু-বান্ধৱক পাৰ্টিয়ো দিলে। তাৰপিছত, তাৰ কলেজ যাত্ৰাৰ পথ একেটাই আছিল কিন্তু এতিয়া পাৰ্থক্য এইখিনিতে, আগতে চাইকেলত গৈছিল আৰু এতিয়া সি মটৰচাইকেলত যাব।এনেকৈয়ে তাৰ কলেজলৈ অহা-যোৱা গতানুগতিক চলি থাকিল, কিন্তু তাৰ মাজতে সি বহুতো ভুল কৰি গৈ থাকিল।

পৰাণে এতিয়া আগতকৈ বেছি ঘূৰা-ফুৰা কৰা হ'ল। সি নিজৰ কৰ্তব্য প্ৰায়ে অৱহেলা কৰা হ'ল। এতিয়া তাৰ বন্ধু-বান্ধৱৰ সংখ্যা আগতকৈ বেছি হোৱাৰ বাবে সময়ৰ অভাৱে দেখা দিলে। মাক-বাপেকে তাক বাৰে বাৰে পৰীক্ষাৰ কথা সোঁৱৰাই থাকিল। কিন্তু পৰাণৰ, মটৰ চাইকেলখন হ'বৰ পৰা বিপদতহে পৰা যেন হ'ল। সি আজিকালি প্ৰায়, তাৰ লগৰবোৰৰ পৰা, 'ঐ ব'লনা, ব'লচোন, তেল ভৰাই দিম নহয়, কিমান সময়লাগিছেনো' এনে শব্দবোৰৰ সন্মুখীন হ'ব লগাত পৰিল। সি উপায়হীন হৈ বন্ধুৰ কথা ৰাখি য'লৈ -ত'লৈ যাব লগাত পৰিল। কেতিয়াবা কলেজৰ মেজৰ ক্লাচো খতি কৰিবলগীয়া হ'ল। এনেকৈ য'লৈ-ত'লৈ আহোঁতে-যাওঁতে পৰাণে কিতাপত বেছি সময় দিবকে নোৱাৰিলে আৰু ইফালে তাৰ পৰীক্ষা অনাগত, মাত্ৰ পোন্ধৰ বিছদিনৰ পাছতেই পৰীক্ষা। পৰাণৰ এতিয়াহে গালৈ চেতনা আহিল যে পৰীক্ষা আহি পালে পঢ়িব লাগে, কিন্তু পৰাণৰ বাবে এই সময় কেতিয়াবাই পাৰ হৈ গৈছিল। সি তাৰ অনাগত দুৰ্য্যোগৰ কথা গম পালে, ইফালে কলেজত 'নন কলেজিয়েট'ৰ লিষ্টত তাৰো নাম ওলাল। পৰাণৰ চিন্তাশক্তি লোপ পোৱা অৱস্থা হ'ল। অৱশেষত সি পৰীক্ষা নিদিয়াটোকে ঠিক কৰিলে। পিছে ঘৰৰ হেঁচাৰ ফলত



সি পৰীক্ষাত বহিল। পৰাণে জানিছিল তাৰ পৰীক্ষা একেবাৰে বেয়া হ'ব আৰু পাছ কৰাৰ কোনো সুযোগো নাথাকিব। পৰীক্ষাৰ শেষৰ দিনা পৰীক্ষা দি যেতিয়া কলেজৰ ভিতৰৰ পৰা গেটৰ বাহিৰলৈ ওলাই আহিল, তেতিয়া সি হঠাৎ এজন ল'ৰাৰ মটৰ চাইকেলৰ পৰা ওলোৱা ধোঁৱাবোৰ সূক্ষ্ম দৃষ্টিৰে মন কৰিলে। এইবাৰ সি উপলব্ধি কৰিলে যে তাৰো জীৱনৰ এটা শিক্ষা বৰ্ষ এই চাইলেন্সাৰৰ ধোঁৱাৰ দৰে উৰি গৈ ক'ৰবাত বিলীন হৈ গ'ল আৰু যিটো হাজাৰ টকা দিও পাবলৈ অসমৰ্থ। পৰাণৰ মনত বৰ দুখ লাগিল। তাৰ মাক-বাপেকে তাক, কিমান কষ্টেৰে পঢ়াইছিল আৰু তাৰ আজি কি অৱস্থা হৈছে। সি তাৰ ভুলৰ কথা উপলব্ধি কৰিলে। সি মনতে প্ৰতিজ্ঞা কৰিলে, সি মটৰ চাইকেলেই চলাব কিন্তু এজন সঠিক আৰোহী হৈ, সি মটৰ চাইকেলৰ চাইলেন্সাৰৰ পৰা নিৰ্গত হোৱা ধোঁৱাৰ দৰে সময়ৰো সঠিক ব্যৱহাৰ কৰি। সেইবুলি সি কলেজৰ পৰা ঘৰলৈ গতি কৰিলে।

❖❖❖

---

*২০০৪- ০৫ চনত প্ৰকাশিত।*

# এমুঠি ৰ'দালিৰ জিল্‌মিল্

হাস্নাহানা গগৈ

"নৈপৰীয়া বতাহজাকে মোক
তোমাৰ কথা মনত পেলায়
বুকুৰেদি বৈ অহা বতাহজাকতো
মই বিচাৰি পাঁও তোমাক
স্তব্ধ হ'ব খোজা হিয়াৰ প্ৰতিটো স্পন্দনৰ
বাহিৰ-ভিতৰতো আছা তুমি
আৰু কেৱল তুমি...."

সময় আবেলি। সন্ধ্যা হ'বলৈ আৰু বহুপৰ বাকী। খিৰিকী কাষৰ বিচনাখনতে বহি বৃষ্টিয়ে বাহিৰলৈ চাই আছে। হোষ্টেলত এই আবেলিৰ সময়খিনিতে তাইৰ মনটো খুউব উৰুঙা উৰুঙা লাগে। হাতত লৈ থকা চাহৰ কাপটো তাই টেবুলত থ'লে। আজি চাহ খাবলৈও মন নগ'ল বৃষ্টিৰ। কথা কিছুমানে আহি মনটো ভৰাই তুলিছেহি তাইৰ। আৰু মাত্ৰ দুটা দিন। তাৰ পাছত বৃষ্টি গুছি যাবগৈ, একেবাৰে। কেনেকৈ যে পাৰ হৈ গ'ল তিনিটা বছৰ! সঁচায়ে, বৃষ্টিয়ে গমকে ধৰিব নোৱাৰিলে। সৌ সিদিনাখন তাই আহিছিলহে তিনিচুকীয়া মহাবিদ্যালয়লৈ স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী হৈ। আৰু আজি? চকুৰ পচাৰতে তিনিটা বসন্ত পাৰ হৈ গ'ল। বৃষ্টিহঁতৰ ফাইনেল পৰীক্ষা শেষ হ'ল। মাজত মাত্ৰ এটা দিন বাকী। পৰহিলৈ তাই গুছি যাব এই সকলোবোৰ এৰি থৈ – তাইৰ হোষ্টেল, কলেজ, ডিপাৰ্টমেন্ট, মৃন্ময়ী, বিক্ৰম,



শেখৰ, ৰুলী, বন্দনা আৰু... আৰু চিন্ময়। বৃষ্টিৰ মনটো কেনেবা লাগি গ'ল। এই ঠাইখনলৈ আহি এনেকৈ মোহত আৱদ্ধ হৈ পৰিব বুলি বৃষ্টিয়ে সপোনতো ভবা নাছিল। ভবা নাছিল এইখন কলেজে তাইক ইমান কিবা-কিবি দিব বুলি আৰু ভবা নাছিল কেতিয়াবা চিন্ময়ক লগ পাব বুলি।

ৰাস্তাইদি পাৰ হৈ যোৱা ল'ৰা এটাই বৃষ্টিক হাত জোকাৰি থৈ গ'ল। সৌটো চিন্ময় দেখোন। এইমাত্ৰ ভাবিছিলহে তাই তাৰ কথা। অজানিতে বৃষ্টিৰ ওঁঠেদি এটা পাতল হাঁহি বাগৰি গ'ল। তাই তললৈ নামি গ'ল। গে'টত চিন্ময় আৰু মানস।

ঃ কি ভাবি আছা অথনিৰে পৰা খিৰকী কাষত বৈ? চিন্ময়ে সুধিলে।

ঃ একো ভবা নাই।

ঃ হয় নেকি? এতিয়ালৈকে মই যে এইফালে তিনিবাৰকৈ অহা-যোৱা কৰিলো, দেখিলা জানো? নিজৰ লগতে ইমানকৈ কথা পাতি নাথাকিবা। চিন্ময়ৰ কথাত সামান্য হাঁহিলে বৃষ্টিয়ে। ঠিকেইতো কৈছে সি। ইমানদেৰি তাইচোন নিজৰ লগতেই কথা পাতি আছিল।

ঃ হ'ব, এতিয়া আকৌ চিন্তা কৰিব নালাগে। মই যাঁও, কাইলৈ দহটা বজাত আহিম। তুমি ৰেডি হৈ থাকিবা। চিন্ময়ে স্কুটাৰ ষ্টাৰ্ট কৰিলে। বৃষ্টিও গুছি আহিল ৰুমলৈ।

বিচনাত বহি লৈ বৃষ্টিয়ে পুনৰ চিন্ময়ৰ কথাকে ভাবি থাকিল। সি সদায় এনেকুৱাই। বৃষ্টিয়ে কথা এটাও ভাবিব নোৱাৰে তাৰ আগত। ভাবি থকা কথাবোৰে সি কেনেকৈ জানো গম পাই যায়, বৃষ্টিক আচৰিত কৰি তোলে। তাইতকৈ এটা ক্লাছ তলৰ, ফূৰ্তিবাজ অথচ গহীন মুখৰ এই ল'ৰাটোয়ে এদিন তাইৰ ইমান ভাল লগা কোনোবা হৈ পৰিব বুলি বৃষ্টিয়ে ভাবিছিলনে বাৰু? তাইৰ খুউব মনত পৰে চিন্ময়ক প্ৰথম লগ পোৱা দিনকেইটালৈ। বৃষ্টি প্ৰথম তিনিচুকীয়া কলেজলৈ অহাৰ সময়ৰে কথা। খুউব অন্যমনস্ক আৰু হতাশাগ্ৰস্ত আছিল তাই। পুৰণি কথা কিছুমানে খুন্দিয়াই থকা তাইৰ মনটো অনবৰতে কিবা এক হতাশাত ভুগিছিল। আকাশদ্বীপক তাই পাহৰিব পৰা নাছিল। পাহৰিব পৰা নাছিল বেষ্ট ফ্ৰেণ্ড বনানীৰ প্ৰতাৰণা আৰু আকাশৰ বঞ্চনাৰ কথা। সেইবোৰ তাই শিৱসাগৰত থকা দিনৰে কথা। প্ৰাণ ভৰি ভাল পোৱা আকাশে যেতিয়া তাইক এৰি থৈ বনানীৰ সৈতে গুৱাহাটীলৈ গুছি গৈছিল বৃষ্টি ভাগি পৰিছিল। সকলো কথাকে পাতলকৈ লোৱা বৃষ্টি চিৰিয়াছ হৈ গৈছিল। ডিপ্ৰেশ্যনত ভুগি দুদিন হস্পিটেলত থাকিব লগা হোৱা বৃষ্টিক মাক-

দেউতাকে পৰীক্ষা নিদিবলৈ ক'লে। হায়াৰ ছেকেণ্ডাৰী ফাইনেল নিদিও বুলি ভাবিও তাই দিছিল। তাৰ পাছতেই মাক-দেউতাকৰ কথামতেই বৃষ্টি তিনিচুকীয়াত থকা মাহীয়েকৰ ঘৰলৈ গুছি আহিল। পৰীক্ষাৰ পাছৰ দুটা মাহ তাই কম্পিউটাৰ শিকিলে। ৰিজাল্টাৰ পাছত দেউতাকৰ কথামতে তাই তিনিচুকীয়া কলেজত এডমিশ্যন ল'লে। চায়েন্সৰ পৰা আৰ্টচলৈ গুছি আহিল তাই। ইংৰাজী সাহিত্যত অ'নাৰ্চ ল'লে। হোষ্টেলতো ছিট পালে। তাৰপাছতেই কলেজত হঠাৎ এদিন চিন্ময়ৰ লগত দেখা-দেখি। মেজৰ ক্লাচটো কৰি বৃষ্টি কমনৰুমলৈ আহি আছিল। লাইব্ৰেৰীৰ ওচৰতে কোনোবাই তাইক মাতিলে-

ঃ শুনাচোন! বৃষ্টিয়ে প্ৰথমে ভবা নাছিল তাইক কোনোবাই মাতিছে বুলি। তাই অলপ সময় ৰৈছিল। ল'ৰা এটা আগবাঢ়ি আহিল। ক্ষীণ, ওখ, মিঠা বৰণীয়া মৰমলগা এটা ল'ৰা। সিয়েই মাতিছে বৃষ্টিক।

ঃ তোমাৰ নামেই বৃষ্টিস্নাতা ৰাজকুমাৰী নেকি? ল'ৰাটোৱে তাইক সুধিলে।

ঃ অঁ.....

ঃ মই সদায় তোমাক চাওঁ। তুমি কিয় ইমান মন মাৰি থাকা? বৃষ্টি থত্‌মত্ খাই গ'ল। এদিনো নেদেখা ক'ৰ অচিনাকি ল'ৰা এটাই তাইক সুধিছে 'কিয় মন মাৰি থাকা' বুলি।

ঃ হোৱাট, ননচেন্স ! কৈয়েই অলপো নৰ'ল বৃষ্টি। স্বাভাৱিকতেই খুউব খং উঠিছিল বৃষ্টিৰ। তাই যেনেকৈয়ে থাকক কাৰনো কি দৰকাৰ পৰিছে। হোষ্টেললৈ আহি তাই কথাটো মৃন্ময়ীক কৈছিল। দুদিন পাছতে মৃন্ময়ীয়ে খবৰ আনিছিল- ল'ৰাটোৰ নাম চিন্ময়, চিন্ময় ভাৰ্গৱ। হায়াৰ চেকেণ্ডাৰী ছেকেণ্ড ইয়েৰত পঢ়ে। তিনিচুকীয়াৰে ল'ৰা। বৃষ্টিক খুউব লক্ষ্য কৰি থাকে সি। কাৰোবাক কাৰোবাক সুধি সি তাইৰ খবৰো লয়। বৃষ্টিৰ লগে লগে মনত পৰিল, দুদিনমানৰ আগতে টুৱেলভ্‌ত পঢ়া তাইৰ ৰুমমেট বন্দনাৰ মুখত তাই এই নামটো শুনিছিল। বৃষ্টিক চিনাকি কৰি দিব খুজিছিল বন্দনাই সেই ল'ৰাটোৰ লগত। সেইদিনা ৰুলী আৰু বিকশিতাইও তাইক তাৰ কথা কৈছিল। বৃষ্টিৰ মূৰ-চুৰ গৰম হৈ গ'ল। জুনিয়ৰ ল'ৰা এটাৰ তাইৰ প্ৰতি ইমান ইন্টাৰেষ্ট কিহৰ? পিছদিনাই কলেজলৈ গৈ বৃষ্টিয়ে চিন্ময়ক লগ কৰিছিল। বহুত কিবা-কিবি ক'লে তাই তাক। তাৰ পাছৰ পৰা সি তাইক কোনোদিন একো সোধা নাছিল। বৃষ্টিয়েও ভাবিলে কথাটো সিমানতে শেষ হ'ল বুলি।

সেইবছৰ পৰীক্ষা শেষ কৰি বৃষ্টি ঘৰলৈ গ'ল। ৰিজাল্টো ওলাল। ডিপাৰ্টমেন্টত বৃষ্টিৰেই পাৰ্চেন্টেজ হায়েষ্ট। বৃষ্টি আকৌ হোষ্টেললৈ আহিল। ছেকেণ্ড



ইয়েৰৰ ক্লাচবিলাক আৰম্ভ হৈছিল। তাৰ পাছতেই সেই দিনটো আহিল। বৃষ্টি প্ৰথম ক্লাচ কৰিবলৈ গৈছিল সেইদিনা কমনৰুমৰ ওচৰতে কোনোবাই তাইক পাছফালৰ পৰা মাতিলে। বৃষ্টিয়ে ঘূৰি চাই দেখে চিন্ময়।

ঃ আহিলা? চিন্ময়ে সুধিলে।

ঃ......

ঃ ভালনে তোমাৰ? সি আকৌ সুধিলে।

ঃ অঁ।

ঃ তোমাৰ লগত মোৰ অলপ কথা আছে।

ঃ মোৰ একো কথা নাই। কৈয়েই বৃষ্টি গুছি আহিছিল। কমন ৰুমৰ ভিতৰলৈ সোমাই বাহিৰৰ পৰা নেদেখা বেঞ্চ এখনত বহি পৰিল তাই। অলপ পাছতে মৃন্ময়ী সোমাই আহিছিল কমন ৰুমলৈ।

ঃ অ, তই তাৰ মানে ইয়াতহে বহি আছহি। মেছেজ এটা আছে তোৰ কাৰণে।

মৃন্ময়ীয়ে আগবঢ়াই দিয়া কাগজখন বৃষ্টিয়ে খুলি চাইছিল। ধুনীয়া আখৰেৰে মাত্ৰ দুশাৰী বাক্য- 'মনত ৰাখিবা' মাত্ৰ তুমি আছা কাৰণেই এইখন কলেজত ময়ো আছো। ইমান ইন্ট্ৰ'ভাৰ্ট হৈ নাথকিবা, বাহিৰখন অলপ চাবা'। তলত চিন্ময়ৰ নাম। তাৰ পাছদিনাই বৃষ্টিয়ে চিন্ময়ৰ কথা কিছুমান গম পাইছিল। হায়াৰ ছেকেণ্ডাৰীত কলেজৰ টপাৰ চিন্ময় ভাৰ্গৱ। ডাঙৰ কথাটো হ'ল সি এতিয়া ইংলিছ ডিপাৰ্টমেন্ট, মানে বৃষ্টিহঁতৰ ডিপাৰ্টমেন্টত। বৃষ্টি আচৰিত হৈছিল। ইমান ভাল ৰিজাল্ট কৰাৰ পাছতো চিন্ময়ে বাহিৰৰ ক'লৈকো নগৈ পুনৰ এইখন কলেজতে ডিগ্ৰীত এড্‌মিশ্যন ল'লে, তাকো মাত্ৰ বৃষ্টি এইখন কলেজত থকা কাৰণেই! কেনেকুৱা ল'ৰা হ'ব সি। চিন্ময়ে দিয়া কাগজখন তাই আকৌ এবাৰ পঢ়ি চাইছিল- 'ইমান ইন্ট্ৰ'ভাৰ্ট হৈ নাথাকিবা, বাহিৰখন অলপ চাবা'। বৃষ্টিৰ ভাৱ হৈছিল, তাই সঁচাকৈয়ে খুউব ইন্ট্ৰ'ভাৰ্ট নেকি?

নামাতো বুলি ভাবিও বৃষ্টি বাধ্য হৈছিল চিন্ময়ক মাতিবলৈ, বন্ধুত্ব সুলভ ব্যৱহাৰ কৰিবলৈ। ডিপাৰ্টমেন্টৰ ৰুলচ্ আছিল নতুন ষ্টুডেন্টৰ প্ৰতি এনে ব্যৱহাৰ কৰাটো। তাৰোপৰি চিন্ময় আছিল সেইবছৰৰ কলেজৰ টপাৰ। স্বাভাৱিকতেই টিছাৰ্চ আৰু চিনিয়ৰ বিলাকৰ আগত চিন্ময়েই গুৰুত্ব পাইছিল আটাইতকৈ বেছিকৈ। চিন্ময়েও এই সুযোগ সম্পূৰ্ণকৈ গ্ৰহণ কৰিছিল। বৃষ্টিৰ লগত বন্ধুত্ব বহুখিনি সহজ কৰি পেলাইছিল সি। বৃষ্টিয়েও বেয়া পোৱা নাছিল। চিন্ময়ৰ কথা- বতৰা, আচৰণে

তাইক মুগ্ধ কৰিছিল। ডিপাৰ্টমেন্টৰ ইন্‌ফৰমেল ইন্ট্ৰ'ডাকশ্যনত বৃষ্টিয়ে তাক এটাই কথা সুধিছিল।

ঃ তোমাৰ নামৰ পাছত উপাধি কিয় নিলিখা? আমাৰ অসমীয়া মানুহেতো নামৰ পিছত এনেদৰে নিলিখে? উত্তৰত চিন্ময়ে কৈছিল।

ঃ আটাইতকৈ অদৰকাৰী বস্তুৰেই হ'ল উপাধি। ই আমাৰ সম্প্ৰদায়ৰহে পৰিচয় দিয়ে। মই নিবিচাৰো মোক কোনোবাই অমুক সম্প্ৰদায় বুলি চিনি পাওঁক। মোক 'চিন্ময়' হিচাপে মানুহে জনাটো মই বিচাৰো।

অভিভূত হৈ পৰিছিল বৃষ্টি। চিন্ময়ৰ প্ৰতিটো কথা, প্ৰতিটো কামৰে অন্তৰালত এটা অৰ্থ লুকাই থাকে। চিন্ময়ৰ সান্নিধ্য, কথা- বতৰাই লাহে লাহে বৃষ্টিকো প্ৰভাৱিত কৰিবলৈ লৈছিল। ডিপাৰ্টমেন্টত লগ হ'লেই সিহঁতে কথা পাতিছিল। গ্ৰুপ ডিছকাশ্যন বিলাকতো বেছিকৈ ভাগ লৈছিল চিন্ময়েই। ছাৰ-মেডাম সকলৰ লগতে ষ্টুডেন্ট বিলাকৰো প্ৰিয় হৈ পৰিছিল সি। আৰু নিজে নজনাকৈয়ে বৃষ্টিৰো মনৰ বহুখিনি চিন্ময়ে কেতিয়ানো অধিকাৰ কৰি পেলালে বৃষ্টিয়ে গমকে নাপালে।

ঃ অ', আমাৰ ৰাজকুমাৰী আইদেউ বিচনাত বহিয়েই আছে, হয়নে? মৃন্ময়ীৰ মাতে হঠাৎ বৃষ্টিক চক খুৱাই দিলেহি। খিৰিকীখনযে বন্ধ কৰিবৰ হ'ল পাহৰিলি? মহ বহুত সোমাব এতিয়া। মুখেৰে ভোৰভোৰাই মৃন্ময়ীয়ে সিফালৰ খিৰিকীখন বন্ধ কৰি দিলে। বৃষ্টিয়েও লাহেকৈ তাইৰ বিচনাৰ কাষৰ খিৰিকীখন বন্ধ কৰিলে। ছেঃ বহুত দেৰি হৈ গ'ল। কথাবোৰ ভাবি থাকোতে কেতিয়ানো আন্ধাৰ হৈ গ'ল বৃষ্টিয়ে মনেই নকৰিলে। তাইৰ এই অন্যমনস্ক হৈ থকা স্বভাৱটোৰ কাৰণেই মৃন্ময়ীৰ পৰা কিমানযে শুনিবলগীয়া হোৱা নাই! লগৰবোৰেও কয় তাইক। ৰাজীৱ ছাৰেতো ক্লাছত এদিন কৈয়েই দিলে, 'পঢ়াই থকা সময়ত কি চিন্তা কৰি থাকা' বুলি। কিযে কৰিব তাই নাভাৱো বুলি থাকিলেও নিজে নজনাকৈয়ে একেলগতে কেইবাটাও কথা আহি তাইৰ ভাবত বাহ লয়হি। চিন্ময়ে যে কিমান কয় তাইক এই স্বভাৱটো এৰিবলৈ। অৱশ্যে, সি কৈ কৈয়েই তাইক বহুখিনি সলনি কৰিলেও। মচকুইট' কইলটো জ্বলাই থৈ বৃষ্টি বাহিৰলৈ ওলাই গ'ল।

ৰাতি ভাত খোৱাৰ পাছত মুখ-হাত ধুই বৃষ্টি আৰু মৃন্ময়ী ৰুমত সোমাল। এই সময়ত ৰুমত সিহঁত দুজনীহে আছেগৈ। বৃষ্টিৰ ৰুমমেট ৰুলি আৰু বন্দনা পৰীক্ষা শেষ কৰি কেতিয়াবাই ঘৰলৈ গ'ল। পৰহিলৈ বৃষ্টি আৰু মৃন্ময়ীও যাবগৈ। মৃন্ময়ী অৱশ্যে ঘৰলৈ নাযায়, বৃষ্টিৰ লগত শিৱসাগৰলৈ যাব। তাত কেইদিনমান



থকাৰ পাছত বৃষ্টিও মৃন্ময়ীৰ ঘৰলৈ আহিব, ডুমডুমালৈ। পৰীক্ষা শেষ হোৱাৰ আগতেই দুয়োজনীয়ে এই কথা পাতি থৈছে। বৃষ্টিয়ে মৃন্ময়ীলৈ চালে। তাই কেইবাখনো অট'গ্ৰাফ লৈ লিখাত ব্যস্ত। বৃষ্টিও টেবুলত বহিল। বেগৰপৰা পাৰ্চনেল ডায়েৰীখন উলিয়াই লৈ তাই পাত লুটিয়াবলৈ ধৰিলে। আজি তাইৰ ডায়েৰী লিখিবলৈ মন যোৱা নাই, পুৰণা কথাবোৰ পঢ়িবলৈহে মন হৈছে। এটা বিশেষ পৃষ্ঠাত বৃষ্টিৰ চকু বৈ গ'ল। চিন্ময়ৰ কথা লিখা আছে।

৩ ডিচেম্বৰ ঃ সেইদিনা তাই প্ৰথম চিন্ময়ৰ কথা নিজৰ পাৰ্চনেল ডায়েৰীত লিখিছিল। সেইদিনা ৰাতিপুৱা ৰাজীৱ ছাৰৰ ক্লাছ আছিল। ছাৰ সদায় এক ঘন্টা লে'টকৈ আহে বুলি জানিও তাই সোনকালে গৈছিল। লগৰ কোনো অহা নাছিল। ডিপাৰ্টমেন্টত চিন্ময় অকলে বহি আছিল। বহুত সময় বৃষ্টিয়ে তাৰ লগতে কথা পাতি থাকিল। কথাপাতি থকাৰ মাজতে হঠাৎ চিন্ময়ে তাইক কৈছিল-

ঃ তোমাৰ এখন পৰ্ট্ৰেইট আঁকিম দেই মই?

ঃ তুমি ছবি আঁকা নেকি? আচৰিত হৈ সুধিলে বৃষ্টিয়ে।

ঃ অ', আৰু মই গীটাৰো বজাওঁ।

ঃ সঁচা! জানা, ছবি অঁকা আৰু গীটাৰ বজোৱা ল'ৰাবোৰ মোৰ খুউব ভাল লাগে।

ঃ জানো।

ঃ জানা? তুমি কেনেকৈ জানা? আগতকৈয়ো আচৰিত হৈছিল তাই।

ঃ তেনেকৈয়ে জানো। আৰু বহুত কথাই জানো মই তোমাৰ।

ঃ হয় নেকি? কোৱাচোন আৰু কি কি জানা মোৰ কথা? বৃষ্টিয়ে হাঁহি সুধিছিল।

ঃ ওঁ, বহুত কথাই জানো। মানে, এই ধৰা, তুমি যে বৰষুণত তিতি ভালপোৱা, নিজৰ কাৰণে কবিতা লিখা, কৃষ্ণচূড়া আৰু সোণাৰু ফুল তুমি ভীষণ ভালপোৱা, জয়ন্ত হাজৰিকা আৰু চিত্ৰাৰ হানে তোমাৰ অন্তৰ চুই যায়, আৰু...... আৰু বাঁহীৰ মাতে যে তোমাক পাগল কৰি তোলে, হীৰুদাৰ কবিতা আৰু অনুৰাধা শৰ্মা পুজাৰীৰ উপন্যাস পঢ়ি তুমি ভালপোৱা, আৰু ৰাণা চাংমাই ছাৰৰ বক্তৃতা শুনি তুমিয়ে খুউব ভালপোৱা সেয়াও মই জানো।

চকুৰ পলক পেলাবলৈও পাহৰি গৈছিল বৃষ্টিয়ে। বিস্ফোৰিত নেত্ৰে তাই চাই ৰৈছিল চিন্ময়ৰ মুখলৈ। চকুত তাইৰ অপাৰ বিস্ময়। কেনেকৈ জানিলে ইমানবোৰ কথা তাইৰ বিষয়ে?

ঃ বেছি আচৰিত নহ'বা, আৰু কম নেকি? চিন্ময়ে আকৌ কৈছিল- তুমি যে আগতে এনেকুৱা গহীন হৈ নাথাকিছিলা, খুব চঞ্চলা আছিলা, কথাই প্ৰতি খিল্‌খিলাই হাঁহিছিলা সেয়াও মই জানো। আৰু মই বিচাৰো তুমি আকৌ সেই আগৰ দৰে থাকা।

পাছৰ কথাকেইটা খুউব কোমল সুৰত কৈছিল চিন্ময়ে। বৃষ্টি মূক হৈ পৰিছিল। তাৰ মানে চিন্ময়ে তাইৰ সকলো কথাই জানে। তাইৰ বৰ্তমান, তাইৰ অতীত সকলো। আকাশদ্বীপ আৰু বনানীৰ কথাও চাগে চিন্ময়ে জানে। সেইকাৰণে সি প্ৰায়েই বৃষ্টিক কৈ থাকে, 'বি অপ্‌টিমিষ্টিক, বি প্ৰেক্‌টিকেল।' বৃষ্টিক অলপ মন মাৰি থকা দেখিলেই সি শ্যেলীৰ কবিতা গায়, "If winter comes, can spring be far behind?" সেইদিনাই ৰাতি বৃষ্টিয়ে তাইৰ ডায়েৰীত প্ৰথমবাৰৰ বাবে লিখিছিল চিন্ময়ৰ কথা, চিন্ময়ৰ প্ৰতি তাইৰ মনত সৃষ্টি হোৱা বুজা-নুবুজা খেলিমেলি অনুভৱৰ কথা।

ঃ নুশুৱ নেকি? ৰাতি বহুত হ'ল। পৰীক্ষা শেষ হোৱাৰ পাছতো ইমান দেৰিলৈকে সাৰে থাকিলে হোষ্টেলৰ বাকী ছোৱালীবোৰে ভয়েই খাব বুজিছ? সেইখন থ্‌ আৰু। মৃন্ময়ীৰ কথাত বৃষ্টিয়ে ডায়েৰীখন জপাই থ'লে। মৃন্ময়ীয়ে শুবলৈ বিচনা ঠিক কৰিয়েই থৈছে। লাইটটো অফ কৰি দুয়োজনী একেখন বিচনাত শুই পৰিল।

ৰাতিপুৱা দহ বাজিবলৈ দহ মিনিট থাকোতেই চিন্ময় আহি পালেহি। বৃষ্টি লগে লগে ওলাই গ'ল। গে'টৰ সন্মুখৰ পৰাই বৃষ্টিয়ে ৰিক্সা এখন ল'লে। ৰিক্সাৱালাটোক ঘৰৰ এড্ৰেছটো ভালদৰে বুজাই চিন্ময় আগে আগে গুছি গ'ল। ৰিক্সাখন বৰদলৈ নগৰৰ ৰাস্তাটোৰেদি যাবলৈ ধৰিলে। ডি.টি হল্‌টো পাৰ হৈ কোনোবা এটা গলিয়েদি গৈ ৰিক্সাখন এটা আসাম টাইপৰ ঘৰৰ কাষত ৰ'লগৈ। গেট'ৰ মুখত চিন্ময় ৰৈ আছে। বৃষ্টিয়ে আগতে এইফালে কেইবাবাৰো আহিছে যদিও চিন্ময়ৰ ঘৰ এইখিনিতে বুলি জনা নাছিল। অৱশ্যে, বৰদলৈ নগৰৰ ভিতৰৰ গলি বিলাকো তাই ভালকৈ চিনি নাপায়। ৰিক্সাখন বিদায় দি তাই চিন্ময়ৰ সৈতে ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

চিন্ময়ৰ ঘৰত অকল চিন্ময় আৰু মাক। দেউতাক ঢুকোৱা আজি পাঁচ বছৰেই হ'ল। ভায়েক এটাও আছিল চিন্ময়ৰ। চিন্ময় এইট মানত পঢ়ি থাকোতেই ভায়েক লিউকিমিয়াত ঢুকাল। তাৰ কেইদিনমানৰ পাছতেই দেউতাকৰো এক্সিডেন্ট হ'ল। চিন্ময়ৰ কথাবোৰ শুনি থাকোতে বৃষ্টিৰ বুকুখন মোচৰ খাই যোৱা যেন



লাগিছিল। চকুৰ কোণ দুটাত দুফোঁটা পানী আহি জমা হৈছিলহি। চিন্ময়ৰ দৰে ইমান ফুৰ্তিবাজ ল'ৰা এটাৰো জীৱনত এনেকুৱা দুখজনক ঘটনা থাকিব পাৰে বুলি বৃষ্টিয়ে অকনো ভবা নাছিল। তাই আজিহে বুজিলে চিন্ময় কিয় ইমান আনন্দাৰ্চষ্টেণ্ডিং। বয়সতকৈ বহুত বেছিকৈ বুজি পায় সি কথাবোৰ। সেয়েহে ডাঙৰ মানুহৰ দৰে তাৰ কথা-বতৰা, আচাৰ-ব্যৱহাৰ সি তাইক ক'লে।

ঃ বৃষ্টি, তুমি চাগে ভাবিছা মই কেনেকৈ ইমান ফূৰ্তিত থাকো? আচলতে কি জানা, তুমি যিমানেই বেয়া লগা কথাবিলাকৰ পৰা নিজকে আঁতৰাই ৰাখি মনটোক ফ্ৰেচ কৰি ৰাখিব পাৰিবা, সিমানেই তোমাৰ আত্মবিশ্বাস আৰু মনোবল বৃদ্ধি পাব। তুমি সন্মুখলৈ মূৰ তুলি চাব পাৰিবা। ময়ো সেইকাৰণেই হাঁহি-ফূৰ্তি কৰি থাকো। আৰু মই বিচাৰো মোৰ ভাল লগা মানুহবিলাকো ফূৰ্তিত থাকক। শেষৰ কথাকেইটা যে চিন্ময়ে বৃষ্টিক উদ্দেশ্যি ক'লে, তাইৰ বুজাত দেৰি নহ'ল। চিন্ময়ৰ এনেকুৱা কথাবিলাকেই তাইৰ খুউব ভাল লাগে। সি খুউব অপ্‌টিমিষ্টিক। আজিকালি বৃষ্টিয়েও বহুত কথাই তাৰ নিচিনাকৈ চিন্তা কৰিবলৈ লৈছে।

বৃষ্টি গোটেই দিনটো চিন্ময়ৰ ঘৰত থাকিল। চিন্ময়ৰ মাক খুউব মৰমীয়াল। বৃষ্টিক তেওঁ নিজৰ ছোৱালীৰ দৰেই মৰম কৰিলে। তাহাঁত দুয়োটাই মাকক ৰন্ধা-বঢ়া কামত সহায় কৰি দিলে। ভাত খোৱাৰ পাছত চিন্ময়ে গীটাৰ বজালে, সি আঁকা পেইন্টিংবোৰ বৃষ্টিক দেখুৱালে। আহিবৰ সময়ত চিন্ময়ৰ মাকে বৃষ্টিৰ মূৰত মৰমেৰে হাত ফুৰাই ক'লে, 'আকৌ আহিবা'। ঘৰৰ পৰা হোষ্টেললৈ অহাৰ পৰত মাকৰ মুখত ফুটি উঠা সৰলতাখিনিকে বৃষ্টিয়ে চিন্ময়ৰ মাকৰ মুখতো দেখা পালে। পৃথিৱীৰ সকলোবিলাক মাক একেই নেকি। বৃষ্টিয়ে ভাবিলে। অন্ততঃ এই মুহূৰ্তত চিন্ময়ৰ মাক আৰু বৃষ্টিৰ মাকৰ মুখকেইখন একেই যেন লাগিল তাইৰ। মাকৰ পৰা বিদায় লৈ বৃষ্টি ওলাই আহিল। তাইক ৰিক্সা এখনত তুলি দি চিন্ময়ো লগে লগে স্কুটাৰত আহি থাকিল। বৃষ্টিৰ মনটো হঠাতে বেয়া লাগি গ'ল। যিমানেই তাই মনটোক বুজাবলৈ চেষ্টা কৰিছে সিমানেই মনটোৱে যেন কথা শুনিব বিচৰা নাই। বুকুৰ কোনোবাখিনিত বিষ অনুভৱ কৰিলে বৃষ্টিয়ে। চিন্ময়ক এৰি থৈ একেবাৰে গুচি যাবলৈ তাইৰ যে বহুত কষ্ট হৈছে। এই কথা চিন্ময়েও জানে। কিন্তু সি এতিয়ালৈকে তাইক একোৱেই কোৱা নাই এই বিষয়ে। বৃষ্টিয়ে জানে সি কি ক'ব। ভৱিষ্যতটোক বৰ্তমানতেই ধৰি ৰাখিবলৈ চিন্ময়ে নিবিচাৰে। বৰ্তমানটোক সি এৰি দিয়ে নিজৰ সোঁতত উটি যাবলৈ। সেইকাৰণেই চিন্ময়ে কয়, 'আমি কোনেও কাকো ধৰি ৰাখিব নোৱাৰো। বিচৰা বস্তুটো নাপালো বুলিয়েই কেতিয়াও মন

বেয়া নকৰিব। লগত নাথাকিলেও প্ৰতিটো বস্তুৰেই মনৰ মাজত কিবা এটা দি থৈ যায়। সেইয়াকে পালো বুলি ধৰি ল'বা।'

জগধাত্ৰী বুক ষ্টলৰ সন্মুখত চিন্ময়ে বৃষ্টিক ৰিক্সাৰ পৰা নামিবলৈ ক'লে। হোষ্টেললৈকে এইডোখৰ বাট খোজ কাঢ়িয়ে যাব। বৃষ্টিক অলপ সময় ৰ'বলৈ কৈ চিন্ময় বুক ষ্টলখনলৈ সোমাই গ'ল। অলপ পাছতে হাতত শকত কলেৱৰৰ কিতাপ এখন লৈ সি ওলাই আহিল।

ঃ এইখন লোৱা, তোমাৰ কাৰণে। কিতাপখন বৃষ্টিৰ হাতত দি চিন্ময়ে ক'লে। আশাপূৰ্ণা দেৱীৰ 'প্ৰথম প্ৰতিশ্ৰুতি'। পঢ়িম পঢ়িম বুলিও এই কিতাপখন বৃষ্টিৰ পঢ়া হোৱা নাছিল। শিৱসাগৰলৈ গৈয়েই কিতাপখন কিনিম বুলি ভাবি আছিল। চিন্ময়ে ক'লে –

ঃ ক্লাচত চাংমাই ছাৰে প্ৰায়েই এইখন কিতাপৰ কথা কয়। এদিনতো এইখন কিতাপ নপঢ়া কাৰণে চ'মাক তাইতকৈ দুৰ্ভগীয়া বঙালী ছোৱালী আৰু কোনো নাই বুলিয়ে ক'লে। মই জানো তুমিও এইখন কিতাপ পঢ়া নাই এতিয়ালৈকে, সেইকাৰণেই দিলো। বৃষ্টিয়ে সামান্য হাঁহিলে। কথা পাতি দুয়ো হোষ্টেলৰ গেটৰ ওচৰ পালেহি। চিন্ময়ে সুধিলে-

ঃকাইলৈ বাছ কেইবজাত আছে?

ঃ চাৰে দহ। হোষ্টেলৰ পৰা দহ বজাত ওলাম।

ঃ মই দহটা বজাত আহিম। যাওঁ। বাই।

বাই। চিন্ময় খোজকাঢ়ি গুছি গ'ল। কলেজখন পাৰ হৈ টাৰ্নিংটোত সি ঘূৰি চালে, বৃষ্টি তেতিয়াও গেটৰ বাহিৰত। তাই হাতখন জোকাৰি দিলে। সিও হাত জোকাৰি থৈ গ'ল। বৃষ্টিৰ বুকুৰ ভিতৰখন খালী হৈ যোৱা যেন লাগিল। গেটখন খুলি তাই হোষ্টেলৰ ভিতৰলৈ সোমাই আহিল।

ৰাতিপুৱা দহ বজাৰ লগে লগে বৃষ্টি আৰু মৃন্ময়ী হোষ্টেলৰ পৰা ওলাল। আজি হোষ্টেলৰ পৰা বহুত ছোৱালী যাবগৈ। হোষ্টেল প্ৰায় খালীয়েই হৈ যাব। প্ৰেক্‌টিকেল থকা ছোৱালীবোৰহে বাকী আছেগৈ। প্ৰায়বিলাক ছোৱালীয়ে সিহঁতক বিদায় দিবলৈ গেটলৈ ওলাই আহিল। বৃষ্টিৰ বেগ দুটাও কোনোবা দুজনীমানে দাঙি লৈ গ'ল। এনেকুৱা বিদায়ৰ মুহূৰ্তবিলাক খুউব যন্ত্ৰণাদায়ক। কোনোবা ছোৱালী এজনী হোষ্টেলৰ পৰা একেবাৰে গুছি যাবৰ সময়ত তাইক বেয়া পোৱা ছোৱালীজনীৰো চকুৰ পানী ওলায়। বৃষ্টিৰো আজি খুউব বেয়া লাগিছে। গেটৰ বাহিৰৰ পৰা তাই হোষ্টেলটোলৈ চালে। বাহিৰৰ পৰা দেখা পোৱা তাইৰ ৰুমৰ



খিৰিকী দুখন আজি বন্ধ হৈ আছে। এইখন হোষ্টেলৰে সেই ৰুমটোত থাকিয়েই যোৱা তিনিটা বছৰত বৃষ্টিয়ে বহুত কিবাকিবি পালে। তাৰেই স্মৃতিক বুকুত সাৱটি তাই আজি গুছি যাবলৈ ওলাইছে। অজানিতে বৃষ্টিৰ চকুৰপৰা দুধাৰি পানী বৈ আহিল। তাইৰ বান্ধৱী শ্যামলী আৰু বৰষাও যাবলৈ ওলাইছে। সিহঁতৰ চকুতো পানী। দুয়োজনীকে দুবাৰ আঁকোৱালি লৈ বৃষ্টি ৰিক্সাত উঠিল। বৃষ্টিৰ বেগ দুটা বেলেগ এখন ৰিক্সাত তুলি দি মৃন্ময়ীও বৃষ্টিৰ লগত একেখন ৰিক্সাত বহিলহি। গেটৰ সন্মুখৰ পৰা এজাক ছোৱালীয়ে হাত জোকাৰিলে। ৰিক্সা চলিল।

এ.এছ.টি.চি বাছ ষ্টপেজৰ সন্মুখত চিন্ময় ৰৈ আছিল। বৃষ্টিহঁতক ৰিক্সাত অহা দেখি সি আগবাঢ়ি আহিল। বৃষ্টিৰ বেগ দুটা সিয়েই দাঙি নি বাছত উঠাই দিলে। দুয়োজনী বাছত উঠিল। বাওঁফালৰ খিৰিকী কাষৰ চিট এটাত বৃষ্টি বহিল। চিন্ময় আহি খিৰিকী বাহিৰৰ ফালে থিয় হ'লহি। পলিথিনৰ বেগ এটা সি বৃষ্টিলৈ আগবঢ়াই দিলে।

ঃ আকৌ কি দিছা? বৃষ্টিৰ অভিমানৰ সুৰ স্পষ্ট।

চিন্ময়ে এপলক বৃষ্টিৰ দুচকুলৈ চাই ৰ'ল। তাইৰ চকুৰ কোণত দুফোটা পানী। যথাসম্ভৱ কোমল মাতেৰে সি ক'লে –

ঃ বৃষ্টি যোৱাৰ সময়ত মন বেয়া নকৰিবা। তোমাৰ অভিমানৰ কাৰণ মই বুজি পাইছো। তোমাৰ মনত সৃষ্টি হোৱা প্ৰশ্নবিলাকৰ উত্তৰ মই দিছো। বেগটো খুলিলেই গম পাবা। বৃষ্টিয়ে চিন্ময়লৈ চালে। তাৰ মুখখন আজি গহীন হৈ আছে। মুখৰ প্ৰফুল্লতা আছে যদিও বিষাদৰ ভাৱ এটাও বৃষ্টিয়ে তাৰ মুখত লক্ষ্য কৰিলে। বৃষ্টিৰ বুজিবলৈ বাকী নাথাকিল এই বিষাদৰ কাৰণ কি? তাই চিন্ময়লৈ চাই অকণমান হাঁহিলে। চিন্ময়ে আগবঢ়াই দিয়া ৰুমালখনেৰে চকুপানীখিনি মুচি ল'লে। বাছ চলিল। চিন্ময়ে হাত জোকাৰিলে। বৃষ্টিয়েও। চকুৰে নেদেখা হোৱালৈকে তাই চিন্ময়ক পাছফালে ঘূৰি চাই গ'ল। অলপ দূৰ গৈয়েই তাই চিন্ময়ে দিয়া বেগটো খুলি চালে। ভিতৰত এটা পেকেট আৰু এখন চিঠি। তাই লৰালৰিকৈ চিঠিখন খুলিলে। এখন চুটি চিঠি।

*'বৃষ্টি'*

*তুমি চাগে বেয়া পাইছা যাবৰ পৰলৈকে মই তোমাক একো নোকোৱা দেখি। মুখেৰে ফুটাই নক'লেও তোমাৰ অভিমান ভৰা চাৱনি দেখিয়েই মই বুজি পাইছো। মানুহৰ ভালপোৱাটো ধৰি ৰাখিব পৰা বস্তু নহয় বৃষ্টি। ইয়াক তুমি আঁচলৰ গাঁঠিত বান্ধি ৰাখিব নোৱাৰা। ই নদীৰ সোঁতৰ দৰে। ইয়াক বৈ যাবলৈ দিব লাগে।*

*জোৰকৈ ধৰি ৰাখিব খুজিলে ই নদী হৈ নাথাকে, পুখুৰীহে হয়গৈ। তুমি নিশ্চয় বুজি পাইছা। তোমাক আজি মই ধৰি নৰখাৰ কাৰণেই তুমি আৰু মই অসাধাৰণ হৈ আছো, নহ'লে আমিও সাধাৰণ হৈ পৰিম। মই বিচাৰো তুমি সন্মুখলৈ চোৱা। অতীতক মনৰ মাজত ৰাখিবা কিন্তু অতীতৰ মাজত নিজকে হেৰুৱাই নেপেলাবা। অতীতক বুকুত লৈ তুমি যদি সন্মুখলৈ আগুৱাই যাব পাৰা তেতিয়াহে তোমাৰ প্ৰতি মোৰ ভালপোৱা সাৰ্থক হ'ব। আজি তুমি মোৰ বুকু উদং কৰি থৈ গৈছা। কিন্তু সেইবুলি মই দুখ নকৰো। তুমিও নকৰিবা। মোৰ প্ৰতি তোমাৰ যি ভালপোৱা সেইয়া সাৰ্থক কৰিবলৈ তুমি বেয়া পোৱা কামবোৰ নকৰি মই ভালদৰে থাকিলেই নহ'ব জানো? মনত ৰাখিবা, সন্মুখত ভৱিষ্যত আছে আৰু ভৱিষ্যত বৰ্তমানতকৈ বহুত সুন্দৰ। তোমাৰো ভৱিষ্যত সুন্দৰ হওঁক।*

*'চিন্ময়'।*

চিঠিখন ভাঁজ কৰি বৃষ্টিয়ে এপলক বাহিৰলৈ চাই ৰ'ল। চকুৰ পৰা দুটোপাল পানী আহি চিঠিৰ ওপৰত পৰিলহি। চিঠিখন পাৰ্চত ভৰাই থৈ তাই পেকেটটো খুলিলে। মুহূৰ্ততে তাইৰ চকুযুৰি তিৰবিৰাই উঠিল। এখন পট্ৰেইট। ফ্ৰেচাৰ্চত বৃষ্টিৰ চিংগল ফটো একপি তুলিছিল চিন্ময়ে। সেই ফটোখনেই আঁকিছে সি। বেক্‌গ্ৰাউণ্ডত সমুদ্ৰৰ গৰ্জন, বতাহত তাইৰ পাতল নীলা ৰঙৰ শাৰীৰ আঁচলৰ লগতে উন্মুক্ত চুলিকোচাও উৰিছে। চকুত আশাৰ জিলমিল, ওঁঠত সাফল্যৰ পাতল হাঁহি। ছবিখনৰ ওপৰৰ এটা কোণত চিন্ময়ে শ্যেলীৰ কবিতা দুশাৰী লিখি দিছে। বৃষ্টিৰ প্ৰিয় কবিতাৰ শাৰী - "If winter comes, can spring be far behind" তলৰ এটা কোণত চিন্ময়ৰ নাম। বৃষ্টিয়ে আকৌ বাহিৰলৈ চালে। বাহিৰত দুপৰৰ ৰ'দালি। অলপ আগলৈকে গধুৰ হৈ থকা তাইৰ বুকুখন পাতল পাতল লাগি গ'ল। বৃষ্টিয়ে মনতে আওৰালে, "Yes, after bad days, come good days".

❖❖❖

*২০০৪-০৫ চনত প্ৰকাশিত।*



# সেন্দুৰীয়া সপোন

দিপাংকৰ ফুকন

সাৰ পাই চকু মেলোতেই কুণমীৰ চকু পৰিল পঢ়া টেবুলৰ ওপৰত থৈ দিয়া মজলীয়া আকাৰৰ মাখন ৰঙৰ টেডী বিয়েৰটোৰ ওপৰত। তাই খৰধৰকৈ বিছনাত উঠি বহিল। কেৱল সেয়াই নহয়, টেডী বিয়েৰটোৰ কাষতে ধুনীয়াকাৰ্ড এখনো থিয় কৰাই থোৱা আছে। যোৱা নিশা শোৱাৰ আগলৈকেতো এইকেইটা নাছিল। ইমান ৰাতিপুৱাই ক'ৰপৰা সৰি পৰিলহি? তাইৰ ৰুমমেট মঞ্জু আৰু সোণালী ইতিমধ্যে হয়তো শুই উঠি হাত-মুখ ধুবলৈ গৈছে। তাহাঁত দুজনী অলপ সোনকালে উঠে। তাইৰহে সাতটা বাজে। কেতিয়াবা ঠাণ্ডা বেছিকৈ পৰিলে আঠ-ন বজালৈ এলাহতে লেপৰ উম এৰাই নহয়। কাৰ্ডখন পঢ়ি চোৱাতহে মনত পৰিল, আজি দেখোন তাইৰ জন্মদিন। তাই নিজকে এবাৰ নিজে 'উইচ্' কৰি ল'লে। ইজনী-সিজনীকৈ হোষ্টেলৰ আটাইবোৰৰ পৰাই তাই শুভেচ্ছা বুটলিলে লগতে ভালেমান কাৰ্ড আৰু উপহাৰো। কলেজতো লগৰ আৰু ডিপাৰ্টমেন্টৰ জুনিয়ৰবোৰৰ ফালে বহুবাৰ হাতখন আগঢ়াই দিবলগীয়া হ'ল। আচলতে তাইৰ অমায়িক আৰু মৰমীয়াল স্বভাৱৰ বাবে কলেজ, হোষ্টেল সকলোতে আটাইৰে প্ৰিয়। তাইৰ হাত খৰছৰ এটা মোটা অংক ভাগিল, পাৰ্টিৰ নামত। দিনটো কিন্তু তাইৰ অন্তৰে মনে মনে বিচাৰি ফুৰিলে তাকহে। আজি তাক কাষত পাবলৈ বৰ মন গৈছে আৰু আজিৰ দিনটোতো সি এবাৰো দেখা দিয়াহি নাই। আবেলি হোষ্টেলৰ কমন ৰুমত বহি চিনেমা চাই

আছিল তাই। টাইটানিকৰ সেই গানটো শুনি আৰু বেছিকৈ তালৈ মনত পৰিল তাইৰ। “এভৰি নাইট ইন মাই ড্ৰিমছ্.......” তেনেকুৱাতে 'Visitor's room' ৰ ফালৰ পৰা কোনোবা এজনীৰ চিঞৰ ভাঁহি আহে।

ঃ ৰুণুবা, অনুপমদা আহিছে।

দৌৰি যোৱাৰ দৰে তাই গৈ অনুপমৰ সন্মুখত থিয় দিয়েগৈ। কিন্তু তাক দেখিয়েই মনটো অভিমানেৰে ভৰি পৰিল।

ঃ এতিয়াহে মনত পৰিল নে? নহা হ'লেও হয়চোন।

ঃ মোৰ ডিউটিৰ কথা তুমিচোন জানাই। একেবাৰে এৰাব নোৱাৰা কাম কিছুমানত ফচি গ'লো। যেনেতেনে মেনেজ কৰিহে আহিছো।

কথা কেইটাৰ লগে লগে তাৰ সৰল মিচিকিয়া হাঁহিটোৱে মুখখন উজ্বলাই তুলিলে। এই হাঁহিটোৱে সদায় তাইৰ ক্ষোভ, বেদনা, অভিমান আতঁৰাই দিয়ে। তাই পুনৰ প্ৰেমত পৰিল এই হাঁহিটোৰ।

ঃ চাওঁ, সেইটো কি আনিছা?

ঃ Very Happy Birthday পেকেটতো আগবঢ়াই দি শুনা-নুশুনাকৈ কোমল মাতেৰে ক'লে সি, ঠিক প্ৰথমবাৰ 'মই তোমাক ভাল পাব পাৰোনে?' বুলি কোৱাৰ দৰে একেই সুৰতে। সেই মূহুৰ্ত্তকেইটাৰ কথা মনত পৰাত তাইৰ কিবা লাজ লাজ লাগি গ'ল।

পেকেটটো হাতত লৈ তাই খুলি চালে। কিতাপ পঢ়া আৰু উপহাৰ দিয়াটো অনুপমৰ চখ। এইবাৰ দিছে 'কাঞ্চন'। দুয়োটা বাটে বাটে খোজ কাঢ়িবলৈ ওলাই গ'ল। তাই যোৱা এসপ্তাহ ধৰি সাঁচি থোৱা বহুতো সৰু-ডাঙৰ কথা, ঘটনা তাৰ আগত বৰ্ণনা কৰি গ'ল। ভাল শ্ৰোতা হিচাপে বন্ধু বৰ্গৰ মাজত অনুপমৰ নাম আছে। ভাল শ্ৰোতা হ'বলৈও বোলে একোখন বহল হৃদয়ৰ প্ৰয়োজন। মাজে মাজে আৰু ঘূৰি আহোঁতে শেষলৈ তাহাঁতৰ মাজত নীৰৱতা বিৰাজ কৰিলে। এজন মানুহ অকলে নীৰৱে থকা আৰু দুজন মানুহে একেলগে নীৰৱে থকাৰ মাজত অনেক পাৰ্থক্য। বুকুৰ ঢপ্-ঢপনিবোৰেই যেন মনৰ ভাৱবোৰ উটুৱাই লৈ যায় ইজনৰ পৰা সিজনলৈ। সিহঁতৰ এই দুবছৰীয়া ভালপোৱাত এই নীৰৱ মুহুৰ্ত্তবোৰৰ বেছ অৱদান আছে।

প্ৰায় আঢ়ৈ বছৰৰ আগেয়ে যেতিয়া এইখন কলেজত প্ৰথম ভৰি দিছিল, তাৰ দ্বিতীয় দিনাই তাই আৰু বৰ্ণালীক তিনি নম্বৰ ৰুমলৈ মাতি নিছিল কেইজনমান ছিনিয়ৰ ল'ৰাই। তাহাঁতৰ চিনাকি লোৱাৰ পাছতে বিভিন্ন অবান্তৰ আৰু কামোৰ প্ৰশ্ন এসোপা মাৰি পঠালে তাহাঁতলৈ। তাৰ পিছত গান গোৱা আৰু নচাৰ পৰ্ব।



তাহাঁত দুজনীয়ে অমায়িকভাৱে প্ৰশ্নবোৰৰ যথাযথ আৰু যৎপৰোনাস্তি শুদ্ধ উত্তৰ দিবলৈ চেষ্টা কৰিলে। তাহাঁতৰ ব্যৱহাৰত মুগ্ধ হৈ আটাইকেইজনে দুয়োজনীক ভন্টি পাতিলে। পাছলৈ ৰঞ্জিতদা, অমনদাহঁতৰ এই গ্ৰুপটোৰ প্ৰায়ভাগৰ লগতে তাহাঁতৰ আত্মীয়তা গঢ় লৈ উঠিল। এই গ্ৰুপটোৱে এজন সদস্য আছিল অনুপম সোণোৱাল। ৰঞ্জিতদায়ে চিনাকি কৰাই দিছিল। অলপ কম কথা কোৱা, স্ফুৰ্ত্তিবাজ কিন্তু বেছ ভদ্ৰ। প্ৰথম লগ পোৱাৰে পৰা ল'ৰাজনৰ ব্যক্তিত্বই তাইক আকৃষ্ট কৰিছিল। লগতে তাইৰ চকুৱেও তাক কেইবাবাৰো ধৰা পেলাইছিল আলেঙে তাইলৈ চাই থকা অৱস্থাত। অৱশেষত কেইমাহমানৰ পাছতে সেই দিনটো আহিছিল। সঁচা ভালপোৱা লৈ প্ৰথম কোনোবা তাইৰ জীৱনলৈ অহা দিনটো। সাংঘাটিক ধুনীয়া নহ'লেও অনুপমৰ আকৰ্ষণীয় চেহেৰা, দৈহিক গঠন আৰু ব্যক্তিত্ব তাইৰ ৰূপৰ লগত বেছ শুৱাইছিল আৰু এই জাতীয় প্ৰশংসা তাই প্ৰায়ে শুনিবলৈ পাইছিল লগৰবোৰৰ পৰা। দুয়োজনে কলেজৰ অফ পিৰিয়ডবোৰ ক্লাছৰুম, বাৰাণ্ডা আৰু কেতিয়াবা পাৰ্কতো কটাইছিল। কত যে কিমান কথা নোলাইছিল, কত যে মান-অভিমান, আৱেগ সনা সেই নীৰৱ মূহুৰ্ত্তবোৰ। কিন্তু বেছিদিন দীৰ্ঘস্থায়ী নহ'ল সেই মৰম সিঁচা দিনবোৰ। স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষা দি উঠি অনুপম যাবলৈ বাধ্য হ'ল গাঁৱৰ ঘৰলৈ। তাইৰ অকলশৰীয়া মুহুৰ্ত্তবোৰ হুমুনিয়াহে গধূৰ কৰি পেলায়। সেমেকা চকুৰে তিয়াই দিয়ে দীঘলীয়া উজাগৰী নিশাবোৰ। তাৰ মাজতো কলীয়া ডাৱৰ ফালি বেলিৰ পোহৰে ভুমুকি মৰাদি অনুপম আহে মাহেকে-পষেকে। তাৰ ঘৰ ঢলা অঞ্চলৰ এখনি গাঁৱত। কৃষিজীৱী ঘৰখনত মাক-দেউতাকৰ উপৰিও আছে দুজন ককায়েক আৰু ভায়েক-ভনীয়েক। ডাঙৰজনে বিয়া পাতিলে, এটি ল'ৰাও আছে। সৰুটো ককায়েকেও সৰু-সুৰা চাকৰি এটা পাই এতিয়া বিয়া পাতি ডুমডুমাত থাকে। গতিকে অনুপমে পৰীক্ষাত ভাল ফলাফল দেখুৱালেও উচ্চ শিক্ষা দিয়াবলৈ ঘৰখনৰ সামৰ্থ নাই। অগত্যা সি অনা নিবনুৱাৰ দৰে চাকৰি বিচৰাতে নিমগ্ন হ'ল। আনহাতে ৰুণুৰ দেউতাক অইলৰ ইঞ্জিনীয়াৰ। পত্নীসহ থাকে দুলিয়াজানত। ডাঙৰটো ল'ৰা বাংগালোৰত। চফট্ৱেৰ ইঞ্জিনিয়াৰিং পঢ়িবলৈ পঠাইছিল। পাছ কৰি চাকৰি পাই মাক-দেউতাকৰ সম্পূৰ্ণ অমতত তাৰে ছোৱালী এজনী বিয়া কৰাই ঘৰ বিমুখ হয়। মাক-দেউতাকে সৰু জীয়েকক চকুৰ বেছি আঁতৰ নকৰো বুলি তিনিচুকীয়া কলেজত নামভৰ্ত্তি কৰি দিয়ে।

তিনিমাহমান আগেয়ে অনুপমে প্ৰাইভেট কোম্পানী এটাত মূৰটো গুজিবলৈ সুবিধা পায়। এতিয়া সি তিনিচুকীয়াতে। ব্যস্ততাৰ ফাকে ফাকে সময় উলিয়াই

ৰুণুক লগ ধৰে। তাৰ কান্ধত এতিয়া ভায়েক-ভনীয়েকৰ পঢ়া, বিয়াৰ দায়িত্বৰ বোজা। ইফালে দৰমহাও কম। ভৱিষ্যতৰ কথা দকৈ চিন্তা কৰিবলৈকো ভয় লাগে তাৰ। দৰমহাৰ আধা ধন ঘৰলৈ পঠাই বাকীখিনিৰে পেটটো পুহিবহে পাৰিছে। সঞ্চয়ৰ প্ৰশ্ন নুঠে। ভাল চাকৰিও পাবলৈ নাই। ৰুণুৰ ঘৰখন তাতকৈ আৰ্থিকভাৱে বহুগুণে স্বচ্ছল। তাতে জাত-পাতৰ কথা এটাও আছে। তাইৰ পৰাই সি গম পাইছে মাক-দেউতাক, বিশেষকৈ ৰুণুৰ দেউতাক এইবোৰ ক্ষেত্ৰত গোড়া ব্ৰাহ্মণ। উচ্চ শিক্ষিতা আৰু ধুনীয়া হোৱা স্বত্বেও এনেবোৰ কাৰণতে মাক-দেউতাকে বোৱাৰীক আঁকোৱালি লোৱা নাই। অৱশ্যে ৰুণুৰ ভালপোৱাত তাৰ অকণো দ্বিধা নাই। তাই আনবোৰ ছোৱালীতকৈ পৃথক। এবাৰ সি এই ভয় প্ৰকাশ কৰি তাহাঁতৰ সম্বন্ধৰ শেষ কৰা কথা কবলৈহে পালে, তাই মুখেৰে একো কবলগা নহ'ল। তাইৰ চকুৰ পানীৰে তাৰ বুকুখন তেনেই তিয়াই পোলালে। তাৰপিছত তাইৰ মুখলৈ হাঁহি আনিবলৈ বহু কষ্ট কৰিবলগা হ'ল। তেতিয়াই সি সেই চিন্তা বাদ দিলে।

তাইৰ পৰাই সি খবৰ পাই থাকে। ভালেমান ভাল বিয়াৰ প্ৰস্তাৱ হেনো তাইৰ ঘৰলৈ আহি আছে। পঢ়াৰ অজুহাত দেখুৱাই তাই সকলোবোৰ না কৰি দিছে। কিন্তু তাইৰ ফাইনেল পৰীক্ষালৈ দুমাহমানহে থকাৰ পৰিপ্ৰেক্ষিতত নাই কমেও আঙুঠি পিন্ধাই থবলৈকে মাকহঁতে তাইক জোৰ দিছে। দেউতাকৰ বিভাগৰে ডেকা ইঞ্জিনিয়াৰ এজন যোৱা দেওবাৰে চিনাকি হ'বলৈ হোষ্টেললৈ পঠায়ো দিছিল বোলে। খুব সম্ভৱ তাহাঁতৰ সম্পৰ্কৰ কথা কিবা প্ৰকাৰে গৈ ৰুণুৰ মাক-দেউতাকৰ কাণত পৰিছে।

আনহাতে দুমাহমান আগেয়ে অনুপমে গুৱাহাটীত দি অহা এ. এচ. ই. বি. ৰ 'Assistant Accountant Officer' পষ্টটো ৰিটেন টেষ্ট পাছ কৰাৰ খবৰ দিয়াৰ চিঠিখন পৰহি তাৰ হাতত পৰিছেহি। এই সপ্তাহতে শনিবাৰে আকৌ মাতিছে অৰেল আৰু মেডিকেল টেষ্টৰ ফাইনেল ইন্টাৰভিউলৈ। এই দুদিন তাৰ মনটো ফৰকাল হৈ আছে। যাহওক, যেনে-তেনে এই চাকৰিটো কমখন কষ্ট কৰা নাছিল। শনিবাৰে ৰাতিপুৱাতে ইন্টাৰভিউ যেতিয়া শুকুৰবাৰে ডে' চুপাৰতে গুচি যাব লাগিব। টকাও লাগে ভালেখিনি। লগৰ কেইটামানৰ পৰাই ধাৰলৈ অলপ টকা ল'লে সি।

এই সপ্তাহটোত ৰুণুৰ মনটো তেনেই খেলিমেলি। যোৱা দেওবাৰে ইঞ্জিনিয়াৰ এজন মাক-দেউতাকে হোষ্টেললৈ পঠাই দিছিল। কথাটো অৱশ্যে আগতীয়াকৈ মাকে তাইক ফোনত জনাইছিল। ভিজিটৰ অহা বুলি শুনি তাই বাহিৰলৈ ওলাই আহিল।



ঃ'আপুনি মোক বিচাৰিছে?'

ঃ'আপুনি ৰুণুমী বৰঠাকুৰ নহয়নে?'

ঃ 'হয়।'

ঃ 'মই নীলোৎপল শৰ্মা। হয়তো আন্টিয়ে ফোনত আপোনাক সকলো কথা জনাইছেই। মোক আপোনাৰ খবৰ লবলৈ কৈছে।'

ঃ 'মোৰ ভালেই, মাক জনাই দিব'- তাইৰ নীৰস উত্তৰ।

ঃ 'হয়তো আপোনাৰ মুড ভাল নহয়। বেয়া নাপায় যদি বলক আপোনাৰ ঘৰৰ পৰাই অহা যাওক। আন্টি-আংকলকো লগ পাব, অলপ ফুৰাও হ'ব।'

তাৰ কথা শুনি নিজৰ প্ৰতিয়ে লাজ লাগিল তাইৰ। ছেঃ অচিনাকি মানুহজনৰ প্ৰতি কেনে অভদ্ৰ আচৰণ কৰিছে বাৰু তাই।

ঃ 'ভাল বাৰু। কিন্তু আপুনি মোক অলপ সময় দিব লাগিব, ৰেডি হবলৈ।' এইবাৰ মাতটো অলপ কোমল কৰি ক'লে তাই।

ঃ 'ঠিক আছে আপুনি ৰেডি হৈ আহক, মই ইয়াতে বহিছো।'

ঃ 'আপুনি বয়সত মোতকৈ ডাঙৰ হ'ব। গতিকে মোক তুমি বুলিয়েই সম্বোধন কৰিব।'

ঃ 'অ'কে, সেয়াই হওক।

পোন্ধৰ- বিশ মিনিটত তাই গা-পা ধুই ওলাই আহিল। পাতল গোলপীয়া ৰঙৰ চুৰিদাৰযোৰ, মেলা দীঘল চুলিকোছা আৰু পাতল প্ৰসাধনৰ মাজেৰে তাইৰ অপৰূপ সৌন্দৰ্য ফুটি উঠিছে। কেইছেকেণ্ডমান অপলক দৃষ্টিৰে তাইলৈ চাই ৰ'ল নীলোৎপলে। অৱশ্যে সৌন্দৰ্যৰ ক্ষেত্ৰত সিও বৰ পিছপৰা নহয়। হৃষ্ট-পুষ্ট দেহ আৰু গোল মৰম লগা চেহেৰাৰ অধিকাৰী সি। তাৰ নতুন এলট' খনত দুয়ো বহি পৰিল। বাটত ৰুণুমীয়ে গাম্ভীৰ্যতা আৰু নিৰ্দিষ্ট দূৰত্ব বজাই ৰাখিল কেৱল ৰুটিন মাফিক কথাখিনিহে পতা হ'ল সিহঁতৰ। ঘৰ পাই তাই মাকক সহায় কৰিবলৈ পাকঘৰত সোমাল।

ঃ 'মা, তোমালোককচোন মই কৈছিলোৱেই এতিয়াই বিয়াত নোসোমাও বুলি। এইবোৰ আকৌ মোৰ ডিঙিত কিয় লগাইছা'?

ঃ 'উৰা, এদিন নহয় এদিনতো তোক এখন ঘৰলৈ উলিয়াই দিবই লাগিব। তাতে এনেকুৱা ভাল ল'ৰা বাৰে বাৰে পোৱা নাযায়। আৰু আমিতো কোৱা নাই আজি বিয়া সোমা বুলি। অহা দেওবাৰে দৰাঘৰ আহিব আঙুঠি পিন্ধাবলৈ। আঙুঠিটোকে পিন্ধি থ'চোন। তোৰ ফাইনেল পৰীক্ষাৰ পিছতহে বিয়াখন পতা হ'ব।'

ঃ 'নালাগে, এতিয়াই মই বিয়াত নবহো। গ্রেজুৱেচন সম্পূৰ্ণ হ'লে মই মাষ্টাৰ ডিগ্ৰী কৰিম।'

ঃ 'কৰিবি আক'। বিয়াৰ পাছতো পঢ়িব পাৰিবি। নীলেও সন্মতি দিছে।'

ঃ 'ইহ, তুমি ক'লেই হ'ব নেকি? বিয়াৰ পাছত কিমান ঝামেলা মই নাজানো নেকি? পঢ়িবলৈ সময় ক'ত হ'ব? আৰু মাষ্টাৰ ডিগ্ৰী কৰা ইমান সহজ নহয়।'

ঃ'কিয়, জুনু বাইদেৱেৰে দেখোন তেনেকৈয়ে কৰি আছে। তৰুণদাৰ বৌৱেও দেখোন তেনেকৈয়ে এম. এ. পাছ কৰিলে।'

ঃ 'আৰ্টছৰ কথা বেলেগ। চায়েন্সত তেনেকৈ নোৱাৰি।'

ঃ 'হ'ব, তোৰ আচল মতলব কি আমাৰ জানিবলৈ বাকী নাই। ক্লাচ নকৰি কাৰ লগত গা ঘেলাই ঘূৰি ফুৰ? কলেজীয়া জীৱনত সেইবোৰ বহুতৰে থাকে কিন্তু ইমান গভীৰভাৱে লোৱাৰ কোনো প্ৰয়োজন নাই। তাতে সেই ল'ৰাটোৰ এইখন ঘৰৰ লগত সম্বন্ধ গঢ়াৰ অকণো যোগ্যতা নাই।' মাকৰ মাতটো কঠোৰ হৈ পৰিল।

ঃ' তোমালোকে সকলো কথা জানাই যেতিয়া এইবোৰ কথানো কিয় বঢ়াইছা? চোৱা মা, অনুপম ল'ৰাটো খুউব ভাল। আৰ্থিক ক্ষেত্ৰত তাহাঁতৰ ঘৰখন আমাৰ সমকক্ষ নহব পাৰে কিন্তু স্বভাৱ-চৰিত্ৰ আৰু শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত তাক আপত্তি কৰিবলগা একো কথা নাই। বাকী থাকিল জাত-পাতৰ কথা। আজিৰ আধুনিক সমাজত এনেবোৰ কথা তেনেই অবান্তৰ। বিশেষকৈ আমাৰ শিক্ষিত সমাজত তেনে কথাই মুঠেই শোভা নাপায়। তাতকৈ ডাঙৰ কথা হ'ল মই তাক প্ৰাণভৰি ভাল পাওঁ আৰু তাৰ বাহিৰে আনৰ লগত কেতিয়াও সুখী হ'ব নোৱাৰিম। আৰু তাৰ যোগ্যতাৰে সি আজি নহয় কালিলৈ নিশ্চয় ভাল চাকৰি এটা যোগাৰ কৰি লব। মোকনো আৰু কি লাগিছে সুখী হ'বলৈ? দুবেলা দুসাজ ভাত, পিন্ধিবলৈ এসাজ কাপোৰ আৰু তাৰ সান্নিধ্য, বচ্।' তাই মাকক বুজাবলৈ চেষ্টা কৰিলে।

ঃ 'এনেবোৰ কথা কিতাপ বা চিনেমাতহে ভাল গালে। চা মাজনী, আমিও এটা জীৱন লৈ আহিছো। তোৰ বয়সটোও পাৰ কৰি আহিছো। মই জানো তই বৰ জেদী। কিন্তু আমি তোক যি ধৰণে আলাসত তুলি-তালি ডাঙৰ দীঘল কৰিছো, আগলৈ সেই সা-সুবিধাবোৰ নালাগে, অভাৱ-অনাটনত পৰিলে তোৰ বৰ কষ্ট হ'ব। তাতে আমাৰ এখন সমাজ আছে, মান-সন্মান, বংশ-পৰিয়াল আছে। তোৰ দাদাৰে যি কৰিলে তয়ো যদি সেই বাটকে লৱ আমাৰ সন্মানটো ক'ত থাকিব? তোক লৈয়েই আমাৰ আশা। তয়ো যদি তেনে কৰ দেউতাৰে জানো অন্তৰত কম আঘাত পাব? তই ভালকৈ চিন্তা কৰি চাচোন।'



ঃ'দাদাইতো নবৌক লৈ স্বইচ্ছাই আঁতৰি থকা নাই। দেউতাইহে বাধা দিছে আহিবলৈ। মা, তোমালোকে বাস্তৱক গ্ৰহণ কৰিবলৈ শিকা। তথাপিও কথাটো মই আকৌ এবাৰ চিন্তা কৰি চাম। কিন্তু মই নোকোৱালৈকে তোমালোকে একো আগ.........'

তেনেতে দেউতাকে তাইক মতাত মাকৰ লগত তাইৰ আলোচনা সিমানতে ইতি পৰিল। আবেলি নীলোৎপলে গাড়ীত আকৌ তিনিচুকীয়াত থৈ গ'লহি। ল'ৰাটো বেছ ৰসকি কিন্তু ভদ্ৰ। সি তাইৰ লগত বন্ধুত্ব কৰিহে এৰিলে।

এইকেইদিন তাই একোতে মন বহাব পৰা নাই। এফালে তাইৰ প্ৰেম, ভালপোৱা আৰু আনফালে মাক-দেউতাকৰ প্ৰতি দায়িত্ববোধ। মানসিক অন্তৰ্দ্বন্দ্বত তাই কোঙা হৈ পৰিছে। হাঁহিবলৈকো যেন এক প্ৰকাৰ পাহৰিয়েই পেলাইছে ৰুমমেট মঞ্জুৰ লগত গভীৰ নিশালৈকে আলোচনা কৰে। শুৱলৈ গৈও চকুলোৰে গাৰুহে তিয়ায়। সিদিনা তাই বাংগালোৰৰ ককায়েকলৈও ফোন কৰিছিল। সকলো শুনি স্বাধীনচিতিয়া ককায়েকেও তাইক মনত একো বোজা নাৰাখি এটা নিৰ্দ্দিষ্ট সিদ্ধান্ত ল'বলৈকে উপদেশ দিয়ে। অনুপমৰ মেচৰ ওচৰতে থকা কলেজৰ বন্ধু এজনৰ বন্ধু হতুৱাইও তাই তাক মতাই পঠালে যদিও সি আহিব নোৱাৰিলে। সন্ধিয়া তাইৰ ম'বাইললৈ সি ফোনকৰাত তাই সকলো বিৱৰি ক'লে। তাৰপৰা তাই এইটোও গম পালে যে শনিবাৰে তাৰ ইন্টাৰভিউ আছে আৰু চাকৰি হোৱাৰ নব্বৈ শতাংশই সম্ভাৱনা আছে। খবৰটোৱে তাইক ভালেখিনি সকাহ দিলে। অনুপমৰ এটা ভাল চাকৰি নোহোৱাটোৱে তাইক বেচ খেলিমেলিত পেলাইছিল। এতিয়া এটা সিদ্ধান্ত লবলৈ তাইৰ সুবিধা হ'ব।

পিচদিনা তাই ঘৰলৈ ফোন কৰিলে-

ঃ'হেল্ল'!

ঃ'হেল্ল' দেউতা, ভালনে তোমাৰ? মা আছেনে ঘৰত'?

ঃ'অ' মাজনী, আমাৰ ভালেই। মা বৰুৱানী আন্টিৰ লগত বজাৰলৈ গৈছে। সিদিনা মায়ে তোমাৰ কথা কিছুমান ক'লে। মই কিন্তু সেইবোৰ কথা মুঠেই ভাল পোৱা নাই। দেওবাৰে সন্ধিয়া নীলোৎপলৰ লগত তোমাৰ থূল-মূল 'ৰিং চেৰিমনি' এৰেঞ্জ কৰা হৈছে। তোমাৰ ক্লাচবোৰো শেষ হৈছে। গতিকে শনিবাৰে আবেলি মই গৈ তোমাক একেবাৰে ঘৰলৈ লৈ আহিম।' দেউতাকৰ গহীন মাতটো ভাঁহি আহিল।

ঃ'কিন্তু দেউতা, মইতো মাক কৈছিলোৱেই মোক নোসোধাকৈ একো

আগ নাবাঢ়িবলৈ। আৰু মইতো সিদ্ধান্ত লৈছো......'।

ঃ'সেইবোৰ মই শুনিব নিবিচাৰো। মই নাভাৱো এইবোৰ সিদ্ধান্ত মই তোমাক সুধি লব লাগিব।'

ঃ'কিন্তু দেউতা ইমান সোনকালে! শনিবাৰেতো কলেজত আমাৰ 'ফেয়াৰৱেল' আছে। সৰুৰে পৰা দেউতাকলৈ থকা সমীহ ভাৱটোৰ বাবে তাই প্ৰতিবাদ জনাব নোৱাৰিলে।'

ঃ'ঠিক আছে তেনেহলে, দেওবাৰে আগবেলাতে মই গৈ তোমাক লৈ আহিম।'

মাক-দেউতাকৰ প্ৰতি তাইৰ ভীষণ অভিমান হ'ল। তাইৰ জীৱনৰ ইমান এটা ডাঙৰ সিদ্ধান্ত লোৱা হ'ল অথচ তাইৰ সন্মতিৰ প্ৰয়োজনবোধ কৰা নহ'ল। মনৰ মাজত জেদ ভাৱটোৱে মূৰ দাঙি উঠিল। তাই কৰ্ত্তব্য আৰু আকাংক্ষাৰ আলি দোমোজাত দোধোৰ-মোধোৰ অৱস্থাত থিয় হৈ ৰ'ল। সন্ধিয়া আন্ধাৰ নামি আহিছে, লাহে লাহে একো নমনা হ'ল। এখোজ-দুখোজকৈ তাই হোষ্টেলৰ ভিতৰ সোমালহি। কালিলৈ ৰাতিপুৱাই অনুপম বাচত উঠাৰ কথা। তাকো লগ পোৱা এতিয়া সম্ভৱ নহয়।

ইন্টাৰভিউ বুলি অনুপমে যেনেকৈ ভয় খাইছিল তেনে একো নাই। দুটামান প্ৰশ্ন আৰু মূলতঃ কাগজ-পত্ৰবোৰ পৰীক্ষা কৰা। একেবাৰে এপইন্টমেন্ট লেটাৰখন লৈ সি নাইট চুপাৰত উঠি দিলে। মনটো বেছ পাতল লাগিল। যাহওঁক, দৰমহা-পাতি ভাল যেতিয়া দায়িত্ববোৰৰ ভাৰ এতিয়া সি ভালদৰে লব পাৰিব। ৰুণুলৈ মনত পৰিল তাৰ। ক'লা আইনাৰ মাজেৰে বাহিৰৰ কুঁৱলীয়ে মায়াময় কৰা চলন্ত জোনাকবোৰলৈ সি চাই পঠিয়ালে। প্ৰায়ে ভাৱে সি, সি বাৰু ৰুণুক সুখী কৰিব পাৰিবনে? তাৰ অভাৱ-অনাটনেৰে ভৰা জীৱনত তাইৰ সপোনবোৰে পাখি মেলিব পাৰিবনে? তাৰ উপস্থিতিয়ে তাইক বাৰু আন যোগ্য পুৰুষৰ সান্নিধ্যৰ পৰা বঞ্চিত কৰা নাইতো। কব নোৱাৰাকৈয়ে সি ভাৱৰ সাগৰত ডুব যায়।

যোৱানিশা অনুপমহঁতৰ বাছখন জাগীৰোডৰ ওচৰত বেয়া হোৱাত অলপ পলমকৈ সি চাৰে চাৰি মান বজাত তিনিচুকীয়া পালেহি বাছৰ পৰা নামি ৰিক্সা এখনত উঠিবলৈ লওঁতেই কোনোৱাই তাক মতা যেন শুনি ঘূৰি চাই দেখে ৰঞ্জিত আৰু প্ৰশান্ত তাৰফালেই আহি আছে।

ঃ 'আৰে তহঁত! ৰাতিপুৱাই ক'ৰবালৈ যাৱ নেকি'? ৰঞ্জিতৰ ঘৰ তিনিচুকীয়াতে। প্ৰশান্তই তাৰদৰে মেচত থাকি প্ৰাইভেট স্কুল এখমত মাষ্টৰৰ চাকৰি কৰি আছে।



ঃ 'অঁতো! বিয়া খাবলৈ যাওঁ। ব'ল ব'ল। ৰঞ্জিতে ক'লে।'

ঃ 'বিয়া!! ক'ত? কাৰ?'

ঃ 'কাৰ হ'ব আৰু তোৰ। শিৱধামত কইনা ৰৈ আছে, সোনকালে ব'ল। ইতিমধ্যেই বহুত দেৰি হৈছে।'

ঃ 'মোৰ বিয়া?' ৰঞ্জিতৰ উত্তৰ শুনি সি মাথো চকুকেইটা বহল কৰি তালৈ ভেবা লাগি চাই ৰ'ল।

ৰঞ্জিতে হাঁহি হাঁহি কৈ গ'ল। কিদৰে ৰুণে তাৰ ম'বাইললৈ ফোন কৰি মাতি পঠায়, কিদৰে তাইৰ মাক-দেউতাকে তাইৰ অমতত জোৰ কৰি বিয়া দিব খুজিছে কিদৰে শেষত আটাইবোৰ লগত ল'ৰা-ছোৱালী মিলি এই সিদ্ধান্তলৈ আহি মন্দিৰত তাৰ অনুষ্টুপীয়া বিয়াখন যা-যোগাৰ কৰি পেলাইছে আৰু ৰাতিপুৱাৰে পৰা তাক বিচাৰি চলাথ কৰিছে।

ঃ 'কিন্তু তাৰ মাক-দেউতাকৰ অসন্মতিত আৰু মোৰ ঘৰখনৰ অজ্ঞাতে ইমান এটা ডাঙৰ পদক্ষেপ লোৱাটো জানো উচিত হ'ব?'

ঃ 'এই আটাইবোৰ কথা দকৈ আলোচনা কৰা হৈ গৈছে। কিন্তু এতিয়া সেইবোৰ পাগুলিবলৈ সময় নাই। ৰুণৰ দেউতাক আহি পোৱাৰ আগেয়ে সকলো সমাধা কৰিব লাগিব। তাইৰ যাৰ লগত বিয়া ঠিক কৰা হৈছিল তাক কথা জনোৱা হৈ গৈছে। সিও ৰাতিপুৱাৰে পৰা আহি লাগিভাগি দিছে। আচ্ছা, তোৰ ইন্টাৰভিউ কেনে হ'ল?'

ঃ 'এপইন্টমেন্ট লেটাৰ লৈ আহিছো।' বিজয়সূচক হাঁহি এটা তাৰ মুখত ফুটি উঠিল।

ঃ 'তেন্তে পলম কিহৰ? আজি ডবল পাৰ্টি হ'ব। ব'ল ব'ল সোনকালে।'

আজি ৰুণৰ বাবে পৰম সন্তুষ্টিৰ দিন। তাইৰ মনৰ মানুহজন আজি সম্পূৰ্ণ নিজৰ কৰি পালে। তাকো বৰ অভাৱনীয়ভাৱে। সকলোৱে মিলি বিভিন্ন ধৰণে বুজনি দিয়াত অৱশেষত দেউতাকেও তাহাঁত দুয়োকে আৰ্শীবাদ দি গৈছে। ইতিমধ্যে মাককো ফোনতে তাই সৈমান কৰাইছে। ককায়েকেও কালিয়েই তাইৰ সিদ্ধান্তত সন্মতি দিছিল। অহা সপ্তাহত দুলিয়াজানত পাৰ্টি দিয়াৰ কথা দেউতাকে কৈ গৈছে। এইবাৰ ককায়েককো ঘৰলৈ মাতি পঠাব বোলে।

নিশা যথেষ্ট হ'ল। অলপ আগেয়েহে সকলোবোৰ ঘৰাঘৰি গৈছে। অনুপমৰ দুকঠলীয়া সৰু মেচটোৰ শেষৰ যাৱতীয় কামখিনি তাই কৰি ল'লে। মূৰ তুলি চোৱাত দেখে অনুপমৰ আৱেগসনা দুচকুৱে তাইৰ ফালে চাই আছে। চাৰি চকুৰ

মিলন ঘটিল। কিন্তু কিয়জানো আজি তাইৰ বৰ লাজ লাগিল। অনুপমৰ দুবাহুত নিজকে সপি দি, তাৰ বুকুত মুখখন লুকুৱাবলৈ তাই চেষ্টা কৰিলে। চকু দুটা জাপ খাই আহিল। কিন্তু আজি আন্ধাৰ নহ'ল। কিবা অজান আভাই যেন গোটেইখন পোহৰাই পেলালে আৰু তাৰ মাজত ফুটি উঠিল এখন এখনকৈ তাইৰ সপোনৰ ছবি, সেন্দুৰীয়া সপোনৰ।

❖❖❖

---

*২০০৪- ০৫ চনত প্ৰকাশিত।*



# স্মৃতিভ্ৰংশ

(সত্যজিত ৰায়ৰ মূল বাংলা গল্প 'বিপিন চৌধুৰীৰ স্মৃতিভ্ৰম'ৰ অসমীয়া ৰূপ)

ৰূপান্তৰ ঃ নৱনীতা গগৈ

প্ৰতি সোমবাৰে অফিচৰ পৰা ঘৰলৈ ঘূৰি আহোতে কেইখনমান কিতাপ কিনি অনাটো বিপিন চৌধুৰীৰ পুৰণি অভ্যাস। ডিটেক্‌টিভ গল্প, ভূতৰ গল্প আদি একেলগে অন্ততঃ পাঁচখনমান কিতাপ কিনিলেহে তেওঁৰ সপ্তাহটোৰ খোৰাক যোগাৰ হয়। ঘৰত তেওঁ অকলেই থাকে। মানুহৰ লগত মিলা-মিছা কৰাটো তেওঁৰ স্বভাৱৰ ভিতৰত নপৰে। আড্ডা মৰাৰ অভ্যাস নাই। গতিকে বন্ধু-বান্ধৱৰ সংখ্যাও অতিশয় সীমিত। কেতিয়াবা গধূলি কিবা দৰকাৰত কোনোবা আহিলেও দৰকাৰী কথা পাতি শেষ হোৱাৰ লগে লগেই উঠি যায়। কোনোবাই যদি বেছিপৰ বহি থকাৰ উপক্ৰম কৰেও, ছাৰে আঠ বজাৰ লগে লগেই চৌধুৰীয়ে কৈ দিয়ে, 'মোক আক' ডাক্তৰে কাঢ়া নিৰ্দেশ দি থৈছে নহয়, চাৰে আঠ বজাত ভাত খাবই লাগিব। বেয়া নাপাব দেই'। খোৱা-বোৱা কৰি উঠি আধাঘন্টা ইফাল-সিফাল কৰি চৌধুৰী চিধাই বিচনাত উঠে। এই নিয়ম কিমান দিনৰ পৰা চলি আহিছে তেওঁ নিজেও নাজানে।

আজিও এয়া নিউ মাৰ্কেটৰ কালীচৰণৰ দোকানত কিতাপ খুচৰি থাকোতে হঠাতে চৌধুৰীৰ এনে লাগিল, যেন বহুসময়ৰ পৰা তেওঁৰ কাষতে কোনোবা এজন বৈ আছে। চাই দেখে, ঠিকেই। এজন থুলন্তৰ চেহেৰাৰ অমায়িক যেন লগা

ভদ্ৰলোকে তেওঁলৈকে চাই আছে।

'আপুনি মোক চিনি পোৱা নাই কিজানি?'

বিপিন চৌধুৰী অপ্ৰস্তুত হ'ল। এওঁৰ লগতনো কেতিয়া কথা পাতিলো, কেতিয়া চিনাকি হৈছিলো মই - এনে ভাব। এনেকুৱা এখন মুখ ক'ৰবাত কেতিয়াবা দেখা বুলি - কেতিয়াও মনত পৰা নাই দেখোন। চৌধুৰীয়ে মনে মনে ভাবিলে।

মানুহজনে আকৌ ক'লে, 'অৱশ্যে আপুনি বৰ ব্যস্ত মানুহ। নিতৌ কত মানুহক লগ পায়। মোক ছাগে পাহৰিবই পায়।'

এইবাৰ চৌধুৰীয়ে ক'লে, 'মই আপোনাক আগতে কেতিয়াবা লগ পাইছো জানো?'

মানুহজনে অবাক হৈ ক'লে, 'এদিন - দুদিন নহয়, সাতটা দিন আপোনাক ঘনিষ্ঠভাৱে লগ পাইছো মই। ময়ে দেখোন আপোনাক হুড্ৰো ফলচ্ চাবলৈ গাড়ী যোগাৰ কৰি দিছিলো। সেই যে নাইন্‌টিন্ ফিফ্‌টি এইটত? বাঁচিত? মনত পৰিছেনে? মই পৰিমল। পৰিমল ঘোষ।' বাঁচি?' চৌধুৰী এইবাৰ নিশ্চিত হ'ল যে, ভুল তেওঁৰ হোৱা নাই। এই মানুহজনৰহে কিবা খেলিমেলি হৈছে। কাৰণ, তেওঁ কোনোদিনে ৰাঁচিলৈ যোৱাই নাই। যোৱাৰ কথা কেইবাবাৰো ভাবিছে, কিন্তু অৱশেষত যোৱা হৈ উঠা নাই। চৌধুৰীয়ে মিচিকি হাঁহিৰে ক'লে, 'মই কোন আপুনি জানে জানো?'

মানুহজনৰ চকু যেন কপালতহে উঠিল। 'অ', কিয় নাজানিম বাৰু? বিপিন চৌধুৰীক চিনি পোৱাত মোৰ ভুল হ'বনে?'

চৌধুৰীয়ে কিতাপবোৰৰ ফালে চকু ঘূৰাই নি লাহেকৈ ক'লে, 'তথাপিও আপোনাৰ ভুল হৈছে। এনেকুৱা হয় কেতিয়াবা। মই কেতিয়াও ৰাঁচিলৈ যোৱাই নাই।'

মানুহজনে এইবাৰ সশব্দে হাঁহিলে। 'ৰসিকতা কৰিছে আপুনি। নিজৰা চাবলৈ গৈ পাহাৰত উজুটি খাই পৰি আপোনাৰ আঠুৰ এবখলা এৰাই গৈছিল। ময়ে আয়'ডিন সানি দিছিলো। পিছদিনা আপোনাৰ নেতাৰ হাটলৈ যোৱাৰ কথা আছিল - মই গাড়ী যোগাৰ কৰিছিলো। আপোনাৰ প্ৰচণ্ড আঁঠুৰ বিষ হোৱাত যাব নোৱাৰিলে। একো মনত পৰা নাইনে? আপোনাৰ চিনাকি মানুহ এজনো গৈছিল সেইকেইদিনতে ৰাঁচিলৈ। তেওঁৰ নাম আছিল দীনেশ মুখাৰ্জী। আপুনি এটা বাংলো ভাড়া কৰি আছিল। হোটেলৰ খানা আপুনি বেয়া পায় বাবে বাবুৰ্চীৰ হতুৱাই ৰন্ধোৱাই খাইছিল। মুখাৰ্জী আছিল ভনীয়েকৰ ঘৰত। এদিন আপোনালোক দুয়ো জোনলৈ যোৱাৰ কথা লৈ তৰ্ক কৰা নাছিল জানো? মনত নাই? চব পাহৰিলে? ৰ'ব আৰু



কওঁ। আপোনাৰ কান্ধত সদায় ওলমি থাকিছিল এটি বেগ। তাত গল্প, কিতাপ লৈ ফুৰিছিল আপুনি। ফুৰিবলৈ গ'লে যে লগত গল্প, কিতাপ লৈ যায় হয়নে নহয় বাৰু?'

চৌধুৰীয়ে এইবাৰ গম্ভীৰ হৈ সংযত মাতেৰে ক'লে, 'আপুনি ফিফ্‌টি এইটৰ কোন মাহৰ কথা কৈছে?'

ইজনে তপৰাই ক'লে, 'মহালয়াৰ পিছত। আহিন বা কাতি হ'ব।'

'হ'বই নোৱাৰে। সেইবাৰ পূজাত মই কানপুৰৰ এজন বন্ধুৰ ঘৰতহে আছিলো দেই। আপোনাৰ কিবা ভুল হৈছে। মাফ কৰিব। নমস্কাৰ।'

কিন্তু মানুহজন আঁতৰি নগ'ল। অবাক হৈ অপলক দৃষ্টিৰে বিপিন চৌধুৰীৰ ফালে চাই তেওঁ বিৰ্‌বিৰাই ক'লে, 'বৰ আচৰিত হ'লো দেই। এদিন আপোনাৰ লগত সেই বাংলোটোত একেলগে বহি চাহ খাই থাকোতে আপুনি কত কথা যে কৈছিল। আপোনাৰ পৰিয়ালৰ কথা, আপোনাৰ সন্তান নাই। বাৰ তেৰ বছৰমানৰ আগেয়ে পত্নীবিয়োগ ঘটিছে। আপোনাৰ একমাত্ৰ ভায়েকৰ মগজুৰ বিকাৰ আছিল। সেয়ে আপুনি পগলা ফাটেক চাবলৈ নাযায় বুলি কৈছিল। কাৰণ, ভাইটোৰ কথা মনত পৰি যায়।'

ইতিমধ্যে চৌধুৰীয়ে কিতাপৰ দাম দি দোকানৰ পৰা ওলাই অহাৰ উপক্ৰম কৰিছে আৰু মানুহজনে অবাক, সন্দিগ্ধ চাৱনিৰে চাই ৰৈছে তেওঁৰ ফালে।

বাৰ্ট্ৰাম ষ্ট্ৰীটৰ লাইটহাউচ চিনেমাঘৰৰ গাতে লগাকৈ পাৰ্ক কৰি থোৱা আছিল চৌধুৰীৰ বুইক গাড়ীখন, তেওঁ গাড়ীত উঠি ড্ৰাইভাৰক ক'লে, 'অকণমান গংগাৰ পাৰলৈ ব'লাচোন সীতাৰাম।'

গাড়ী চলিবলৈ ধৰিলে। চৌধুৰীৰ মূৰে-মুখে বতাহ লাগিছে। অলপ সতেজ যেন লাগিল তেওঁৰ। বাহিৰলৈ চাই চাই তেওঁ ভাবিবলৈ ধৰিলে, 'সেই ভণ্ডটোৰ লগত কথাপাতি মিছাতে মোৰ বহুত সময় নষ্ট কৰিলো। ৰাঁচিলৈ মই কেতিয়াও যোৱাই নাই। নাই, মুঠেও যোৱা নাই। মাত্ৰ ছয়-সাত বছৰৰ আগৰ কথা মানুহে ইমান সহজে পাহৰি যাবনে? অৱশ্যে যদি....'

চৌধুৰীৰ মূৰটো দুচিন্তাত আচন্দ্ৰাই কৰি উঠিল। কিজানি তেওঁৰ মগজুৰ কিবা বিকাৰ হ'বলৈ লৈছে। ঠিকতো নাই। 'ফেমিলিডিজিজ্'। কিন্তু, তেওঁটো অফিচৰ ইমান গুৰুত্বপূৰ্ণ কামবোৰ ঠিকেই কৰি আছে। ইমান ডাঙৰ অফিচ, ইমান ডাঙৰ ব্যৱসায় তেওঁৰ। তেওঁৰ কামত ক'ৰবাত কেতিয়াবা খুঁত ওলাইছে বুলি কোনেও ক'ব নোৱাৰে। আজিও এখন ইমান গুৰুত্বপূৰ্ণ জৰুৰী মিটিঙত তেওঁ

আধাঘন্টা বক্তৃতা দি আহিছে। অথচ।

সেই মানুহটোৱে মোৰ ইমানবোৰ খবৰ পায় কেনেকৈ? একেবাৰে নাড়ী-নক্ষত্ৰ সকলো জানে। কিতাপৰ বেগ, পত্নীৰ মৃত্যু, ভাইটোৰ অসুখ। মাত্ৰ ৰাঁচিৰ কথা কৈহে ভুল কৰিলে মানুহটোৱে। আঠাৱন্ন চনৰ পূজাত মই ৰাঁচিলৈ কেতিয়াও যোৱা নাই। গৈছিলো কানপুৰলৈ। বন্ধু হৰিদাস বাগচীৰ ঘৰলৈ। হৰিদাসলৈ চিঠিকে লিখো নেকি? অঃ হৰিদাসলৈ চিঠি লিখাৰ কোনো উপায় নাই। ব্যৱসায় সংক্ৰান্তীয় কামত হৰিদাস সপত্নীসহ জাপানত আছেগৈ। জাপানৰ ঠিকনাটো মোৰ তাত নাই। গতিকে চিঠি লিখি প্ৰমাণ অনাৰ ৰাস্তা বন্ধ।

কিন্তু প্ৰমাণৰেই বা কি প্ৰয়োজন? এনেকুৱা যদি হ'লহেঁতেন যে আঠাৱন্ন চনৰ আহিন মাহত ৰাঁচিত হোৱা কোনো মাৰ্ডাৰৰ মামলাত পুলিচে চৌধুৰীক জেৰা কৰিব খুজিছে, তেতিয়া যেনে তেনে হৰিদাসৰ পৰা চিঠি এখন প্ৰমাণ হিচাবে আনিবই লাগিলেহেঁতেন। এতিয়া আক' প্ৰমাণৰ কি দৰকাৰ? মই কিয় এই কথাটো ইমান চিৰিয়াচ্‌লি লৈছো? মই নিজেই জানো মই ৰাঁচিলৈ যোৱা নাই। বচ্‌। লেঠা শেষ।

গংগাৰ পাৰত বতাহ বলিছিল অহৰহ। বিপিন চৌধুৰীৰ যেন মূৰৰ ভিতৰলৈকে ঠাণ্ডা বতাহে স্পৰ্শ কৰিছিল। কিন্তু কিবা এটা নামহীন অদ্ভুত অনুভৱ, অস্বস্তি, খালি খালি ভাব এটা, যাৰ পৰা তেওঁ এক মুহূৰ্তৰ বাবেও মুক্তি পোৱা নাই।

কিছুসময় উচ্‌পিচাই থাকি এইবাৰ তেওঁ পেন্টটো কোঁচাই সোঁ আঁঠুটো চালে। এটা প্ৰায় এক ইঞ্চি দীঘল গভীৰ কটা দাগ। সেইটো কেতিয়া, কেনেকৈ হৈছিল তেওঁৰ কোনোপধ্যেই মনত নপৰিল। বোধহয় ল'ৰাকালতে কেতিয়াবা দুখ পোৱাৰ দাগ। সঠিকভাবে তেওঁ একোৱেই মনত পেলাব নোৱাৰিলে।

গাড়ীয়ে টাৰ্নিং ল'লে।

দীনেশ মুখাৰ্জীৰ কথা কৈছিল মানুহটোৱে। ৰাঁচিলৈ হেনো তেতিয়া দীনেশো গৈছিল। বাৰু দীনেশকে সুধি চালে কেনে হয়? তেওঁ এইখিনিতে থাকে। এতিয়াই যোৱা হওক নেকি তেওঁৰ ঘৰলৈ। কিন্তু ৰাঁচি প্ৰসঙ্গটো মিছা হয় যদি, তেনেহ'লে দীনেশক এই বিষয়ে সুধিবলৈ গ'লেই পাগল বুলিহে ভাবিব। নাই নাই এইটো কৰা নাযাব। উপযাচি নিজকে আনৰ আগত বুৰ্বক সজাবলৈ চৌধুৰীৰ সত নগ'ল। তাতে দীনেশৰ বিদ্ৰোপ কৰাৰ ধৰণটোও যে এনে নিৰ্মম। সেই অভিজ্ঞতা চৌধুৰীৰ আছে।

গতিকে ঘৰ পালেহি বিপিন চৌধুৰী। কোঠাত সোমাই এ চিটো খুলি



চীলাৰত থোৱা ঠাণ্ডা চৰ্বত খাই খাই চৌধুৰীৰ উদ্বেগ উত্তেজনা শাম কাটিল ভালেখিনি। এই পাগলবোৰৰ পৰা উপায় নাই। নিজৰ কাম-বন নাই বাবে অনাহকতে ব্যস্ত মানুহবোৰক লগ ধৰি আজে-বাজে কথা পাতি বিৰক্ত কৰে ইহঁতে।

ৰাতি খোৱা-বোৱা কৰাৰ পিছত বিচনাত দীঘল দি নতুন কিতাপ এখন পঢ়ি পঢ়ি চৌধুৰীয়ে নিউ মাৰ্কেটত লগ পোৱা মানুহটোৰ কথা পাহৰিয়েই পেলালে।

কিন্তু পিছদিনা অফিচৰ কাম কৰি থাকোতে তেওঁ মন কৰিলে যে যিমানে সময় গৈ আছে সিমানেই যেন কালিৰ ঘটনাটো তেওঁৰ স্মৃতিপটত অধিক স্পষ্ট হৈ ভাঁহি উঠিছে। বেলেগ কোনো কথাই তেওঁক যেন আকৰ্ষণ কৰিব পৰা নাই। মাত্ৰ সেই মানুহজনৰ মুখখন, চিনাকি চিনাকি চাৱনিটো, তেওঁৰ হাঁহিৰ শব্দই চৌধুৰীৰ গোটেই মগজুটো তোলপাৰ লগাই আছে। চৌধুৰীৰ ভিতৰুৱা ইমানবোৰ খবৰ জনা মানুহ এজনে তেওঁ ৰাঁচিলৈ যোৱাৰ কথা কৈ কেনেকৈ ইমান মস্ত ভুল এটা কৰিব পাৰিলে?

দুপৰীয়া খোৱাৰ ঠিক আগে আগে অৰ্থাৎ এক বাজিবলৈ ঠিক পাঁচ মিনিট থাকোতে চৌধুৰীয়ে আৰু ধৈৰ্য ধৰিব নোৱাৰিলে। তেওঁ টেলিফোনৰ ডায়েৰীখন মেলি দীনেশ মুখাৰ্জীৰ নম্বৰ উলিয়াই লৰালৰিকৈ ডায়েল কৰিলে, টু-থ্ৰি- ফাইভ-চিক্স- ৱান-চিক্স। ফোন কৰাই ভাল, অপ্ৰস্তত হোৱাৰ সম্ভাৱনা কম থাকে।

'হে'ল্ল।' বায়বীয় মাত এটা ভাঁহি আহিল।

'কোন? দীনেশ নেকি? মই বিপিনে কৈছো।'

'কি খবৰ হে? বহুদিনৰ মূৰত?'

'এহ ন'কবা আৰু । ফিফ্‌টি এইটৰ ঘটনা এটা লৈ ফোন কৰিব লগা হ'ল।'

'ফিফ্‌টি এইটৰ ঘটনা ? খুলি কোৱাচোন।'

চৌধুৰী এক মুহূৰ্ত ৰ'ল। 'সেইবছৰ পূজাৰ সময়ত তুমি ক'ত আছিলা বাৰু আগতে তাকে কোৱাচোন।'

'ৰ'বা ৰ'বা। ফিফ্‌টি এইট ... ফিফ্‌টি এইট... ৰ'বা দেই, ধৰিবা; ডায়েৰি চাই কৈ আছো....।' ক্ষণিক নীৰৱতা।

'অ' পাইছো। মই সেইবছৰ দুবাৰ বাহিৰত ফুৰিবলৈ গৈছিলো। বাৰ ফেব্ৰুৱাৰীত কেষ্টনগৰলৈ, ভাগিন ল'ৰাটোৰ বিয়াত। আৰু এবাৰ তুমিতো জানাই। সেই যে অকস্মাত ৰাঁচি যাত্ৰা? তুমিও যে গৈছিলা। বাৰু কে'লৈই সুধিলা কোৱাচোন।'

'নাই এনেই সুধিলো। ঠিক আছে। পিছত কথা পাতিম দেই। থেংক ইউ....।'

টেলিফোনটো থৈয়ে মুৰে-কপালে হাত দি বহি পৰিল মিঃ চৌধুৰী। তেওঁৰ কাণ ভম্‌ভমাই উঠিল। হাত-ভৰি চেঁচা পৰিবলৈ ধৰিলে। টিফিনবক্সত চেণ্ডুইচ আছিল। খোৱা আৰু নহ'ল। ভোক-পিয়াহ যেন চব উৰি গৈ নোহোৱা হৈ পৰিল।

'লাঞ্চটাইম' উকলি যোৱাৰ পিছত চৌধুৰীয়ে বুজি পালে যে এই অৱস্থাত আৰু তেওঁৰ পক্ষে অফিচৰ ফাইলত মনোনিৱেশ কৰাটো সম্ভৱপৰ নহ'ব। যোৱা পঁচিশ বছৰৰ কৰ্ম জীৱনত এনে অৱস্থা তেওঁৰ এবাৰো হোৱা নাছিল। নিৰলস কৰ্মী বুলি খ্যাতি আছে তেওঁৰ। কৰ্মচাৰীবোৰে তেওঁক বাঘৰ দৰে ভয় কৰে। যিমানেই ডাঙৰ বিপদ নহওক কিয়, যিমানেই ডাঙৰ সমস্যাই মুৰ দাঙি নুঠক কিয়, মিঃ চৌধুৰীৰ কেতিয়াও মতিভ্ৰম নহয়। মূৰ ঠাণ্ডা ৰাখি কাম কৰে তেওঁ। কোনো বিপদ, কোনো সমস্যাই তেওঁক আজিকোপতি কাবু কৰিব পৰা নাই।

আজি কিন্তু তেওঁৰ চব গোলমাল হৈ গৈছে।

আঢ়ৈমান বজাতে ঘৰলৈ ঘূৰি আহি শোৱনিকোঠাৰ দুৱাৰ খিৰিকি চব বন্ধ কৰি বিচনাত পৰি মনটো প্ৰকৃতিস্থ কৰি লৈ কি কৰাউচিত তাকে চিন্তা কৰিবলৈ ধৰিলে চৌধুৰীয়ে। মানুহে মূৰত আঘাট পালে পূৰ্বস্মৃতি হেৰুৱাব পাৰে। কিন্তু তেওঁৰ সকলো মনত আছে। মাজত ধৰি মাত্ৰ এটা ঘটনাহে মনত নাই - ইয়ো জানো সম্ভৱ? হয়, ৰাঁচিলৈকে তেওঁ গৈয়ো ঘূৰি আহিল, অথচ সেইটো কথা পাহৰি থাকিল, তাৰ লগত সম্বন্ধ থকা কথাবোৰো পাহৰিলে, ওঁহো, নহয়, এইটো একেবাৰে অসম্ভৱ কথা।

বাহিৰত ফুৰিবলৈ গ'লে চৌধুৰীয়ে তেওঁৰ ঘৰুৱা বনকৰা ল'ৰাজনক লগত লৈ যায়। কিন্তু এতিয়া যিজন বনকৰা ল'ৰা আছে, সি নতুনকৈ অহা। সাতবছৰৰ আগতে থকা ল'ৰাজনৰ নাম ৰামস্বৰূপ। ৰাঁচিলৈ যোৱা কথাষাৰ যদি সত্য হয় নিশ্চয় সিও গৈছিল লগত, কিন্তু এতিয়া সি বা ক'ত? সি যোৱা আজি তিনিবছৰেই হ'লহি।

সন্ধিয়ালৈকে কোঠাত সোমাই থাকিল চৌধুৰী। তেওঁ মনে মনে ঠিক কৰিলে যে আজি আৰু কোনোবা আহিলেও তেওঁ সাক্ষাৎ নকৰে। গাটো সঁচাই ভাল লগা নাই।

ঠিক সাত বজাত কাম কৰা ল'ৰাটোৱে আহি খবৰ দিলে যে, শেঠ গিৰিধাৰীলাল আহি চ'ৰাঘৰত বহিছেহি। কিবা জৰুৰী প্ৰয়োজনত তেওঁক লগ কৰিব খুজিছে, সাংঘাতিক মানুহ এই গিৰিধাৰী। কিন্তু সেইসময়ত চৌধুৰীৰ এনেকুৱা



এটা মানসিক অৱস্থা চলি আছে যে তেওঁ বাধ্য হৈ ল'ৰাটোক ক'লে যে তেওঁৰ পক্ষে তলৰ মহলালৈ নামি যোৱা সম্ভৱেই নহয়। গতিকে গিৰিধাৰীক লগ কৰিব নোৱাৰে বুলি ক'বলৈ ক'লে।

চাৰে সাতটাত কাম কৰা ল'ৰাটো আকৌ কোনোবা অহাৰ খবৰ দিবলৈ আহিল। চৌধুৰীৰ তেতিয়া তন্দ্ৰাচ্ছন্ন অৱস্থা। কাম কৰা ল'ৰাৰ মাতত তেওঁৰ টোপনি ভাগি গ'ল। কোন? কোন আহিল এইবাৰ? ল'ৰাটোৱে ক'লে, 'চুনীলাল'। চৌধুৰীৰ স্কুলীয়া দিনৰ সহপাঠী চুনীলাল। ভীষণ জৰুৰী দৰকাৰত আহিছে।

দৰকাৰটো চৌধুৰীয়ে বৰ ভালকৈয়ে জানে। চুনীলালৰ সম্প্ৰতি দুৰৱস্থা চলি আছে। কিছুদিন ধৰি তেওঁৰ ওচৰলৈ ঘনাই আহি আছে। চৌধুৰীৰ ফাৰ্মত সৰু চাকৰি এটা যোগাৰ কৰি দিব লাগে। চৌধুৰীৰ পক্ষে এই বিষয়ত কিবা এটা কৰাটো মুঠেই সম্ভৱ নহয়, সেয়ে প্ৰতিবাৰ লগ পাওঁতেই এই কথা চুনীলালক স্পষ্টভাৱে জনাই দিছে তেওঁ। তথাপিও এনেদৰে জোকটোৰ নিচিনাকৈ লাগি ধৰিছে মানুহটো।

চৌধুৰীয়ে অত্যন্ত বিৰক্ত হৈ ল'ৰাটোক কৈ পঠালে যে অকল আজিয়ে নহয়, আৰু বহুদিনলৈ চুনীলালক লগ কৰিব নোৱাৰে।

ল'ৰাটো কোঠাৰ পৰা ওলাই যোৱাৰ লগে লগেই চৌধুৰীৰ মনলৈ আহিল - ৰাঁচিলৈ যোৱা কথাটোৰ সন্দৰ্ভত দেখোন চুনীলালকে সুধি চাব পাৰি। এবাৰ তেওঁক সুধি চোৱাত কি আপত্তি? ভবাৰ লগে লগেই চৌধুৰী টুক্‌ টুক্‌কৈ তলৰ মহলালৈ নামি আহি চ'ৰাঘৰ পালেহি। চুনীলাল যাবলৈ উঠিছিলেই, চৌধুৰীক নামি অহা দেখি বেছ আশান্বিত হৈ উঠিল তেওঁ।

চৌধুৰীয়ে পাতনি অবিহনেই সুধিলে, 'চুনীলাল, তোমাক কথা এটা সোধো দেই। তোমাৰ স্মৰণশক্তি বৰ ভাল বুলিয়েই জানো। মনত পেলোৱাচোন মই বাৰু আঠাৱন্ন চনত ৰাঁচিলৈ গৈছিলো নেকি?'

চুনীলালে অলপ ভাবি ক'লে, 'আঠাৱন্ন নে ঊনষাঠি বাৰু? গৈছিলাটো।'

চৌধুৰীয়ে বৰ বিপন্ন অনুভৱ কৰিলে, 'মই? মই ৰাঁচিলৈ গৈছিলো? তোমাৰ কোনো সন্দেহ নাই এই বিষয়ত?'

চুনীলাল যেন অবাক হৈ গ'ল। তেওঁ সুধিলে, 'তোমাৰ তাৰমানে ৰাঁচিলৈ যোৱাৰ বিষয়ত কিবা সন্দেহ আছে?'

চৌধুৰীয়ে কি ক'ব ভাবি নাপাই আকৌ সুধিলে, 'মই সঁচাই গৈছিলো? তোমাৰ সঁচাই মনত আছেনে?'

চুনীলালে চোফাৰ পৰা উঠিবলৈ লৈও আকৌ বহি দিলে। তাৰপাছত

চৌধুৰীৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই থাকি সুধিলে, 'বিপিন, তুমি কিবা নিচা কৰি থকা নাইতো? তোমাৰতো এইবোৰ বদ্‌নাম কেতিয়াও শুনা নাই। তুমি বদ্‌মেজাজী বুলি চবেই জানে। পুৰণি বন্ধু-বান্ধৱৰ প্ৰতি তোমাৰ কোনো সহানুভূতি নাই, এই কথাও জানো। কিন্তু তোমাৰ মূৰটোতো অন্তত ঃ ভালেই আছিল।'

চৌধুৰীৰ মাতটো কঁপি উঠিল। 'তোমাৰ মনত আছে মই যোৱাৰ কথা?'

এই প্ৰশ্নৰ উত্তৰ নিদি চুনীলালে সুধিলে, 'মই শেষবাৰৰ বাবে কি চাকৰি কৰিছিলো মনত আছেনে বাৰু তোমাৰ?'

'আছেতো। তুমি আছিলা হাওৰা ষ্টেচনৰ বুকিং ক্লাৰ্ক।'

'সেইটো কথা মনত আছে, অথচ তোমাৰ ৰাঁচিৰ টিকেট ময়ে বুক কৰি দিছিলো, সেই কথা পাহৰি গ'লা। তোমাৰ কাৰণে ৰেলৰ 'ডাইনিং কাৰ'ত স্পেচিয়েল খানা'ৰ কাৰণে ব্যৱস্থা কৰি দিছিলো, তোমাৰ ডবাত ফেন চলা নাছিল, লৰালৰিকৈ ভাল কৰাই দিছিলো চব পাহৰিলা? তোমাৰ হ'ল কি?'

গভীৰ হুমুনিয়াহ এটা পেলাই চোফাত ধুপকৈ বহি পৰিল চৌধুৰী।

চুনীলালে সুধিলে, 'তোমাৰ গা ভাল নহয় নেকি? চেহেৰাটোচোন কিবা হৈ গৈছে?'

চৌধুৰীয়ে ক'লে, 'গাটো বেয়া লাগি আছে হয়। কেইদিনমানৰ পৰা কামৰ হেঁচাও বৰ বেছি হৈছে...। দেখুৱাব লাগিব ডাক্তৰক।'

বিপিন চৌধুৰীৰ অৱস্থাটো দেখিয়ে বোধহয় চাকৰিৰ কথা আৰু উল্লেখ নকৰিলে চুনীলালে। তেওঁ লাহে লাহে গুছি গ'লগৈ।

ডাক্তৰ পৰেশ চন্দ্ৰৰ বয়স চল্লিশৰ বেছি হোৱা নাই। বুদ্ধিদীপ্ত চেহেৰা। বিপিন চৌধুৰীৰ ৰোগৰ লক্ষণ দেখি-শুনি তেওঁ অতিশয় চিন্তিত হ'ল। চৌধুৰীয়ে তেওঁক প্ৰায় কাকুতি কৰাৰ দৰে কৰিলে, 'চাওক ডাক্তৰ, মোৰ এই ব্যাধি আপুনি ঠিক কৰি দিবই লাগিব। কামলৈ যাব নোৱাৰাৰ বাবে অফিচত কেনেকুৱা ক্ষতি হৈছে বুজাব নোৱাৰো। আজিকালিতো কত ৰকমৰ দৰৱ ওলাইছে। মোৰ এই বেমাৰৰ কাৰণেনো একোৱেই নাইনে? যিমান টকা লাগে দিম। বিদেশৰ পৰা অনাব লগা হ'লে তাকো অনাই দিয়ক।'

ডাক্তৰে বহুত ভাবি-চিন্তি ক'লে, কথাটো কি জানেনে মিষ্টাৰ চৌধুৰী। এনেকুৱা কে'চ মোৰ অভিজ্ঞতাত এয়ে প্ৰথম। অৱশ্যে আপোনাক উপায় এটা দিব পাৰো। ফল পাবনে নেপায় ক'ব নোৱাৰো, চেষ্টা কৰি চাওক। অন্ততঃ ক্ষতিৰ কোনো আশংকা নাই।'



অলপ ৰৈ ডাক্তৰে আকৌ ক'লে, 'মোৰ ভাব হৈছে, আপুনি ৰাঁচিলৈ গৈছিল, কিন্তু কিবা অজ্ঞাত কাৰণত সেই কথা আপুনি একেবাৰেই পাহৰি থাকিল, সেয়ে মই পৰামৰ্শ এটা দিওঁ আপুনি আকৌ এবাৰ ৰাঁচিলৈ যাওক। তেতিয়া হয়তো ঠাইডোখৰ দেখি আপোনাৰ আগৰ যাত্ৰাটোৰ কথা মনত পৰি যাব। এই মুহূৰ্তত ইয়াতকৈ বেছি কিবা এটা কৰাটো মোৰ পক্ষে সম্ভৱ নহ'ব। মই আপোনাক এই দৰৱটো লিখি দিছো। টোপনি ভাল হ'ব। টৌপনি যোৱাটো জৰুৰী কথা। নহ'লে আপোনাৰ স্বাস্থ্য ভাগি পৰিব পাৰে।'

দৰৱৰ প্ৰভাৱতে হওক বা ডাক্তৰৰ পৰামৰ্শৰ বাবেই হওক, পিছদিনা বিপিন চৌধুৰীয়ে যথেষ্ট সুস্থবোধ কৰিলে।

'ব্ৰেকফাষ্টৰ পিছত অফিচলৈ ফোন কৰি অলপ কিবা-কিবি কামৰ দিহা দি সেইদিনাই ৰাতিৰ ৰে'লত উঠি ৰাঁচিলৈ ৰাওনা হ'ল বিপিন চৌধুৰী। পিছদিনা ৰাঁচি ষ্টেচনত ভৰি দিয়েই তেওঁ একেবাৰে নিশ্চিত হ'ল যে, এইখন ঠাইলৈ তেওঁ কস্মিনকালেও অহা নাই। ষ্টেচনৰ পৰা ওলাই গাড়ী এখন লৈ ইফালে-সিফালে অলপ ফুৰি-চাকি চহৰৰ বাট-পথ, ঘৰ-দুৱাৰ, প্ৰাকৃতিক দৃশ্যাৱলী, হোটেল বজাৰ সকলো অন্য এক দৃষ্টিৰে অনুধাৱন কৰি কৰি চৌধুৰী সম্পূৰ্ণৰূপে নিশ্চিত হ'ল যে, এই ঠাইৰ কোনো এটা বস্তুৰ লগতে তেওঁৰ বিন্দুমাত্ৰও পৰিচয় নাই। হুড্ৰো ফলচ্ তেওঁ চিনি পাবনে বাৰু? জলপ্ৰপাতৰ দৃশ্য প্ৰত্যক্ষ কৰিলে তেওঁৰ পূৰ্বস্মৃতি ঘূৰি আহিবনেকি? নানানটা প্ৰশ্নই চৌধুৰীক জোকাৰি গ'লহি।

অৱশ্যে ৰাঁচিত উপস্থিত হোৱাৰ পিছত তেওঁৰ মনত বিন্দুমাত্ৰও সন্দেহ নাই যে, এইখন ঠাইৰ লগত তেওঁৰ পূৰ্বস্মৃতি কোনো কাৰণতেই জড়িত হ'বলগা নাই। তেওঁৰ মনত পৰিব লগা কোনো কথাও নাই। তথাপিও জানোচা ঘৰলৈ ঘূৰি যোৱাৰ পিছত অনুতাপ কৰিবলগা হয়, সেইবুলিয়ে তেওঁ হুড্ৰো ফলচ্‌টোও চাই অহাৰ সিদ্ধান্ত ল'লে। দুপৰীয়া সময়ত ভাড়া গাড়ী লৈ চৌধুৰী হুড্ৰো পালেগৈ। সেইদিনা তাত পিক্‌নিক্ খাবলৈ যোৱা দল এটাৰ দুজন মানুহে আবেলি সময়ত এটা শিলৰ দ'মৰ কাষত অজ্ঞান অৱস্থাত পৰি থকা চৌধুৰীক উদ্ধাৰ কৰিলে। মানুহ দুজনৰ পৰিচৰ্যাত জ্ঞান ঘূৰাই পাই চৌধুৰীয়ে প্ৰথম যিকেইষাৰ কথা ক'লে, সেইয়া হ'ল 'মই ৰাঁচিলৈ কেতিয়াও অহা নাই.. মোৰ চব শেষ..... আৰু কোনো আশা নাই.... চব শেষ...।'

পিছদিনা তেওঁ ঘৰ পালেহি। তেওঁ ভাবিলে, যদি ৰাঁচি ৰহস্যৰ উদ্‌ঘাটন কৰিব পৰা নাযায়, তেওঁৰ সঁচাই আৰু কোনো আশা নাই। তেওঁৰ কৰ্মদক্ষতা,

আত্মবিশ্বাস, উৎসাহ, বুদ্ধি, বিবেচনা সকলোবোৰ লোপ পাব ধীৰে ধীৰে। শেষত গৈ তেন্তে তেওঁ সেই ৰাঁচিতেই...?

ইয়াৰ পিছৰখিনি চৌধুৰীয়ে আৰু ভাবিব নোৱাৰা হ'ল।

কোনো ৰকমে গাটো ধুই মূৰত আইচবেগটো হেঁচি ধৰি তেওঁ শয্যাগত হ'ল। কাম কৰা ল'ৰাটোক আদেশ দিলে ডাক্তৰ পৰেশ চন্দ্ৰক মতাই আনিবলৈ। সি ওলাই যোৱাৰ আগে আগে চৌধুৰীক ডাকঘৰৰ মোহৰ নথকা, ওপৰত ৰঙা চিঞাঁহীৰে 'জৰুৰী, একান্ত ব্যক্তিগত' বুলি লিখা সেউজীয়া ৰঙৰ এটা এন্‌ভেলপ্ আনি দিলেহি। কোনোবাই পুৰাতে চৌধুৰীৰ ব্যক্তিগত ডাক-বাকচত পেলাই থৈ গৈছে। ৰঙা চিঞাঁহীৰে স্পষ্টকৈ চৌধুৰীৰ নামটো এন্‌ভেলপত লিখা আছে।

গাটো ভাল নলগা স্বত্তেও তেওঁৰ এনেকুৱা লাগিল যেন চিঠিখন নপঢ়িলেও নহ'ব। খামটো খুলি চৌধুৰীয়ে পঢ়ি গ'ল।

*মৰমৰ বিপিন,*

হঠাৎ ধনী হোৱাৰ অহংকাৰ যে তোমাৰ মাজত এনেদৰে দেখা পাম সঁচাই ভবা নাছিলো। এজন দুষ্ট বাল্যবন্ধুক অকণমান সহায় কৰাটো তোমাৰ বাবে ইমানটান কাম হ'লগৈনে বাৰু ? মোৰ ক্ষমতা যৎসামান্য, কাৰণ মোৰ ধনবল নাই। কিন্তু আন এটা বল মোৰ ওচৰত যথেষ্ট পৰিমাণে আছেসেইটো হ'ল স্মৃতিশক্তি আৰু কল্পনাশক্তি, তাৰে অলপ খৰচ কৰি তোমাৰ ওপৰত প্ৰতিশোধ ল'লো। নিউ মাৰ্কেটৰ দোকানত তোমাৰ লগত কথা পতা মানুহজন মোৰ প্ৰতিৱেশী বন্ধু। বৰ ভাল অভিনেতা তেওঁ। দীনেশ মুখাৰ্জীয়ে তোমাক অকণো ভাল নাপায়। সেয়ে তেওঁক হাত কৰোতে মোৰ কষ্ট হোৱা নাই। তোমাৰ আঁঠুত থকা কটা দাগটোৰ কথা মোৰ বৰ ভালকৈ মনত আছে। বহুত বছৰৰ আগতে, মোৰ সাক্ষাততে, শিলত ঠেকেচা খাই আঁঠুৰ মঙহ এৰাই গৈছিল তোমাৰ। মনত আছেনে? বহুত পুৰণি ঘটনা থাৰ্টি চিক্সৰ।

বিশেষ নাই। এই চিঠি পঢ়াৰ পিছত তোমাৰ বেমাৰ নিশ্চয় ভাল হ'ব। মোৰ উপন্যাস এখন এজন প্ৰকাশকৰ পছন্দ হৈছে। কেইমাহমান প্ৰকাশকৰ পৰা পোৱা পইচাৰেই চলিব পাৰিম। ইতি

*তোমাৰ বাল্যবন্ধু,*
*চুনীলাল*

যথাসময়ত ডাক্তৰ পৰেশ সোমাই অহাৰ লগে লগেই চৌধুৰীয়ে



সহজভাৱে ক'লে, 'ঠিকেই আছো ডাক্তৰ। ৰাঁচিলৈ গ'লো, তাত নমাৰ লগে লগেই চব কথা মনত পৰি গ'ল।'

ডাক্তৰ আচৰিত হ'ল, 'ভেৰি ষ্ট্ৰেঞ্জ! আপোনাৰ কেচটো এখন ডাক্তৰী জাৰ্ণালত ছপাব লাগিব।'

চৌধুৰীয়ে বিচনাখনত কাতি হৈ ক'লে, 'মোৰ কঁকালটো অলপ চাই দিয়কচোন, ৰাঁচিত উজুটি খাইছিলো, বৰ বিষ।'

❖❖❖

---

*২০০৬ চনত প্ৰকাশিত।*

# গুৱেৰ্ণিকা

অম্বৰ মৰাণ

একো উৱাদিহ নাপালো। হঠাৎ আমাৰ বাছখন ৰৈ গ'ল। যাত্ৰীৰ মাজত প্ৰথমে মৃদু গুণ-গুণনি, পাছলৈ উচ্চস্বৰত বাছৰ কৰ্মচাৰীৰ মাজত কথা-বাৰ্তা হ'ল। কিছুমান অত্যুৎসাহী যেন লগা ডেকাই ক'বলৈ ধৰিলে, "যদি আৰু বাছ নাযায়, তেনেহ'লে ভাড়া ঘূৰাই দিয়ক।" বাছ কৰ্তৃপক্ষ বিমোৰত পৰিল। বাছ যেতিয়া নাযায়েই (যাব নোৱাৰে?), গতিকে আমি অন্যান্য যাত্ৰীৰ লগে লগে নামি গ'লো। ইফালে এজন ডেকাই বেচ উন্মাৰেই বাছখনৰ কনডাক্টৰক উদ্দেশ্যি কোৱা শুনিলো, "মই সেইবোৰ নাজানো সবকে দিয়ে নে নিদিয়ে, মোৰ ভাড়াতো ভালে-ভালে দিয়ক।" দেখিলো, অগত্যা হুলস্থূল বেছি নবঢ়াই কনডাক্টৰে ডেকাজনক ভাড়াতো ঘূৰাই দিলে। তাকে দেখি কেইজনমান ভদ্ৰলোকৰ বাহিৰে অবিবেচক অন্যান্য যাত্ৰীয়েও নিজৰ নিজৰ ভাড়াবোৰ খুজি লৈ দিহা-দিহি গ'ল। মই আৰু সৌমাৰ তেনে অকাৰ্য কৰাৰ পৰা বিৰত থাকিলো

মানুহৰ কথা-বতৰাৰ পৰা গম পালো অলপ আগত সহস্ৰাধিক ৰাইজে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি কিবা প্ৰতিবাদ কৰিছে। গতিকে বাছ আজি কেতিয়াকৈ যাব পাৰিব সন্দেহ আছে। লাহে লাহে দেখিলো বাছ-মটৰৰ মিছিল চকুৰে নমনালৈকে দীঘল হৈ গৈ আছে। ঠায়ে ঠায়ে মানুহৰ জুম বান্ধিছে। সকলোৰে মুখত দুচিন্তাৰ চাপ বিদ্যমান। ঘড়ীটোলৈ চালো, তিনি বাজিলেই। পলম নকৰি আমি দুয়ো হোটেল বিচাৰিবলৈ লাগিলো। কিবা উমান পাই কিছুমান দোকান বজাৰ অসময়ত বন্ধ হোৱা দেখা গ'ল। বৰ ৰহস্য, বৰ ৰহস্য।



'হোটেল পুৰৰুৱা', এখন কম খৰচী হোটেলত উঠিলো। ৬ নম্বৰ ৰুম, এদিনৰ ভাড়া তিনিশ। সৌমাৰলৈ চাই ক'লো, "কি কৰিবি নিয়তিৰ বিধান।" সি বিষণ্ণভাৱে হাঁহিলে।

বহুদূৰ খোজকাঢ়ি ভাগৰ লাগিছিল, তাতে আকৌ বিবিধ প্ৰাসংগিক-অপ্ৰাসংগিক চিন্তাই ভাগৰ আৰু বেছি কৰি তুলিলে। ভাবিলো আমি হোটেলত থাকিবলগীয়া হোৱা কথাটো ঘৰলৈ ফোন কৰি জনাই দিও নেকি? কিন্তু সৌমাৰৰ কথাত সেয়া প্ৰয়োজনবোধ নকৰিলো। সি ক'লে, "বাদ দে, যদি গাঁৱৰ ৰাইজ প্ৰতিবাদস্থলীলৈ আহিছে তেন্তে সকলো গম পাইছেই।"

ইতিমধ্যে সৌমাৰে সম্পূৰ্ণ মুকলি মনেৰে স্কেচ, পেঞ্চিল আদি লৈ ছবি আঁকিবলৈ ধৰিছে। তাৰ মুখখনলৈ চালো সূৰ্যাস্তৰ শেষ কিৰণৰ নিচিনা পকি উঠিছে। অসম্ভৱ আত্মবিশ্বাসী, জেদী ল'ৰাটো, কোনো কথাই বেছি চিন্তা নকৰে। আমি একেলগে পঢ়ো (থাকো) যদিও তাক মই বুজিব নোৱাৰো। ছবি আঁকিয়েই প্ৰায় সময় কটোৱা সি মোক কয়, "মই পিকাচোৰ 'গুৱেৰ্ণিকা'ৰ নিচিনা এখন ছবি আঁকিমেই, তই চাবি।' সি মোক বিশ্বৱিখ্যাত চিত্ৰশিল্পী পাব্‌লো পিকাচোৰ অমৰ ছবি 'গুৱেৰ্ণিকা' ছবিখন উলিয়াই বুজাই দিয়ে একনায়কত্ববাদী চৰকাৰৰ অমানুষিক বৰ্বৰতাৰ বিপৰীতে নিৰীহ জনতাৰ অসহায়তা। নৰৰক্ত পিপাসুৰ পৈশাচিক উল্লাহ। মই তাৰ কথাত ৰস পাওঁ, তাৰ খং উঠে। মই কওঁ, 'আমাৰ দেশত 'গুৱেৰ্ণিকা'ৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ কোনো কাৰণ নাই। এতিয়া গণতন্ত্ৰ (য'ত ৰাইজেই ৰজা)'। সি সচকিত হয় আৰু কয়, 'ধেৎ মই 'গুৱেৰ্ণিকা'ৰ মহত্বৰ কথাহে কৈছো।' মোৰ ভাৱ হয়, সি যেন মোৰ পৰা কিবা লুকুৱাব খুজিছে। (কিন্তু লুকুৱাবলৈ কি আছেনো?)। কিবা এটা ৰহস্যৰ গোন্ধত মোৰ মনতো বিক্ষিপ্ত হৈ পৰে।

বাহিৰলৈ ওলাই গ'লো। সন্ধিয়াটো আজি সময়তকৈ আগতেই হোৱা যেন লাগিল। পশ্চিমাকাশত ক'লা ক'লা ডাৱৰবোৰে পুৰঠ সূৰ্যটোক খপ্‌জপ্‌কৈ গিলিছে।

ইতিমধ্যে হোটেলৰ মেনেজাৰৰ সন্মুখৰ টিভিটোত সন্ধ্যাৰ বাতৰিৰ অনুষ্ঠান আৰম্ভ হৈছে। দিনটোৰ বাতৰি লৈ মনটো তাৰপৰা যাওঁক বুলি ভাবিলো। প্ৰথম বাতৰি শুনিয়েই, মই জিকাৰ খাই উঠিলো, আমাৰ অঞ্চলত কাৰ্ফিউ। অৱৰোধস্থলীত গুলিচালনা, অঞ্চলটো সেনাৰ নিয়ন্ত্ৰণত। হতাহতৰ একো খবৰেই এতিয়া পোৱা নাই। আমাৰ গাঁও, আমাৰ মানুহ, গুলিচালনা ইত্যাদি ইত্যাদি চিন্তাই মোৰ মন-মগজু বিশৃংখল, অনিয়ন্ত্ৰিত কৰি পেলালে..।

কিদৰে কোঠাত প্ৰৱেশ কৰিলোহি, মই ক'ব নোৱাৰো। সৌমাৰে যেন মোলৈহে বাট চাই আছিল। সি সুধিলে, "কি হ'ল, তোৰচোন মুখখন বিমৰ্ষ দেখাইছে?" মই তাক একো ক'ব নোৱাৰিলো। সি উত্তেজিত হৈ পৰিল। মই তালৈ চাব নোৱাৰিলো। তাৰ ছবিখনলৈ মোৰ চকু গ'ল, টেবুলত মেলি থোৱা অৱস্থাত এখন অসম্পূৰ্ণ ছবি। ভাৱিলো, এইখনেই সৌমাৰৰ তথাকথিত 'গুৱেৰ্ণিকা' নহয়তো। সি মোক আকৌ সুধিলে, 'কি হ'ল, তোক কোনোবাই কিবা ক'লে নেকি?' এইবাৰহে মই প্ৰকৃতিস্থ হ'লো আৰু তাক ক'লো লোমহৰ্ষক বাতৰিটোৰ কথা। বিমৰ্ষিত মুখেৰে সি স্বগোক্তি কৰিলে, 'যদি গাঁৱৰ বাইজৰ লগত মোৰ মা-ভন্টীহঁতো আহিছে, কি বা হৈছে সিহঁতৰ...?' মুহূৰ্ততে তাক যেন বাৰুদৰ ধোৱাৰে আৱৰি ধৰিছে।

ৰাতি আৰু খোৱা নহ'ল, শোৱাও নহ'ল। হোটেলৰ বিচনা, তাতে আকৌ মাৰাত্মক দুচিন্তা। কাৰ্ফিউ যদি চলি থাকে ঘৰলৈ যোৱা নহ'ব, আৰু কাৰ্ফিউ উঠাই দিয়াৰ পাছত যদি কোনোবাই অসম বন্ধ দি দিয়ে, তেন্তে মুদাই মৰিব ঘৰলৈ যোৱাৰ। কি কুক্ষণত যে ঘৰলৈ আহিবলৈ ওলালো। আচলতে সৌমাৰৰ বাবেই মই আহিবলগা হ'ল। সৌমাৰ আৰু মই একে গাঁৱৰে, গতিকে একেলগে মেছ কৰি থকা হয়। আমি দুয়ো উভয়ৰে সুখ-দুখৰ সমভাগী। বেচেৰালৈ খুউব বেজাৰ লাগে। স্নাতক ডিগ্ৰীটো সম্পূৰ্ণ কৰিবলৈ নৌপাওঁতেই এইবছৰ দুৰ্ঘটনাত দেউতাকৰ মৃত্যুয়ে মাক-ভনীয়েকৰ সৈতে তাক অথাই সাগৰত পেলাই থৈ গ'ল। এতিয়া তাৰ দেউতাকৰে পিণ্ড উটোৱা সকামৰ বাবে আমি খৰ-ধৰকৈ পৰীক্ষা দিয়েই ঘৰলৈ বুলি আহি অনাকাংক্ষিত পৰিস্থিতিত পৰিলো। ভাগ্যৰ কি বিড়ম্বনা।

ওৰে নিশা মনটো ছট্‌ফটাই থাকিল। কিছুমান অসংলগ্ন সমাজিকে আমনি কৰিলেহি নিৰৱচ্ছিন্নভাৱে। বাৰুদৰ ধোৱাঁই মোৰ মনাকাশ ছানি ধৰিলে। কেওফালে জুই আৰু জুই। নিৰ্দোষ, নিৰীহ মানুহবোৰ প্ৰাণৰ মমতাত লক্ষ্যহীনভাৱে দৌৰিছে। সেই অকণমান সময়ৰ বাবে সকলো মানুহেই স্বাৰ্থপৰ হৈ পৰিছে। মাজে মাজে কৰ্কশ চাইৰেণৰ শব্দই পৰিস্থিতি বিভৎস কৰি তুলিছে। পুলিচ, আৰ্মি, ফায়াৰ বিগ্ৰেদৰ গাড়ী আহিছে। লাঠী চালনা, কন্দুৱা গেছ, খেদি খেদি হত্যা কৰা হৈছে তেজাল ডেকা ল'ৰাবোৰক, যোড়শী যৌৱনক, অশীতিপৰ বৃদ্ধ-বৃদ্ধাক। যন্ত্ৰণাত কেকাঁই উঠিছে পৃথিৱী..যন্ত্ৰণা... যন্ত্ৰণা...। পৃথিৱীৰ সম্ভাব্য যন্ত্ৰণাই মোক দুৰ্বল কৰি পেলাইছে।

'সৌমাৰ, জাননে মোৰ এনেকুৱা স্বাধীনতাৰ প্ৰতি বিৰাগ জন্মিছে।' এইবাৰ



মোৰ চেপি ৰখা যন্ত্ৰণাবোৰ ওলাই আহিল তীব্ৰ হুলাহুলেৰে।

"কেনেকুৱা স্বাধীনতাৰ কথা কৈছ?" সি ইতিকিঙৰ সুৰত ক'লে। মোৰ খং উঠিল।

"ধেমালি নকৰিবিচোন অনাহকত। তই জানো দেখা নাই দেশত কেওফালে অৰ্থহীন ধ্বংসলীলা, শোষণ-দমন, আৰ্মী- বিদ্ৰোহৰ সন্ত্ৰাস, কুম্ভকৰ্ণ প্ৰশাসন।" একেৰাহে কথাকেইটা কৈ মই ভালকৈ উশাহ লৈ ল'লো। "তই হ'বলা সেইকেইটাই দেখিছ?" তাৰ ৰহস্যপূৰ্ণ কথাবোৰে মোক উত্তেজিত কৰি তুলিলে।

"মানে, তই কি ক'ব খুজিছ?" মই তাক জোৰ দি সুধিলো।

"এই ধৰ বৈষম্যমূলক অৰ্থনীতি। যেনে – ধনীবোৰ ক্ৰমাৎ ধনী হৈ গৈ আছে। দুখীয়াবোৰ মৰিছে অনাহাৰে কেলেঢোপ্ কেলেঢোপ্‌কৈ।"

"আৰু কিবা?"

"গ্ৰাম্য চিকিৎসালয়ত আৰ্মী, তিনিআলিত আৰ্মী, চাৰিআলিত আৰ্মী, মানুহৰ ঘৰত আৰ্মী ... ধুৰ স্বাধীনতা।" সি দাঁত কৰচি উঠিল। মই ভুক্তভোগী হিচাবে তাৰ কথা পুৰামাত্ৰাই বুজিলো। কিন্তু আচৰিত হ'লো তাৰ দৰে সৰল অথচ শিল্পীমনৰ মাজতো বিদ্ৰোহী ভাৱে যে কাতৰ কৰি তুলিছে, তাকলৈহে। লগে লগে আতংকিত হ'লো এক নিৰ্মম বাস্তৱৰ স'তে মুখামুখিৰ আগন্তুক সময়ৰ প্ৰতি। নিমিষতে যেন কোঠাটোৰ সমস্ত বায়ুবোৰ বিষাক্ত হৈ উঠিছে।

মই সৌমাৰৰ মুখখনলৈ তন্ময় ভাৱত চাই থাকিলো। সি হয়তো তেতিয়া অতীষ্ঠ হৈ উত্তেজিত হৈছে। ইতিমধ্যে সি তাৰ 'বাপতি সাহোন সম্পত্তি', ছবি আঁকা সমূহ সামগ্ৰীৰ স'তে তাৰ আধা আঁকা ছবিখন মজিয়ালৈ দলিয়াই দিছে। মই তাক বলিয়া বিশেষণ দি বাধা দিয়াৰ চেষ্টা কৰিলো। সি, 'মই হাবিলৈ যাম', 'বন্দুক তুলি ল'ম' আদি বলকি গ'ল। মই তাক সোঁৱৰাই দিলো হোটেলত অযথা নিচিএৰিবলৈ। অৱশ্যে বহু সময়ৰ পিছতহে সি শান্ত হ'ল। মই ভাবিলো তাৰ কথামতেই সি বাৰু কেনেকৈ সেই ছবি আঁকা নিটোল হাতেৰে তুলি ধৰিব শিলাময় বন্দুকৰ খোলা। কিযে মাৰাত্মক সময়...।

ইতিমধ্যে ৰাতিপুৱালেই। টোপনি খতিৰ ফলত চকুকিটা জলপা-জলপ লাগিল। খিৰিকীখন খুলি দিলো, পুৱাৰ এচেৰেঙাতেজাল ৰ'দ সোমাই আহিল, খৰধৰকৈ।

মেনেজাৰৰ সন্মুখৰ টিভিটোত মানুহৰ জুম বান্ধিছে। কোনেও কাৰো স'তে কথা পতা নাই। কোনেও কাকো চোৱা নাই। নিৰ্বাক, স্পন্দনহীন এজাক মানুহৰ

লক্ষ্য মাথো হৃদয়হীন জড় পদাৰ্থ সেই টিভিটো। কথাটো কি চাবলৈ আমিও টিভিৰ সন্মুখত থিয় দিলো। পুৱাৰ বাতৰিৰ অনুষ্ঠান আৰম্ভ হৈছে, প্ৰায় কাকতালীয়ভাৱে কালিৰ ঘটনাৰ সবিশেষ জানিবলৈ মনটো চঞ্চল হৈ উঠিল।

বাতৰিত কোৱা হৈছে, মৃতকৰ সংখ্যা ওঠৰজন আৰু বহুত আহত আৰু সন্ধানহীন হৈ আছে। মানুহবোৰে ইচ্-আচ্ কৰিব ধৰিলে। কাৰো মনোভাৱ বুজা নাযায়। আমি আতংকিত আৰু শিহঁৰিত হৈ উঠিলো। দেহৰ মাজেদি এজোলোকা চেঁচা তেজ বৈ যোৱা যেন লাগিল। বাতৰিত ঘোষিত মৃতকৰ নামৰ মাজত সৌমাৰৰ ভনীয়েক আৰু মাকৰ নাম। কি ভয়ানক খবৰ। নাই, নাই, ই কেতিয়াও হ'ব নোৱাৰে। সৌমাৰে সৰ্বস্ব হেৰুৱাই, মৰ্মাহত হৈ ঢলি পৰিল। বাকী মানুহবোৰে হুৱা-দুৱা লগাই দিলে।

মই একোনাই হৈ কোঠালৈ গমন কৰিলো। কালি বাৰু বিভৎস্য সপোনবোৰ ইচ্ছাকৃত আছিলনে? নে ঈশ্বৰৰ দুৰ্বোধ্য মায়া। কোঠাটোৰ মজিয়াত বিশৃংখল বস্তু-বাহনিৰ মাজত সৌমাৰৰ লোহমৰ্ষক ছবিখন (গুৱেৰ্ণিকা) দুপৰীয়াৰ ৰ'দত দগমগাই জ্বলিছে।

❖❖❖

---

*২০০৬-০৭ চনত প্ৰকাশিত।*



# শালগছ

(মূল হিন্দী গল্পঃ ওমপ্ৰকাশ বাল্মীকি)

অনুবাদ ঃ ৰত্ন গোপাল গগৈ

যি ঘটি গ'ল সেইয়া অপ্ৰত্যাশিত নাছিল। আৰম্ভণিতে এনে লাগিছিল। সেয়ে বাৰে বাৰে কৈ থকা কথাবোৰৰ বাবে মই কোনো গুৰুত্ব দিয়া নাছিলো। কিন্তু আজি এনে লাগিল যেন তেখেতৰ কথাবোৰত কিবা গভীৰ ৰহস্য লুকাই আছে। ভাবি চিন্তি কৰা ৰণনীতিৰ দৰে বাৰে বাৰে একেখিনি কথাকে যেনেকৈ উনুকিয়াই আছে। প্ৰথমতে মনে মনে কৈছিল, এতিয়া ডাঙৰ ডাঙৰকৈ সকলোৰে শুনাকৈ ক'বলৈ ল'লে। দুয়োটা পৰিস্থিতিয়েই ভয়ানক। ইয়াক পোনপটীয়াকৈ স্পষ্ট ভাষাত ক'বলৈ গ'লে এক অন্তঃপ্ৰবাহ, যিয়ে নেকি নিৰাধাৰভাৱে তেখেতৰ জীৱনটোক ঘৃণাৰ পাত্ৰ কৰাৰ কাম পূৰ্ণৰূপে কৰি আছে, যেনেকৈ দুটি সংস্কৃতিৰ মাজৰ সমস্যাক সমাধান কৰাৰ কোনো উপায়েই নাই।

সেই দিনটো মাৰ্চ মাহৰ শেষ দিন আছিল। কাৰ্যালয়ৰ একেবাৰে ওচৰতে থকা শালগছজোপাৰ পাতবোৰ সৰিবলৈ ধৰিছে। এই শুকান-পকাপাতবোৰ সৰি থকা দেখিলে মনত এটা অদ্ভুত শিহৰণ জাগি উঠে। এই শালগছজোপাৰ গা-গছডাল অন্যান্য গছতকৈ বহুত ডাঙৰ। ওখও বহুত বেছি। গছজোপাৰ গা-গছৰ মাজতে বগা ৰঙেৰে লিখা আছিল ০০০১। এইটো শালগছ জোপাৰ ক্ৰমিক নম্বৰ। যিদৰে অফিচত কাম কৰা প্ৰত্যেকজন কৰ্মচাৰীৰ এটা ব্যক্তিগত সংখ্যা থাকে, সেইটো হৈছে কৰ্মচাৰী এজোজনৰ পৰিচয়। এই গছজোপাৰো এইটো ব্যক্তিগত

সংখ্যাহে। কিন্তু গছজোপাৰ ছাঁ সকলোৱে লৈছিল। অফিচৰ সকলো কাম-কাজৰ সদায় সাক্ষী হৈ আছে এই গছজোপাই। সেইদিনাখনো যেতিয়া তিৱাৰীয়ে মৰ্যদাৰ শেষ সীমাও ভাঙি পেলাইছিল। অফিচত এনেধৰণৰ ব্যক্তি কেৱল তিৱাৰীয়ে নাছিল আৰু বহুতে এনে ধৰণে ভাবিছিল। কিন্তু তিৱাৰী আছিল অধিক মুখৰ। সেইকাৰণে তেখেতক সকলোৱে বুজি পাইছিল।

কিছু বছৰৰ পৰা কিবা নহয় কিবা এনেকুৱা ঘটনা ঘটিয়েই আছিল যিয়ে মনত শংকাৰ ভাৱ জগাই তুলিছিল। সেইদিনাখনো মই 'ৰাম ৰাম' কওঁতে তেখেতে 'জয়শ্ৰীৰাম' বুলি কৈছিল। প্ৰথমবাৰ কোৱা বাবে মই গুৰুত্ব দিয়া নাছিলো। দ্বিতীয়বাৰো তেখেতে এনেকৈয়ে কৈছিল। তৃতীয়বাৰো। তিনিবাৰেই তেখেতৰ চেহেৰাত এক আচৰিত গৰ্বমিশ্ৰিত হাঁহি মুখত লাগি আছিল, তথাপিতো মোৰ দৃষ্টি বহুত পাছতহে পৰিছিল। তেখেতৰ ৰহস্যপূৰ্ণ হাঁহিটো, তেখেতৰ চকুৰ ক'লা ছাঁয়া বহুত বহুত সময়লৈকে লাগিয়েই আছিল।

সেইদিনাখন যেতিয়া মই তেখেতৰ সেই কথাখিনিকে ভাবি আছিলো, তেতিয়া এনে লাগিছিল যে 'জয়শ্ৰীৰাম' আৰু দাম্ভিক হাঁহিৰ লগত তাৎপৰ্যপূৰ্ণ সম্বন্ধ আছে। মই ভাবিবলৈ ধৰিলো। কোনো এটা সিদ্ধান্ত লোৱাৰ আগতে সকলো দিশৰ ওপৰত বিচাৰ কৰাটো মোৰ বাবে আৱশ্যক হৈছিল। 'ৰাম-ৰাম' বা 'জয়শ্ৰীৰাম' দুয়োটাৰ অৰ্থ বেলেগ বেলেগ। মই প্ৰথমতে ভালধৰণে ভাবিব পৰা নাছিলো। কিন্তু অগৰিয়াক দেখি তেখেতে যেনেকৈ নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল, তেতিয়াই মোৰ মনত কেইবাটাও প্ৰশ্নৰ উদয় হৈছিল। মোৰ মনত সংশয়ৰ ভাৱ অধিক হ'বলৈ ধৰিলে।

অগৰিয়া জব্বলপুৰৰ পৰা ইয়ালৈ বদলি হৈ আহিছে। তেওঁৰ কাৰণে এই চহৰখন অচিনাকি। কিন্তু তেখেতক মই আগৰ পৰাই জানিছিলো। সেয়ে তেওঁ কেতিয়াবা মোৰ ওচৰলৈ আহি কিছু সময় বহিছিল। বদলি হৈ অহাৰ পাছত এতিয়ালৈকে কোনো নিৰ্দিষ্ট স্থানত নিযুক্তি হোৱা নাছিল। তেওঁক দেখি তিৱাৰীয়ে মোক সুধিছিল, 'এতিয়া অলপ আগতে যিজন আপোনাৰ ওচৰত বহিছিল তেওঁ মাদ্ৰাজী নেকি? 'নহয়। জবলপুৰৰ পৰা আহিছে। ছত্ৰীশগড়ত থাকে।' মই সহজভাৱে তেখেতৰ মনৰ সংশয়ভাৱ আঁতৰাবলৈ চেষ্টা কৰিলো।

'ছত্ৰীশগড়?' -তেখেতে ক্ষোভেৰে ক'লে।

'হয়, ছত্ৰীশগড়। আদিবাসীলোকৰ বসতি প্ৰধান অঞ্চল।' মই বিনম্ৰভাৱে ক'লো।



তেখেতৰ চেহেৰাত আচৰিত ধৰনৰ ভাৱৰ উদয় হোৱা দেখিবলৈ পালো। তেখেতে মনে মনে থকাত মইয়ে সুধিলো, 'কি হ'ল?'

'নাই, একো হোৱা নাই।' তেখেত অলপ সচকিত হৈ পৰিল। স্পষ্টীকৰণ দিয়াৰ ভঙ্গীমাত তেখেতে ক'লে, 'তেওঁৰ চকু-মুখ মাদ্ৰাজীলোকৰ দৰে।'

'মাদ্ৰাজী যেনেকুৱা তেখেততো তেনে নহয়। তেওঁৰ চেহেৰা একেবাৰে ছত্ৰীশগড়ীৰ দৰে, আদিবাসীৰ ৰঙ-ৰূপ'। মই তেখেতক আশ্বস্ত কৰিব বিচাৰিলো।

'আদিবাসী' নামটোৱে তেওঁক বিচলিত কৰিলে। তেখেতৰ মুখাৱয়বত কেইবাধৰণৰ ভাৱ দেখিবলৈ পোৱা গ'ল। যেন তেখেতে নিজৰ ভিতৰতে বিৰক্তি বোধ কৰিছে। কিছু সময় ৰৈ ক'লে, 'এই বনবাসীসকল মধ্যপ্ৰদেশত বেছি।'

এইবাৰ মই তেখেতৰ কথাক বাধা দিয়াৰ কথা ভাবিলো। মই সুধিলো, 'বনবাসী?'

'হয়, বনবাসী। মধ্যপ্ৰদেশ, ছত্ৰীশগড়, ঝাড়খণ্ডত এই বনবাসীসকলে বাস কৰে।'

তেখেতে মোৰ মনৰ ভাব বুজিবলৈ চেষ্টা কৰিলে। মোৰ মুখৰ পৰা অকস্মাত 'ৰাম-ৰাম' আৰু 'জয়শ্ৰীৰাম' ওলাবলৈ ধৰিলে। মই কোনো এটা সিদ্ধান্তত উপনীত হ'বলৈ চেষ্টা কৰিলো। মোৰ মনৰ কথাবোৰ মই ক'বলৈ বিচৰা ধৰণেৰে এনেয়ে ওলাই আহিছিল, সেই কথাখিনি বৰ ডাঙৰকৈ কৈছিলো। যাৰবাবে মই নুশুনা ভাও জোৰাতো মোৰ বাবে বৰ কষ্টকৰ হৈ পৰিছিল। তথাপিতো মই নিজেই সংযত হ'বলৈ চেষ্টা কৰিছিলো।

পাছদিনাখনো পুনৰ তেখেতে সেই প্ৰশ্নটোকেই মোক কৰিলে। তেখেতে অগৰিয়াক দেখা মাত্ৰেই খৃষ্টান মিছনেৰী, পাদুৰীৰ কথা ক'বলৈ ধৰিলে। আৰু এটি দীঘলীয়া ভাষণেই দিলে। মোৰ বাবে এই ভাষণটো বৰ আমনিদায়ক আছিল। তেখেতে ভাষণত যিবোৰ বিষয় বাৰে বাৰে পুনৰাবৃত্তি কৰিছিল, সেইয়া হ'ল জোৰ-জবৰদস্তিকৈ ধৰ্ম পৰিবৰ্তন সম্পৰ্কীয়।

মই তিৱাৰীক সুধিছিলো, 'আদিবাসী সকলৰ উন্নতি, তেওঁলোকৰ শিক্ষাৰ বিষয়ে তেখেতে ভাবিছিলনে?' এইবোৰ বিষয়ত তেখেত নিমাতে থাকিল। তেখেতৰ কেৱলধৰ্মৰহে চিন্তা। তেওঁলোকৰ আৰ্থিক অৱস্থা কেনেকুৱা? ঠিকাদাৰসকলৰ দ্বাৰা তেওঁলোক কেনেকৈ শোষিত হৈছে? সেই অঞ্চলটোৰ প্ৰাকৃতিক সম্পদবোৰ ব্যৱহাৰ কৰাসকল কোন? যিবিলাকে এই আদিবাসীসকলক 'দিকু' বুলি মাতে, যিবিলাকে তেওঁলোকৰ মাটি দখল কৰিলে। সেইবোৰ বাহিৰৰ

মানুহ নহয়। এই দেশ-ধৰ্মৰ মানুহ। এইবোৰ প্ৰশ্নৰ ওপৰত কথা পতাটো আছিল তিৱাৰীৰ বাবে অপ্ৰয়োজনীয়। বচ, এটাই চিন্তা-তাত জোৰ জবৰদস্তি ধৰ্মৰ পৰিবৰ্তন কৰা হৈছে। এই বিষয়ে বাৰে বাৰে আবেগিক হৈ কৈ আছিল। তেখেতৰ কথাবোৰৰ পৰা ধৰিব পাৰি যে কেনেকৈ এই বিষয়ে নিজকে প্ৰস্তুত কৰি লৈছিল। কথাবোৰ তেখেতে বৰ সাৱধানেৰে ব্যক্ত কৰিছিল। এতিয়ালৈকে তেখেতৰ ভাষণত 'বাবৰী মছজিদ'ৰ পৰিবৰ্তে 'বাবৰী চাঁচা', 'দলিত'ৰ পৰিবৰ্তে 'বঞ্চিত', 'আদিবাসী'ৰ পৰিবৰ্তে 'বনবাসী', মায়াবতীৰ পৰিবৰ্তে 'চমাৰিন'........আৰু অনেক শব্দ আছিল, যিবিলাক তেখেতে নিজৰ সুবিধাৰ বাবে সলনি কৰিছিল। মই মোৰ মনৰ পৰা এতিয়া ক্ৰমে ক্ৰমে এই শব্দবোৰৰ ঔচিত্য প্ৰতিটো অৰ্থৰ লগত মিলাবলৈ ধৰিলো।

আগৰিয়াৰ নামত এতিয়ালৈকে কোনো চৰকাৰী আবাস গৃহৰ আবন্টন হোৱা নাছিল। তেওঁৰ বৰ অসুবিধা হৈছিল। তেখেতৰ ঘৈণীয়েক দুটি ল'ৰাৰ সৈতে জব্বলপুৰতেই আছে। দুয়োটাই পাবলিক্ স্কুলত পঢ়ি আছে। ল'ৰা দুটাৰ নামভৰ্তি ইয়াৰ ক'ত কৰাব আৰু কেনেকৈ হ'ব, এইবোৰ লৈ তেওঁ বৰ সমস্যাত পৰিছিল। যেতিয়া অগৰিয়া মোৰ ওচৰলৈ আহিছিল, তেওঁৰ পাছে পাছে তিৱাৰীও আহিছিল। কিন্তু। কথা-বতৰাত ভাগ লোৱা নাছিল। তেখেতে কেৱল আমাৰ মাজত হোৱা কথাবোৰ শুনি আছিল।

অগৰিয়া মোৰ ওচৰৰ পৰা যোৱাৰ পাছতেই তিৱাৰীৰ মুখমণ্ডল আচৰিত ধৰণৰ হ'ল। আৰু কথাবোৰ গোট গোট কৈ ক'বলৈ ধৰিলে, 'তুমি কিয় তাৰ সমস্যাত সোমাইছা?.......... তেওঁ যিকোনো এজন পাদুৰীৰ সহায়ত কোনো এখন স্কুলত ল'ৰা দুটিৰ নাম লগাব।' তেখেত কথা কোৱা ঢং বৰ কঠোৰ আছিল। মই ক'লো, 'তুমি এনেধৰণে কিয় ৰিয়েক্ট কৰিছা?'

'তুমি নাজানা, এইবোৰে আমাৰ সংস্কৃতিক শেষ কৰিলে।

'মিচনেৰীসকলে।' -তেখেতে ক'লে।

'কাল সংস্কৃতিক শেষ কৰিলে? -মই পুনৰ প্ৰশ্ন কৰিলো।

'টকাৰ লোভ দেখুৱাই তেওঁলোকে ধৰ্ম পৰিবৰ্তন কৰোৱায়।' -তেখেতে পুনৰ নিজৰ সেই একেদৰে তীব্ৰ ক্ষোভ প্ৰকট কৰিলে।

'মই এইটো জানিব বিচাৰিছো যে কাৰ সংস্কৃতিক?' -মই পুনৰ উনুকিয়ালো।

'ভাৰতীয় সংস্কৃতিক।' তেখেতে পূৰ্ণ আত্মবিশ্বাসেৰে ক'লে। 'সেই ভাৰতীয় সংস্কৃতিৰ ভিতৰত এই আদিবাসীসকল অন্তৰ্গত হয় নে নহয়? নে সেই কিছুলোকৰ সংস্কৃতিকেই ভাৰতীয় সংস্কৃতি বুলি কৈছা? সেই সংস্কৃতিত এইসকল



আদিবাসীলোক পৰে নে নপৰে, যদি পৰে তেওঁলোকে কিয় নিজৰ সংস্কৃতিক শেষ হ'বলৈ দিব?' -মোৰ এই যুক্তিৰ ওপৰত তেখেতে কোনো উত্তৰ নিদিলে। এনেভাৱে থাকিল যে তেখেতে মোৰ কথাবোৰ যেন শুনি পোৱাই নাছিল। তেখেতে নিজৰ কথাখিনিকেই বাৰে বাৰে কৈ আছিল।

মোৰ চকুৰ আগত অগৰিয়াৰ দৰে হাজাৰ হাজাৰ আদিবাসীৰ দৃশ্য দেখিবলৈ ধৰিলো। যিসকলে দিল্লী বা অন্য ৰাজ্যৰ ৰাজধানীবোৰত কামৰ বাবে বছৰ বছৰ ধৰি বাস কৰি আছে। কিন্তু লোকপিয়লত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত হোৱা নাই। তেওঁলোকৰ নাই ৰেচন কাৰ্ড, নাই ভোটাৰ তালিকাত নাম। যেন তেওঁলোক ভাৰতীয় নাগৰিক নহয়। তেওঁলোকৰ চিন্তা কেতিয়াবা কোনোবাই কৰিছেনে?

মই দুখেৰে তেখেতক ক'লো, 'তুমি অগৰিয়াৰ বিষয়ে কি জানা?'

'সকলো বনবাসী খৃষ্টান হ'ল। তেওঁলোকক পুনৰ নিজৰ ধৰ্মলৈ ঘুৰাই আনিব লাগে।' -তেখেতে দৃঢ়মত পোষণ কৰিলে।

'তোমাৰ সমস্যা কেৱল ধৰ্মৰ প্ৰশ্নতেই সীমাবদ্ধ...তুমি তেওঁলোকক পুনৰ নিজৰ ধৰ্মলৈ আনিব বিচাৰিছা, তেতিয়া পুনৰ ধৰ্মলৈ আহিলে সমাজত তেওঁলোকৰ স্থিতি কি হ'ব?' - মই সুধিলো।

'উদ্দেশ্য?' -তিৱাৰীয়ে সচকিত হৈ সুধিলে।

তথাকথিত ধৰ্মলৈ পুনৰ ঘুৰি আহিলে তেওঁলোকৰ জাতি কি হ'ব..... বৰ্ণ কি হ'ব..... তেওঁলোক বামুণ হ'বনে, ক্ষত্ৰীয় বা অন্য কিবা.....?' -মই জানিব বিচাৰিলো।

'অতীতত যি আছিল।' -তিৱাৰীয়ে তপৰাই উত্তৰ দিলে।

❖❖❖

---

*২০০৬-০৭ চনত প্ৰকাশিত।*

# শেষ প্ৰান্তত

**সুৰভি সোণোৱাল**

**প**শ্চিম আকাশখন অস্তগামী সূৰুযৰ হেঙুল পৰশ পাই হেঙুলীয়া হৈ পৰিছে। কি যে অপৰূপ দৃশ্য। একেথৰে আকাশখনলৈ সমীৰণে তন্ময় হৈ চাই আছে। তেওঁ মন কৰিলে আকাশৰ কোনোবাখিনিত চপৰা-চপৰ ডাৱৰ, সিয়ে এজাক বৰষুণ অহাৰ ইংগিত দিছে। হঠাৎ বৰষুণৰ টোপাল দুটা তেওঁৰ মুখমণ্ডলত চিটিকি পৰিল। মুহূৰ্ততে বিজুলী - ঢেৰেকনিৰে সৈতে ডাঙৰকৈ এজাক বৰষুণ ধৰাৰ বুকুলৈ নামি আহিল। বৰষুণৰ টোপালৰ শব্দবোৰ প্ৰচণ্ডৰূপত অনুৰণিত হ'বলৈ ধৰিলে। এনেতে মৃদু স্বৰত বাজি উঠা ম'বাইলৰ শব্দত সমীৰণৰ তন্ময়তা ভাগিল। কৰ্পূৰৰ ফুৰফুৰীয়া গোন্ধটোৰ দৰে খবৰতো বতাহত ভাঁহি আহি সমীৰণৰ কাণত পৰিল। খবৰতো পাই তেওঁৰ বুকুখন দুৰু দুৰুকৈ কঁপি উঠিল। অন্তৰৰ কোনোবাখিনিত প্ৰচণ্ড বিষ অনুভৱ হ'ল। সন্মুখৰ আয়নাখনত নিজকে তেওঁ নিথৰ হৈ চাই ৰ'ল। তেওঁৰ সন্মুখত থিয় দি থকাজন তেওঁৰ নিজৰেই প্ৰচ্ছায়ানে? তেওঁ যেন নিজকেই চিনিব পৰা নাই। ক'ত হেৰাল ? ক'ত হেৰাল, একালৰ সেই সমীৰণ বৰুৱা, যাৰ শৈশৱ গাঁৱৰ বোকা-পানী ধূলি-বালিৰ লগত একাত্ম আছিল। যোৱা পোন্ধৰ বছৰ কেৱল নিজৰ খ্যাতি- যশস্যা পূৰণৰ স্বাৰ্থতে ব্যস্ত হৈ থাকি যান্ত্ৰিকতাৰ পিছে পিছে দৌৰোতে কিয়েই বা লাভ কৰিলে?

সমীৰণ বৰুৱা একবিংশ শতিকাৰ যদিও এজন প্ৰতিষ্ঠাবান ব্যক্তি তথাপিও



এই মুহূৰ্তত তেওঁৰ অজস্ৰ সম্পত্তিৰ বাদে এজন সুহৃদ নাই, এজন শুভাকাংক্ষী নাই। এটা সময়ত তেওঁৰ কাষত তেওঁৰ শিক্ষয়িত্ৰী পত্নী, দুটি সন্তান আছিল। জন্মদাত্ৰী মাতৃগৰাকী লগত নাছিল তথাপিও সিহঁতে থকা চহৰৰ পৰা কিছু নিলগত থকা গাঁৱৰ ঘৰতে থাকি পুতেক-বোৱাৰীয়েকৰ খবৰ ৰাখিছিল। কিন্তু আজি সমীৰণ বৰুৱা পৰিয়ালৰ প্ৰতিজন সদস্যৰ পৰা বিচিন্ন হৈ চহৰৰ ৰাজপ্ৰাসাদ সদৃশ গৃহত নিসংগতাৰে দিন নিয়াইছে। আচলতে সেই সময়ত আধুনিকতাৰ পিছত দৌৰোতে অতি ব্যস্ততাৰ ভিৰত বৃদ্ধা মাতৃ, পত্নী, সন্তান সকলোকে আওকাণ কৰিছিল। যি কেৱল নিজৰ লক্ষ্য পূৰণৰ স্বাৰ্থত পৰিয়ালৰ আপোনজনৰ কথা পাহৰিয়েই পেলাইছিল। একবিংশ শতিকাৰ দেওনা গৰকা সমীৰণ বৰুৱাৰ পত্নী মানসী বৰুৱাও এগৰাকী শিক্ষিতা আধুনিকা নাৰী। পিছে মানসী বৰুৱা সমীৰণ বৰুৱাৰ দৰে বাহ্যিকভাৱে আধুনিক নহয়, তেওঁ মনে প্ৰাণে এগৰাকী আধুনিক দায়িত্বশীলা নাৰী। মানসী বৰুৱা এতিয়া সমীৰণৰ বৃদ্ধা মাতৃৰ সৈতে গাঁৱৰ ঘৰতে থাকিবলৈ লৈছে। গাঁৱৰ পাৰ্থৰতাৰ মাজতেই এই গৰাকী নাৰীয়ে জীৱনৰ সৌন্দৰ্য্য বুটলি লৈ সুখে-সন্তোষে জীয়াই থকাৰ বাট দেখিছে। মানসীৰ মানসিকতাৰ সৈতে সমীৰণৰ মানসিকতাৰ অলপো মিল নাই। যি সমীৰণ এসময়ত সেই গাঁৱৰ বোকা পানী একাকাৰ কৰি, ধূলি-বালিৰ লগত খেলা কৰি, গাঁৱৰ অকৃত্ৰিম সৌন্দৰ্য্যৰ মাজতেই আৱদ্ধ আছিল। কিন্তু সময়ৰ দৌৰাত্ম্যত তেওঁ নিজৰ গাঁওখন, আপোন ঘৰখনৰ লগতে অতিকে আপোন মানুহবোৰকো পাহৰি যোৱাৰ উপক্ৰম হৈছে।

সমীৰণ বৰুৱা আজি একেবাৰে অকলশৰীয়া তেওঁক অতিকে আপোন মানুহখিনিয়ে অকলশৰে এৰি যাবলৈ বাধ্য হ'ল। কাৰণ সমীৰণ বৰুৱাৰ ব্যক্তিগত ব্যস্ততাৰ বাদে ঘৰৰ আপোনজনৰ সুখ-দুখৰ বতৰা ল'বলৈ আহৰিয়েই নাই যি নিজৰ গাঁওখনৰ কথা শুনিলেই মুখ ঘূৰাই, তেওঁ গাঁৱৰ ঘৰৰ মুখামুখি হ'বলৈ ইচ্ছা প্ৰকাশেই নকৰে। পত্নী সন্তানৰ বতৰা ল'বলৈ তেওঁৰ আহৰিতো নায়েই, তেনে অৱস্থাত গাঁৱৰ ঘৰত থকা মাতৃৰ খবৰ ল'বলৈ নিশ্চয় অৱকাশ নাপায়। ফলস্বৰূপে তেওঁক এৰি থৈ মানসীয়ে সন্তানসহিতে শাহুমাতৃৰ কাষলৈ যাবলৈ বাধ্য হ'ল। কাৰণ মানসীক তাইৰ দায়িত্ব পৰায়ণ মনোভাৱে অকলশৰীয়া মাতৃক সংগ প্ৰদান কৰিবলৈ বা আলপৈচান ধৰিবলৈ হাতবাউল দি মাতিছে। এনে দায়িত্বক জানো মানসীয়ে উপেক্ষা কৰিব পাৰে? নিশ্চয় নোৱাৰে, সেয়ে মানসীয়ে অলপো পলম নকৰি সমীৰণক এৰি শাহুৱেকৰ কাষলৈ বিনাদ্বিধাই গুছি আহিল। মানসীৰ তুলনাত সমীৰণ সম্পূৰ্ণ ব্যতিক্ৰম, যি কেৱল নিজৰ ব্যস্ততাৰ মাজতে ডুবি থাকে।

মাকৰ প্ৰাণহীন নিশ্চল দেহটোলৈ বাকৰুদ্ধ হৈ সমীৰণে চাই আছিল। অথচ কান্দিব খুজিও তেওঁৰ দুচকুৰে চকুলো ধাৰা নামি অহা নাছিল। মাকৰ জাপ খাই থকা দুচকু আৰু শুকান শেতা পৰা মুখখনলৈ চাই তেওঁ থৰথৰকৈ কঁপিছিল। তেওঁ মাথো নিথৰ হৈ চাইয়েই আছিল বগা পোছাকেৰে ঢাকি ৰখা মাকৰ নিশ্চল দেহটোলৈ, সঁচাকৈয়ে মাকে কেইমুহূৰ্তমানৰ আগেয়ে সংসাৰৰ সমস্ত মোহ ত্যাগ কৰি অনন্ত ধামলৈ গুছি গ'ল। ইতিমধ্যে যান্ত্ৰিকতাৰ মায়াত বন্দী হৈ থকা সমীৰণৰ দুচকু মুকলি হৈছিল বহু পলমকৈ কিয়নো তেওঁ নিজকে বুজিবলৈ , জানিবলৈ লওঁতে সময়ে বহু যোজন বাট অতিক্ৰম কৰিছিল। নহ'লেনো মাকক জীৱিত অৱস্থাতে এবাৰ দৰ্শন কৰাৰ ইচ্ছা হ'লহেঁতেন তেওঁৰ। মাকৰ অবৰ্তমানত সমীৰণৰ বহুবছৰৰ আগেয়ে মাকে কোৱা কথাষাৰ মনলৈ আহিল" মানুহে জগতৰ কেৱল চকুত চমক্ লগা ৰূপত ভোল গৈ আপোন পাহৰা হ'লে নহ'ব। প্ৰয়োজনত মানুহে কদৰ্য ৰূপক যেনেকৈ উপেক্ষা কৰে তেনেকৈ চকুত চম্‌ক লগা ৰূপকেও উপেক্ষা কৰিব লাগিব।"

❖❖❖

---

২০০৯- ১০ চনত প্ৰকাশিত।



# দয়ালুৰ দয়া

ঘনদ্বীপ বৰুৱা

বৰষুণৰ বতৰ। ৰাতিপুৱাৰে পৰা চিপ চিপ কৈ বৰষুণ পৰিছে। সাত বাজি গ'ল। বৰষুণ হ'লে এৰা নাই। ধৰম সিঙ বাহিৰত বহি কিবা ভাবি আছে। ধৰমে নতুনকৈ বিয়া পাতিছে পাঞ্জাৱৰ পৰা নুৰী সিঙক। নুৰী পাঞ্জাৱৰ হ'লেও ব্যৱসায়ৰ সন্ধানত ডিব্ৰুগড়তে আছিল। ধৰমৰ ঘৰ তিনিচুকীয়াতে। ধৰমৰ ঘৰত নিজ ভাৰ্য্যাৰ বাহিৰে আন কোনো নাই, মাক-দেউতাক সৰু হৈ থাকোতে বোমা বিস্ফোৰণত ঢুকাল। চৰকাৰে ৫০,০০০ টকা দিছিল যদিও লিখা-পঢ়া নজনাৰ বাবে উলিয়াব নোৱাৰিলে। ধৰমে হোটেলত কাঁহি-বাতি ধুই দি নিজৰ পেট মোকোলাইছিল। তাৰে অলপ অলপকৈ সাঁচি সি ৰিক্সা এখন লৈছিল। কলেজ তিনিআলিৰ পৰা সি কলেজলৈ ছাত্ৰ-ছাত্ৰীবোৰ অনা-নিয়া কৰি দুই-এপইচা ঘটে। আজি প্ৰায় এবছৰে হ'ল তাৰ ৰিক্সা চলোৱা।

হঠাৎ পত্নীৰ মাতত ধৰম উচপ খাই উঠিল। পিছফালে ঘূৰি চাই দেখে যে নুৰী চাহ লৈ বৈ আছে। দুয়ো বহি একেলগে চাহ খালে। ধৰমে নুৰীক ক'লে, "আজি বৰষুণ দিছে, কলেজৰ বেছি ভাগ ল'ৰা-ছোৱালী ৰিক্সাতে অহা-যোৱা কৰিব, মই সোনকালে যাওঁ।" কথাকেইটা একে উশাহতে কৈ পেলালে। শুকান ৰুটি দুখন খাই ৰিক্সাখন লৈ ওলাই গ'ল। কলেজ তিনিআলিৰ পৰা কলেজ, বাছ ষ্টেণ্ড,থানা চাৰিআলিলৈ সি ৰিক্সা চলায়। আজিও তাৰ ব্যতিক্ৰম নহ'ল। বতৰ ডাৱৰীয়া হোৱা বাবে সি কেইটামান টকা বেছিকৈ গোটালে, প্ৰায় তিনিশমান টকা।

সন্ধিয়া প্ৰায় চাৰি বজাত সি ঘৰলৈ উভতিছিল। তেনে সময়ত দুজন ডেকাই তাৰ ওচৰলৈ আহি জ্যোতিনগৰ কলনীলৈ যাবি নেকি বুলি সুধিলে। ধৰমে প্ৰথমে নাযাও বুলিয়েই ক'লে। কিন্তু ডেকা দুজনে ক'লে যে সিহঁতৰ খোজকাঢ়ি ভাগৰ লাগিছে, গতিকে অলপ দূৰ থৈ আহিলেই হ'ব। ধৰম মান্তি হ'ল। সাধাৰণতে সি সন্ধিয়া সময়ত ভিতৰৰ গলিত নোসোমাই। কিন্তু সেইদিনা দুটকা বেছিকৈ পোৱাৰ আশাত ডেকা দুজনক লৈ ভিতৰৰ গলিয়েদি সোমাইছিল। ধৰমক বাট দেখুৱাই সিহঁতে তাক অকোঁৱা-পকোঁৱা পথেদি সোমোৱাই লৈ গ'ল। ধৰমে ১৪ মাইল মান যোৱাৰ পিছত আৰু যাব বিচৰা নাছিল, কিন্তু সিহঁতে তাক জোৰ কৰি নিছিল। ঠিক এক মিনিট যোৱাৰ পিছত ডেকা দুজনৰ এজনে তাৰ কান্ধত হাত দি ৰখোৱাৰ ইংগিত দিছিল। ৰিক্সাৰ পৰা নামি সুধিলে, "কিমান টকা?"

"৩০ টকা" - ধৰমে ক'লে।

সিহঁতে দাম-দৰ নকৰি তাক ৩০ টকা দি গুছি গ'ল। ধৰমে মনতে ভাবিলে ডেকা দুজনে হয়তো তাৰ বাটৰ কথা বুজিব পাৰি তাৰ লগত দাম -দৰ নকৰিলে।

গধূলি নামি আহিছিল। চহৰৰ লাইটবোৰ ঘৰে ঘৰে জ্বলি উঠিছিল। ৰাস্তা পদূলিত মানুহৰ সমাগম ক'ৰবাত দুই - একহে হৈছিল। ধৰমে নুৰীৰ অকলশৰীয়াৰ কথা ভাবি গৈ থাকোতে কেইজনমান ক'লা কাপোৰ মুখত মৰা যুৱকে আহি তাক ধমকি দি তাৰ ওচৰত থকা পইচাকেইটা খুজিলে। ধৰমে দিবলৈ ৰাজী নোহোৱাত সিহঁতৰ কোনোবা এজন আহি তাক দুটা প্ৰচণ্ড ঘোচা লগাই দিলে। ফুটবলৰ দৰে সি দূৰৈত চিটিকি পৰিল। তাৰ পিছত তাৰ জেপৰ পৰা যুৱক কেইজনে অশেষ কষ্টেৰে গোটোৱা টকা কেইটা কাঢ়ি লৈ গুছি গ'ল। ধৰমে কোনোমতে উঠি প্ৰাণৰ ভয়ত ৰাজধানী এক্সপ্ৰেছৰ দৰে ঘৰ পাইছিলগৈ। ঘৈনীয়েকক একো কোৱা নাছিল ধৰমে। ওৰে ৰাতি ধৰমৰ ঘটনাটো মনত পৰি থাকিল। সেই উদণ্ড ডেকাকেইজন কোন আছিল? কিয় এনেদৰে টকা কেইটা কাঢ়ি লৈ গ'ল? ভাবি সি একো উৱাদিহ উলিয়াব নোৱাৰিলে। তাৰ মনটো আকৌ ১৯-২০ বছৰ বয়সলৈ উৰা মাৰিলে। সেই বয়সত সিটো তেনেকুৱা নাছিল। ডেকা কেইটাৰ লগত সি নিজকে ৰিজাই এটা উপলব্ধি কৰিছিল যে তাৰ পৰা পইচা কাঢ়ি নিয়া ডেকা কেইটা সম্ভৱত কলেজত পঢ়িছিল আৰু সি নাই পঢ়া।

দুখ-ভাগৰে জুৰুলা কৰা ধৰমে ৰাতিপুৱা দেৰিকৈ সাৰ পালে। সি নিজৰ কপালখনত কিছু বিষ অনুভৱ কৰিলে। সি মুখ-হাত ধুই, ৰুটি কেইখন খাই ৰিক্সাখন লৈ ওলাই গ'ল। ধৰমৰ কেতিয়াবা নুৰীক এনেদৰে অকলশৰে এৰি থৈ আহিবলৈ



বেয়া লাগে। কিন্তু পেটৰ বাবে আহিবইটো লাগিব। সেইদিনা তাৰ ৰিক্সা চলাওতে যোৱাৰাতিৰ ঘটনাটো মনত পৰি থাকিল। এইদৰে চিন্তামগ্ন হৈ ৰিক্সা চলাই থাকোতে হঠাৎ তীব্ৰ বেগেৰে মাৰুতি কাৰ এখনে তাৰ ৰিক্সাত খুন্দিয়াইছিল। সৌভাগ্যক্ৰমে ধৰমৰ আৰু ৰিক্সাত উঠি যোৱা মহিলাগৰাকীৰ একো হোৱা নাছিল। কিন্তু ৰিক্সাখনৰ চকা দুটা একেবাৰে বেঁকা হৈ গৈছিল। মাৰুতিকাৰখন ৱালত খুন্দা খাই আগফালৰ গ্লাছখন ভাঙিছিল। গাড়ীখনৰ পৰা মানুহ এজন নামি আহি ধৰমক সোধ-পোছ নোহোৱাকৈ দুই চৰ লগাইছিল। ধৰমে একো ধৰিব পৰা নাছিল। হুলস্থুল হোৱাৰ অলপ সময়ৰ পিছত পুলিচ আহি উপস্থিত হ'ল। ঘটনাৰ আঁত বিচাৰি ধৰমক কিছু প্ৰশ্ন সুধিলে। ধৰমে নিৰ্ভয়ে সকলো উত্তৰ দি গ'ল। তাৰ পিছত গাড়ীৰ মালিকৰ সৈতে ধৰমক থানালৈ লৈ গৈছিল। গাড়ীৰ মালিকে ধৰমক দহ হাজাৰ টকা দিবলৈ ক'লে, নহ'লে জেইল হ'ব বুলি হুংকাৰ দিলে। তেনে সময়তে নতুন পুলিচ অফিচাৰ এজনে আহি গাড়ীৰ মালিকক কিবা বুজাইছিল। অফিচাৰ জনে নাম আৰু ঠিকনা লিখি, ঘৰত কোন কোন আছে সুধিছিল। অফিচাৰজনৰ সম্ভৱত ধৰমৰ ওপৰত দয়া উপজিছিল, তেওঁ গাড়ীৰ মালিকক দহ হাজাৰ টকা দিলে। পিছত ধৰমে জানিব পাৰিছিল যে, অফিচাৰজনৰ নাম দিব্যানন্দ। গোটেই ঘটনাবোৰ এখন চিনেমাৰ দৰে হৈছিল। ধৰমে হাঁহোৱেই নে কান্দোৱেই একো ধৰিব পৰা নাছিল। সি অফিচাৰজনৰ ভৰি চুইছিল আৰু চকুলোৰেদি নিগৰি অহা অশ্ৰুৰে দিব্যানন্দৰ ভৰি তিয়াই দিছিল। দিব্যানন্দই ধৰমক বুজনি দি লাহে লাহে টকাখিনি ঘূৰাবৰ কাৰণে কৈ তাক যাবলৈ দিলে।

ধৰম ঘৰলৈ আহি ঘৈনীয়েকক বিস্তৃত বিৱৰণ দিলে। লগতে দিব্যানন্দ ছাৰক ভগৱানৰ লগত তুলনা কৰিলে। অতি দয়ালু দিব্যানন্দ ছাৰৰ গুণ গাই ধৰমে তেনে এজন মানুহৰ সান্নিধ্য পাই নিজকে ধন্য মানিলে। সকলো মানুহ স্বাৰ্থপৰ বুলি ভবা তাৰ ধাৰণা সলনি হ'ল।

এসপ্তাহৰ পিছত এদিন দিব্যানন্দ আহি ধৰমৰ ঘৰত ঘপহকৈ ওলালহি। ধৰমে তাক বৰ আদৰ-সাদৰ কৰিলে। এনেকৈয়ে দিব্যানন্দ প্ৰায়ে ধৰমৰ ঘৰলৈ অহা-যোৱা কৰিব ধৰিলে।

নুৰীয়ে এদিন ধৰমক কৈছিল "পুলিচ মানুহৰ লগত মিতিৰালি বেয়া। এই যে দিব্যানন্দ ছাৰৰ অহা-যোৱা অলপ বেছি হৈছে নেকি?"

"একো নহয়, ভাল মানুহ, আনৰ উপকাৰ কৰা মানুহ" এইবুলি কৈ ছাৰক আহিলে ভালকৈ মাতিবি বুলি ক'লে।

এদিন ধৰম ঘৰলৈ আহি দেখে যে ঘৈনীয়েক নুৰীৰ দেখোন মাত-বোল নাই, বিচনাতে তলমূৰ কৰি পৰি আছে। আৰু এইয়া তাইৰ দেহাটো দেখোন ঢাকিবলৈ কাপোৰৰ অভাৱ যেন ফটা-ছিটা কাপোৰ। নুৰী বুলি চিঞৰি ধৰমে তাইৰ মুখখন ঘূৰাই দিলে। কিন্তু এয়া কি নুৰী দেখোন শিলটোৰ দৰে থৰ হৈ পৰি আছে। ধৰমৰ নিজকে বিশ্বাস কৰিবলৈ টান পালে। ধৰমৰ চকুলো যেন বেজাৰত নিগৰি আহিব ধৰিছিল। কি কৰিব, কি নকৰিব ইফালে- সিফালে চাই সি টেবুলত চিঠি এখন দেখা পালে। খৰধৰকৈ সি চিঠিখন চালে। তাত বুজি পোৱা নোপোৱাকৈ লিখা আখৰবোৰ জোটাই ধৰমে পঢ়িলে, "আপোনাৰ দয়ালু ভগৱান আহিছিল। তেখেতে মোৰ ওপৰত দয়া কৰি মোৰ বস্ত্ৰ কাঢ়িলে। তাৰ পিছত হৰিণীৰ ওপৰত বাঘ জপিয়াই পৰাদি জপিয়াই পৰিল।" পিছৰ খিনি সি পঢ়িব নোৱাৰিলে। এক অবুজ বেদনাই তাক জোকাৰি গ'ল। মাথো বৈ গ'ল এটি উত্তৰবিহীন এটি প্ৰশ্ন এইয়াই নেকি দয়ালুৰ দয়া?

❖❖❖

---

*২০১০-১১ চনত প্ৰকাশিত।*



# নয়ণ

ফিজু মৰাণ

বিষ্ণুৰাভা উদ্যানত বহি ৰমাকান্তই জিৰণি লৈছে। সি প্ৰায়েই ইয়ালৈ আহে। ইয়াৰ পৰিৱেশ, চৰাই-চিৰিকটিৰ মাত বৰ মনোৰম, বৰ শুৱলা। নিজান আৰু শান্তিময় এই ঠাইবোৰ। এতিয়া সি সংসাৰৰ জঞ্জালৰ পৰা মুক্ত হ'ল। পুতেকহঁতৰ হাততে ঘৰৰ বোজাবোৰ জাপি দিলে, বুঢ়া বয়সত অলপ শান্তি, বিচাৰি। পিছে এই জীৱনত শান্তি আছে জানো, তাক নানা কথা, ভাৱনা আৰু কামেই আগুৰি ধৰে। তথাপিও অলপ বোজা পাতল হ'ল। চাৰিটাকৈ ল'ৰা-ছোৱালী পঢ়াই-শুনাই মানুহ কৰিলে, নিজে আধাপেটিকৈ থাকি হ'লেও, ভাল বস্তু এটা নলৈ হ'লেও সিহঁতক পঢ়ালে। আজি মৰমৰ মালতীজনী থকাহেঁতেন কিমান যে আনন্দ পালেহেঁতেন। যোৱাৰ সময়ত কৈ গৈছিল - "মোক তেৰাই এইকেইটা দিনলৈকে পঠাইছিল আৰু আজি নিবলৈ আহিছে। আপুনিও মহান। আপোনাৰ লগত দিনবোৰ কটাই বহুভাল লাগিছিল। পিছে, মোৰ যাবৰ হ'ল। আপুনিয়ে সোণহঁতক চাব। আৰু চাব যাতে আপোনাৰ সপোনৰ ঘৰখন ভাঙি নাযায়। আৰু অজানিতে যদি কিবা ভুল কৰিছিলো মোক ক্ষমা কৰি দিব।" আহ! কিমান হৃদয় স্পৰ্শী সেই মুহূৰ্তটি, কিমান কৰুণ। আৰু আজি মই আমাৰ সেই সপোনবোৰ পূৰণ কৰিলো। চোৱা মই জিকিলো মালতী, মই জিকিলো। তেওঁৰ অজানিতে চকুলো বৈ আহিল

আৰু মুখৰ পৰা ওলাই আহিল এই শাৰী বাক্য - মই জিকিলো মালতী, মই জিকিলো।

ককা আপুনি ক'ত জিকিলেনো?

ৰমাকান্তই উচপ খাই উঠিল। তেওঁ মূৰ ঘূৰাই চালে। এটা ৭-৮ বছৰীয়া সৰু ল'ৰা। ক'লা চশমা পিন্ধা। তেওঁৰ ফালে চাই মিচিকিয়াই হাঁহিছে।

আপোনাৰ চাগে বৰ আনন্দ লাগিছে। আপুনি কিবা খেল খেলিছিল নেকি?

ইমান মৰম লগা তেওঁৰ নাতিয়েকৰ দৰেই। তেওঁ কি বা উত্তৰ দিব কণমানিটিক। বুজি পাব জানো তেওঁৰ কথাবোৰ। তথাপিও ক'লে,

অ' বৰ আনন্দ লাগিছে। মই সংসাৰৰ যুদ্ধত জয়ী হ'লো।

সংসাৰৰ যুদ্ধ? আপুনি ৰজা নেকি? মই মাৰ মুখৰ পৰা ৰাম-লক্ষ্মণ আৰু ৰাৱণৰ যুদ্ধৰ কথা শুনিছো। আপুনি সংসাৰৰ যুদ্ধৰ কথা কৈছে, ইনো কেনেকুৱা যুদ্ধ। ইয়াতো মৰা- কটা হয় নেকি?

সি কেনেকৈ বুজাব। ভাবি পাৰ পোৱা নাই।

মাক-দেউতাকো বৰ জ্ঞানী যেন পাওঁ সৰুৰ পৰাই নৈতিক জ্ঞান দিছে। ৰমাকান্তই এই বুলি বুজনি দিলে যে

ইয়াত মৰা-কটা নহয়। অ' তুমি সৰু হৈ আছা নহয়। তুমি যেতিয়া ডাঙৰ হ'বা , তুমিও এই যুদ্ধ কৰিব লাগিব আৰু মোৰ দৰে জয়ী হ'ব লাগিব। (ল'ৰাজনে মিচিকিয়াই হাঁহি মাৰি ক'লে)

মই কেনেকৈ যুদ্ধ কৰিম, মই চকুৰে নেদেখো নহয়।

তাৰমানে ল'ৰাজন অন্ধ। তেওঁৰ হৃদয়ত কিবাহে খুন্দা মৰা যেন অনুভৱ কৰিলে, আঙুৰি ধৰিলে অবুজ বেদনাই। যেতিয়া প্ৰয়োজনীয় বস্তুবোৰ, আপোনাৰ হেৰাই যায় তেতিয়াহে অনুভৱ হয় আৰু অন্তৰে দুখত কান্দি উঠে। সৰু ল'ৰাবোৰে এইবোৰ কথা বুজি পায় জানো। সিহঁতে কি কথাত হাঁহিব লাগে কি কথাত কান্দিব লাগে একোৱে নাজানে।

দেউতা আৰু মাৰ মুখত শুনিছো নহয়। মই বোলে এই পৃথিৱীখন কেতিয়াও দেখা নাপাও।

ৰমাকান্তই কি ক'ব, কি নক'ব ভাবি পোৱা নাই তেওঁ এইবুলি ক'লে,

তুমি শুনিছাহে। তোমাৰ আগততো কোৱা নাই চাবা তুমি এদিন সকলোবোৰেই দেখিবা। তোমাৰ সকলো ভাল হৈ যাব।



মই দেখিম। সঁচা।

অ'।

মই মা আৰু দেউতাক ক'ম, মই এই পৃথিৱীখন দেখা পাম। মই মা-দেউতাকো দেখা পাম। মা-দেউতাহঁতে আহিলে চিনাকি কৰাই দিম আপোনাৰ লগত। জানে ককা, মোৰ মা আৰু দেউতাৰ মুখখন চাবলৈ বৰ মন যায়। আমাৰ ঘৰৰ পদূলিমুখত শেৱালি ফুলৰ গছ আছে, মই পুৱা-গধূলি সদায় তাৰ গোন্ধ লওঁ। মোৰ তাকো চাবলৈ মন যায়।

তুমি ভাল হ'লে আৰু কি কি দেখিবা জানা?

ওঁহো নাজানো, কওককচোন?

ৰঙা ৰঙৰ বেলি, আকাশ, শুকুলা ডাৱৰ, সন্ধিয়া ঘৰমূৱা হোৱা বগলীৰ জাক, জোনাকী পৰুৱা, তৰা, জোন আৰু বহুত বস্তু দেখিবলৈ পাবা।

এইবোৰ বৰ ধুনীয়া ন?

অ'

আপুনি আপেল খাব? লওক খাওকচোন।

দিয়া অ' তোমাৰ নামটো সোধাই নাই নহয়? তুমি ইয়ালৈ কেতিয়া আহিছিলা?

মোৰ নাম জোন। আমি আহোঁতে আপুনি শুই আছিল। মায়ে ক'লে, তুমি ককাৰ লগতে বহি থাকা। হাল্লা নকৰিবা দেই, ককা শুই আছে। আমি তোমালৈ খোৱা বস্তু আনোগৈ। মায়ে ক'লে ওচৰতে থকা দোকানখনতে থাকিম।

অ' হয় নেকি?

ইমানতে মাক-দেউতাকহঁত দোকানৰ পৰা পালেহি। তালৈ কিনি অনা বস্তুবোৰ দি ক'লে,

তুমি ককাক আমনি কৰি আছা নেকি?

নাই কৰা, কথাহে পাতিছো। অ মা, ককায়ে কৈছে মই বোলে দেখা পাম। সঁচাকৈ পাম নে মা? মোৰ তোমাৰ আৰু দেউতাৰ মুখখন চাবলৈ মন গৈছে। সঁচাকৈ পাম নে মা?

(অৰ্চনাৰ দুগালে দুধাৰি চকুলো বাগৰি আহিছে)।

অ পাবা জোন। (এইবুলি কৈ বুকুত জোনক সাৱটি ধৰে)

ৰমাকান্তই জোনৰ দেউতাক ৰঞ্জনৰ লগত জোনৰ বিষয়ে কথা পাতে। ৰমাকান্তই কয় যে তেওঁ মৰাৰ আগতে চকুযুৰি জোনক দি যাব।পূৰণ কৰিব জোনৰ সেই আশাবোৰ। ৰঞ্জনে সৰগ ঢুকি পোৱা যেন অনুভৱ কৰিলে। তেওঁ যেন ভগৱানৰ লগত কথা পাতি আছে। সি ৰমাকান্তৰ চৰণত পৰি দিলে। অৰ্চনাই গিৰিয়েকৰ এই কাণ্ড দেখি আচৰিত হ'ল। যেতিয়া ৰঞ্জনে সকলো কথা ভাঙি পাতি ক'লে তেতিয়া তাইও ৰমাকান্তৰ ভৰিত ধৰিলে। ৰমাকান্তই ক'লে,

এইবোৰ ভগৱানৰ লীলা। ভগৱন্তই যি কৰে ভালেই কৰে। আমিহে দুখ কৰি মৰো। ভগৱানে তোমালোকক কুশলে ৰাখক।

❖❖❖

---

*২০১২-১৩ চনত প্ৰকাশিত।*



# হিংসা পৰমো ধৰ্ম

(মূল ঃ প্ৰেমচান্দ)

অনুবাদ ঃ ৰত্ন গোপাল গগৈ

সংসাৰত এনে কিছু লোক আছে তেওঁ কাৰো চাকৰ নহ'লেও সকলোবোৰ চাকৰৰ কাম কৰে, তাৰ নিজৰ কোনো কাম নহ'লেও মূৰ তুলিবলৈ সময় নহয়। জামিদ এই শ্ৰেণীৰ মানুহ আছিল। একদম বেপেৰুৱা, তাৰ কোনো বন্ধু নাছিল, নাছিল তাৰ কোনো শত্ৰু। যিকোনো লোকেই তাক ভালধৰণে মাতিলেই, সি তাৰ ভৃত্য হৈ যায়। এনেই কাম কৰিবলৈ সি ভাল পায়। গাঁৱৰ কাৰোবাৰ বেমাৰ হ'লে, সি বেমাৰীৰ সেৱা-শুশ্ৰূষাৰ বাবে উপস্থিত হয়হি। ক'লে মাজনিশাই হাকিমৰ ঘৰলৈ যায়, দৰব-পাতি বিচাৰি ঘৰ চলাথ কৰে। বিশ্বাস নহৈছিল যে কোনো দুখীয়াৰ ওপৰত কোনোবাই অত্যাচাৰ কৰা দেখিলে আৰু সি মনে মনে থাকিব । যদি তাক মাৰি পেলালেও, সি দুখীয়াজনৰ পক্ষত মাত মাতিবই। বহুবাৰ সি এনেকুৱা কৰিছিল। পুলিচৰ লগত বহুদিন সি তৰ্কও কৰিছিল। সেই কাৰণেই মানুহে তাক পাগল বুলি বুলিছিল। আৰু কথাও তেনেকৈ কৈছিল। যিবিলাক মানুহে যাৰ কষ্ট অধিক বুলি ভাবি তাৰ পৰা কাঢ়িছিল, নিজৰ মূৰত তুলি লৈছিল, কাৰোবাৰ ঘৰত ছপড় তুলিবলৈ বা জুই নুমুৱাবলৈ তিনিমাইললৈকে দৌৰ মাৰে, তাক জ্ঞানী বুলি কোনে ক'ব? মুঠ কথা হ'ল যে তাৰ পৰা কাৰোবাৰ যিমানে লাভ নহওঁক, নিজৰ কিন্তু কোনো উপকাৰ হোৱা নাছিল। আনকি সি দিনটোৰ খোৱা সাজৰ বাবে আনৰ ওপৰত

ভৰসা কৰিব লাগিছিল। পাগলটো সি আছিল আৰু তাৰ লাভ আনে পাইছিল।

শেষত যেতিয়া মানুহবোৰে তাক বহুত বুজাইছিল – তই তোৰ জীৱনটো কিয় নষ্ট কৰিছ, তই আনৰ কাৰণে মৰিছ, তোৰ বাবে চিন্তা কৰা কোন আছে? যদি এদিন বেমাৰ পৰ, তেতিয়া কোনেও এটোপাও পানী নিদিয়ে, যেতিয়ালৈকে আনক সেৱা কৰি থাক, মানুহে পূণ্য বুলি ভাবি খাবলৈ দিব, যিদিনাখন সেই দিনটো আহিব, কোনেও তোৰ মুখলৈ নাচাব, তেতিয়া জামিদে বুজিব পাৰিলে। বাচন-বৰ্তন একোৱেই নাছিল। এদিন ওলাল আৰু এফালে যাবলৈ ধৰিলে দুদিনৰ পাছত টাউন পালেগৈ। টাউনখন বৰ ডাঙৰ। আট্টালিকা আকাশচোৱা। ৰাস্তা বহল আৰু পৰিস্কাৰ, বজাৰ, বাগিছা, মছজিদ আৰু মন্দিৰৰ সংখ্যা অট্টালিকাতকৈ বেছি নাছিল। যদিও কামো নাছিল। মুছলমান লোকসকলে এখন চোতালত নামাজ পঢ়িছিল। হিন্দুসকলে এজোপা গছৰ তলত পানী ঢালিছিল। নগৰত ধৰ্মৰ মাহাত্ম দেখি জামিদে বৰ আশ্চৰ্য্যান্বিত আৰু আনন্দিত হ'ল। তাৰ ধাৰণাত ধৰ্মৰ মহিমা যিমান আছিল সিমান আৰু কোনো সাংসাৰিক বস্তুৰ ওপৰত নাছিল। সি ভাবিলে, এইবিলাক মানুহ কিমান ধাৰ্মিক কৰ্মত ব্যস্ত, কিমান সত্যবাদী। ইয়াত কিমান দয়া, কিমান বিবেক, কিমান সহানুভূতিশীল, সেইকাৰণেই ভগৱানে ইমান দিছে। সি সকলো অহা-যোৱা মানুহক শ্ৰদ্ধাৰে চাইছিল আৰু তেওঁলোকৰ ওচৰত বিনয়ী হৈ নমস্কাৰ কৰিছিল। ইয়াৰ সকলো মানুহকে সি দেৱতুল্য বুলি ভাবিছিল।

ঘূৰি ঘূৰি থাকোতে সন্ধ্যা লাগিল। সি ভাগৰি এটা মন্দিৰৰ বহিবলৈ থকা ওখ ঠাইত বহিল। মন্দিৰটো বৰ ডাঙৰ, ওপৰত কলচীটো উজ্জ্বলি আছিল। বগা শিলৰ ওপৰত ভগৱান আসনত বহি আছে কিন্তু চোতালৰ ঠায়ে ঠায়ে গোবৰ আৰু জাবৰ পৰি আছিল। জামিদে দুৰ্গন্ধ ভাল নাপাইছিল, মন্দিৰৰ এনে দশা দেখি সি থাকিব নোৱাৰিলে, ইফালে সিফালে চালে ক'ৰবাত ঝাডু আছে নেকি, যাতে সি চাফা কৰিব পাৰে, কিন্তু ঝাডু নেদেখিলে। উপায় নাপায় সি তাৰ পিন্ধা কাপোৰেৰে ওখ ঠাইডোখৰ চাফা কৰিবলৈ ধৰিলে।

কিছু সময়ৰ পাছত ভকতসকলৰ ভিৰ হ'বলৈ ধৰিলে। তেওঁলোকে যেতিয়া জামিদক মন্দিৰৰ মজিয়াখন চাফা কৰা দেখিলে, তেতিয়া নিজৰ মাজতে কথা পাতিবলৈ ধৰিলে।

সি তো মুছলমান।

চুইপাৰ হ'ব পায়।

নহয় চুইপাৰে নিজৰ গাৰ কাপোৰেৰে চাফা নকৰে। ই পাগল হ'ব পায়।



সেইয়া তো দান কাৰ্য কৰা মানুহ নহয় জানো?

নহয়, দেখিলে তো বৰ দুখীয়া যেন লাগে।

হসন নিজামৰ কোনো শিষ্য হ'ব পায়।

সি গোবৰৰ বাবেই চাফা কৰিছে। কোনো ভটিয়াৰ হ'ব পায়। (তীৰ্থযাত্ৰীসকলক ভোজন যোগান দিয়া, ভটিয়াৰ) (জামিদলৈ উদ্দেশ্যি)

গোবৰ লৈ নাযাবি, বুজিছ? ক'ত থাক?

বাহিৰৰ যাত্ৰী চাহাব, মই গোবৰ লৈ গৈ কি কৰিম? ঠাকুৰনীৰ মন্দিৰ দেখিলো, আৰু আহি ইয়াতে থাকিলো। জাবৰ -জোথৰ পৰি আছিল। মই ভাবিলো, ধাৰ্মিক লোক আহিব, চাফা কৰিলো।

তইতো মুছলমান নহয় জানো?

ভগৱানতো সকলোৰেই ভগৱান। কি হিন্দু, কি মুছলমান।

তই ভগৱানক মান?

ভগৱানক কোনে নামানে, চাহাব? যিজনে জন্ম দিলে, তেওঁক নামানিতো কাক মানিম।

ভকতসকলৰ মাজত আলোচনা হ'ল।

গাঁৱলীয়া। ৰখীয়া কৰিব লাগিব। যাবলৈ দিয়া নহ'ব।

জামিদ থাকিল। তাক সকলোৱে আদৰ-সাদৰ কৰিবলৈ ল'লে। এটা আহল-বহল কোঠাত থাকিবলৈ পালে। দুবেলা উত্তম খাদ্য খাবলৈ পালে। দুই চাৰিজন মানুহ তেওঁৰ লগত থাকে। জামিদে ভজন গাব পাৰিছিল। মাতটোও শুৱলা আছিল। সি সদায় মন্দিৰলৈ গৈ কীৰ্তন গাইছিল। কীৰ্তনৰ লগতে যদি সুৰৰ লালিত্য থাকে তেতিয়া আৰু কি লাগে। মানুহক তাৰ কীৰ্তন ভজনে প্ৰভাৱিত কৰিছিল। বহু লোক ভজন শুনিবলৈ মন্দিৰলৈ আহিবলৈ ল'লে। সকলোৱে ভাবিলে যে ভগৱানে এইজনক ইয়ালৈ পঠাইছে।

এদিন মন্দিৰত বহুতো লোক গোট খালে। মজিয়াত পাটি পৰা হ'ল। জামিদৰ মূৰ খুৰাই দিয়া হ'ল। নতুন কাপোৰ পিন্ধোৱা হ'ল। যজ্ঞ আয়োজন কৰা হ'ল। জামিদৰ হাতেৰে মিঠাই বিলোৱা হ'ল । সি তেওঁৰ আশ্ৰয়দাতাৰ উদাৰতা আৰু ধৰ্মনিষ্ঠাৰ প্ৰতি অভিভূত হৈ পৰিল। এই মানুহবোৰ কিমান ভদ্ৰ, মোৰ দৰে দুৰ্ভগীয়া বাহিৰৰ লোক এজনক ইমান আদৰ-সাদৰ কৰিছে। ইয়াকেই ভকত ধৰ্ম বুলি কোৱা হয়। জামিদে ইমান মান -সন্মান কেতিয়াও পোৱা নাছিল। ইয়াত সেই মনমানী যুৱকজনক মানুহে পাগল বুলি কৈছিল, ভকতসকলৰ শিৰোমণি হৈ পৰিল।

হাজাৰ মানুহে কেৱল তেওঁকেই দৰ্শন কৰিবলৈ আহে। তেওঁৰ পাণ্ডিত্যৰ বিষয়ে বহু চৰ্চ্চা হৈছিল। বাতৰি কাকতত প্ৰচাৰ হ'ল যে এজন বহুত বিদ্বান মৌলবী চাহাবৰ শুদ্ধি হ'ল। সহজ-সৰল জামিদে এই সন্মানৰ ৰহস্য একো বুজি পোৱা নাছিল। এনে ধৰ্মপৰায়ণ ব্যক্তিৰ বাবে তেওঁ কি কৰিব পাৰে? তেওঁ সদায় পূজা কৰে, ভজন গায়। তেওঁৰ বাবে কোনো নতুন কথা নাছিল। নিজৰ গাঁৱতো তেওঁ সচৰাচৰ সত্যনাৰায়ণৰ ব্যাখ্যান শুনিছিল। ভজন-কীৰ্তনো কৰিছিল। পাৰ্থক্য কেৱল গাঁৱত তেওঁৰ আদৰ-সাদৰ নাছিল। ইয়াত তেওঁৰ সকলোৱেই ভক্ত।

এদিনাখন জামিদে বহু ভকতৰ লগত বহি পুৰাণ পাঠ কৰি আছিল তেতিয়া সি দেখিলে যে ওচৰৰ ৰাস্তাত এজন শকত- আৱত মূৰত তিলক লগাই লগুণ পিন্ধি থকা যুৱকে এজন দুৰ্বল মানুহক মাৰিছে। বয়স হৈছে, গুড়গুড়াই আছে আৰু ভৰিত পৰি কৈছে মহাৰাজ, মোৰ দোষ ক্ষমা কৰা, কিন্তু তিলক লগোৱা যুৱকজনৰ তেওঁৰ ওপৰত অলপো দয়া নুপজিল। জামিদ খঙত জ্বলি উঠিল। এনেকুৱা দৃশ্য দেখি সি ৰ'ব নোৱাৰিলে। দেখাৰ লগে লগে বাহিৰলৈ ওলাই আহিল আৰু যুৱকৰ ওচৰলৈ আহি ক'লে, বুঢ়াজনক কিয় মাৰিছা, ভাই? তোৰ এখেতলৈ দয়া নুপজিল?

যুৱক ঃ ইয়াৰ মুৰ্গীয়ে ঘৰত সোমাই মোৰ গোটেই ঘৰটো লেতেৰা কৰিলে।

জামিদ ঃ তেতিয়াহ'লে তেওঁ মুৰ্গীবোৰক শিকাই দিছিল যে তোমাৰ ঘৰটো লেতেৰা কৰিবলৈ?

বৃদ্ধ ঃ খুদা বন্দী, মই তো মুৰ্গীবোৰক ঘৰত বান্ধি ৰাখিছিলো। আজি ভুল হৈ গ'ল। কৈছো, মহাজন ভুল ক্ষমা কৰি দিয়া, কিন্তু নামানে। মহাশয় মোক মাৰি মাৰি আধামৰা কৰিলে?

যুৱক ঃ এতিয়াও মৰা নাই, এতিয়া মাৰিম, খান্দি কবৰ দিম।

জামিদ ঃ খান্দি কবৰ দিবি ভাই সাহব তেতিয়া তইয়ো এনেকৈ নাথাকিবি। বুজিছ? যদি হাত তোল, তেতিয়া ভাল নহ'ব।

ডেকা ল'ৰাৰ তেজৰ জোৰ আছিল। সি পুনৰ বৃদ্ধজনক মাৰিবলৈ উদ্যত হ'ল। কিন্তু মৰাৰ আগতেই জামিদে তাৰ ডিঙিত ধৰিলে। দুয়োজনৰ মাজত মল্লযুদ্ধ হ'ল। জামিদ আটিয়াল আছিল। ডেকা ল'ৰাটোক মাটিত বগৰাই দিলে। তেতিয়া সি চিট খাই পৰি গ'ল। সি বাগৰি পৰাত ভকতসকলে, যিসকলে মন্দিৰত বহি কাজিয়া চাই আছিল, দৌৰি আহিল আৰু জামিদক চাৰিওফালৰ পৰা মাৰিবলৈ ধৰিলে। জামিদে বুজি পোৱা নাছিল যে মানুহে তেওঁক কিয় মাৰিছে। কোনেও একো সোধা নাই। তিলক লোৱা যুৱকজনকো কোনেও একো সোধা নাই। বচ, যি



আহিছে, গোৰ, ঔ কিল মাৰিছে। শেষত সি বেহুচ হৈ পৰি গ'ল। তেতিয়া মানুহবোৰে কথা পাতিবলৈ ধৰিলে।

ছল কৰিলে।

ছয়তানৰ জাত। কেতিয়াও ম্লেছৰ পৰা ভাল আশা কৰিব নোৱাৰি। কাউৰীয়ে কাউৰীৰ লগতহে মিলিব। বদমাচ যেতিয়া মৰিব, বদমাচক কোনোৱে নোসোধে, মন্দিৰ চাফা কৰিছিল। গাত কাপোৰ নাছিল, আমি তাক সন্মান কৰিছিলো, জন্তুৰ পৰা মানুহ বনালো, তথাপিও নিজক পাহৰিব নোৱাৰিলে।

ইয়াৰ ধৰ্মৰ মূল এইটোৱেই।

জামিদে গোটেই ৰাতিটো ৰাস্তাৰ কাষত বিষত কেঁকাই থাকিল, সি মাৰ-কিল খোৱাত দুখ পোৱা নাছিল। এনেকুৱা যন্ত্ৰণা সি কিমান বাৰ ভুগিছে। তাৰ দুখ আৰু আশ্চৰ্য কেৱল এইকাৰণেই যে এই মানুহবোৰে মোক কিয় এদিন ইমান সন্মান কৰিছিল আৰু কিয় অকাৰণত ইমান দুৰ্গতি কৰিলে? তেওঁলোকৰ ইমান আত্মীয়তা ক'লৈ গ'ল। মইতো ইয়াতে আছো। মই কোনো অপৰাধ কৰা নাছিলো। মই সেইয়াই কৰিছিলো, যিকোনোৱেই এনে সময়ত কৰা উচিত, পুনৰ এওঁলোকে মোক কিয় অত্যাচাৰ কৰিলে? দেৱতাসকল কি ৰাক্ষস হৈ গ'ল।

সি গোটেই ৰাতিটো এনে দোধোৰ-মোধোৰ অৱস্থাত থাকিল। ৰাতিপুৱাই উঠি সি অন্যফালেদি আগবাঢ়িল। জামিদে কিছু আগবাঢ়িছিলহে সেই বৃদ্ধজনক লগ পালে। সি দেখিয়েই ক'লে

খুদাকচম, তুমি কালি মোৰ জীৱনটো বচালা। শুনিছো অপৰাধীগালে তোমাক বেয়াধৰণে মাৰিলে। মইতো সুবিধা পায়েই পলালো। এতিয়ালৈকে ক'ত আছিলা। ইয়াৰ মানুহবোৰে ৰাতিয়েই তোমাক লগ পাবলৈ অপেক্ষা কৰি আছে। কাজী চাহাবে ৰাতিয়েই তোমাক বিচাৰি গৈছিল, কিন্তু তোমাক নাপালে। যোৱাকালি আমি দুয়ো অকলশৰীয়া হৈছিলো। শত্ৰুৱে আমাক মাৰিলে। নামাজৰ সময় আছিল, তেতিয়া সকলো মছজিদতে আছিল, যদি অলপ উমান পালেহেঁতেন, তেতিয়া এহেজাৰ লাঠি লৈ পালেগৈহেঁতেন। তেতিয়া গম পালেহেঁতেন । আল্লাৰ কচম, কাজী চাহাবে কৈছে, যদি বদমাচটোক দেখা পোৱা, তেতিয়া তুমি আহি মোক ক'বা। হয়তো ল'ৰাটোৱে ঘৰ-বাৰী এৰি যাব লাগিব নতুবা হাত-মূৰ গুৰি কৰি দিব।

জামিদক লৈ সেই বৃদ্ধজনে কাজী জোৱাবৰ হুছেইনৰ ওচৰলৈ লৈ গ'ল। কাজী চাহাবে (নামাজ পঢ়াৰ আগতে হাত মুখ ধোৱা কাম) কৰি আছিল। জামিদক

দেখিয়েই দৌৰি আহি সাৰটি ধৰিলে আৰু ক'লে ৱল্লাহ। তোমাকেই বিচাৰি আছিলো। তুমি অকলেই ইমানবোৰ বদমাচক শিক্ষা দিলা। কিয় নহ'ব , মেনানিৰ তেজহে। বদমাচবোৰৰ উদ্দেশ্য কি? শুনিছো, তেওঁলোকে তোমাক শুদ্ধ কৰিছিল, কিন্তু তুমি তেওঁলোকৰ উদ্দেশ্যক বিফল কৰি দিলা। ইছলামত এনেকুৱা সেৱকৰহে আৱশ্যক। তোমাৰ নিচিনাৰ দুখীয়াৰ প্ৰতি দয়াশীলৰ বাবেই ইছলামৰ নাম উজ্জ্বল। ভুল ইয়াতেই হ'ল তুমি এমাহৰ পৰা আল্লাৰ নাম লোৱা নাই। বিবাহ হৈ যোৱাহেঁতেন, ভাল আছিল। এগৰাকী নাজনীনক লগত লৈ অহাহেঁতেন আৰু সম্পতিৰ পৰা মুক্ত হ'লাহেঁতেন। তুমি উজ্জ্বলাই দিলা।

দিনটো ভক্তসকলৰ শাৰী লাগিল। জামিদক এবাৰ চকুৰে চোৱাৰ হেঁপাহ সকলোৰেই আছিল। সকলোৱে তাৰ সাহস,শক্তি আৰু ধাৰ্মিকতাৰ প্ৰশংসা কৰিছিল। ৰাতি হৈছিল। দৰ্শনাৰ্থীৰ ভিৰ কম হৈ পৰিল। জামিদে কাজী চাহাবৰ পৰা ধৰ্মগ্ৰন্থ পঢ়িবলৈ ধৰিলে। তেখেতে তাৰ কাৰণে তেখেতৰ কোঠাৰ ওচৰতে কোঠা এটা খালী কৰি দিলে। সি কাজী চাহাবৰ পৰা শিক্ষা লৈ আহিল আৰু শুবলৈ গৈছিলহে মাত্ৰ হঠাতে তাৰ দুৱাৰৰ ওচৰত কাৰোবাৰ পদৰ শব্দ শুনিবলৈ পালে। কাজী চাহাবৰ মুৰীদ তেখেতৰ ওচৰলৈ আহি থাকে। জামিদে ভাবিলে কোনোবা মুৰীদ আহিছে হ'ব পায়। তললৈ আহি দেখিলে এগৰাকী তিৰোতা তাংগাৰ পৰা নামি বাৰান্দাত ৰৈ আছে আৰু তাংগাৱালা জনেও বস্তু বাহনি নমাইছে।

মহিলা গৰাকীয়ে ইফালে-সিফালে চাই ক'লে - নহয়, মোৰ মনত আছে, এইতো তেখেতৰ ঘৰ নহয় নিশ্চয় তুমি পাহৰি গ'লা।

তাংগাৱালা ঃ আপুনিতো নামানে। কৈছে বাবু চাহাবে ঘৰটো বদলি কৰিছে। ওপৰলৈ বলা।

তিৰোতাগৰাকীয়ে কিছু সময় ৰৈ ক'লে নামাতা কিয়? মাতাচোন?

তাংগাৱালা ঃ এ চাহাব, কিয় মাতিব লাগে, যেতিয়া জানোৱেই যে চাহাবৰ ঘৰ এইটোৱেই, তেতিয়া এনেয়ে চিঞৰিলে কি লাভ হ'ব? বেচেৰাই আৰাম কৰি আছে হব পায়। আৰামত বাধা আহিব। আপুনি নিশ্চিত হৈ থাকক, বলক ওপৰলৈ বলক।

তিৰোতাগৰাকী ওপৰলৈ উঠি গ'ল। পাছে পাছে তাংগাৱালাই বস্তু-বাহানি লৈ গ'ল। জামিদে মনে মনে তলতেই থিয় হৈ থাকিল। এই ৰহস্যৰ বিষয়ে সি বুজিব নোৱাৰিলে।

তাংগাৱালাৰ মাত শুনাৰ পাছতেই কাজী চাহাবে চটখনলৈ ওলাই আহিল



আৰু এগৰাকী তিৰোতা অহা দেখি কোঠাটোৰ খিড়িকি চাৰিওফালে বন্ধ কৰি খাপত ভৰাই থোৱা তৰোৱাল উলিয়ালে আৰু দুৱাৰখনৰ ওচৰলৈ আহি থিয় হৈ ৰ'ল।

তিৰোতাগৰাকীয়ে মানুহ থকা নিশ্চিত হৈ চটখনত ভৰি থৈয়েই কাজী চাহাবক দেখি খঙত উতলা হৈ গ'ল। তাই লগে লগে ঘূৰি যাবলৈ বিচাৰিছিল যদিও কাজী চাহাবে থাপ মাৰি তাইৰ হাতত ধৰিলে আৰু নিজৰ কোঠাটোলৈ টানি লৈ গ'ল। সেই সময়তে জামিদ আৰু তাংগাৱালা, এই দুয়োজনেই ওপৰলৈ আহিল। জামিদে এই দৃশ্যটো দেখি বৰ আচৰিত হ'ল। এই ৰহস্যটো আৰু ৰহস্যময় হৈ পৰিল। এই বিদ্যাৰ সাগৰ, এই ন্যায়ৰ ভাণ্ডাৰ, এই নীতি, ধৰ্ম আৰু দৰ্শনৰ ঠাইত এই সময়ত এগৰাকী মহিলাৰ ওপৰত তেওঁ ঘোৰ অত্যাচাৰ কৰিছে। তাংগাৱালাৰ লগত সিও কাজী চাহাবৰ কোঠালৈ সোমাই গ'ল। কাজী চাহাবে তিৰোতাগৰাকীৰ দুয়োখন হাতত ধৰি আছিল। তাংগাৱালেজনে দুয়োখন দুৱাৰ বন্ধ কৰি দিলে।

মহিলাগৰাকীয়ে তাংগাৱালাৰ ফালে চাই খঙেৰে ক'লে, “তই মোক ইয়ালৈ কিয় লৈ আহিছিলি?”

কাজী চাহাবে তাংগাৱালাক দেখুৱাই ক'লে, “প্ৰথমে মনে মনে বহি থাকা, সকলোবোৰ বুজি পাবা।”

তিৰোতা ঃ তোমাকতো মোৰ এগৰাকী মৌলবী যেন লাগিছে। কি তোমাক খুদাই এইয়াই শিকাইছে যে অন্য বোৱাৰীক জবৰদস্তি ঘৰত বন্দী কৰি তেওঁলোকৰ শীলতা হানি কৰিবা?

কাজী ঃ হয়, খুদাৰ এইয়াই আদেশ যে অন্য ধৰ্ম অনুগামীক যি ধৰণে সুবিধা হয়, ইছলাম ধৰ্মত দীক্ষিত কৰা।

তিৰোতা ঃ এই ধৰণে যদি কোনো লোকে তোমাৰ বোৱাৰী ছোৱালীক ধৰি অন্য ধৰ্মত ধৰ্মান্তৰিত কৰে, তেতিয়া?

কাজী ঃ হৈ আছে। যেনেকৈ তুমি আমাৰ লগত কৰিবা সেই ধৰণে আমিও তোমাৰ লগত তেনে ব্যৱহাৰেই কৰিম। পুনৰ আমিতো ধৰ্মহীন নকৰো, কেৱল নিজৰ ধৰ্মলৈ আনিম। ইচলাম ধৰ্ম গ্ৰহণকৰিলে সন্মান বাঢ়িবহে, নকমে। হিন্দু সম্প্ৰদায়ে আমাক শেষ কৰিবলৈ সংকল্প লৈছে। তেওঁ এই অঞ্চলৰ পৰা আমাৰ চিন মোকাম নাইকিয়া কৰিব বিচাৰিছে। ছলেৰে, লোভেৰে, কঠোৰ হাতেৰে মুছলমানক নিপাত কৰিব বিচাৰিছে, তেতিয়া মুছলমান হাত সাৱটি বহি থাকিব।

তিৰোতা ঃ হিন্দুৱে কেতিয়াও এনে অত্যাচাৰ কৰিব নোৱাৰে। সম্ভৱত ঃ, তোমালোকৰ অত্যাচাৰত অসন্তুষ্ট হৈ নিম্ন বৰ্গ লোকে এইধৰণে প্ৰতিশোধ ল'ব বিচাৰিছে হ'ব পায়, কিন্তু এতিয়াও কোনো প্ৰকৃত হিন্দুৱে এইবোৰ পচন্দ নকৰে।

কাজী চাহাবে অলপ সময় চিন্তা কৰি ক'লে, " নিশ্চিত প্ৰথমে এই অত্যাচাৰ মুছলমানৰ বদমাচসকলে কৰিছিল। কিন্তু ভদ্ৰলোকৰ এনেধৰণৰ অত্যাচাৰক বেয়া পাইছিল আৰু নিজৰ অন্যায়ক বাধা দিববৈ চেষ্টা কৰিছিল। সঁচা আৰু শিষ্টাচাৰৰ যুক্তিৰে কিছুদিনলৈ এই দাদাগিৰি নিশ্চয় শেষ হ'ব, কিন্তু এতিয়া গোটেই হিন্দু সম্প্ৰদায়ে আমাক শেষ কৰিবলৈ ধৰিছে। পুনৰ আমাৰ বাবে আৰু কি পথ আছে? আমি দুৰ্বল এইকাৰণেই আমি উপায়হীন হৈ নিজকে ৰক্ষা কৰিবলৈ জোৰ-জবৰদস্তিৰে কাম কৰিব বিচাৰিছো, কিন্তু তুমি ইমান ভয় খাইছা কিয়? তোমাৰ ইয়াত একোৰেই কষ্ট নহ'ব। ইছলাম লোকে তিৰোতাৰ স্বাধীনতাক যিমান সন্মান কৰে, সেইদৰে কোনো ধৰ্মৰ অনুগামীয়ে নকৰে। আৰু মুছলমান পুৰুষে নিজৰ ঘৈনীয়েকৰ বাবে জীৱনো উৎসৰ্গা কৰে। মোৰ এই ডেকা বন্ধু (জামিদ) তোমাৰ ওচৰত থিয় হৈ আছে, ইয়াৰ লগত তোমাৰ নিকাহ কৰা হ'ব। বচ্ আৰামেৰে জীৱনটো পাৰ কৰা।

তিৰোতা ঃ মই তোমাক আৰু তোমাৰ ধৰ্মক ঘৃণনীয় বুলি ভাবিছো। তুমি কুকুৰ। ইয়াৰ অন্য নাম তোমাৰ নাই। কল্যাণ ইয়াতেই আছে মোক যাবলৈ দিয়া, নহ'লে মই এতিয়া হুলস্থুল কৰিম আৰু তোমাৰ মৌলবীধাৰী চৰিত্ৰ সকলোৱে জানিব।

কাজী ঃ যদি তুমি চিএৰ - বাখৰ কৰা তেতিয়া তোমাৰ জীৱনৰ সংশয় আহিব। বচ্ এইয়া বুজি লোৱা।

তিৰোতা ঃ ধৰ্ম পৰিৱৰ্তনৰ ওচৰত জীৱনটো মূল্যহীন। তুমি মোক হত্যা কৰিব পাৰা, কিন্তু ধৰ্ম পৰিৱৰ্তন কৰাব নোৱাৰা।

কাজী ঃ কিয় ব্যৰ্থ জিদ কৰিছা?

তিৰোতাজনীয়ে দুৱাৰৰ ওচৰলৈ আহি ক'লে, "মই কৈছো, দুৱাৰ খুলি দিয়া।"

জামিদে এই সময়লৈকে মনে মনে থিয় হৈ আছিল। যেতিয়াই তিৰোতাজনীয়ে দুৱাৰৰ ফালে আগবাঢ়িল আৰু কাজী চাহাবে তাইৰ হাতত ধৰি টানি আনিলে, জামিদে লগে লগে দুৱাৰখন খুলি দিয়ে আৰু কাজী চাহাবক ক'লে, "তাইক এৰি দিয়ক।"



কাজী ঃ কি কৈছে?

জামিদ ঃ একো কোৱা নাই। ভাল হ'ব তাইক এৰি দিয়ক।

কিন্তু তেতিয়াও কাজী চাহাবে সেই মহিলাগৰাকীৰ হাতখন এৰি দিয়া নাছিল আৰু তাংগাৱালাজনেও তাইক ধৰিবলৈ আগবাঢ়িল, তেতিয়া জামিদে এক গটা মাৰি কাজী চাহাবক আঁতৰাই দিলে আৰু সেই তিৰোতাগৰাকীৰ হাতত ধৰি কোঠাৰ পৰা ওলাই আহিল। তাংগাৱালাই পিছফালে টানিছিল, কিন্তু জামিদে তাক ইমান জোৰেৰে গতিয়ালে যে সি তললৈ মুখ কৰি পৰিল। তৎক্ষণাত জামিদ আৰু তিৰোতাগৰাকী ৰাস্তা পালেগৈ।

জামিদ ঃ আপোনাৰ ঘৰ কোনটো এলেকাত?

তিৰোতা ঃ অহিয়াগঞ্জত। ইয়াতকৈ আৰু কি উপকাৰ কৰিব। মই আপোনাৰ এই উপকাৰক কেতিয়াও নাপাহৰো। আপুনি আজি মোৰ সন্মান বচালে, নহ'লে মোৰ একোৰেই নাথাকিলেহেঁতেন। মই এতিয়া বুজি পালো যে ভাল আৰু বেয়া সকলোতে আছে। মোৰ পতিৰ নাম পণ্ডিত ৰাজকুমাৰ।

সেই সময়ত এখন টাংগা ৰাস্তাইদি আহি আছিল। জামিদে তিৰোতাগৰাকীক উঠাই নিজেও বহিবলৈ লৈছিলহে, ওপৰৰ পৰা কাজী চাহাবে জামিদলৈ লাঠি দলিয়াইছিল আৰু লাঠিডাল টাংগাত লাগিলহি। জামিদে টাংগাত বহিল আৰু টাংগাখন যাবলৈ ল'লে।

অহিয়াগঞ্জত পণ্ডিত ৰাজকুমাৰ ঘৰ বিচাৰিবলৈ দেৰি নালাগিল। জামিদে যেতিয়াই মাত লগালে, সি চক খাই বাহিৰলৈ আহিল আৰু তিৰোতাজনীলৈ চাই ক'লে, "তুমি ক'ত আছিলা ইন্দিৰা? মই তোমাক ষ্টেচনৰ ক'তো দেখা নাপালো, মোৰ গৈ পোৱাত অলপ দেৰি হৈছিল। তোমাৰ ইমান দেৰি ক'ত হ'ল?"

ইন্দিৰাই ঘৰৰ ভিতৰলৈ সোমাই ক'বলৈ ধৰিলে, "বৰ দীঘলীয়া কথা, অলপ আৰাম কৰি ল'বলৈ দিয়ক, তেতিয়া ক'ম। বচ, ইমানেই বুজক যে আজি যদি এই মুছলমানজনে মোক সহায় নকৰিলেহেঁতেন, সন্মানো নাথাকিলেহেঁতেন।"

পণ্ডিতে সম্পূৰ্ণ কথা শুনিবলৈ ব্যাকুল হৈ পৰিল। ইন্দিৰাৰ পাছে পাছে তেওঁ ঘৰৰ ভিতৰলৈ সোমাই গ'ল, কিন্তু অলপ সময়ৰ পাছত বাহিৰলৈ আহি জামিদক ক'লে, "ভাইচাহাব, যদি আপুনি আড়ম্বৰ বুলি ভাবিব পাৰে, কিন্তু মই আপোনাক এইসময়ত ইষ্টদেৱ দৰ্শন দেখিছো। মোৰ কথাত ইমান শক্তি নাই যে আপোনাক কিদৰে কৃতজ্ঞতা জ্ঞাপন কৰো। আহক, বহক।"

জামিদ ঃ নাই, নাই এতিয়া মোক আদেশ দিয়ক।

পণ্ডিত ঃ মই আপোনাৰ উপকাৰ পৰিশোধ কেনেকৈ কৰিব পাৰিম।

জামিদ ঃ ইয়াৰ পৰিশোধ ইয়েই হ'ব যে, এই দুষ্টতাৰ প্ৰতিশোধ কোনো দুখীয়া মুছলমানৰ পৰা নল'ব, মোৰ আপোনাৰ ওচৰত এয়ে নিবেদন।

এইবুলি কৈ জামিদ যাবলৈ ধৰিলে আৰু এই অন্ধকাৰ ৰাতিৰ নিস্তব্ধতাত চহৰৰ বাহিৰলৈ ওলাই গ'ল। সেই চহৰৰ বিষাক্ত বায়ুত উশাহ লৈ তাৰ ব্যক্তিত্বত বাধক হৈছিল। সি যিমান সোনকালে পাৰে চহৰৰ পৰা নিজৰ গাঁওখন পাব বিচাৰিছিল, য'ত ধৰ্মৰ নাম সহানুভূতি, প্ৰেম আৰু সৌহাদ্য আছিল। ধৰ্ম আৰু ধাৰ্মিক মানুহৰ ওপৰত তাৰ ঘৃণা উপজিছিল।

❖❖❖

---

*২০১২-১৩ চনত প্ৰকাশিত।*



# জীৱন দান

শুভ্ৰতা দত্ত

"বহুত দিনৰ মূৰত এনেদৰে হাতত সময় লৈ বজাৰলৈ বুলি ওলাই অহা হৈছে নহয়নে? ঐ আজি ৰাতিৰ সাজ ৰেষ্টোৰাতে খাই যাও ব'ল।"

"সেইবুলি আজিও বিলৰ পইচা আপোনাক ভৰিবলৈ দিয়া নহয় কিন্তু, আগেয়ে কৈ থ'লো।"

কেৰাহিকৈ অঙ্গনালৈ চাই শেৱালিয়ে তাইৰ কথাষাৰৰ সহমত এইবুলি দিলে।

দুয়ো হাঁহি ৰেষ্টোৰাত সোমাই দেখে টেবুল এখনো খালী নাই। দুয়ো ওলাই যাব লওঁতেই মেনেজাৰজনে তেওঁলোকক টেবুল খালী হোৱাৰ কথা জনাবলৈ মাত লগালে আৰু টেবুলখনৰ ওচৰলৈ আগবঢ়াই দিলে। তেনেতে খৰখেদাকৈ টেবুল চাফা কৰি থকা ল'ৰাটোৰ হাতৰ পৰা এটা গিলাচ তলত পৰি টুকুৰা - টুকুৰ হ'ল। মেনেজাৰে তাক টানি নি খুউব বেয়াকৈ গালি শপনি পাৰিলে। 'ক্ষমা কৰি দিয়ক মোক ছাৰ' বুলি হাতযোৰ কৰা শান্ত, সৰল যেন লগা সেই কণমানি ল'ৰাটিৰ মুখখন ৰ' লাগি চাই ৰ'ল শেৱালিয়ে আৰু দুচকুত ভাঁহি আহিল তাইৰ অতীত।

"নালাগে বুলি কৈছো নহয়, ক'লে বুজি নাপাওঁ মই কি মৰি গৈছো?"

শেৱালিৰ মাকে বাৰে পতি শেৱালিক কৰি থকা প্ৰতিবাদৰ ওপৰত এইবাৰ অলপ টানকৈয়ে ক'লে।

কিন্তু শেৱালিৰ কি দোষ। বিদ্যালয়ৰ পৰীক্ষাৰ বাবে মাচুল দিব নোৱাৰাত এইবাৰ তাইক পৰীক্ষাত বহিবলৈ দিয়া নহ'ব বুলি কাৰ্যালয়লৈ মাতি প্ৰধান শিক্ষকে সকিয়াই দিছে। বাপেক ঢুকোৱাৰ পিছৰে পৰা ঘৰ-বাৰী খুৰাকহঁতে হাত কৰিলে। মাকে আনৰ ঘৰে ঘৰে কাম কৰি যি দুপইচা পাই,সেয়াৰে দুবেলা দুমুঠি খাবলৈকে কেতিয়াবা নাটে। তেনে ক্ষেত্ৰত মাকক পৰীক্ষাৰ মাচুল দিয়াৰ সময় হোৱাৰ কথা মনত পেলাই দিয়াৰ ইচ্ছা তাইৰ নাই। গতিকে তাই পুনৰ মাকক ক'লে,

"মা, ইতিমধ্যে আমাৰ লগৰ জিলমিলক এই বিষয়ে সুধিছো। তাইৰ দূৰ সম্পৰ্কীয় মামাক-মামীয়েক হয়, কিন্তু বৰ মৰমীয়াল। কামৰ বিনিময়ত তেওঁলোকে মোক তেওঁলোকৰ লগতে ৰাখিব আৰু বিদ্যালয়ৰ মাচুলো ভৰিব।"

"বিদ্যালয়ৰ মাচুলো ভৰিব।" যেন এই তিনিটা শব্দহে কেৱল মাকৰ কাণত পৰিল। আৰু হয়তো এই তিনিটা শব্দৰ মিছা কথাৰ আশ্ৰয় ল'বলগীয়া হোৱাত তাই মাকৰ ফালে চাব নোৱাৰা হৈ পৰিছিল। চকুত স্পষ্ট হৈ জিলিকি থকা সেই অসত্যক মচিবলৈকে যেন তাইৰ দুচকু চকুলোৰে ভৰি পৰিছিল।

দিনৰ পিছত দিন পাৰ হ'ল। প্ৰথমে পোৱা মৰমৰ মাতষাৰো তাই সেই ঘৰত যিমান কাম কৰিলেও নোপোৱা হ'ল।

গৰমৰ বন্ধৰ মাহটো তাই ৰাতিটো মাকৰ লগতে থাকিব বুলি জনালে। হঠাৎ মাকৰ টান জ্বৰ হোৱাত বিচনাৰ পৰা উঠিব নোৱাৰা হ'ল। গোটেই দিনটো মাকৰ লগতে পাৰ হ'ল। পিছদিনা দৰৱৰ শেষ হোৱা দেখি তাই বন কৰা ঘৰত কিছু পইচা বিচাৰিলে, কিন্তু দুপইচাৰ বাবদএদিন নহাৰ বাবে কথা শুনিবলগীয়া হ'ল। প্ৰয়োজনৰ মূল বুজি নোপোৱাত তাই খঙত কৰা তৰ্কৰ পৰিণতি হ'ল গালি-শপনি আৰু এষাৰ শেষ কথা - 'তোৰ আৰু কামত অহাৰ দৰকাৰ নাই। তোৰ দৰে আৰু বহুত বন কৰা ছোৱালী পাম।'

হঠাতে যেন সকলো শেষ হৈ গ'ল। অজ্ঞাতভাৱে আহি পৰি ৰ'ল মাকৰ বিচনাত। ক'ব নোৱাৰাকৈয়ে তাই ইমান দিনে মিছা হাঁহিৰ আশ্ৰয় লৈ কৰি থকা সকলো অভিনয়ৰ কথা মুখৰ পৰা ওলাই গ'ল। মাকক সাৱটি এইবাৰ তাই ইমানদিনে চেপি ধৰি থকা সমস্ত ক্ৰন্দন যেন বাহিৰ কৰি পেলালে।

কি হ'ল এয়া???

মাকৰ ধপ্‌ধপ্‌নি!!

ক'তা! মাকৰ উশাহৰ উঠা নমাবোৰ তাই অনুভৱ কৰিব পৰা নাই দেখোন। "নাই এয়া হ'ব নোৱাৰে। হ'ব নোৱাৰে এয়া।



মা....

এক ভয়ানক কান্দোনৰ আৰ্তনাদ!

"শেৱালি, কি চিন্তা কৰি আছ? ন'কলি যে কি ল'বি?"

অঙ্গনাই কৰা প্ৰশ্নত তাই যেন বৰ্তমান সময়লৈ ঘূৰি আহিল। খাই বৈ দুয়ো ঘৰলৈ বুলি খোজ ল'লে।

"এতিয়া শোৱাহে কাম"।

অঙ্গনাই ধেমালিৰ সুৰত কথাটো কৈ বিচনাত বাগৰ দিলে। শেৱালিয়ে ইতিমধ্যে অতীতলৈ পুনৰ ঘূৰি গৈছিল। অঙ্গনাৰ কথাষাৰ কাণত পৰাত তাই একো নকৈ কেৱল ভাবিলে, অঙ্গনাক বাইদেউ হিচাবে পাই সঁচাই কি ভাগ্য তাইৰ। অঙ্গনাৰ গাড়ীৰ সন্মুখত পৰি তাইৰ দুৰ্ঘটনাটো নোহোৱা হ'লে তাই হয়তো অঙ্গনাৰ নিচিনা এগৰাকী বাইদেউ কেতিয়াও নাপালেহেঁতেন। নিজৰ ঘৰতে ৰাখি মেট্ৰিক পাছ কৰাৰ পিছত কলেজত নাম লগাই দিয়াৰ পৰা ঘৰৰ ওচৰৰে বিদ্যালয়ত শিক্ষকতাৰ চাকৰিটোত সোমোৱাই দিয়ালৈকে ... কি কৰা নাই তেখেতে? হয়তো ঘৰৰ পৰা দূৰত থাকি কৰিবলগা হোৱা চাকৰিটোৱে অঙ্গনাক সৰুতেই মাক-দেউতাকক হেৰুওৱা ছোৱালীজনীৰ দুখ হৃদয়াঙ্গম কৰাইছে। কেনেদৰে শুজিব বাৰু তাই, তেজৰ একো সম্পৰ্ক নথকা স্বত্ত্বেও তেজৰ সম্পৰ্কতকৈও বহুত বেছি মূল্যৱান এই বায়েক-ভনীয়েকৰ সম্পৰ্কই তাইক দিয়া এক নতুন জীৱনৰ দান।

❖❖❖

---

*২০১৪- ১৫ চনত প্ৰকাশিত।*

TINSUKIA COLLEGE LIBRARY
ESTD 1956

# সপোন আৰু এচেৰেঙা ৰ'দালি

চন্দনা শইকীয়া

**স**ময়বোৰ পাখিলগা কাঁড়ৰ দৰে। কেতিয়া যে বাৰ্ধক্য আহি নিমিষাৰ গালত আঁচোৰ মাৰিলেহি , তাইৰ ভাবিবৰ সময়ে নহ'ল। জীৱনটো এনেকুৱাই ছাগে সময়বোৰ বৰ গতিশীল, আজি যেন নিমিষাৰ দেহৰ প্ৰতিটো ৰক্ত কণিকাত গোট মাৰি বৰফ হৈ গৈছে দুখবোৰ। বুকুত হাজাৰ কলীয়া ডাৱৰে অগা-ডেৱা কৰিছে।

বাইদেউ গ্লাচবোৰ উঠাই দিয়ক, A.C চলাই দিও। ড্ৰাইভাৰ ৰমেনৰ মাতত তন্ময়তা ভাগিল তাইৰ। যিহে গৰম, তাতে আকৌ ধূলিৰ উৎপাত। ব্যস্ত চহৰখনৰ মাজেদি সাৱধানেৰে গাড়ী চলাই নিছে ড্ৰাইভাৰে। পিছ ছিটত জীয়েক জিৰিৰ সৈতে নীৰৱে বহি আহিছে নিমিষা, এষাৰো কথা পতা নাই জীয়েকৰ সৈতে। এইকণ সময় যে ফাগুণৰ বৰদৈচিলাতকৈও তীব্ৰতৰ সেয়া দুয়োজনীয়ে বুজি উঠিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুখ্যদ্বাৰতে ৰ'লহি গাড়ীখন, আস!! মসৃণ ৰাস্তাটোৰ দুকাষে থকা নাহৰৰ গছকেইজুপিয়ে দেহত শিহৰণ জগাই তুলিলে। কিছুমান স্মৃতি বৰ যন্ত্ৰণাদায়ক, বিষাক্ত কীটৰ দৰে এফালৰ পৰা দংশন কৰি নিয়ে।

মা, বেগ দুটা নমোৱাত সহায় কৰি দিয়াচোন। তাই জীয়েক জিৰিলৈ সেমেকা হাঁহি এটা মাৰি কাষ চাপি গ'ল। ড্ৰাইভাৰক তাতে ৰ'বলৈ কৈ দুয়ো হোষ্টেল অভিমুখী হ'ল। জিৰিক হোষ্টেললৈ আগবঢ়াই দি চৌহদত থকা বেঞ্চখনত



বহি পৰিল নিমিষা। একমাত্ৰ জীয়েকক ইমান আঁতৰত প্ৰথমবাৰৰ বাবে থ'ব আহি ভাঙি পৰিছিল নিমিষা। নিজৰ অজানিতে তাই অতীতলৈ উৰা মাৰিলে। এৰা তায়ো এদিন বুকুত এবুকু আশা উদ্দীপনা লৈ M.A. কৰিবৰ বাবে ঘৰৰ পৰা ঢাপলি মেলিছিল। ঘৰত সৰুমা বুলি মতা নিমিষা যেন পূৰ্ণ যৌৱনা গাভৰুলৈ বিশ্ববিদ্যালয়ত আহি যেন পৰিণত হৈছিল। চঞ্চলা চপলা নিমিষাৰ সহজতে আনৰ লগত মিলিব পৰা এটা গুণ আছিল। আপোন কৰি ল'ব পাৰিছিল সকলোকে। বিশ্ববিদ্যালয়ৰ বতাহৰ লগত সময়বোৰ যেন মিলি গৈছিল। কেতিয়াযে এটা বছৰ পাৰ হ'ল গমেই পোৱা নাছিল। ঠিক সেইসময়তে চিনাকি হৈছিল ৰুমমেট পিংকীৰ ককায়েক নিয়ৰৰ সৈতে। তেওঁৰ ব্যক্তিত্বৰ আগত নিমিষা যেন সাৰ পাই উঠিছিল। সম্পৰ্কবোৰ নজনাকৈয়ে চাগে আগবাঢ়ে। গোলাপৰ কলিটি যেন এপাহি পূৰ্ণ গোলাপলৈ ৰূপান্তৰিত হৈছিল। সপোনৰ জোৱাৰত উটি ভাঁহি ফুৰিছিল দুয়ো। পূৰ্ণ গতিত আগবাঢ়ি গৈছিল সম্পৰ্কবোৰ ভালপোৱাৰ এনাজৰী চিৰদিনৰ বাবে অটুট ৰাখিবলৈ সংকল্প লৈছিল দুয়ো।

নিয়তিয়ে চাগে এইকণ সুখ সহিব নোৱাৰিলে। মিঠা সপোন দেখুওৱা, আজীৱন একেলগে থাকিম বুলি প্ৰতিশ্ৰুতি দিয়া নিয়ৰক অজান দেশলৈ লৈ গৈছিল, এটি দুৰ্ঘটনাত পতিত কৰায়। আৰু নিমিষা??

নিজকে চম্ভালিব পৰা নাছিল। ঘৰৰ মানুহ, বন্ধু-বান্ধৱীৰ অশেষ কষ্টত তাই স্বাভাৱিক জীৱনলৈ উভতি আহিছিল। আকাশখন যেন মূৰৰ ওপৰত ভাঙি পৰিছিল তাইৰ। ঢুকি নোপোৱা দূৰলৈ কিয় আঁতৰাই নিলে তাক? কিয়?? ভাগৰি গৈছিল তাই। নাই তাই নিয়ৰক সমাধিস্থ কৰিবলৈ নিদিয়ে। তাইৰ বুকুৰ মণিকুঠৰীত জীয়াই ৰাখিব। হাঁহিৰে মৃত্যু জিনিব খোজা নিয়ৰৰ সপোনবোৰ দিঠক কৰিব লাগিব তাই। কলেজ এখনত অধ্যাপিকা হোৱাৰ পাছতে তাই সিদ্ধান্ত লৈছিল বিয়াত নবহো বুলি। ঘৰত তাই সকলো জনাই দিছিল। ককায়েক, মাক-দেউতাকৰ হাজাৰ বুজনিয়েও তাইক সৈমান কৰাব পৰা নাছিল।

অনাথ আশ্ৰমৰ এটি দেৱশিশুক তাই তুলি লৈছিল। সমাজৰ পৰিয়ালৰ কথা নামানি। এটি অনাথ শিশুক তাই মাতৃত্বৰ মৰমেৰে ডাঙৰ কৰিব। মা বুলি সম্বোধন কৰিব মৌ-সনা মাতে। ইয়াতকৈ মানৱীয়তা আৰু নাই বুলি ভাৱে তাই। মাতৃৰ পৰিচয় দি তাই জিৰিক, নিয়ৰে সপোন দেখুওৱাৰ দৰেই তুলি তুলি ডাঙৰ কৰিছিল, সত্ৰীয়া নৃত্যত নাম লগাই দিছিল। দেউতাকৰ সকলো মৰম দিবলৈ চেষ্টা কৰিছিল। ইংৰাজী মাধ্যমৰ বিপৰীতে অসমীয়া মাধ্যমত পঢ়াইছিল। নিজৰ মাতৃভূমিক

শ্ৰদ্ধা কৰিবলৈ শিকাইছিল। ঠিক নিয়ৰে বিচৰাৰ দৰে সৰুতে দেউতাকৰ কথা সোধোতে নীৰৱ হৈ গৈছিল তাই। জিৰিক বুকুত সোমোৱাই হেঁপাহ উজাৰি কান্দিছিল।

মেট্ৰিক পৰীক্ষা দিয়া আগত সকলো খুলি কৈছিল জিৰিক। এনেকুৱা এগৰাকী মহানুভৱতা থকা নাৰীক জিৰিয়ে মা বুলি মাতিবলৈ পাই যেন ধন্য হৈছিল। সুখ্যাতিৰে উত্তীৰ্ণ হৈ অহা জিৰিয়ে আজি অসমীয়া বিভাগত উচ্চশিক্ষাৰ বাবে ভৰ্তি হ'বলৈ বিশ্ববিদ্যালয়ত ভৰি দিলেহি। সকলোবোৰ চোন নিমিষতে চকুৰ আগতে হৈ যোৱা যেন অনুভৱ হয়। প্ৰথমবাৰ মা বুলি মতা জিৰিয়ে, ৰাতি দুপৰ নিশালৈ জিৰিৰ বেমাৰত পৰ দি থকা, নাখাওঁ বুলিলে মৰমত নিজ হাতে খুৱাই দিয়া।

ক'ব নোৱাৰাকৈয়ে নিমিষাৰ দুগাল যেন বাৰিষাৰ ধল হৈ বৈছিল। জিৰি কেতিয়া আহি তাইৰ সন্মুখত থিয় হৈ আছিল তত্‌কে ধৰিব নোৱাৰিলে। লেটা এটাৰ দৰে কুচি মুচি মাকৰ বুকুৰ মাজলৈ সোমাই আহিল। এগৰাকী মাতৃৰ মৰম চেনেহে প্ৰতিটি সন্তানক দুৰ্বল কৰি তোলে। মাতৃ প্ৰেম অমৰ। মা শব্দটোৱেই যে আনি দিয়ে স্বৰ্গীয় সুখানুভূতি।

সকলোখিনিয়ে বুজি পায় জিৰিয়ে। কেতিয়াও কোনো দুখ অভাৱৰ সন্মুখীন হ'ব দিয়া নাছিল তাইক। তাই মনে মনে সংকল্প ল'লে তাই কেতিয়াও মাকৰ অবিচাৰ মতে নচলে, নিজতকৈও আপোন মা – জনীক তাই দুখ দিব নিবিচাৰে। মা, মোক এৰি নাযাবা, কৈ জিৰি কান্দি উচুপি উঠিল। নিমিষাও মাতৃৰ উমেৰে তাইক আঁকোৱালি ধৰি কৈ উঠিল – "কেতিয়াও নাযাওঁ জিৰিমা" পাহৰি গৈছিল হোষ্টেলৰ আন আৱাসীৰ কথা। দুচকুৰ আগত যেন মাথো জিৰি আৰু নিয়ৰে থিয় দিছে। বিশ্ববিদ্যালয়ৰ নাহৰ গছ কেইজোপা হালি-জালি সাক্ষী হৈ ৰৈছিল। ৰিব্‌-ৰিব্‌কৈ মলয়া বতাহ ছাটিয়ে পৰিৱেশটো শান্ত কৰি ৰাখিছিল। বিচ্ছেদৰ সময়তো সূৰুযে মৰা হাঁহিৰ দৰে দুয়োৰে মুখত প্ৰশান্তিৰ হাঁহি বিৰিঙি উঠিছিল, এক নতুন মিঠা আমেজত।

COLLEGE LIBRARY * ASSAM
ESTD 1956
TINSUKIA * TINSUKIA

❖❖❖

২০১৪-১৫ চনত প্ৰকাশিত।

